## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/109 | Language of work: Assamese |
| Author (s) / Editor (s): Jolin Goswami | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1976 | Edition: |
| Size: 23½ cms. 81+20+88+10+58+97+14+25 pages | Genre: Magazine |
| Volumes: 33 - 4 issues | Condition of the original: |
| Remarks: Illust.. 1st vol. was published in the year 1927 and has been conting. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

২৪৪৯-৫২/মা
২৬/৩/২০০১

[illegible]

# অসম সাহিত্য সভা পত্ৰিকা

নং ২৪৪৭–৫২/৯০:
তাং ১০/২/৭৭

৩৩শ বছৰ ১ম সংখ্যা জুন, ১৯৭৬

[ ৺বৈকুণ্ঠনাথ চক্ৰৱৰ্তী সোঁৱৰণী সংখ্যা ]

সম্পাদক

**শ্ৰীযতীন গোস্বামী**

অসম সাহিত্য সভা পত্ৰিকা

৩৩শ বছৰ, ১ম সংখ্যা

জুন, ১৯৭৬

সম্পাদক ঃ

শ্ৰীযতীন গোস্বামী

ASAM SAHITYA SABHĀ PATRIKĀ
*Vol. 33   No. 1   June, 1976.*

প্ৰকাশক :
ড: হেমন্তকুমাৰ শৰ্মা
সম্পাদক :
অসম সাহিত্য সভা
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী- ৭৮১০০১

২৪৪৯-৫২/৫৮'


ছপা :
পূৰ্বদেশ মুদ্ৰণ
ৰিহাবাৰী,
গুৱাহাটী- ৭৮১০০৮

বেচ—তিনি টকা মাথোন



## ॥ সূচীপত্ৰ ॥

১। সম্পাদকীয়
২। পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ দেৱৰ স্মৃতিত ॥ ৯ ॥ শ্ৰীগিৰিধৰ শৰ্মা।
৩। বৈকুণ্ঠনাথৰ সোঁৱৰণত ॥ ১৮ ॥ শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী।
৪। কবি বৈকুণ্ঠনাথ চক্ৰৱৰ্তীৰ পবিত্ৰ স্মৃতিত ॥ ২১ ॥ শ্ৰীগুৰুদত্ত ভাগৱতী।
৫। পিঙ্গলেশ্বৰৰ ভুখন তামৰ ফলি ॥ ২৫ ॥ ড: ৰবীনদেৱ চৌধুৰী।
৬। চেৰদুকপেন জনজাতিৰ বিবাহ পদ্ধতি ॥ ৩১ ॥ শ্ৰীয়েছে দৰজে ঠংচি।
৭। শ্ৰীসূৰ্য পাহাৰ ॥ ৩৭ ॥ শ্ৰীগুণীন্দ্ৰ নাথ ভূঞা।
৮। নাট্য ৰস ॥ ৪১ ॥ কুমাৰ কিশোৰ।
৯। সঙ্গীত, চৰিত্ৰ তথা গৰ্ব ॥ ৪৬ ॥ ৺শশীকান্ত গোস্বামী।
১০। শৈৱ ধৰ্ম ॥ ৪৯ ॥ শ্ৰীগোলোকেশ্বৰ বৰুৱা।
১১। ষোড়শ শতিকালৈকে অসমীয়া ভাষা ॥ ৫৭ ॥ শ্ৰীবিশ্বেশ্বৰ হাজৰিকা।
১২ গোলাপ ফুল ॥ ৬৪ ॥ ৰাম গোস্বামী।
১৩। তিৱা (লালুং) জনজাতিৰ চমু পৰিচয় ॥ ৬৯ ॥ শ্ৰীমনেশ্বৰ দেউৰী।
১৪। কাৰ্য নিৰ্বাহক সমিতিৰ কাৰ্য বিৱৰণী ॥ ক—ম ॥



# সম্পাদকীয়

॥ পণ্ডিত বৈকুণ্ঠনাথ চক্রৱৰ্তী ॥

সংস্কৃত সাহিত্য জগতত যিসকলে প্ৰচুৰ অৱদান দি গৈছে সিসকলৰ ভিতৰত আন এটি প্ৰাতঃস্মৰণীয় নাম—বৈকুণ্ঠনাথ চক্ৰৱৰ্তী। ৭৬ বছৰীয়া জীৱনকালৰ প্ৰায় তিনি-চতুৰ্থাংশকাল সংস্কৃতৰ লগতে ভাৰতীয় কেতবোৰ সাহিত্য-সমুদ্ৰ মন্থন কৰাতেই তেখেত ব্যস্ত নাছিল, সেইবোৰ সাহিত্যৰ ওপৰত সংস্কৃতৰ প্ৰভাৱৰ ওপৰতো তেখেতে যথেষ্ট অধ্যয়ন কৰিছিল। অসম সাহিত্য সভাৰ ধুবুৰীত অনুষ্ঠিত উনচল্লিশ অধিবেশনৰ কবি সন্মিলনৰ সভাপতি স্বৰূপে 'প্ৰাচীন অসমীয়া কাব্য সাহিত্যত সংস্কৃতৰ প্ৰভাৱ' শিতানত দিয়া ভাষণত তন্নতন্নকৈ পৰীক্ষা কৰি তেখেতে আমাক আলোচনাৰ এটা নতুন দিশ দৰ্শোৱাই কেৱল নহয়, যুক্তিযুক্ত বিচাৰৰ পথো প্ৰশস্ত কৰি থৈ গ'ল।

বৈকুণ্ঠনাথ নিজেই আছিল প্ৰতিভাশালী কবি আৰু বিশ্লেষক। তেখেতৰ বিশ্লেষণৰ পদ্ধতিও আছিল অনুপম। সংস্কৃত আৰু অসমীয়া উভয়বিধ সাহিত্যতে কবিত্বশক্তিৰ উদাহৰণ দি থৈ গৈছে। ভাগৱত গ্ৰন্থৰ নিচিনা কঠিন সংস্কৃত গ্ৰন্থসমূহ সহজ-সৰল সংস্কৃতলৈ ৰূপান্তৰ কৰাৰ উপৰিও, মূলৰ কথা আৰু সৌন্দৰ্যৰ অলপো হেৰফেৰ আৰু বিঘিনি হ'বলৈ নিদি বৰং অধিক হৃদয়গ্ৰাহী কৰি এই পণ্ডিত গৰাকীয়ে বিশিষ্ট অৱদান দি গৈছে। তেখেতৰ এই গুণ আৰু পাণ্ডিত্যৰ চৰম নিদৰ্শন 'শ্ৰীকৃষ্ণলীলামৃতম্' কাব্য।

ভাৰতৰ পূৰ্বাকাশৰ পৰা এটি উজ্জ্বল তৰা হঠাতে খহি পৰিল। তেখেতৰ বিয়োগত ভাৰতৰ যি ক্ষতি হ'ল, সেই ক্ষতি পূৰাব পৰা নাযাব সঁচা; কিন্তু তেখেতে দি থৈ যোৱা সম্পদসমূহে চিৰকালে ভাৰতীয় চিন্তাবিদ আৰু সাহিত্যকাৰসকলক অনুপ্ৰেৰণা দি থাকিব। তেখেত হৈ থাকিব আমাৰ চিৰ নমস্য।

॥ পুৰাতাত্ত্বিক খনন কাৰ্য ॥

অলপতে ফাৰাক্কা অঞ্চলৰ এক খনন কাৰ্যত হৰপ্পা-কালীন সভ্যতাৰ বহুত মৃন্ময় ভাস্কৰ্য ওলোৱা বুলি এক বাতৰিত প্ৰকাশ পাইছে যদিও এই বাতৰিটোৱে হৰপ্পা সংস্কৃতিৰ লগত এই অঞ্চলৰ সমকালীন সাংস্কৃতিক ধাৰাৰ কোনো সম্বন্ধ দিব পৰা নাই নাইবা, প্ৰাপ্ত সামগ্ৰীসমূহৰ বৈজ্ঞানিক বিচাৰ কেনে ধৰণেৰে কৰা হৈছে তাৰো কোনো খবৰ দিয়া নাই। অলপতে ৰাজস্থানৰ জয়পুৰৰ ৰাজ-কাৰেংৰ তলত গহনা, মুদ্ৰা আদিকে ধৰি সেইকালৰ ধনৰ মূল্যেৰে তিনি হাজাৰ কোটি (এতিয়াৰ মূল্যেৰে ষাঠি হাজাৰ কোটিৰো অধিক) মূল্যৰ সামগ্ৰী খনন কাৰ্যৰ ফলত উদ্ধাৰ হৈছে বুলিও আন এটা বাতৰি ওলাইছে।

ওপৰৰ দুয়োটা বাতৰি প্ৰকৃত পুৰাতাত্ত্বিক অধ্যয়নৰ দৃষ্টিৰে বিবেচনা কৰিব লাগিলে নিশ্চয় সমানে গুৰুত্বপূৰ্ণ নহয় যদিও দুয়োবিধৰ বিচাৰ সমানেই আৱশ্যক। অন্য বিবেচনাৰে চালে প্ৰথমৰ বাতৰিটোহে অধিক তাৎপৰ্যপূৰ্ণ। জনজীৱন, জন-চিন্তা আৰু জন-মানসৰ কথা বিবেচনা কৰি আঢ়ৈ হাজাৰবো অধিক পুৰণি সভ্যতাৰ য'ত চিন্তা আৰু বিশ্লেষণ হ'ব পাৰে তাৰ তুলনাত সৌ সিদিনাৰ এটি ৰাজকাৰেঙৰ তলৰ পৰা লুপ্তধন উদ্ধাৰ হোৱাটো পুৰাতাত্ত্বিক দৃষ্টিত বিশেষ একো ডাঙৰ ঘটনা নহয়।

ফাৰাক্কাত পোৱা বুলি ওলোৱা বাতৰিটোৰ ওপৰতে ভিত্তি কৰি কিছুমান সিদ্ধান্ত হ'ব নোৱাৰে, অথবা প্ৰাপ্ত মৃন্ময়-ভাস্কৰ্যখিনিক আগত ৰাখি কোনো যুগলৈ ততালিকে থেলাথেলি কৰাটোও সমীচীন নহয়। কিন্তু এই কথা ঠিক, যে প্ৰাচীন সভ্যতাৰ নিদৰ্শনৰ সম্ভাৱনা দিব পৰা স্থান হয়তো ভাৰতবৰ্ষত আছে, ধাৰাবাহিক খননকাৰ্যৰ ফলত সেইবোৰো এদিন ওলাবগৈ পাৰে। ভাৰতত বিভিন্ন বিষয় লৈ যিমানবোৰ খনন কাৰ্য হ'ব লাগিছিল তাৰ তুলনাত কৰিব পৰাটো সম্ভৱপৰ নৌ হয় এখোন।

অসমৰ কথা আৰু দুখ লগা। দ-পৰ্বতীয়া উদ্ধাৰ সম্পূৰ্ণ হোৱা নাই। আমবাৰী তেনে অৱস্থাতে থাকিল (খনন কাৰ্য চলি থকা অৱস্থাতে মাটিৰ ওপৰত ঘৰ উঠিল, ইয়াৰ আগতে বহুত প্ৰাচীন মূৰ্তি, শিলাস্তম্ভ মাটিৰ তলত ওলাব ধৰোঁতেই ঠিকাদাৰে পুতি তাৰে ওপৰত চৰকাৰী ভৱন সাজিলে), অসমৰ প্ৰায় আটাইকেইখন জিলাতে মাটি খানোতে সময়ে সময়ে বস্তু-বাহানি ওলাই আছে, অথচ ভালদৰে কোনো ঠাইতে খনন কাম কৰাৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। বৰ্তমান অৰুণাচলৰ কেইটামান অঞ্চল, মেঘালয়ৰ বিশেষকৈ গাৰোপাহাৰৰ কিছু অঞ্চল, ত্ৰিপুৰা আদিৰ কথাও একেই।

খননকাৰ্য এক ব্যয়বহুল কাম। কোনো এক নিৰ্ধাৰিত সময়ৰ ভিতৰতে সাং কৰিব পৰাকৈ খনন কাম আৰম্ভ কৰিব নোৱাৰি, ভাল স্থান বুলি নিৰ্বাচন কৰাৰ পিছতো কেতিয়াবা কেতিয়াবা বিফল মনোৰথো হ'ব লগা হয় আৰু কেতিয়াবা অবিশ্বাস্যভাৱে এনে একোখন ঠাই ওলায় য'ত খনন কাম হাতত লৈ এক বিৰাট উপাদান লাভ কৰিব পৰা যায়। অসমৰ কথা বিবেচনা কৰিবলৈ গলে এইবোৰ কথাৰ ব্যতিক্ৰম কোনোমতে হ'ব নোৱাৰে সঁচা, কিন্তু যি ঠাইত আৰম্ভ কৰিয়ে বিৰাট কৃতকাৰ্য্যতাৰ সম্ভাৱনা দেখা গৈছিল, সেই ঠাইৰ খনন কাৰ্য শেষ নহল (সাময়িকভাৱে স্থগিত আছে?) কিয় সেই প্ৰশ্ন মানুহৰ মুখে মুখে। অথচ আমবাৰীৰ দৰে অসমৰ বহুত অঞ্চল উজ্জ্বল সম্ভাৱনাৰে ভৰি আছে।

# পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ দেৱৰ স্মৃতিত

……………………………………

শ্ৰীগিৰিধৰ শৰ্মা

পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ দেৱ আজি ইহজগতত নাই। কিন্তু তেখেতৰ কৰুণ স্মৃতি আমাৰ বহুতৰে অন্তৰত জাগৰূক হৈ আছে। তৰ্কতীৰ্থ দেৱৰ বিনয় ব্যৱহাৰ, সজ আচৰণ, নিৰ্মল চৰিত্ৰ, উদাৰ মনোভাব আৰু দয়ালু অন্তঃকৰণে সকলোকে মুগ্ধ কৰিছিল। যেয়ে তেখেতৰ সান্নিধ্যলৈ এদিন আহে, তেওঁ তেওঁৰ জীৱনত তৰ্কতীৰ্থক পাহৰিব নোৱাৰে। তেখেত অতি মিষ্টভাষীও আছিল। তেখেতৰ পাণ্ডিত্যৰ কথা, কবি প্ৰতিভাৰ কথা, তাৰ্কিক বিচক্ষণতাৰ কথা অসমৰ তথা বঙ্গদেশৰ বিদ্বজ্জনৰ মাজত বিশেষকৈ সংস্কৃত পণ্ডিত সকলৰ মাজত বিশেষভাৱে জনাজাত। তেখেতৰ পাণ্ডিত্য আৰু কবি প্ৰতিভাৰ প্ৰতি শ্ৰদ্ধা দেখুৱাই অসম সাহিত্য সভাই ঊনচত্বাৰিংশ ধুবুৰী অধিবেশনৰ কবি সন্মিলনৰ সভাপতিৰ পদেৰে তেখেতক বিভূষিত কৰিছিল; আৰু সেই সভাপতিৰ আসনৰ পৰা দিয়া তেখেতৰ গভীৰ তত্ত্বপূৰ্ণ লালিত্যময় ভাষণে শ্ৰোতৃবৰ্গক মুগ্ধ কৰিছিল। তেখেতৰ মৃত্যুৰ পিছত তেখেতৰ বিদেহ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনাবৰ কাৰণে অসম সাহিত্য সভাই এই বছৰৰ সাহিত্য সভা পত্ৰিকাৰ প্ৰথম প্ৰকাশটি 'তৰ্কতীৰ্থ দেৱৰ সোঁৱৰণ' স্বৰূপে প্ৰকাশ কৰিবলৈ স্থিৰ কৰিছে। এই কথাত আমি সকলোৱে পৰম আনন্দ লাভ কৰিছোঁ।

১৩০৭ চনৰ কাতি মাহৰ ৩ তাৰিখ শুক্ৰবাৰে (ইং ১৯০০ খৃষ্টাব্দৰ ১৯ অক্টোবৰ) কৃষ্ণা দ্বাদশী তিথিৰ দিনা কামৰূপ জিলাৰ বালাবনগ্ৰামৰ প্ৰাচীন সম্ভ্ৰান্ত আৰু লব্ধ-প্ৰতিষ্ঠ চক্ৰবৰ্তী পৰিয়ালত পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থৰ জন্ম হয়। তেওঁৰ পিতাকৰ নাম ৺সিদ্ধেশ্বৰ চক্ৰবৰ্তী আৰু মাকৰ নাম ৺ৰজতপ্ৰিয়া দেৱী। সম্ভ্ৰান্ত হলেও উক্ত চক্ৰবৰ্তী পৰিয়ালটিও সেই সময়ত দাৰিদ্ৰ্যৰ হেচাত নিষ্পেষিত হৈ পৰিছিল। তাতে আকৌ বৈকুণ্ঠনাথ সৰু কালতে পিতৃহীন হোৱা বাবে তেওঁৰ ছাত্ৰাবস্থাত বহুকষ্ট বৰণ কৰিবলগীয়া হৈছিল। ফলত তীক্ষ্ণধীসম্পন্ন বৈকুণ্ঠনাথে আধুনিক ইংৰাজী শিক্ষানুষ্ঠানত ভৰ্তি হৈ তেওঁৰ প্ৰতিভা বিকাশৰ সুবিধা পোৱা নাছিল। বুদ্ধিমতী মাকৰ অশেষ চেষ্টাৰ ফলত প্ৰাথমিক শিক্ষা শেষ কৰি সেই সময়ৰ বালাবনগ্ৰামৰ প্ৰখ্যাত পণ্ডিত পঞ্চানন তৰ্কৰত্নদেৱৰ প্ৰভাৱতী টোলত সংস্কৃত পঢ়িবলৈ

লৈছিল। ছাত্ৰাবস্থাত ইংৰাজী নাইবা অসমীয়াৰ বিশেষ অধ্যয়ন কৰাৰ সুবিধা পোৱা নাছিল যদিও পৰবৰ্তী কালত তেওঁৰ নিজ চেষ্টাৰ ফলত কৰ্মজীৱনৰ কাম চলাবৰ যোগ্যতাৰে ইংৰাজী ভাষাও শিকি লৈছিল। অসমীয়া ভাষা-সাহিত্যৰো তেওঁ বিশেষ অধ্যয়ন আৰু চৰ্চা কৰিছিল। সংস্কৃত, অসমীয়া, বঙলা আৰু হিন্দী ভাষাত তেওঁ বক্তৃতা দিব পাৰিছিল আৰু ইংৰাজী ভাষাৰো কাৰ্যকৰী জ্ঞান তেওঁৰ আছিল।

ইংৰাজী স্কুলত পঢ়ি প্ৰতিভা বিকাশৰ সুবিধা পোৱা নাছিল যদিও সংস্কৃত টোলত পঢ়িয়ে বৈকুণ্ঠনাথে কম দিনৰ ভিতৰতে কৃতী ছাত্ৰ হিচাপে যশস্যা লাভ কৰিব পাৰিছিল আৰু ১৯২৪ খৃষ্টাব্দৰ ৰত্নমালা ব্যাকৰণৰ মধ্য পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত সৰ্বোচ্চ স্থান অধিকাৰ কৰি বৃত্তিলাভ কৰিছিল। সেই সময়ত গৌৰীপুৰ ৰাজপৰিয়াল বিদ্যোৎসাহী আৰু পৰম দানশীল আছিল আৰু তেওঁলোকৰ পৃষ্ঠপোষকতাত গৌৰীপুৰ হাইস্কুল আৰু গৌৰীপুৰ তাৰিণীপ্ৰিয়া চতুষ্পাঠী এই দুটি শিক্ষানুষ্ঠানে বিশেষ খ্যাতি অৰ্জন কৰিছিল আৰু নানা ঠাইৰ পৰা ছাত্ৰ আহি তাত অধ্যয়ন কৰিছিল। বিশেষকৈ দুখীয়া মেধাৰী অনেক ছাত্ৰই গৌৰীপুৰ ৰাজপৰিয়ালৰ আশ্ৰয়ত এই দুটি শিক্ষানুষ্ঠানত অধ্যয়ন কৰি নিজক মানুহ হিচাপে গঢ়ি তোলাৰ সুবিধা পাইছিল আৰু সেই কালত গৌৰীপুৰ উচ্চ শিক্ষাৰ এটি কেন্দ্ৰ হৈয়ে পৰিছিল। অসম মাতৃৰ সেই সময়ৰ বহুতো কৃতীসন্তানে গৌৰীপুৰ ৰাজপৰিয়ালক নিজ পৰিয়ালৰূপে জ্ঞান কৰিছিল আৰু কৰ্মজীৱনত কৃতজ্ঞতাৰে সুঁৱৰিছিল।

গৌৰীপুৰ তাৰিণীপ্ৰিয়া চতুষ্পাঠীৰ প্ৰধান অধ্যাপক শিক্ষানুৰাগী বিশিষ্ট পণ্ডিত ষড়ানন ন্যায়-তৰ্কতীৰ্থৰ সান্নিধ্যত দহবছৰৰো ওপৰকাল থাকি নানা শাস্ত্ৰৰ শিক্ষালাভ কৰিছিল আৰু কাব্য, ব্যাকৰণ আৰু ন্যায় শাস্ত্ৰৰ অসম আৰু বেঙ্গল উভয় সংস্কৃত বোৰ্ডৰে উপাধি পৰীক্ষাত বিশেষ কৃতিত্বৰে উত্তীৰ্ণ হৈছিল। ছাত্ৰজীৱনৰ শেষ বছৰ ১৯৩৫ খৃষ্টাব্দত তেওঁ সাংখ্যৰ মধ্য পৰীক্ষাত কৃতিত্বৰে প্ৰথম স্থান অধিকাৰ কৰি সেই সময়ৰ প্ৰতিযোগী ছাত্ৰ মাত্ৰৰে কাম্য 'ভুবন প্ৰতিমা' পুৰস্কাৰ আৰু স্বৰ্ণপদক লাভ কৰিছিল। মুঠতে ছাত্ৰ জীৱনত তেওঁ কেবাটিও বৃত্তি, পুৰস্কাৰ আৰু তিনিটি স্বৰ্ণপদক লাভ কৰিছিল। জ্যোতিষ আৰু স্মৃতিশাস্ত্ৰৰো বিশেষ অধ্যয়ন তেওঁ কৰিছিল। তেওঁ বেদান্ত শাস্ত্ৰৰো বিশেষ অধ্যয়ন কৰিছিল। গীতা আৰু বেদান্ত দৰ্শনৰ শাঙ্কৰ ভাষ্যৰ অদ্বৈতবাদ বিষয়ক প্ৰবন্ধ লিখি তেওঁ সেই সময়ৰ অসমৰ শিক্ষাধিকাৰ পৰম দাৰ্শনিক সতীশচন্দ্ৰ ৰায় প্ৰদত্ত স্বৰ্ণপদক লাভ কৰিছিল। তত্ত্বপূৰ্ণ প্ৰবন্ধ লেখক হিচাবে বৈকুণ্ঠনাথৰ বিশেষ খ্যাতি আছিল আৰু সংস্কৃত ভাষাত নানা তত্ত্বপূৰ্ণ প্ৰবন্ধ লিখিছিল। লালিত্যময় মধুৰ ছন্দেৰে কবিতা লিখাতো বৈকুণ্ঠনাথ সিদ্ধহস্ত আছিল আৰু সংস্কৃত ভাষাত বহুতো কবিতা আনকি কাব্যগ্ৰন্থও লিখিছিল, অসমীয়া ভাষাতো কবিতা ৰচনা কৰিছিল।

তৰ্কতীৰ্থৰ স্বৰচিত তলৰ সংস্কৃত শ্লোক আৰু তাৰ অসমীয়া ভাঙনিতে আমি তেখেতৰ কবি প্ৰতিভাৰ পৰিচয় পাওঁ।

ধন্যা সা খলু দৈৱকী ক্ষিতিতলে সূতেস্ম যা শ্ৰীহৰিম্
ধন্যা গোকুলকেশ্বৰী চ সুভগা স্তন্যং মুখে যা দদৌ।
ধন্যাস্তে ব্ৰজবাসিনঃ সুকৃতিনো লীলা সুধা তুন্দিলা
ধন্যাস্তে ভুৱি যে ততোঽপি চৰিতং শৃণ্বন্তি কৰ্ণামৃতম্।

শ্ৰীহৰিক জন্ম দিয়াৰ বাবে এই পৃথিৱীত আই দৈৱকীৰ জনম আৰু জীৱন ধন্য হৈছে। গোকুলেশ্বৰী নন্দৰাণীৰো জীৱন ধন্য, কিয়নো সেইজনা ভাগ্যৱতীয়ে জগদীশ্বৰৰ মুখত স্তন্যদান কৰিবলৈ সমৰ্থ হৈছিল। শ্ৰীহৰিৰ লীলামৃত পান কৰি অতি আনন্দিত হোৱা সৌ ব্ৰজবাসী সকলৰ জীৱনো ধন্য। তাতোকৈ ধন্য সি সকল যিসকলে সদায় হৃদয় আৰু কৰ্ণৰ ৰসায়ন স্বৰূপ শ্ৰীকৃষ্ণ লীলামৃত শ্ৰৱণত দিন অতিবাহিত কৰিছে।

—শ্ৰীকৃষ্ণলীলামৃতম্



বৈকুণ্ঠনাথে তেওঁৰ ৩৪/৩৫ বছৰ বয়সলৈ সুদীৰ্ঘ ২০ বছৰৰো ওপৰকাল ব্যাপি শাস্ত্ৰধাৰা পদ্ধতিৰে সেই সময়ৰ লব্ধপ্ৰতিষ্ঠ কেবাজনো গুৰুৰ ওচৰত নানা শাস্ত্ৰ অধ্যয়ন কৰিছিল। বিশেষকৈ দহবছৰৰো ওপৰ একাধাৰে গৌৰীপুৰ ৰাজটোল তাৰিণীপ্ৰিয়া চতুষ্পাঠীত গুৰুৰ আশ্ৰয়ত থাকি ন্যায়, সাংখ্য, বেদান্ত আদি শাস্ত্ৰৰ অধ্যয়ন কৰি সেই সময়ৰ ছাত্ৰ, অধ্যাপক আৰু সংস্কৃতপ্ৰেমী লোকসকলক তেওঁৰ কৃতিত্বৰে চমৎকৃত কৰি নানা পাৰিতোষিক, পুৰস্কাৰ পাইছিল। সংস্কৃত শাস্ত্ৰত অধ্যয়ন-অধ্যাপনাৰ পৰম্পৰা অসমত অতি প্ৰাচীন কালৰে পৰা চলি আছিল। এই কথাৰ সত্যাসত্য পাঁচশ বছৰৰো ওপৰৰ আমাৰ ৰাজ্যৰ মহাপুৰুষসকলৰ আৰু তাৰ আগৰো খ্যাতনামা কবি সকলৰ জীৱনীয়েই প্ৰমাণ কৰিছে। এই পৰম্পৰা থকা কাৰণেই গুৰুজনাসকলে গভীৰ তত্ত্বপূৰ্ণ সংস্কৃত শাস্ত্ৰ ৰাজি অধ্যয়ন কৰি লোকসমাজত অসমীয়া ভাষাৰ জৰিয়তে প্ৰকাশ আৰু প্ৰচাৰ কৰিব পাৰিছিল, আনকি তেখেতসকলেও সংস্কৃত ভাষাতো অনেক গ্ৰন্থ ৰচনা কৰিছিল। তাৰ আগে পাছেও আমাৰ ৰাজ্যত বিভিন্ন শাস্ত্ৰত বিশেষকৈ স্মৃতি আৰু তন্ত্ৰ শাস্ত্ৰত নানা বিচক্ষণ পণ্ডিত আছিল। পৰবৰ্তী কালতো খৃষ্টীয় ঊনবিংশ শতাব্দীৰ শেষ ভাগৰ পৰা বিংশ শতাব্দীৰ মাজভাগলৈ সংস্কৃত অধ্যয়ন অধ্যাপনাৰ প্ৰতি লোকসমাজৰ বিশেষ অনুৰাগ দেখা গৈছিল। কামৰূপ, গোৱালপাৰাতে কেবাজনো খ্যাতিমান অধ্যাপকে নিজ ঘৰতে টোল স্থাপন কৰি অধ্যাপনা কৰাৰ ব্যৱস্থা কৰিছিল। তাৰ ভিতৰত মণিকুলাশ্ৰম, পাণ্ডুনাথ, গৌৰীপুৰ ৰাজটোল আদি টোল বাইজৰ নাইবা ৰাজপৰিয়ালৰ পৃষ্ঠপোষকতাত চলিছিল আৰু কৈহাটী, গামাৰীমুৰি, ভোগপুৰ, বালা-বনগাওঁ,কৈঠালকুছি, নন্দী, দত্ৰা, বৰথলা, ককয়া আদি টোল হংসনাথ গোস্বামী, চন্দ্ৰকান্ত বিদ্যালঙ্কাৰ, সদানন্দ বিদ্যাবাগীশ, পঞ্চানন তৰ্কতীৰ্থ, গোপাল তৰ্কতীৰ্থ, পুষ্পনাথ শাস্ত্ৰী, শিৱনাথ স্মৃতিতীৰ্থ, কৃষ্ণদত্ত বুজৰবৰুৱা, ললিত চন্দ্ৰ স্মৃতিৰত্ন ৰঘুনাথ ব্যাকৰণতীৰ্থ আৰু গৌৰীপুৰৰ তাৰানাথ গোস্বামীৰ নৰেশ্বৰ টোল আদিৰ উপৰিও অনেক টোল অধ্যাপকসকলে নিজঘৰতে স্থাপন কৰি আৱশ্যকমতে নিজে ছাত্ৰসকলৰ খোৱা লোৱাৰো খৰচ বহন কৰি চলাইছিল। তাৰানাথ কাব্যবিনোদ, হংসনাথ স্মৃতিতীৰ্থ, সৌৰীদত্ত স্মৃতিৰত্ন, নৰপতি ন্যায়ৰত্ন আদিও বিশিষ্ট পণ্ডিত আছিল। এই সকলৰ স্মৃতিৰ উদ্দেশ্যে সশ্ৰদ্ধ ভক্তি নিবেদন কৰিছোঁ।

বৈকুণ্ঠনাথৰ অলপ অগাপিছাকৈ আমাৰ ৰাজ্যত সংস্কৃত অধ্যয়ন কৰা অনেক কৃতী ছাত্ৰ আছিল তাৰ ভিতৰৰে কেইজনমানে আজিও অসমৰ সংস্কৃত পণ্ডিতৰ সন্মান ৰক্ষা কৰি আছে। সেইসকলৰ ভিতৰত বৈকুণ্ঠনাথৰ লগতে শিৱনাথ সাংখ্য তৰ্কতীৰ্থ, ভগবানচন্দ্ৰ গোস্বামী, হৰিনন্দন ভাগৱতী পঞ্চতীৰ্থ, ৰজত চন্দ্ৰ স্মৃতি ব্যাকৰণ তীৰ্থ, লক্ষ্মী কান্ত ব্যাকৰণতীৰ্থ, দেবেন্দ্ৰনাথ সাংখ্যতীৰ্থ, জনাৰ্দ্দন আচাৰ্য্য, চিদানন্দ ভাগৱতী আদিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু তেখেতসকলৰ স্বৰ্গত আত্মাৰ শান্তি কামনা কৰিছোঁ। হেমকান্ত বেদান্ততীৰ্থ, মনোৰঞ্জন শাস্ত্ৰী, গিৰীশচন্দ্ৰ শাস্ত্ৰী, বিপিন চন্দ্ৰ গোস্বামী, ৰাজেশ্বৰ তৰ্কতীৰ্থ, লক্ষ্মীপতি তৰ্কতীৰ্থ, হৰেন্দ্ৰনাথ স্মৃতি ব্যাকৰণতীৰ্থ, ৰমণী কান্ত বেদব্যাকৰণতীৰ্থ, চক্ৰপতি তৰ্কতীৰ্থ, উমাপতি শৰ্মা, দেবেন্দ্ৰনাথ স্মৃতিতীৰ্থ, গঙ্গানাথ শাস্ত্ৰী, হৰগোবিন্দ গোস্বামী, পুৰুষোত্তম ভট্টাচাৰ্য্য, বিদ্যাধৰ গোস্বামী, সিদ্ধেশ্বৰ ভাগৱতী, বিশ্বনাৰায়ণ শাস্ত্ৰী, গোবিন্দ চন্দ্ৰ ভাগৱতী স্মৃতিতীৰ্থ, মহেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, যোগেন্দ্ৰ নাথ শাস্ত্ৰী আদিয়ে এতিয়াও এই সন্মান ৰক্ষা কৰি আছে। ১৯৩০ খৃষ্টাব্দৰ পৰা ৮/১০ বছৰ আমিও ললিত চন্দ্ৰ স্মৃতিৰত্ন দেৱৰ ওচৰত সংস্কৃত অধ্যয়ন কৰিছিলোঁ আৰু অসম সংস্কৃত বোৰ্ডৰ পৰীক্ষাৰ্থী হিচাপে এই অগ্ৰজপ্ৰতিম ছাত্ৰসকলৰ লগত বোৰ্ডৰ পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱাৰ সৌভাগ্য লাভ কৰিছিলো।

সেই সময়ত ইংৰাজী স্কুল-কলেজত পঢ়া অনেক মেধাৰী ছাত্ৰইও কলেজত সংস্কৃত নাইবা দৰ্শনৰ অনাৰ্চ লৈ পঢ়িছিল, আৰু সেইকসলৰ অনেকেই কোনো টোলৰ অধ্যাপকৰ যোগেৰে সংস্কৃত বোৰ্ডৰ কাব্য, ব্যাকৰণ,

পুৰাণ আদি শাস্ত্ৰৰ উপাধি পৰীক্ষা পাছ কৰিছিল। অসমৰ গুৰুদায়িত্বপূৰ্ণ অনেক চাকৰিতে সংস্কৃত নাইবা দৰ্শনৰ ছাত্ৰইহে নিযুক্তি পাইছিল। গুৱাহাটী কটন-কলেজৰ সংস্কৃত বিভাগৰ অধ্যাপক বিশিষ্ট পণ্ডিত লক্ষ্মী নাৰায়ণ চট্টোপাধ্যায়দেৱে অসম সংস্কৃত বোৰ্ডৰ সভাপতি হিচাপে এই বোৰ্ডৰ তথা অসমত সংস্কৃত শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল।

১৯৩৫ চনৰ জুন মাহৰ ১ তাৰিখে ধুবুৰী হৰিসভা সংস্কৃত চতুষ্পাঠীত অধ্যাপক হিচাপে বৈকুণ্ঠনাথে তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰে। সেই সময়ত ধুবুৰীত মাত্ৰ কেই-ঘৰমান অসমীয়া পৰিয়ালে বসবাস কৰিছিল। অলপ দিনৰ ভিতৰতে তেওঁৰ অমায়িক ব্যৱহাৰ, পাণ্ডিত্য আৰু নিৰ্মল চৰিত্ৰৰ বাবে সকলো সম্প্ৰদায়ৰ মাজতে তেওঁ ভক্তি আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিছিল। তেতিয়াৰ পৰা মৃত্যু দিনলৈকে ছকুৰি বছৰৰো ওপৰকাল ধুবুৰী টোলতে থাকি তেওঁ সংস্কৃত ভাষা-সাহিত্য আৰু দৰ্শনৰ অধ্যাপনা কৰাৰ লগে লগে বিভিন্ন শাস্ত্ৰীয় আলোচনা, জ্যোতিষ শাস্ত্ৰৰ আলোচনা আৰু চৰ্চা আৰু সংস্কৃত প্ৰচাৰ আদি কাৰ্য কৰাৰ উপৰিও নানা ৰাজহুৱা কামতো নিজকে ব্যাপৃত কৰি ৰাখিছিল। তেওঁৰ ওচৰত সংস্কৃত পঢ়িবলৈ কামৰূপ আৰু কোচবিহাৰৰ পৰা অনেক ছাত্ৰ আহিছিল। বিভিন্ন ধৰণৰ বিধি ব্যৱস্থা, ধৰ্মীয় আৰু শাস্ত্ৰ বিষয়ক আলোচনাৰ বাবে বিভিন্ন ঠাইৰ পৰা মানুহ তেওঁৰ ওচৰলৈ আহিছিল।

বয়সত বৈকুণ্ঠনাথ মোতকৈ প্ৰায় ১২ বছৰ ডাঙৰ হলেও ১৯৩৩ চনতে প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উঠিয়েই মই তেওঁতকৈ প্ৰায় দুবছৰ আগতেই কৰ্মজীৱন আৰম্ভ কৰিছিলোঁ আৰু তাৰ তিনি বছৰমান আগৰেপৰা আৰম্ভ কৰি পাঁচ ছয় বছৰ পাছলৈকে দাদা ৺ললিত চন্দ্ৰ স্মৃতিৰত্নদেৱৰ টোলত সংস্কৃত অধ্যয়ন কৰিছিলোঁ আৰু অসম সংস্কৃত বোৰ্ডৰ প্ৰয়োগ ৰত্নমালা ব্যাকৰণ আৰু কাব্যৰ পৰীক্ষা দিছিলোঁ। মোৰ চাকৰি জীৱনৰ চতুৰ্থ স্তৰত ধুবুৰী চৰকাৰী হাইস্কুলত সংস্কৃত শিক্ষক হিচাপে কাম কৰিছিলোঁ আৰু এই সময়তে বৈকুণ্ঠনাথৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক ঘটিছিল। মই বিয়া কৰাও বৈকুণ্ঠনাথৰ বংশৰে এটি সম্ভ্ৰান্ত পৰিয়ালত আৰু সেই হিচাপে তেখেত সম্বন্ধত মোৰ শহুৰ আছিল, বয়সতো ডাঙৰ আছিল। তেওঁৰ পাণ্ডিত্যৰ লগততো আমাৰ কোনো তুলনাই নাই তথাপি তেখেতে অনেকবাৰ মই বাধাকৰা সত্বেও মোক 'আপুনি' সম্বোধন কৰিবলৈ নেৰিলে। মোক তেখেতে অতিশয় স্নেহো কৰিছিল। ই তেখেতৰ মহানুভৱতা।

ধুবুৰী চৰকাৰী হাইস্কুলত চাকৰি কৰিছিলোঁ ১৯৪২ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৪৪ চনৰ জুলাই মাহলৈকে প্ৰায় দুবছৰ কাল। তেতিয়া যুদ্ধৰ মাজভাগ আৰু ১৯৪২ চনৰ গণআন্দোলনৰ হুলস্থুল। গুৱাহাটীৰ পৰা প্ৰায় সকলো পৰিয়াল স্থানান্তৰিত। ধুবুৰীত আমিও অকলশৰে থাকো, পৰিয়াল গাওঁৰ ঘৰত। অৱশ্যে ধুবুৰীলৈ গুৱাহাটী আৰু উজনি অসমৰ পৰা বহু পৰিয়াল স্থানান্তৰিত হোৱা বাবে ধুবুৰী চহৰ মানুহে ভৰি পৰিছিল। জাপানী সৈন্য মনিপুৰ আহি পালেই—কোনদিনা আহি গুৱাহাটী আক্ৰমণ কৰে—বোমা পেলায়—সেই চিন্তাই সকলোকে অভিভূত কৰি তুলিছিল। সেই দুৰ্যোগৰ সময়ত অশান্তিৰ সময়ত ধুবুৰীত তৰ্কতীৰ্থদেৱৰ নিচিনা উদাৰ, সৰল, মিষ্টভাষী আৰু মৰমিয়াল লোকক পাই কিছু শান্তি পাইছিলোঁ—তেখেতৰ লগত থাকি তেখেতৰ পাণ্ডিত্যপূৰ্ণ উৎসাহপূৰ্ণ আৰু অনেক সময়ত খুহুটীয়া কথা শুনি থাকিলে সংসাৰৰ চিন্তাভাৱনা আৰু দুখ-যন্ত্ৰণাৰ কথা পাহৰি থকা যায়। পুৱা-গধূলি সদায় ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে আৰু গদাধৰৰ বালিয়ে বালিয়ে ভ্ৰমণ কৰি কিমান গভীৰ কথাই শুনি আনন্দ পাইছিলোঁ। ভাষা-সাহিত্যৰ কথা আলোচনা কৰি, তেখেতৰ ছাত্ৰজীৱন তথা কৰ্ম-জীৱনৰ নানা অভিজ্ঞতাৰ কথা শুনি, প্ৰতিযোগিতাৰ কথা শুনি আনন্দ পাইছিলোঁ। তেখেতৰ লগত থাকিলে কোনো প্ৰকাৰ বিষাদে স্পৰ্শ কৰিব নোৱাৰিছিল। তেখেত অতি ধৰ্মপৰায়ণ লোক আছিল, ব্ৰহ্মপুত্ৰক বৰ ভক্তি আৰু শ্ৰদ্ধা কৰিছিল। অশোকাষ্টমীৰ দিনা ৰাতি-পুৱাই 'অশোক কলিকা' যোগাৰ কৰি ৰাখি ব্ৰহ্মপুত্ৰ স্নানলৈ আমাকো যেনেতেনে মাতি নি স্নান-মন্ত্ৰ পাঠ কৰাই স্নান কৰাইছিল। বৰ আনন্দ পাইছিলোঁ। অৱশ্যে মাজে সময়ে ধৰ্মৰ নামত হোৱা দুই এক সামাজিক ব্যভিচাৰ দেখি মনত কষ্টও অনুভৱ কৰিছিলোঁ। তেখেতেও মৰ্মান্তিক আঘাত পাইছিল—জাতিৰ আধ্যাত্মিক অধঃপতন অতি দুৰ্লক্ষণ। ই এবাৰ অঙ্কুৰিত হলে লাহে লাহে শিপা মেলি আক্ৰমণ কৰি জাতি এটাক ধ্বংসৰ পথলৈ আগুৱাই নিয়ে। আজি আমাৰ দেশত তেনে নানা ব্যভিচাৰ হোৱা অতি পৰিতাপৰ বিষয়। আমাৰ ধৰ্মীয় সমাজ-নেতাসকল এইবোৰৰ মূলোচ্ছেদ কৰিবৰ কাৰণে সচেষ্ট হোৱা উচিত। অশোকাষ্টমীৰ আগদিনা ৰাতি ধুবুৰী নগৰৰ তেতিয়াৰ পৰিবেশ চাবলগীয়া আছিল। কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ আৰু অসমৰো নানা ঠাইৰ পৰা অগণন ব্ৰহ্মপুত্ৰ স্নান যাত্ৰী আহি ভৰি পৰে। গধূলি ৰাস্তাৰ ওপৰত আৰু ব্ৰহ্মপুত্ৰ, গদাধৰৰ পাৰত যাত্ৰীসকলৰ তোলপাৰ আৰু ভাত ৰান্ধিবলৈ ধৰা হাজাৰ হাজাৰ চৌকাৰ জুই দেখি বৰ ভাল লাগে। তৰ্কতীৰ্থদেৱৰ টোলৰ ঘৰ আৰু বাহাঘৰ আলহিৰে ভৰি পৰে। তেখেত আছিল অতি মৰমিয়াল আৰু অতিথি পৰায়ণ। অতিথি বিমুখ কৰা অভ্যাস তেখেতৰ নাছিল।

ছাত্ৰ হিচাপে তৰ্কতীৰ্থ যেনে কৃতী ছাত্ৰ আছিল, অধ্যাপক হিচাপেও তেনে কৃতী আৰু নিষ্ঠাবান অধ্যাপক আছিল। তেখেত কেৱল অধ্যাপকেই নাছিল। ওৰেজীৱন তেওঁ অধ্যয়নৰত আছিল আৰু কাব্য সাহিত্য চৰ্চা কৰিছিল। অনেক সংস্কৃত প্ৰবন্ধ আৰু কবিতা ৰচনা কৰিছিল। তেখেত গৱেষকো আছিল। তেখেতৰ জ্ঞানগৰ্ভ আৰু তত্ত্বপূৰ্ণ আলোচনা আৰু ভাষণ শুনি তত্ত্বজিজ্ঞাসু সকলে পৰম আনন্দ পাইছিল। তৰ্কতীৰ্থ দেৱে একাদিক্ৰমে ছয়বাৰ প্ৰাদেশিক সংস্কৃত সমিতিৰ বাৰ্ষিক অধিবেশনত 'বিচাৰ্য্য প্ৰবন্ধ' প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছিল আৰু শাস্ত্ৰ বিচাৰত পুৰস্কৃত হৈছিল। ১৯৬৫ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা 'অল ইণ্ডিয়া অৰিয়েণ্টেল কনফাৰেন্স'ত স্বৰচিত কবিতা 'শ্ৰীভাৰত বন্দন।' আবৃত্তি কৰি প্ৰশংসা অৰ্জ্জন কৰিছিল। জালুকবাৰীত বহা জাতীয় কংগ্ৰেছ মহাসভাত 'মঙ্গলাচৰণ' কৰিবলৈ এটি দীঘলীয়া কবিতা ৰচনা কৰি দিছিল। ১৯৭২ চনত ধুবুৰীত বহা ৩৯তম অসম সাহিত্য সভাৰ কবি সন্মিলনৰ সভাপতিৰ আসনৰ পৰা দীঘলীয়া গভীৰ তত্ত্বপূৰ্ণ অভিভাষণ পাঠ কৰি তেখেতৰ পাণ্ডিত্যৰ পৰিচয় দিছিল। তেখেতৰ এই অভিভাষণৰ কিছু অংশ উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ—কবি হিচাপেই কাব্যসুলভ মঙ্গলাচৰণেৰে অভিভাষণৰ পাতনি মেলিছে।

শ্যাম সুন্দৰ শিখণ্ড-শেখৰ,
স্মেৰহাস মুৰলী মনোহৰ ;
ৰাধিকা ৰসিক মাং কৃপানিধে,
স্বপ্ৰিয়াচৰণ কিঙ্কৰং কুৰু ॥

নৱঘন শ্যাম-পদ্ম, নিন্দক নয়ন।
গোপালৰ বেশধাৰী, যশোদা নন্দন ॥১
ৰাতুল চৰণ বন্দি, কবি বিধি ব্যাস।
বাল্মীকিক ক্ৰমে বন্দি সঙ্কল্প প্ৰকাশ ॥২
কবিত্ৰয় ! তব প্ৰিয় কবিগণ প্ৰতি।
থাকে যেন মোৰ সদা অচলা ভকতি ॥৩
তাৰ পাছে আদি-মধ্য-আধুনিক কালে।
জননীৰ যোগ্যপুত্ৰ কবি যিসকলে ॥৪
ৰচিছে বিচিত্ৰ কাব্য গদ্য-পদ্যময়।
অৰপিলো শ্ৰদ্ধা-অৰ্ঘ্য সি সবক মই ॥৫

ধুবুৰী নামৰ ইতিবৃত্ত কবিৰ কবিতাৰে বৰ্ণাইছে :

পুণ্য ব্ৰহ্মপুত্ৰ ধুবুৰী পুৰীৰ
আবৰি তিনিও কাষ
কুলু কুলু ৰবে বই সৌৰবাই
দিছে ই ঐতিহ্য ৰস ।১
সোণ বৰণীয়া সূৰ্য্য কিৰণ
পুৱা আৰু সন্ধ্যাক্ষণে।
পৰে লুইতৰ পানীত যেতিয়া
আহা, দিব্য জ্যোতি কেনে ॥২

বাৰিষা কালত    দ্বীপ এটি যেন
দেখিলে মনত হয়।
কেউফালে দৃশ্য    অতি মনোৰম
দর্শকৰ চকু ৰয় ॥৩
নেতাই ধুবুনী    নোহেতে সামান্য
সেৱিকা শিৱৰ অতি।
সেয়ে পালে দেখা    মনসা দেৱীক
লভিলে বেউলা সতী ॥৪
গদাধৰ নই    লোহিত সঙ্গম
গুপ্তা সাগৰৰ পাৰে।
বাঁচি উঠিছিল    ইয়াতেই আৰু
চান্দ পুত্র লখিন্দৰে ॥৫
তাহানিৰে পৰা    'ধুবুৰী' নামেৰে
ই ঠাইৰ নাম হ'ল।
বিশ্বজন মুখে    ধুবুৰীৰ নাম
ইতিহাসে লিখি গ'ল ॥৬
নেতাই ধুবুনী    ঘাটৰ আগতে
আছে পুণ্য পাঁচ পীড়।
আহি সকলোৱে    জলাই মমবাতি
মাগে নিজ নিজ বৰ ॥৭
লুইতৰ পাৰে    টিলাৰ ওপৰে
ৰম্য শিখ গুৰুদ্বাৰ।
অতি মনোৰম    পুণ্যতীর্থ স্থান
শিখ ধৰ্ম্মী সকলৰ ॥৮
চান্দডিঙ্গা নামে    পৰ্ব্বত এখনি
লুইতৰ উজনিত।
এতিয়াও আছে    তাতে চৈধ্য ডিঙ্গা
ডুবিছিল অকস্মাৎ ॥৯
চান্দ সদাগৰ    আৰু মনসাৰ
ঐতিহ্য জড়িত ঠাই।
'ভৈৰৱৰ চূড়া    'পঞ্চৰত্ন' আদি
আছে কীৰ্ত্তি বিভিয়াই ॥[১০]

পুৰাণ প্ৰসিদ্ধা    নদজল শুদ্ধা
দেৱ-দেৱীৰ স্পৰ্শ পাই।
পুণ্যাত্মা ধুবুৰী    মৰতত আজি
কীৰ্ত্তিৰে আছে জীয়াই ॥[১১]

কবি কোন? আৰু কাব্য কি?—তাক কবি সুলভ ভাষাৰে বৈকুণ্ঠনাথে বৰ্ণনা কৰিছে :

কবি কোন? কিবা কাব্য কিনো তাৰ ফল?
জানিবলৈ স্বভাৱতে মন উত্ৰাৱল ॥
ব্যৱহাৰে কবি শব্দে পণ্ডিত বুজায়।
সাহিত্য জগতে কিন্তু বিশেষাৰ্থ হয় ॥
পণ্ডিতেই হব কবি নিয়ম কোনো নাই।
পূৰ্ব জনমৰ ফলে জন্মে কবি হই ॥
• • •
যদিওবা পুণ্য বলে কবিত্ব লভয় ॥
কবিত্ব শকতি লাভ বহুপুণ্যে হয়।
কবি হৈছে ক্ষণজন্মা ত্ৰিকালৰ দ্ৰষ্টা।
ৰসব্ৰহ্ম উপাসক হিত উপদেষ্টা ॥
ৰস সাগৰত ডুবি হই ৰসময়।
শক্তি নিপুণতাভ্যাসে কাব্যৰ উদয় ॥
কেতিয়াবা কাব্য কলি আপোনা আপুনি।
ফুলি উঠে ভাৱকুঞ্জে নেজানে আপুনি ॥
নেজানে নিজেও কিযে লিখিছে কবিতা।
সমাধি ভাঙিলে পায় কাব্যৰ বাৰতা ॥
• • •
ৰসাত্মক বাক্যকেই কাব্য বুলি কয়।
শব্দাৰ্থৰ সুমিলনে সাহিত্য নাম পায় ॥
মূলতঃ অভেদ দুয়ো তাৰ নিদৰ্শন।
একেনাম 'কাব্যাদৰ্শ' 'সাহিত্য দৰ্পণ ॥
তথাপি সাহিত্য শব্দ ব্যাপক অতিশয়।
সেয়ে কাব্য নহলেও সাহিত্য থাকয় ॥
শব্দ আৰু অৰ্থ দুয়ো কাব্যৰ শৰীৰ।
উৎকৰ্ষ সাধক ৰীতি-গুণ-অলঙ্কাৰ ॥
ৰসে একমাত্ৰ আত্মা নেথাকিলে ৰস।
কাব্য নোহে সেই বাক্য যিহেতু বিৰস ॥



চমুকৈ কবলৈ গলে কাব্য প্ৰয়োজন।
ধৰ্ম-অৰ্থ-কাম-মোক্ষ সুখেৰে সাধন ॥

"প্ৰাচীন অসমীয়া কাব্য সাহিত্যত সংস্কৃতৰ প্ৰভাৱ"—কথাষাৰ প্ৰাচীন সাহিত্যৰাজিৰ পৰা নানা উদ্ধৃতিৰে সমৰ্থন কৰি তৰ্কতীৰ্থই তেওঁৰ ভাষণত কৈছে :

"শ্ৰীমন্ত শঙ্কৰদেৱৰ পৱিত্ৰ মন্দাকিনী ধাৰা সদৃশ লেখনীৰ পৰা ওলোৱা 'কীৰ্ত্তন' আৰু 'দশম'ৰ পদবোৰত সংস্কৃতৰ প্ৰভাৱ অপৰিসীম। সংস্কৃত 'তৎসম' শব্দৰ প্ৰাচুৰ্য্য কবিত্বময় সৌন্দৰ্য, অনুপম উপমা, ৰূপক আদিৰ ঝঙ্কাৰৰ ঝঙ্কৃত আৰু ঘকৰা যোজনা পটন্তৰৰ ৰসাল সমাবেশ মনকবিবলগীয়া। মুঠতে শঙ্কৰদেৱৰ শিৰৰ মুকুট সদৃশ 'কীৰ্ত্তন ঘোষা'ৰ ভাষা, লালিত্য, ভাৱৰ মধুৰিমা, ছন্দ-অলঙ্কাৰৰ ঝঙ্কাৰ, সুৰ-লয়ৰ একতানতা আৰু চিন্তা-ভক্তিৰ একনিষ্ঠতাই অসমীয়া জাতীয় আৰু ধৰ্ম-জীৱনৰ বাটত নতুন উজ্জ্বল পোহৰ ঢালি দিছে।" তেখেতে আৰু কয় যে—অসমীয়া প্ৰাচীন কাব্য সাহিত্যৰ ওপৰত বিষয়গত, ভাষাগত আৰু ভাৱগত এই তিনি প্ৰকাৰৰ প্ৰভাৱ পৰিছে। প্ৰায় সকলো প্ৰাচীন কবিয়েই মহাভাৰত, ৰামায়ণ, ভাগৱত পুৰাণ, গৰুড় পুৰাণ, ব্ৰহ্ম পুৰাণ আদিৰ পৰা কাহিনী ভাগ লৈছে। ভাৱ অনুসৰি ৰূপক, উৎপ্ৰেক্ষা, উপমা আদি অলঙ্কাৰৰ সহায় লৈ নিজ অন্তৰত উপচি পৰা গভীৰ অনুভূতিক বিকাশ কৰি সেই অনুভূতিক সহৃদয় পাঠকৰ অন্তৰত জগাই তুলিছে।

ছন্দ কবিতাৰ প্ৰধান অঙ্গ। কবিতা ৰাণীয়ে ছন্দৰ যতি লয় আৰু সম্মোহিনী তানৰূপ সাজ-পাৰ পিন্ধি মানুহক যেনেকৈ মুহিব পাৰে, ছন্দহীন গদ্যত মুহিব পৰা তেনে গুণ দেখা নাযায়। সেয়েহে অলঙ্কাৰ শাস্ত্ৰই ব্যাকৰণ দুষ্ট আৰু ছন্দ-পতন হোৱা কাব্যৰ অমাৰ্জনীয় দোষক কোনোমতে সহ্য কৰা নাই। অসমীয়া প্ৰাচীন কাব্য সাহিত্যত চাৰিদফীয়া শ্লোক, সম, অৰ্ধসম আৰু বিষম নামৰ অক্ষৰবৃত্ত ছন্দৰ প্ৰয়োগ আছে।

কবি সুলভ লালিত্যময় ভাষাৰে তৰ্কতীৰ্থই তেওঁৰ ভাষণ সামৰিছে :

শেহান্তৰত আপোনালোকৰ মানস—অনুমতি লৈ অসমী আইৰ ৰাতুল চৰণকমলত সংস্কৃত আৰু অসমীয়া কবিতা কুসুমাঞ্জলি অৰ্পণ কৰি উপসংহাৰ কৰিব খোজোঁ।—

ললিত অসম-ভাষা বায়ু হিল্লোল মালা।
বিকিৰতু মধু বিশ্বে ভাতু সঙ্গীত বিদ্যা ॥
মধুময় জনচিত্তে সৰ্বদা কাব্য চিন্তা।
শতদল-মধু পানে মত্ত ভৃঙ্গীৰ ভাতু ॥
কাণ দুখনেৰে, শুনিবলৈ পাওঁ, শুভবাৰ্ত্তা জগতৰ।
ই দুটি চকুৰে, দেখিবলৈ পাওঁ, শিৱৰূপ সুন্দৰৰ ॥
সবল সুন্দৰ, অঙ্গ-প্ৰত্যঙ্গেৰে, শতেক বছৰ আমি।
তব গুণ গাই, বাচি থাকো যেন কৃপা কৰা যদুমণি ॥
জয়তু চিৰ চেনেহী অসম জননী।
জয়তু সাহিত্য সভা জ্ঞান বিধায়িনী ॥
কবি সন্মিলন জয়, জয় সভ্যগণ।
জয় কৰ্মীগণ মাতৃ হিয়াৰ ৰতন ॥

পৃথিৱীৰ শান্তি হওক, ধৰণী মধুময় হওক, অপূৰ্ণতাৰ পূৰ্ণতা হওক, সকলোৰে মঙ্গল হওক, শ্ৰীমণ্ডিতা অসমীয়ে পৰমাশ্ৰী লাভ কৰক।

ছাত্ৰজীৱনৰে পৰা বৈকুণ্ঠনাথৰ কবি প্ৰতিভা প্ৰকাশ পাইছিল। তেওঁৰ 'উপাসনা কুসুমাঞ্জলি' ছাত্ৰ জীৱনৰে ৰচন। ব্ৰহ্মপুত্ৰৰ প্ৰতি আছিল তেওঁৰ অশেষ শ্ৰদ্ধা ভক্তি। সেয়ে তেওঁ মহাবাহু ব্ৰহ্মপুত্ৰক লৈ লিখিলে ব্ৰহ্মপুত্ৰ-স্নান বিধি। ইয়াত ব্ৰহ্মপুত্ৰৰ মাহাত্ম্য বৰ্ণনা কৰা আছে। অসমীয়া আৰু বঙলা দুয়ো ভাষাতে কিতাপখন প্ৰকাশ হৈ ওলায়। অসমীয়া ভাষাত সন্ধ্যাপদ্ধতি কিতাপৰ অভাৱ অনুভৱ কৰিয়েই 'দেৱাৰ্চনা পদ্ধতি' নামদি এখন সন্ধ্যাপদ্ধতি তেওঁ ছপা কৰি উলিয়ায়। বৈষ্ণৱ সাহিত্য তেওঁ বিশেষভাৱে অধ্যয়ন আৰু গৱেষণা কৰিছিল আৰু ইয়াৰ ওপৰত তেওঁৰ যথেষ্ট পাণ্ডিত্যও আছিল। তেওঁ আছিল ভগবান শ্ৰীকৃষ্ণৰ পৰম ভক্ত। সেয়ে তেওঁ 'শ্ৰীকৃষ্ণ লীলামৃতম' লিখে, আৰু 'প্ৰকাশন পৰিষদ'ৰ অৰ্থ সাহায্যত ই

১৯৬১ চনতে প্ৰকাশ পায়। 'শ্ৰীকৃষ্ণলীলামৃতম্' শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ শ্ৰীকৃষ্ণৰ জন্মৰ পৰা ৰাস ক্ৰীড়ালৈকে ব্ৰজলীলাৰ চমু বৰ্ণনা। ব্যাসদেৱ ৰচিত মূল ভাগৱতৰ পিছত মূলৰ তাৰ অনুসৰণ কৰি সংস্কৃত ভাষাত ভাগৱতৰ কোনো স্কন্ধৰে ৰচনা হৈছে বুলি জনা নাযায়। সেয়ে সৰল সংস্কৃত 'তোটক' ছন্দত দশম স্কন্ধৰ ব্ৰজলীলা ইয়াত বৰ্ণনা কৰা হৈছে। কিতাপখনৰ ভূমিকাত পণ্ডিত বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে লিখিছে :

'ভাৰতৰ অনেক ঠাইত স্বাধীনোত্তৰ যুগত নানা ভাবে সংস্কৃত ভাষাৰ চৰ্চা হৈছে আৰু তাৰ যোগেদি স্থানীয় ভাষাৰ শ্ৰীবৃদ্ধি সাধন হৈছে। অসমত তেনে প্ৰচেষ্টা নাই হোৱাই বুলিব পাৰি। পণ্ডিত বৈকুণ্ঠ নাথ চক্ৰবৰ্ত্তীদেৱে একেলগে সংস্কৃত অসমীয়া দুয়ো ভাষালৈ এই কাব্যখনি দান কৰি জাতীয় সাহিত্যলৈ বৰঙণি যোগাইছে।' ছন্দোবদ্ধ সংস্কৃত কবিতাৰ শব্দ-ঝঙ্কাৰ আৰু শ্ৰুতি-মাধুৰ্যেৰে পৰিপূৰ্ণ 'শ্ৰীকৃষ্ণলীলামৃতম্' কাব্যখনিয়ে সংস্কৃত আৰু অসমীয়া দুয়োটা ভাষাতে যথাযোগ্য স্থান অধিকাৰ কৰি থাকিব।

ভাগৱতৰ উনত্ৰিশ অধ্যায় জুৰি থকা বহল আখ্যানকে লেখকে নটা প্ৰবাহৰ মুঠ ৫৯৮ টা শ্লোকত সামৰিছে। নটা প্ৰবাহৰ কাব্যখনিৰ প্ৰথম তিনিটা প্ৰবাহৰ মূল সংস্কৃত পদ্য সমূহৰ ব্যাখ্যামূলক অসমীয়া গদ্য অনুবাদ আৰু পিছৰ ছয়টা প্ৰবাহৰ অসমীয়া পদ্য অনুবাদে কাব্যখনি উপভোগ্য কৰি তুলিছে। নিদৰ্শন স্বৰূপে ইয়াৰ দুটি শ্লোক আৰু গদ্যানুবাদ আন দুটি শ্লোক আৰু পদ্যানুবাদ পাঠকৰ অবগতিৰ অৰ্থে তুলি দিয়া হ'ল।

গ্ৰন্থাৰম্ভত সুললিত ছন্দেৰে মাত্ৰ ৮টা শ্লোকেৰে শ্ৰীকৃষ্ণলীলাষ্টকম্ লিখিছে। তাৰে শেষৰটো অৰ্থানুবাদ সহ তুলি দিয়া হ'ল।

"ব্ৰজবনিতা কৰতাল চলৎ কটকধ্বনি সঙ্গত বেণুৰবে,
ঝন ঝন ঝিঙ্কৃত নূপুৰ শিঞ্জিত নন্দিত নাভিজ কামহৰে।
বিহৰসি নন্দ-পুৰন্দৰ সন্তৰ ৰাসবধূনিকৰেণ বনে,
জয় জয় মাধৱ দুৰ্জ্জন দাৰণ সজ্জন পালন কৃষ্ণ হৰে ॥৮

তোমাৰ মহাৰাসলীলা। আনন্দলোক শ্ৰীবৃন্দাবনত কৃষ্ণগত প্ৰাণা বিশুদ্ধ প্ৰেমৱতী ব্ৰজ গোপীসকলে ৰাসক্ৰীড়াত লয়-লাসেৰে কৰতাল দি নাচি-বাগি ফুৰাত তেওঁলোকৰ হাতত থকা বালাৰ মধুৰ 'কণু কণু' ধ্বনিৰ লগতে তোমাৰ মোহন বাঁহীৰ কল-নিনাদ আৰু নূপুৰৰ ঝন ঝন ঝিঙ্কৃত মধুৰ সুৰক সমভাবে খাপ খুৱাই ৰাসপ্ৰিয়া ব্ৰজবালাসকলৰ মনোবাঞ্ছা পূৰণৰ বাবে ৰাসবিহাৰী হৈছা। অপূৰ্ব ৰাসদৰ্শক ব্ৰহ্মা, ৰুদ্ৰ প্ৰভৃতি যোগীন্দ্ৰ মুনীন্দ্ৰ সকলে আনন্দতে আপোন পাহৰা হৈছে। হে ৰসিক শেখৰ ৰাসেশ্বৰ কৃষ্ণ! তোমাৰ জয় হওক ॥৮

প্ৰথম প্ৰবাহৰ নন্দ-নন্দনৰ জন্মোৎসৱ কবি-সুলভ ভাষাৰে বৰ্ণনা কৰিছে :—

যদুনন্দন গোকুল নন্দকৰ
নবনীৰদ-নিন্দক-ৰূপ-ধৰ।
কমলায়ত লোচন দিব্যতনো
জয় কৃষ্ণ জনাৰ্দন বামহৰে ॥৩৬॥ ১ম প্ৰবাহ

তুমি যদুকুল নন্দন। যদুবংশত জন্মধৰি বংশক আলোকিত কৰিছা, ইপিনে গোকুলবো আনন্দ বিধান কৰিছা। তোমাৰ কোমল দেহকান্তিয়ে নৱঘন-মালাৰ কান্তিকো ম্লান কৰি দিয়ে। হে পদ্মপলাশ লোচন! হে দিব্য দেহধাৰী জনাৰ্দন তুমি জয়যুক্ত হোৱা ॥" ৩৬

কৃষ্ণময়ী গোপীসকলৰ কৃষ্ণাগমন প্ৰাৰ্থনা কৰিব ভাষাত প্ৰকাশ পাইছে :

ন ভবান্ কিল নন্দসুতশ্চ বিভো
নিখিলাসুভৃতাস্ত পিতা স্বমসি।
বিধিনাৰ্থিত এষি মুদা ব্ৰজকম্
ক্ষিতি-ভাৰ-সমুদ্ধৰণায় সখে ॥৮॥ ৭ম প্ৰবাহ



নোহোৱা কেৱল শ্ৰীনন্দনন্দন আমাৰ মনত তুমি;
নিখিল জীৱৰ আধাৰ স্বৰূপ জনকো তুমিয়ে স্বামী।
মাগিলে বিধাতা জনমৰ বাবে একেটি মাথোন বৰ।
ভূভাৰ হৰণ সেয়ে তুমি প্ৰিয়পুত্ৰ হলা যশোদাৰ ।৮

পৰিহায় গৃহং তব দাস্য গতাঃ।
স্বজনাশ্ৰয় পাহি বধূঃ সৰলাঃ।
লঘুদৰ্শয় পঙ্কজনেত্ৰ-যুগম্
পুরু পায়য় নোঽধৰপদ্ম সুধাম্ ॥ ১১

তোমাৰ সেবিকা দাসী অনুগতা তোমাৰ কাৰণে হৰি
আহিছোঁ সকলে দিয়াহে আশ্ৰয় গৃহসুখ পৰিহৰি।
পঙ্কজনয়ন বিশ্ববিমোহন দেখুৱা কৰুণা কৰি
অধৰ পদ্মৰ পিওঁৱা অমৃত ব্যথিতাৰ দুখহৰি ॥১১

ইয়াৰ বাহিৰেও ভট্টি কাব্যৰ টীকা আৰু অনুবাদ শুক্ৰনীতি, কেইটামান পুৰস্কাৰ প্ৰাপ্ত প্ৰবন্ধ, সংস্কৃত গল্প আৰু কবিতা হাতেলিখা অৱস্থাতে আছে। এইখিনিও প্ৰকাশ পালে তেখেতৰ পাণ্ডিত্য আৰু কবি প্ৰতিভাৰ সম্যক পৰিচয় পোৱা হব।

যোৱা ফাগুন মাহৰ ৭ তাৰিখ ইং ২০ ফেব্ৰুৱাৰী ১৯৭৬ খৃঃ কৃষ্ণা ষষ্ঠীৰ দিনা ৰাতি ২বজাত হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ বৈকুণ্ঠনাথ পৰলোক গমন কৰে; তেখেত ইমান কৰ্তব্যপৰায়ণ আছিল যে মৃত্যুৰ দিনাখনো আনদিনাৰ দৰে টোলৰ কামকাজ কৰিছিল।

তৰ্কতীৰ্থ দেৱৰ মৃত্যুত অসমৰ তথা সংস্কৃত শিক্ষা জগতৰ এটি অপূৰণীয় ক্ষতি হল। ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ তেখেতৰ স্বৰ্গত আত্মাই চিৰশান্তি লাভ কৰিব আৰু তেখেতৰ আদৰ্শই আমাক আমাৰ কৰ্তব্য পালনত প্ৰেৰণা যোগাব।

বৈকুণ্ঠনাথৰ নিচিনাকৈ তেওঁৰ সমসাময়িক শিৱনাথ সাংখ্যতৰ্কতীৰ্থৰ বাটচৰৰ সংস্কৃত টোলেও বিশেষ সুখ্যাতি অৰ্জন কৰি অগণন ছাত্ৰ আকৃষ্ট কৰিছিল। এজন অতি বিচক্ষণ দৰ্শনৰ পণ্ডিত হিচাপে শিৱনাথৰ অশেষ খ্যাতি আছিল। কাব্যৰ অতি উৎকৃষ্ট অধ্যাপক হিচাপে ভগৱান গোস্বামীদেৱৰ নাম শুনিয়েই নলবাৰী সংস্কৃত কলেজলৈ নানা ঠাইৰ অনেক ছাত্ৰ কাব্যপঢ়িবলৈ আহিছিল। তেওঁৰ ৰচিত সংস্কৃত 'দশকুমাৰ চৰিত'ৰ অসমীয়া অনুবাদ পঢ়িলে মৌলিক কাব্য পঢ়ি পোৱা সোৱাদ অনুভৱ কৰিব পাৰি আৰু 'হৰ্ষচৰিত'ৰ নিচিনা কঠিন সংস্কৃত গদ্য সাহিত্যৰ অনুবাদেও পাঠকক আমোদিত কৰিব পাৰে। পঞ্চতীৰ্থ হৰিনন্দন ভাগৱতীৰ অকাল বিয়োগ অসমৰ কাৰণে অপূৰণীয় ক্ষতি। দেবেন্দ্ৰনাথ সাংখ্যতীৰ্থ এজন ঋষিতুল্য পৰম পণ্ডিত আছিল, গুণেশ্বৰ কাব্যতীৰ্থও সাহিত্যৰ খ্যাতিমান পণ্ডিত আছিল।

পণ্ডিত প্ৰবৰ জীৱেশ্বৰ তৰ্কবেদান্ততীৰ্থদেৱে অসমত এটি যুগ সৃষ্টি কৰি গৈছে। তেখেত 'টিছৰ দেউ' বুলিয়েই জনজাত আছিল। দৰ্শনৰ পণ্ডিত হিচাপে, জ্যোতিষৰ সাধক হিচাপে আৰু বিশিষ্ট সমাজ নেতা হিচাপে তেখেতৰ অশেষ খ্যাতি আছিল। তেখেতৰ ৰচিত কেবাখনো অমূল্য অসমীয়া আৰু সংস্কৃত গ্ৰন্থ এতিয়াও প্ৰকাশ নোপোৱা অতি দুৰ্ভাগ্যৰ বিষয়। এই সকলবিশিষ্ট পণ্ডিতৰ জীৱনী আৰু লিখনি সংগৃহীত আৰু প্ৰকাশিত হলে এটি অপূৰ্ব সম্পদ সৃষ্টি হব। আমি তাকেই কামনা কৰিছোঁ।

---

এই প্ৰবন্ধ প্ৰস্তুত কৰোতে তৰ্কতীৰ্থ দেৱৰ লৰা শ্ৰীমান সত্যপ্ৰসাদ চক্ৰবৰ্তীয়ে তৰ্কতীৰ্থৰ পৰম বন্ধু গোৰীপুৰ সংস্কৃত টোলৰ অধ্যক্ষ শ্ৰীলক্ষ্মপতি তৰ্কতীৰ্থৰ লগতে আলোচনা কৰি যুগুতাই দিয়া তথ্য পাতিয়ে আমাক বিশেষ সহায় কৰিছে। এই ছেগতে আমি তেখেতসকল দুয়োজনৰে শলাগ লৈছোঁ।

# বৈকুণ্ঠনাথৰ সোঁৱৰণত

শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী

জেঠমহীয়া জহ আৰু পুহমহীয়া জাৰক নেওচি বনগাওঁৰ প্ৰভাৱতী টোলত পঢ়া এজন ছাত্ৰই অধ্যাপক পঞ্চানন দেউক তবধ লগালে। জেঠ-আহাৰ মাহত ৰাতি চুটি, দিন দীঘল। চকুৰ পচাৰতে বিচনাত ভৰহুপৰ হয়। ইফালে আবেলি সময়ৰে পৰা মহৰ গুণ-গুণনিত কাণ তাল মাৰি ধৰে। এদিন শেহ নিশা দেউ আহি পঢ়াশালিত দেখিলে—এজন ল'ৰাই একাগ্ৰ-মনে গীতাৰ শ্লোক আওৰাই আছে। আগত এটা তেলৰ চাকি। ল'ৰাজনৰ বিচনাত আঠুৱা নাই। হাতত সাৰে ভৰিত সাৰে ল'ৰাজনৰ ওচৰেৰে দেউ পাৰ হৈ গ'ল। গৰমকালি এই দৃশ্য দেউৰ চকুত বহুদিন পৰিল। পুহমহীয়া জাৰতো টোপনি অহাৰ ভয়ত উদঙে থাকি এইজন ল'ৰাই পঢ়া-শুনা কৰি চৰকাৰে লোৱা দ্বিতীয় টোল পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰিলে। ঠৰঙা লগা জাৰ আৰু জহকালিৰ মহে পিটিত ক'লা পৰি থাকিলেও অকণো ভ্ৰূক্ষেপ নকৰা সেই একাগ্ৰমনা ছাত্ৰজনেই কালক্ৰমত অসম সাহিত্য সভাৰ ঊনচত্বাৰিংশ অধিবেশনৰ কবি সন্মিলনৰ সভাপতি পণ্ডিত প্ৰবৰ বৈকুণ্ঠনাথ চক্ৰৱৰ্তী দেৱ।

বৈকুণ্ঠনাথৰ জন্ম হৈছিল ১৮২২ শকৰ কাতি মাহৰ ৩ তাৰিখে—বালা বনগাওঁত। বনগাওঁ—অসমৰ নৱদ্বীপ নলবাৰী অঞ্চলৰ এখন সৰু গাওঁ—নলবাৰী চহৰৰ পৰা ৬ মাইল পশ্চিমে অৱস্থিত। বৈকুণ্ঠনাথৰ সম-সাময়িক হৰিনন্দন ভাগৱতী পঞ্চতীৰ্থ, ৰবিকান্ত চক্ৰৱৰ্তী, পুষ্পনাথ শাস্ত্ৰী আদি কেবাজনো বিখ্যাত পণ্ডিত অগা-পিছাকৈ এই অঞ্চলত জন্ম গ্ৰহণ কৰিছিল। অকালতে মৃত্যুবৰণ কৰা পুষ্পনাথ শাস্ত্ৰীৰ মৃত্যুত অসম সাহিত্য সভাই ১৯২৬ চনত বহা ধুবুৰী অধিবেশনত গভীৰ শোক প্ৰকাশ কৰে। ৰবিকান্ত দেৱে বসন্তৰোগত মৃত্যু হোৱা পিতৃৰ পুতি থোৱা ঠাইৰ পৰা হাড় আনি দাহন কৰাত সেই সময়ৰ কামৰূপৰ পণ্ডিতমণ্ডলীৰ মাজত প্ৰবল আলোড়নৰ সৃষ্টি হৈছিল। বৈকুণ্ঠনাথৰ বংশৰে তাৰানাথ কাব্যবিনোদ "আসাম বান্ধৱৰ" সম্পাদক হৈ অসমীয়া সাহিত্যলৈ অৱদান যোগাইছিল।

বনগঞা চক্ৰৱৰ্তী বংশ অসম বিখ্যাত। আহোম ৰজাসকলে তেওঁলোকৰ উপৰি পুৰুষসকলক পুৰাণ শাস্ত্ৰৰ পাঠক হিচাপে কনৌজৰ পৰা আনিছিল। তেখেত সকলৰ বংশ পৰিচয়ত পোৱা যায়—

> ভাৰ্গৱীয়াস্তদা তত্ৰ বিদ্যাদিত্যসন্নিভা :
>
> নিযুক্তাশ্চ নৃপাস্যাগ্ৰে পুৰাণ পাঠ কৰ্মণি ॥

কামাখ্যা মন্দিৰ পুনৰুদ্ধাৰৰ পিছত ভাৰ্গৱ গোত্ৰীয় এই বংশৰে "ভেকো ব্ৰহ্মণ" নামৰ এজন ব্যক্তিক কামাখ্যাৰ "হোতা"ৰূপে নিযুক্ত কৰে। এই ভেকো ব্ৰাহ্মণৰ অলেখ কাহিনী আজিও মানুহৰ মুখে শুনা যায়। হোতাৰূপে নিযুক্তি পোৱাৰ আগেয়ে ভেকো ব্ৰাহ্মণ হেনো বৰ্তমানৰ ডিপৰ বিলত অৱস্থিত কোনো এখন ৰাজ্যৰ ৰাজপণ্ডিত আছিল। ৰাজবংশৰ কাৰোবাৰ লৈতে মনোমালিন্য হোৱাত ভেকো ব্ৰাহ্মণে সেই ৰাজ্য ত্যাগ কৰে আৰু তাৰ লগে লগে ডিপৰ বিলৰ সৃষ্টি হয়। চকৰদৈ অঞ্চলত বামুনবৰী নামৰ এডোখৰ ঠাই আছে। ভেকো ব্ৰাহ্মণে সেই ঠাইত থাকোতে ডিপৰ বিলৰ সৃষ্টি হয় বুলি কিম্বদন্তীত শুনা যায়। যি হওক—কামাখ্যাত হোতা-ৰূপে নিযুক্তি পোৱাৰ পিছত এই বংশৰ এটা ডালে হাউলী অঞ্চলত থকা "কামাখ্যাৰ থাটত" বসবাস কৰে। তাৰ পিছত এই ডালটোৱে বনগাওঁত নিগাজিকৈ থাকিবলৈ লয়। বনগঞা চক্ৰৱৰ্তী বংশৰ এটা ডালে মুকালমুৱা অঞ্চলত থকা "থাট"লৈ উঠি আহে। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত এই "থাট" বিলীন হোৱাত এই ডালে হাতীমুৰা, বামুনদি আৰু ঘুলোৰ পাৰত বসবাস কৰে। আজিও এই বংশৰ মানুহ উক্ত অঞ্চলত দেখা যায়।

বনগঞা চক্ৰৱৰ্তী বংশৰ আদি পুৰুষ ৰাঘৱাচাৰ্য (ওৰফে গদাপাণি)। ৰাঘৱাচাৰ্য প্ৰখ্যাত সংস্কৃত পণ্ডিত আছিল। এই ক্ষেত্ৰত এটা কথা স্মৰণ কৰিব পাৰি। শঙ্কৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলি ৰাঘৱাচাৰ্যৰ ছাত্ৰ আছিল বুলি 'কথাগুৰু চৰিত'ত উল্লেখ আছে। বনগঞা চক্ৰৱৰ্তী পৰিয়ালত বহুতো প্ৰথিতযশা সংস্কৃত পণ্ডিতৰ জন্ম হৈছিল। তেখেতসকলে স্বেচ্ছাই অসমৰ বিভিন্ন ঠাইত টোল পাতি শিক্ষা বিস্তাৰৰ ব্ৰতত ব্ৰতী হৈছিল। এয়া তেখেতসকলৰ বংশানুক্ৰমে চলি অহা পৰম্পৰা। ৰাঘৱাচাৰ্য সম্পৰ্কে তথ্য বিচাৰৰ ভাৰ গুণীসকললৈ থোৱা হ'ল। আমি মাত্ৰ উমুকিয়াইহে থলোঁ।

এই প্ৰতিভাশালী বংশত জন্ম গ্ৰহণ কৰা বৈকুণ্ঠনাথৰ ল'ৰাকালৰে পৰা প্ৰতিভাৰ বিকাশ হোৱা দেখা যায়। শিশুকালতে পিতৃ সিদ্ধেশ্বৰ চক্ৰৱৰ্তীৰ মৃত্যু হোৱাত মাতৃ ৰজতপ্ৰিয়া দেৱীয়ে একমাত্ৰ পুত্ৰৰ দায়িত্ব গ্ৰহণ কৰে। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দুৰ্গা পণ্ডিত (দুৰ্গানাথ তালুকদাৰ) শিশু বৈকুণ্ঠনাথৰ মেধাশক্তি দেখি আচৰিত হৈছিল। প্ৰাথমিক শিক্ষা লাভ কৰাৰ পিছত তেখেতে নিজ গাওঁৰে প্ৰভাৱতী টোলত সংস্কৃত পঢ়িবলৈ লয়। সেই কালত ব্ৰাহ্মণৰ লৰাই ইংৰাজী পঢ়িলে জাত যোৱাৰ ভয়, তাতে আকৌ বনগঞা চক্ৰৱৰ্তী পৰিয়ালৰ কেবাজনো ব্যক্তিয়ে অসমৰ অ'ত-ত'ত সংস্কৃত টোল পাতি শিক্ষা প্ৰচাৰত ব্ৰতী হৈছিল। বৈকুণ্ঠনাথৰ শিশুমনত এইসকলৰ চানেকিয়ে গভীৰভাৱে ৰেখাপাত কৰিছিল। এই ক্ষেত্ৰত ইয়াওবু সন্ধিৰ কিছু বছৰ পিছত কৈৱাৰা সত্ৰত পণ্ডিত লক্ষীকান্ত কৰিৰত্নই স্থাপন কৰা টোলখনৰ কথা উল্লেখ কৰিব পাৰি। পিছৰ যুগত বৈকুণ্ঠনাথে পিতৃ-পুৰুষৰ পৰম্পৰা সফলভাৱে ফলৱতী কৰিলে। প্ৰভাৱতী টোলত এখেতে কেইদিনমানৰ বাবে পঞ্চানন তৰ্কৰত্নৰ পিতৃ পৰশুৰাম উপাধ্যায়ক শিক্ষক হিচাপে পাইছিল। সেই কালত পণ্ডিতসকলে আজিৰ দৰে পৰীক্ষাত বহি উপাধি পোৱা নাছিল। তেখেতসকলৰ পাণ্ডিত্যক স্বীকাৰ কৰি সুধীমণ্ডলীয়ে উপাধি প্ৰদান কৰা বাবে এই পণ্ডিত-সকল আছিল 'সৰ্বশাস্ত্ৰ বিশাৰদ'। তেখেতে কাব্য ৰত্নমালা আৰু ন্যায় শাস্ত্ৰৰ উপাধি লাভ কৰিছিল গৌৰীপুৰৰ ৰাজটোলৰ পৰা। সাংখ্য, বেদান্ত আৰু কাব্য শাস্ত্ৰৰ মধ্য পৰীক্ষাত বিখ্যাত 'ভুবন প্ৰতিমা' বৃত্তি আৰু স্বৰ্ণপদক লাভ কৰে। বৈকুণ্ঠনাথ ৰাজটোলৰ প্ৰখ্যাত অধ্যাপক ষড়ানন ন্যায় তৰ্কতীৰ্থৰ অতি প্ৰিয় ছাত্ৰ আছিল। সেয়েহে আনুমানিক ১৯৩৪ চন মানৰ পৰা গুৰুৱে নিৰ্দেশ দি যোৱা অনুসাৰে মৃত্যুৰ সময়লৈকে বৈকুণ্ঠনাথে ধুবুৰীৰ হৰিসভা টোলত অধ্যাপনা কৰি দিন কটায়।

অসমত বহুতো সংস্কৃত পণ্ডিতৰ জন্ম হৈছে আৰু বৰ্তমানো বহুতো পণ্ডিত আছে। সিসবৰ ভিতৰত বৈকুণ্ঠনাথৰ এক সুকীয়া ব্যক্তিত্ব ধৰা পৰে। সেয়া হ'ল তেখেতে অসমীয়া আৰু সংস্কৃত ভাষাৰ মাজত সাহিত্যৰ যোগে সম্বন্ধ স্থাপনকাৰী হিচাপে চিৰকাল স্মৰণীয় হৈ ৰব। তেখেতে লিখা ১৯৬১ চনত অসম

প্ৰকাশন পৰিষদৰ অৰ্থ সাহায্যত ছপা হোৱা শ্ৰীকৃষ্ণলীলামৃতম্‌ৰ পাতনিত পণ্ডিত শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়ে লিখা কথাখিনি এই বিষয়ত বিশেষ ভাবে উল্লেখনীয়— "মুকুন্দৰ বাল্যলীলা বৰ্ণনা কৰি ৰচনা কৰা শ্ৰীকৃষ্ণলীলামৃতম্‌ নামৰ এই কাব্যখনি সংস্কৃত আৰু লগতে অসমীয়া সাহিত্যলৈকে এটা বিশিষ্ট দান বুলিব পাৰি।"

কথাৰ চলতে সংস্কৃতৰ সুৰলা আৰু ৰসাল শ্লোক সৃষ্টি কৰিব পৰা সৃজনী প্ৰতিভা মহামহোপাধ্যায় শ্ৰীধীৰেশ্বৰাচাৰ্যত বাহিৰে আৰু আন কোনো পণ্ডিতত বিচাৰি পোৱা নাযায়। বৈকুণ্ঠনাথ এই বিৰল প্ৰতিভাৰ গৰাকী আছিল। অসমৰ কথাকে নকওঁ—ভাৰতৰ বিভিন্ন ঠাইত তেখেত সংস্কৃতৰ 'স্বভাৱ কবি' হিচাপে আজিও সুপৰিচিত। অকল এয়ে নহয়—জ্যোতিষ চৰ্চাতো তেখেতৰ অসাধাৰণ ব্যুৎপত্তি আছিল।

পাণ্ডিত্যৰ বাহিৰেও বৈকুণ্ঠনাথ আছিল প্ৰাচীন অসমীয়া সমাজৰ ধ্বজাবাহী লোক। নিৰাশ্ৰয় অতিথিক ঘৰলৈ মাতি নি শোধ-পোচ কৰা, ত্ৰিসন্ধ্যা আচৰণ কৰা আৰু সৰ্বোপৰি নিৰাভিমানী এইজন পণ্ডিতে সমাজত উদাৰ আদৰ্শ লৈ সাধাৰণভাৱে জীৱন যাপন কৰি অসমীয়া সমাজৰ পৰম্পৰা বোজাই ৰাখিছিল। ধুবুৰীত কবি সন্মিলনত সভাপতি হিচাপে শুনা তেখেতৰ সুমধুৰ বক্তৃতা আজিও আমাৰ কাণত বাজি থকা যেন পাওঁ। সিদিনা ১৮৯৭ শকৰ ফাগুনৰ ৭ তাৰিখে তেখেতৰ মৃত্যু হোৱা বুলি শুনি মৌন প্ৰহৰত আমাৰ চকুৰ আগত বয়সে ছাপ পেলাব নোৱৰা আটিল দেহৰ প্ৰখৰ দৃষ্টিযুক্ত বৈকুণ্ঠনাথৰ জীৱন্ত প্ৰতিচ্ছবি ভাহি উঠিছিল। কিছুক্ষণৰ পিছত অৱশেষে মনলৈ আহিল—"এইজন কৃতী অসম সন্তান আৰু আমাৰ মাজত নাই। বনগঞা চক্ৰৱৰ্তী পৰিয়ালত আৰু বৈকুণ্ঠৰ" জন্ম হওক— যিসকলৰ অৱদানে ভাষা সাহিত্য সবল হওক।

॥ জয়ন্তু বৈকুণ্ঠ ॥

# কবি বৈকুণ্ঠনাথ চক্ৰৱৰ্তীৰ পৱিত্ৰ স্মৃতিত

শ্ৰীগুৰুদত্ত ভাগৱতী

১৯৭২ চনৰ অসম সাহিত্য সভাৰ ৩৯তম ধুবুৰী অধিবেশন। মূল সভাৰ সভাপতি হেম বৰুৱা। কবি সন্মিলনৰ সভাপতি আছিল পণ্ডিত প্ৰবৰ বৈকুণ্ঠনাথ চক্ৰৱৰ্তী তৰ্কতীৰ্থ। এই পণ্ডিতজনাই কবি সন্মিলনত সভাপতিত্ব কৰোঁতে প্ৰথমে স্বৰচিত সংস্কৃত শ্লোকৰ মঙ্গলাচৰণেৰে ভগৱৎ প্ৰাৰ্থনা কৰিছিল তাৰ পাছত (১) ধুবুৰীৰ পৰিচয় (২) কবি পৰিচয় (৩) কাব্য আৰু সাহিত্য (৪) কাব্যৰ ফল আৰু ভেদ প্ৰভৃতি বিষয়ে স্বৰচিত ছন্দময় কবিতাৰে সভাপতিৰ ভাষণৰ পাতনি তৰিছিল। ভাষণত যথা ক্ৰমে প্ৰাচীন ভাৰতীয় আৰ্যভাষা, মধ্যভাৰতীয় আৰ্যভাষা, নবীন ভাৰতীয় আৰ্যভাষাৰ উল্লেখ কৰি, অসমীয়া ভাষাৰ ক্ৰমবিকাশ যেনে মধ্যযুগ প্ৰাক-শঙ্কৰী যুগ, অসমত নৱবৈষ্ণৱ আন্দোলন আলোচনা কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱৰ পৰৱৰ্তী অনন্তকন্দলি, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰকন্দলি, হৰিহৰ বিপ্ৰ, গোবিন্দমিশ্ৰ পীতাম্বৰ, কবি দুৰ্গাবৰ মনকৰ সুকবি নাৰায়ণৰ ৰচিত কবিতা আৰু সাহিত্য সম্পদৰ থূল মূল আলোচনাৰ লগতে, মহাপুৰুষ দামোদৰদেৱৰ শিষ্য গদ্য সাহিত্যৰ জনক, তথা ভাৰতীয় প্ৰান্তীয় গদ্য সাহিত্যৰ পথ প্ৰদৰ্শক, ভট্টদেৱৰ অসমীয়া সাহিত্যৰ প্ৰতি অৱিহণা উল্লেখ কৰিছিল। সেই অধিবেশনৰ আলোচ্য বিষয়—"প্ৰাচীন অসমীয়া কাব্য সাহিত্যত সংস্কৃতৰ প্ৰভাৱ' প্ৰসঙ্গত বৰ্তমান অসমীয়া সাহিত্যৰ সকলো দিশ আঙুলিয়াই দিছিল।

১৮২২ শকৰ তিনি কাতিত কামৰূপ জিলাৰ বালা বনগ্ৰামত বৈকুণ্ঠ নাথ চক্ৰৱৰ্তীৰ জন্ম হয়। দেউতাকৰ নাম আছিল সিদ্ধেশ্বৰ চক্ৰৱৰ্তী। সৰু কালতে এওঁৰ দেউতাকৰ মৃত্যু হোৱাত বৰ সহায়হীন হৈ পৰে যদিও, পুৰণি শিক্ষিত পৰিয়ালত তেওঁ জন্ম গ্ৰহণ কৰা হেতু চক্ৰৱৰ্তীৰ মাতৃ ৰজতপ্ৰিয়া দেবীৰ তত্বাৱধানত পঢ়া শুনা কৰি নিজৰ চেষ্টা আৰু সাধনাৰ ফলত, এওঁ নিজকে শেষত এগৰাকী গুণী-জ্ঞানী পণ্ডিত পুৰুষ বুলি প্ৰতিষ্ঠা কৰিব পাৰিছিল।

তেতিয়াৰ দিনত ভিতৰুৱা গাওঁবোৰত লৰাইতৰ শিক্ষাৰ বাবে পাঠশালা স্কুল য'তে ত'তে নাছিল। ভিতৰুৱা গাওঁৰ মাজত আছিল ব্ৰাহ্মণ পণ্ডিত সমাজৰ দুই এখন সংস্কৃত টোল বা চতুষ্পাঠী। বালা বনগ্ৰামত আছিল—প্ৰভাৱতী চতুষ্পাঠী। এই টোলত পঞ্চানন তৰ্কৰত্ন নামে এগৰাকী পণ্ডিতে অধ্যাপনা কৰিছিল। বৈকুণ্ঠ নাথ চক্ৰৱৰ্তীয়ে পঞ্চানন তৰ্কৰত্নৰ ওচৰত উক্ত চতুষ্পাঠীত চলিত টোলীয় পদ্ধতিৰে পঢ়িবলৈ লয়।

বৈকুণ্ঠনাথে উক্ত সংস্কৃত ভাষা শিকাৰ উপৰিও কাব্য স্মৃতি জ্যোতিষ পুৰাণ—তত্ত্ব শিকিবলৈ লয়। উক্ত বিষয়বস্তুৰ শাস্ত্ৰ অধ্যয়ন কৰিবলৈ হলে প্ৰথমে সংস্কৃত ব্যাকৰণত বিশেষ ব্যুৎপত্তি লাভ কৰিব লাগে। কৃতীছাত্ৰ চক্ৰবৰ্তীয়ে উক্ত বিষয়বোৰ অধ্যয়ন কৰি পৰীক্ষাত স-সম্মানে উত্তীৰ্ণ হয়।

পিতৃহীন বৈকুণ্ঠ চক্ৰবৰ্তীৰ বাল্যকাল আৰু ছাত্ৰ কালৰ পৰিৱেশও পৰিস্থিতি ফঁহিয়াই চালে দেখা যায় যে এইজন ছাত্ৰই সকবে পৰা সৰল জীৱন যাপন কৰি উচ্চভাব পোষণ কৰি, কৰ্তব্য পালন কৰি আহিছিল। ভাৰতীয় সংস্কৃতিত ভাৰতীয় ভাবধাৰাত দেৱভাষাৰ মাধ্যমেৰে প্ৰকৃত জ্ঞান আহৰণ কৰি নিজৰ জীৱন গঢ়িবলৈ বৈকুণ্ঠনাথে চেষ্টা কৰে। এই প্ৰসঙ্গতে আগৰ দিনৰ গাওঁত প্ৰতিষ্ঠিত সংস্কৃত টোলৰ পৰিৱেশৰ কথা উল্লেখ কৰা সমীচীন হব। আজিৰ দিনত গাওঁত স্থাপিত সংস্কৃত টোলবোৰত আগৰ দিনৰ সেই গাম্ভীৰ্যপূৰ্ণ আশ্ৰমৰ পৱিত্ৰ পৰিৱেশ নাই। এতেকে উক্ত সংস্কৃত বিদ্যালয়ত পঞ্চানন পণ্ডিতৰ দৰে গুৰুও নাই আৰু 'বৈকুণ্ঠ'ৰ দৰে শিষ্যও নাই। তাহানি কালৰ সংস্কৃত টোলবোৰ আছিল আশ্ৰমৰ দৰে। অধ্যাপক আৰু বিদ্যাৰ্থীৰ মাজত আছিল গুৰু-শিষ্যৰ সম্বন্ধ—পিতা-পুত্ৰৰ সম্বন্ধ। আশ্ৰম প্ৰসঙ্গত হিন্দু জীৱনৰ চাৰিবিধ অৱস্থাৰ উল্লেখ কৰাটো প্ৰণিধানযোগ্য আৰু এই চাৰি অৱস্থাৰ আশ্ৰয়স্থান সুকীয়া সুকীয়া। ব্ৰহ্মচৰ্য প্ৰথম অৱস্থা। এই অৱস্থাৰ আশ্ৰয়স্থল হ'ল গুৰুগৃহ, চতুষ্পাঠী বা তপোবন। পুৰণি কালত উপনয়নৰ পাছত বিদ্যাৰ্থী তথা শিষ্যই গুৰু-গৃহত বাস কৰি, বেদ অধ্যয়নেৰে বেদজ্ঞানত চিৎৰূপ পৰমেশ্বৰ তত্ত্ব লাভ কৰিছিল। সেই আদৰ্শতে ব্ৰাহ্মণ সন্তান বৈকুণ্ঠনাথেও সেইদৰে গুৰু পঞ্চানন পণ্ডিতৰ ওচৰত উপনয়নৰ পাছত প্ৰভাৱতী চতুষ্পাঠীত ব্ৰহ্মচৰ্য ব্ৰত লৈ সংস্কৃত অধ্যয়ন কৰে। প্ৰতিদিন এই টোলৰ বিদ্যাৰ্থী-সকলে ব্ৰহ্মমুহূৰ্ত্ততে উঠি দেৱভাষাৰে বেদমন্ত্ৰৰ সংস্কৃত শ্লোকেৰে ভগৱানক প্ৰাৰ্থনা কৰি আৰু যথাবিহিত প্ৰাতঃ-কৃত্য সমাপন কৰিহে নিত্য কৰ্মৰ প্ৰথম পৰ্য্যায় অধ্যয়ন আৰম্ভ কৰিব লাগিছিল।

বৈকুণ্ঠ নাথ চক্ৰবৰ্তীয়ে কাব্য-ব্যাকৰণ-স্মৃতি-জ্যোতিষ-পুৰাণ বিষয়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে। তাৰ পাছত তেওঁৰ প্ৰবল ধাউতি জন্মে ন্যায় শাস্ত্ৰ পঢ়িবলৈ। সেই সময়ত, গৌৰীপুৰৰ ৰজাৰ ৰাজপণ্ডিত এগৰাকীয়ে ন্যায় শাস্ত্ৰত খ্যাতি লাভ কৰিছিল। এওঁ আছিল গৌৰীপুৰৰ ৰাজটোলৰ পণ্ডিত, ষড়ানন ন্যায় তৰ্কতীৰ্থ। বৈকুণ্ঠ নাথ চক্ৰবৰ্তীয়ে গৌৰীপুৰ ৰাজটোলত এই গৰাকী পণ্ডিতৰ ওচৰতে ন্যায় শাস্ত্ৰ অধ্যয়ন কৰিছিল। পণ্ডিত ষড়াননৰ তত্ত্বাৱধানত চক্ৰবৰ্তীয়ে ন্যায় শাস্ত্ৰকে আৰম্ভ কৰি তিনি শাস্ত্ৰত উপাধি লাভ কৰে। সেই তিনি শাস্ত্ৰ আছিল (১) কাব্য (২) ৰত্নমালা ব্যাকৰণ আৰু (৩) ন্যায় শাস্ত্ৰ। তাত বাহিৰে সাংখ্য বেদান্ত শাস্ত্ৰৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি আৰু সোণৰ পদক লাভ কৰি তেতিয়াৰ উদীয়মান ডেকা, বৈকুণ্ঠ নাথ চক্ৰবৰ্তী শিক্ষিত সমাজত এজন শাস্ত্ৰজ্ঞ পণ্ডিত বুলি পৰিগণিত হ'ল। এনেকৈ যশ-খ্যাতি আৰু বিদ্যালাভৰ পিছত, চক্ৰবৰ্তী ১৯৭৫ চনৰে পৰা ধুবুৰী হৰিসভা টোলত পণ্ডিত নিযুক্ত হৈ শিক্ষাদানত আত্মনিয়োগ কৰে। ন্যায়-শাস্ত্ৰত লব্ধপ্ৰতিষ্ঠ এই গৰাকী পণ্ডিতে অধ্যাপনাক বৃত্তি বুলি নাভাবি, ব্ৰত হিচাপে লয়। অধ্যাপনা কৰা কালতে নিজে আয়ত্ব কৰা শাস্ত্ৰ চৰ্চা কৰি, গৱেষণাৰ পিছত তথ্য উদ্ঘাটন কৰি, কেবাখনো পুথি আৰু নানা তত্ত্বমূলক প্ৰবন্ধ লিখে। তত্ত্বকথা আহৰণ কৰি দাৰ্শনিক প্ৰবন্ধ লিখি প্ৰতিযোগিতাত লাভ কৰিছিল পুৰস্কাৰ। তাত বাহিৰেও পণ্ডিত বৈকুণ্ঠ নাথ তৰ্কতীৰ্থই সৃষ্টি ক্ষমতাৰ কাৰণে পাইছিল পণ্ডিত সমাজৰ প্ৰশংসা। পণ্ডিত আৰু কবিৰ প্ৰসঙ্গত এটি কথা কব পাৰি যে শাস্ত্ৰত পণ্ডিত হলেই কবি হব নোৱাৰে। কাব্যজগতত খ্যাতি অৰ্জন কৰিবলৈ হলে, পূৰ্বজন্মৰ আৰ্জিত সৃষ্টি ক্ষমতাৰ লক্ষণ থাকিব লাগিব। কবি চক্ৰবৰ্তীয়ে অভিভাষণত কৈছিল—



পণ্ডিতেই হব কবি নিয়ম কোনো নাই।
পুৰ্ব্বজনমৰ ফলে জন্মে কবি হই॥
দেৱগুৰু জ্ঞানাচাৰ্য্য নোহে কবিজন।
শুক্ৰাচাৰ্য্য শ্ৰেষ্ঠ কবি গীতাৰ বচন॥

জীৱন্ত সমাজচিত্ৰ অঙ্কণত (১) চৰিত্ৰ (২) ৰূপ (৩) স্থান (৪) অৱস্থা (৫) কাৰ্য এই সকলোৰে সমন্বয়ত যেতিয়া কবিয়ে সৌন্দৰ্য্য সৃষ্টি কৰে তেতিয়াই কবিৰ সৰ্বপ্ৰধান গুণ বিকাশ হৈ পৰে। এই গুণ প্ৰকাশ হৈ পৰিছিল চক্ৰবৰ্তীৰ ৰচিত 'শ্ৰীকৃষ্ণ লীলামৃতম' কাব্যত। ঐতিহ্যময় ভাৰতবৰ্ষত জন্মৰ পৰা জাতকৰ মঙ্গলাৰ্থে শিশুৰ মাক-দেউতাকে যিবোৰ মাঙ্গলিক-সামাজিক-লৌকিক অনুষ্ঠানৰ আয়োজন কৰে, সেয়ে ভাৰতীয় সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্য। ভাৰতবৰ্ষত বাস্তৱ সমাজত পৰম্পৰা চলি অহা জাতকৰ জন্ম উৎসৱকে আৰম্ভ কৰি চক্ৰবৰ্তীয়ে তেওঁৰ ৰচিত 'কৃষ্ণলীলামৃতম' কাব্যত নন্দোৎসৱৰ মধুৰ বৰ্ণনাৰে এই কাব্যৰ পাতনি তৰি কবিৰ কাব্যৰস সৃষ্টিৰ প্ৰতিভাৰ পৰিচয় দিছে।

সংস্কৃতৰ পৰাই যিহেতু পালি প্ৰাকৃত অপভ্ৰংশই সৱল হৈ ৰাজ্যিক ভাষাত ৰূপায়িত হৈছে তাত সংস্কৃত সাহিত্যৰ প্ৰভাৱ নিৰৱচ্ছিন হৈ থাকিব। অসমৰ মাজেদি প্ৰবল ব্ৰহ্মপুত্ৰ আবহমান অবিৰাম গতিত বৈ থকাৰ দৰে প্ৰাচীন অসমীয়া কাব্য সাহিত্যত যেনেকৈ সংস্কৃতৰ প্ৰভাৱ পৰি আহিছে তেনেকৈ আধুনিক লিখক—নবীন প্ৰবীন কবি সাহিত্যিকৰ লেখাতো সংস্কৃতৰ প্ৰভাৱ পৰি আহিছে আৰু অসমীয়া সাহিত্যত সংস্কৃতৰ প্ৰভাৱৰ সোঁত বৈয়েই থাকিব। ই লুইতৰ সোঁতৰ দৰে। লুইতক যেনেকৈ কোনোৱে ভেঁটা দিব নোৱাৰে তেনেকৈ অসমীয়া কাব্য সাহিত্য আৰু গদ্য-সাহিত্যত সংস্কৃতৰ প্ৰভাৱ বাধা দি ৰাখিব নোৱাৰে।

কবি-সাহিত্যিকে কেতিয়াও নিজ জন্মভূমিৰ ঐতিহ্য কিম্বদন্তী নাপাহৰে। কবিয়ে ওপোজা মাটিৰ গোন্ধ পায়। যি মাটিৰ গোন্ধ পাই কবিৰ সকলো কালৰ সকলো ভাবৰ খোৰ মেলে, কবিয়ে স্বদেশ প্ৰেমত বিভোৰ হৈ সেই ওপোজা মাটিৰ গোন্ধত পায় সৰগৰ পৰা ভাহি অহা নন্দন-কাননৰ পাৰিজাতৰ সৌৰভ। সেই সৌৰভে কবিৰ অন্তৰত স্বদেশ প্ৰেমৰ অনুপ্ৰেৰণা আনি দিয়ে, আৰু কবিয়ে আনন্দত আপ্লুত হৈ গায় দেশমাতৃকাৰ জয়গান। সেয়ে কবিৰ জন্মভূমি জীৱনে-মৰণে অতি আপোন হৈ পৰে। ওপোজা মাটিৰ গোন্ধ কবি-সাহিত্যিকৰ জাতীয়তাবোধ আৰু স্বদেশ প্ৰেম ফুটি উঠে কবিৰ ৰচিত কাব্য-সাহিত্যত। অতীতৰ বুৰঞ্জীৰ আঁচোৰত ধুবুৰীৰ ঐতিহ্যময় কিম্বদন্তী-সমৃদ্ধি গৌৰৱ-মণ্ডিত নেতাই ধুবুনীৰ ঘাট বুলি চিৰউজ্জল হৈ আছে। সেয়ে কবিয়ে গৌৰৱমণ্ডিত স্মৃতিৰে—মানৱচিত্তত আলোড়ন সৃষ্টি কৰি কৈছে—

নেতাই ধুবুনী নোহেন্তে সামান্য—,
সেৱিকা শিৱৰ অতি,
সেয়ে পালে দেখা মনসা দেবীক
লভিলে বেউলা সতী॥

তাহানিৰে পৰা 'ধুবুৰী' নামেৰে
ই ঠাইৰ নাম হ'ল,
বিশ্বজন মুখে ধুবুৰীৰ নাম
ইতিহাসে লিখি গ'ল।

তেখেতে ওপজা সোণৰ মাটিৰ তথা জন্মভূমিৰ ঐতিহ্যময় পৌৰাণিক কিম্বদন্তীৰ সমৃদ্ধিত আৰু গৌৰৱ-মণ্ডিত বুৰঞ্জীৰ কাহিনীৰে ভৰা বৰ্তমান ধুবুৰীৰ বিষয় এইদৰে কৈছিল—

পুৰাণ প্ৰসিদ্ধা নদজল শুদ্ধা
দেৱদেৱী স্পৰ্শ পাই
পুণ্যাত্মা ধুবুৰী মৰতত আজি
কীৰ্ত্তিৰে আছে জীয়াই।

এই পণ্ডিত গৰাকীৰ কাব্য—সাহিত্যত অৱিহণা প্ৰসঙ্গত ইয়াকে কব পাৰি যে—সাহিত্য হ'ল দেশৰ অৱস্থা আৰু জাতীয় চৰিত্ৰৰ প্ৰতিবিম্ব। কথা শিল্পীয়ে মানুহৰ দৈনন্দিন জীৱনত হৈ থকা ঘটনাৰ অৱলম্বনত

তেওঁৰ উপন্যাসত আঁকিবলৈ চেষ্টা কৰে বাস্তৱজীৱনৰ এখনি সমাজচিত্ৰ। কিন্তু কথা শিল্পীৰ ৰচিত গল্প—উপন্যাস আটাইবোৰে সমাজৰ দাপোণ স্বৰূপ নহয়।

কবি বৈকুণ্ঠনাথৰ বিষয়বস্তু সুকীয়া। তেওঁৰ ৰচিত গ্ৰন্থ—কথা-শিল্পীৰ উপন্যাস নাছিল। এই গৰাকী কবিয়ে ৰচনা কৰিছিল সংস্কৃত কাব্য। বাস্তৱত, কাব্য আছিল ৰসপূৰ্ণ। তেওঁৰ কাব্য সাহিত্য আছিল তত্ত্ব-মূলক আৰু ৰসমধুৰ। তেওঁৰ ৰচিত সংস্কৃত কাব্যৰ পৰা ছন্দময়-শ্লোকৰ দুটি-এটি প্ৰসঙ্গক্ৰমে উপস্থাপন কৰা হব। অৱিহণা হ'ল—কাব্যসাহিত্য শ্ৰীকৃষ্ণলীলামৃতম কাব্যম্। ভিন ভিন শ্ৰুতি মধুৰ ছন্দবদ্ধ সংস্কৃত শ্লোকেৰে এই কাব্য ৰচিত। চক্ৰৱৰ্তীয়ে আকৌ সেই কাব্যৰ শ্লোকবোৰ অসমীয়াতে সুললিত ছন্দত ভাঙনি কৰি একেখন কাব্যতে সন্নিৱিষ্ট কৰা হেতু ভাষাজননীৰ সেৱাত সাহিত্য সম্পদৰ ই এক অৱদান বুলি পৰিগণিত হৈছে।

শ্ৰীকৃষ্ণলীলামৃতম্ এখন অমূল্য সংস্কৃত বৈষ্ণৱ সাহিত্য। ১৯৬১ চনত অসম প্ৰকাশন পৰিষদে এই গ্ৰন্থ প্ৰকাশ কৰিছে। তেওঁৰ কাব্যিক প্ৰতিভাৰ নিদৰ্শন স্বৰূপে শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ এটি শ্লোক আৰু অনুবাদ শাৰদীয় জোনাকৰ পূৰ্ণিমা ৰাতি চন্দ্ৰৰ বিমল কিৰণত ব্যাকুল ব্ৰজাঙ্গনা আৰু বনমালীৰ বিহাৰৰ বৰ্ণনাৰ তলত উল্লেখ কৰা হ'ল।—

ভগবানপি তাঃ শৰদচ্ছ নিশা
বিকসৎ শুভ্ৰমল্লিকয়া সুষমা ৪।

অনুবাদঃ—শৰতৰ জোনে ৰূপালী কিৰণে
ধুইছে ধৰণীতল
ফুল্ল মল্লিকাৰে সুশোভিত বেশে
যামিনী যে জলমল।

কৃষ্ণলীলামৃতম্ কাব্যত তেখেতে গোপী-বস্ত্ৰহৰণ তোটক ছন্দেৰে বৰ্ণনা কৰিছে। 'বস্ত্ৰহৰণ' ভাগৱতকাৰৰ উপন্যাস হেনো। কাৰণ মূল মহাভাৰত—বিষ্ণুপুৰাণ বা হৰিবংশত বস্ত্ৰহৰণ বিষয়ে কোনো কথা নাই।

এতেকে ভাগৱতকাৰৰ সৃষ্ট এই বস্ত্ৰহৰণ উপন্যাস বুলি বহুতৰে অভিমত। এনে ক্ষেত্ৰত পণ্ডিত বৈকুণ্ঠনাথে সংস্কৃত পণ্ডিত হৈও তেওঁ ইয়াক সুকীয়া ছন্দেৰে ৰচনা কৰি সন্নিৱিষ্ট কৰিছে যিহেতু, বস্ত্ৰহৰণৰ অভিপ্ৰায় অতিশয় নিগূঢ় আৰু অতিশয় বিশুদ্ধ। বোধকৰো কবি চক্ৰৱৰ্তীয়ে কাব্য-ৰস-মাধুৰ্য অটুত ৰাখিবৰ কাৰণে নিগূঢ় বিশুদ্ধ অভিপ্ৰায় নিহিত এই 'বস্ত্ৰহৰণ' কাহিনী তোটক ছন্দেৰে ৰচনা কৰিছিল। চক্ৰৱৰ্তীৰ ৰচিত 'তোটক' ছন্দৰ ঝঙ্কাৰৰ অনুৰণন নিশ্চয় হৃদয়স্পৰ্শী। বিবস্ত্ৰা, গোপীসবে, নিসহায় আৰু উপায়হীন হৈ, ভগৱান শ্ৰীকৃষ্ণৰ ওচৰত আত্মসমৰ্পণ কৰোঁতে, বস্ত্ৰভিক্ষাৰ সময়ত গোপীগণ আৰু শ্ৰীকৃষ্ণৰ মাজত যি সংলাপ হৈছিল, সেই সংলাপৰ দুই আষাৰ শ্লোক মূল সংস্কৃতৰ পৰা লিখকে প্ৰসঙ্গক্ৰমে ইয়াত উদ্ধৃত কৰিছে। যথা—

গোপী :—শ্যামসুন্দৰ তে দাস্যং কৰবাম তবোদিতম্।
দেহি বাসাংসি ধৰ্মজ্ঞ নোচেদ্ৰাজ্ঞে ব্ৰুৱামহে॥

শ্ৰীভগবানুবাচ :—ভৱত্যো যদি মে দাস্যো ময়োক্তঞ্চ কৰিষ্যথ।
অত্ৰাগত্য স্ববাসাংসি প্ৰতীচ্ছত শুচিস্মিতাঃ।
নোচেন্নাহং প্ৰদাস্যে কিং ক্ৰুদ্ধো ৰাজা কৰিষ্যতি॥

গোপীগণৰ কাতৰ প্ৰাৰ্থনাতো শ্ৰীকৃষ্ণ আছিল নিৰ্বিকাৰ। কাৰণ শ্ৰীকৃষ্ণ লীলামৃতম্ কাব্যৰ অন্তৰ্নিহিত ভক্তিতত্ত্ব—ঈশ্বৰক ভক্তিৰ দ্বাৰা পাবলৈ হ'লে—প্ৰধান সাধনা ঈশ্বৰত সৰ্বাৰ্পণ। ভাগৱতকাৰৰ বস্ত্ৰহৰণৰ মূলত নিহিত এই নিগূঢ় বিশুদ্ধ অভিপ্ৰায়। স্ত্ৰী তথা নাৰীৰ লজ্জাই ভূষণ। স্ত্ৰীজাতীয়ে যেতিয়া সকলো পৰিত্যাগ কৰে, তেতিয়াও লজ্জা ত্যাগ কৰিব নোৱাৰে। স্ত্ৰীৰ ধন, ধৰ্ম-কৰ্ম-ভাগ্য, সকলো গলেও লজ্জা নাযায়। লজ্জা হ'ল তিৰোতাৰ শেষ বস্ত্ৰ।

স্ত্ৰীয়ে যেতিয়া এই লজ্জাবস্ত্ৰ অইনৰ বাবে পৰিত্যাগ কৰে, তেতিয়া তেওঁতেই স্ত্ৰীয়ে সৰ্বাৰ্পণ কৰে। শেষত উপায়হীন হৈ, গোপীগণ বিবস্ত্ৰা হৈয়ো শ্ৰীকৃষ্ণৰ কথামতে

( ৭৬ পৃষ্ঠাত চাওক )

# পিঙ্গলেশ্বৰৰ দুখন তামৰ ফলি

ড° ৰবীন দেৱ চৌধুৰী

পিঙ্গলেশ্বৰ দেৱালয় বাইহাটা চাৰি-আলিৰ উত্তৰে পোনে পোনে প্ৰায় ৫ কি. মি. আৰু গুৱাহাটীৰ পৰা প্ৰায় ৩০ কি. মি. হব। বাইহাটা চাৰি-আলিৰ পৰা ২ কি. মি. তেজপুৰলৈ যোৱা পথেৰে গৈ বেঙ্গেৰাৰ পৰা ৪ কি. মি. মান উত্তৰে গড়কাপ্তানি বিভাগৰ ৰাস্তাৰে গলে এই দেৱালয় পোৱা যায়। অৱহেলিত অৱস্থাত পৰি থকা বহুতো ধুনীয়া শিলৰ মূৰ্তি এতিয়া পুৰাতত্ত্ব আৰু সংগ্ৰহালয় বিভাগে সংৰক্ষণ কৰিছে। প্ৰাক্-আহোম যুগৰ এই সম্পদবোৰৰ বিষয়ে ইয়াত আমি আলোচনা নকৰো। মন্দিৰত দুখন তাম্ৰলিপি, কিছুমান পুৰণি ৰূপৰ আৰু আন ধাতুৰ বাচন বৰ্তন বা পূজাৰ সামগ্ৰী আছে; সেইবোৰ আগতে নিত্য পূজাত ব্যৱহৃত হৈছিল। এইবোৰৰ বেছিভাগ শ্ৰীমান সেনাপতি বৰফুকনে দান কৰা। কেবাপদ সামগ্ৰীত এই কথা লিখা আছে।

**প্ৰথম ফলি :**

এই ফলিখনৰ জোখ ১০"×৬" ইঞ্চি। প্ৰথম অংশ সংস্কৃতত লিখা। ২য় অংশত অসমীয়া ভাষাত পূজাৰ সামগ্ৰী, তাৰ পৰিমাণ আৰু মূল্যৰ এখন দীঘলীয়া তালিকা দিয়া আছে। ফলিৰ লিপি অসমীয়া। ফলিখনৰ দুয়ো পিঠিতে লিখা। এই ফলি দান উদ্দেশ্যত লিখা হৈছিল। ইয়াত উল্লেখ থকা-মতে নিত্য পূজাৰ বাবে (পিঙ্গলেশ্বৰ দেৱালয়ত) শিৱসিংহ মহাৰাজৰ আদেশত সেনাপতি তৰুণ দুৱৰা বৰফুকন ডাঙৰীয়াই ব্যৱহৃত সামগ্ৰীবোৰৰ মূল্য দিয়াৰ ব্যৱস্থা কৰিছিল। । লিপিৰ সময় ১৬৬১ শক অৰ্থাৎ ১৭৩৯ খৃষ্টাব্দ।

লিপিৰ পাঠ তলত দিয়া ধৰণে পঢ়িব পাৰি :

স্বস্তি সমৰাসীমনিস্বীম ভীম পৰাক্ৰম শ্ৰীশ্ৰীপিঙ্গলেশ্বৰপদাব্জ মধুকৰ ৰাজাধিৰাজ শ্ৰীশ্ৰীসিৱ সিংহ নৃপাজ্ঞা-মুত্তমাঙ্গে নিধায়ত প্ৰেমধান বিধান সেনাপ্ৰতি (সেনাপতি) তৰুণ দুৱৰা বৃহৎফুকনেন পুজাৰ্থং প্ৰত্যহঃ পূজাৰ্থং শশধৰ ৰষযুগল শশাঙ্ক শাকে দেৱোত্তৰ নিবন্ধ তাম্ৰপত্ৰিকেয়ং বিতিৰ্ন্না।

**অসমীয়া অনুবাদ :**

স্বস্তি শ্ৰীশ্ৰীপিঙ্গলেশ্বৰৰ চৰণত (ভক্তিত) ভোমোৰাৰ দৰে পৰি থকা নৃপ, যুদ্ধক্ষেত্ৰত ভীমৰ নিচিনা সীমা নিচিহ্ন কৰি দিব পৰা পৰাক্ৰমী ৰাজাধিৰাজ শ্ৰীশ্ৰীশিৱ সিংহৰ আজ্ঞা শিৰোধাৰ্য্য কৰি প্ৰিয়পাত্ৰ আৰু কাৰ্যকাৰী সেনাপতি তৰুণ দুৱৰাই ধৰ্মাৰ্থে নিত্য পূজাৰ উদ্দেশ্যে ১৬৬১ শকত এই তাম্ৰলিপি ভগৱানৰ নামত দান কৰিছিল।

লিপিখনৰ দ্বিতীয় ভাগত ব্ৰাহ্মণৰ, ৰৰদেউৰি পাঠক আৰু আন আন সকলৰ ভাগ আৰু নিত্য পূজা, পঞ্চপৰ্ব শৰৎকালিন পূজা আৰু দৌলযাত্ৰাৰ পূজাত হোৱা খৰছ মুঠ ৩৫ টকা ৩ অনা ১৪ গণ্ডা ২ কড়া দান দিয়া হৈছিল। লিপিখনত পুৰণি অসমীয়া ভাষাত এইবোৰৰ তালিকা তলত দিয়া ধৰণে আছে :

| | | | |
|---|---|---|---|
| ব্ৰাহ্মণ— | | লিকচৌ— | |
| বৰদেউৰী | ৩ | বৰফুকনৰ | ১ |
| নিলকণ্ঠ পাঠক | ২ | দলৈৰ | ১ |
| কদ্ৰ পাঠক | ১ | মজুমদাৰ জগদানন্দৰ | |
| সুপকাৰ | ২ | সেৱা লোৱাৰ | ১ |
| দৈৱজ্ঞ | ১ | নিত্য নৈবেদ্য যোগোৱাৰ | |
| | ৯ | হৰণ ভগন দ্ৰব্য | |

| | | | |
|---|---|---|---|
| শুদ্ৰ সেৱাইত | ২০॥ | ধান — | দ্ৰূপ |
| আন আঠপৰীয়া | ১ | চাউল | ৩ সেৰ ১ পোৱা ১ ছটাক ৭ গণ্ডা ৩ কড়া |
| ছত্ৰ ধৰা | ১ | মাহ | ½ সেৰ ১ গণ্ডা |
| চামৰ ধৰা | ১ | লোণ | ৩ তোলা ২ গণ্ডা ১ কড়া |
| ডণ্ডধৰা | ১ | তেল | ২ পোৱা ১ ছটাক ৩ গণ্ডা ১ কড়া |
| ঢুলীয়া | ১ | | |
| ডগৰীয়া | ১ | ঘি | ৮ তোলা ৪০ গণ্ডা |
| কালিয়া | ১ | তামোল | ৭ গণ্ডা ১ গণ্ডা |
| ওজাপালি | ৪ | পাণ | ২ গুছি ১ কড়া |
| মালি | ১ | আদা | ১ ডোখৰ ১ কড়া |
| ভোগৰ আলধৰা | ১ | ধূপ | ৫ ডাল ১ কড়া |
| ভণ্ডাৰ কাথ | ১ | জালুক | ২½ তোলা ১ গণ্ডা ১ কড়া |
| মুডীয়াৰ | দ | গুড় | ২ তোলা ১ কড়া |
| ভণ্ডাৰি | ১ | চক | ৩ টা ২ গণ্ডা |
| দুৱৰীঘৰ মোচা | ১ | বসবিৰূপ | ২ কড়া |
| | | | ২৯ টকা ৪ অনা ১০ গণ্ডা |

**পঞ্চ পৰ্ব্বৰ ভগন**

| | | | |
|---|---|---|---|
| চাউল | ২ সেৰ | ২ গণ্ডা | |
| মুগ | ১ সেৰ | ২ গণ্ডা | ২ কড়া |
| তেল | ১ পোৱা | ২ গণ্ডা | ২ কড়া |
| ঘিঁ | ১ তোলা | | ২ কড়া |
| লোন | ১ তোলা | | ৩ কড়া |
| তামোল | ৫ গণ্ডা | ২ গণ্ডা | ২ কড়া |
| পান | ৪ গুছি | ২ গণ্ডা | |
| ধূপ | ৫ ডাল | | ১ কড়া |
| আদা | ২ ডোখৰ | | ১ কড়া |
| গুড় | ১ সেৰ | ৫ গণ্ডা | |
| হোমৰ ঘিঁ | ২ সেৰ | | ১ কড়া |
| গাখীৰ | ২ সেৰ | ২ গণ্ডা | ২ কড়া |

এইদৰে জন্মাষ্টমী, কাতিবিহু, মাঘবিহু, শিৱ চতুৰ্দ্দশী ইত্যাদিত


**ভগন দ্ৰূপ**

শৰৎকালীন পূজাত

| | | |
|---|---|---|
| চাউল | ৫ সেৰ | ৩ অনা ৩ কড়া |
| লোন | ১ সেৰ | ১ অনা ১০ গণ্ডা |
| তেল | ৭ সেৰ | ৩ অনা ১০ গণ্ডা |
| ঘি | ৫ সেৰ | ১০ অনা |
| মাহ | ১০ সেৰ | ১ অনা |
| মুগ | ৬ সেৰ | ১০ গণ্ডা |
| তামোল | ১ কাওন | ১ কড়া |
| পান | ৫ গুছি | ২ অনা ১০ গণ্ডা |
| জালুক | ১ পোৱা | ১ অনা ৫ গণ্ডা |
| আদা | ১ সেৰ | ২ গণ্ডা ২ কড়া |
| ধূপ | ২ পেকেট | ১ গণ্ডা ১ কড়া |
| বৰন বস্ত্ৰ | ১ ডোখৰ | ১০ গণ্ডা |
| ঘটৰ | ১ ডোখৰ | ১০ গণ্ডা |
| গুড় | ২ টা পূৰ্ণ পাত্ৰত | ১০ গণ্ডা |
| চক হাড়ি | ৪০ টা | ১ অনা |
| গাখীৰ | ৩০ সেৰ | ১২ গণ্ডা ২ কড়া |
| দক্ষিণা | | ১ অনা |
| ওজাপালিৰ | | ১ অনা |
| | | ২ টকা ৫ অনা ৭ কড়া |







( প্ৰথম ফলিৰ এপিঠি ).

**দৌল যাত্ৰাৰ ভগন**


| | | |
|---|---|---|
| চাউল | ৩০ সেৰ | ১ অনা ১৭ গণ্ডা ২ কড়া |
| মাহ | ৫ সেৰ | ১০ গণ্ডা |
| মুগ | ৫ সেৰ | ১২ গণ্ডা ২ কড়া |
| লোন | ১ সেৰ | ১ অনা ১০ গণ্ডা |
| তেল | ৪ সেৰ | ২ অনা |
| ঘি | ৩ সেৰ | ৬ অনা |
| তামোল | ২ কাওন ১০ পোন | ৪ অনা |
| পান | ৫ গুছি | ২ অনা ১০ গণ্ডা |
| জালুক | ১০ তোলা | ১২ গণ্ডা ১০ কড়া |
| বৰণ বস্ত্ৰ | ১ ডোখৰ | ১০ গণ্ডা |
| ঘটৰ বৰণ | ১ ডোখৰ | ১ গণ্ডা ১০ কড়া |
| চক হাড়ি | ২০ ডোখৰ | ১০ গণ্ডা |
| গাখীৰ | ১০ সেৰ | ১২ গণ্ডা ২ কড়া |
| | | ১ টকা ৬ অনা ১৫ গণ্ডা |

| | |
|---|---|
| ব্ৰাহ্মণৰ দক্ষিণা | ২ অনা |
| ওজাপালিৰ দক্ষিণা | ২ অনা |
| মুঠত | ১ টকা ১০ অনা ১৫ গণ্ডা |
| নিত্যভগন | ২৯ টকা ৪ অনা ১৫ গণ্ডা |
| পঞ্চ পৰ্ব্বত | ১ টকা ৮ অনা ২ গণ্ডা |
| শৰৎকালিন পূজা | ২ টকা ১১ অনা ৭ গণ্ডা |
| দৌল যাত্ৰাত | ১ টকা ১০ অনা ১৫ গণ্ডা |
| | ৩৫ টকা ৩ অনা ১৪ গণ্ডা ২ কড়া। |

**দ্বিতীয় ফলি :**

এইখন ফলিৰ জোখ ১'×৮" ইঞ্চি। এই ফলিৰ প্ৰথম ভাগত মাত্ৰ ৪½ শাৰী লিখা আছে আৰু এইখিনিৰ ভাষা সংস্কৃত, কিন্তু লিপি অসমীয়া। এইখিনি এনেদৰে পঢ়িব পাৰি—

স্বস্তি শ্ৰীশম্ভোৰ অম্ভোজ দন্তাহৰচৰণয়ো ভৃঙ্গায়মান প্ৰোদ্দামধাম শক্ৰ বংশাবতীৰ্ণ শ্ৰীশ্ৰীমৎ গৌৰি নাথ সিংহ মহামহী পাল তদীয় পৰম সেবকেন শ্ৰীমান মহাশয় মহামহিম পাত্ৰ বৃহৎ ফুকন শ্ৰীমৎ তৰুণ দুৱৰা বৃহৎ ফুকন শ্ৰীমৎ তৰুণ দুৱৰা বৃহৎ ফুকনৈঃ প্ৰাগদত্তা ভূমিমেত্য প্ৰমাণ পত্ৰস্থ মন্ত্ৰীনায়ক দুৰ্দ্দমদমনবৈৰিবিমৰ্দ্দন দুৱৰা বংসাবতংস শ্ৰীমৎ সেনাপতি বৃহৎ ফুকনেন দত্তোদ্ধাৰ তাম্ৰ পত্ৰিকেয়ং



(প্ৰথম ফলিৰ এপিঠি)

অসমীয়া অনুবাদ :

পত্নমৰ গৰ্ব খৰ্ব কৰা শ্ৰীসম্ভোৰ চৰণত মৌৰ দৰে পৰি থকা উচ্চ ইন্দ্ৰবংশীয় শ্ৰীশ্ৰীমৎ গৌৰি নাথ সিংহ মহামহীপালৰ অতি বিশ্বাসী কৰ্মচাৰী শ্ৰীমন্মহাশয় মহামহীম পাত্ৰ বৰফুকন শ্ৰীমৎ ভতুজ দুৱৰা বৰফুকন আৰু শ্ৰীমৎ তৰুণ দুৱৰা বৰফুকনে এই তাম্ৰপত্ৰখন পুৰ্বতে ভূমিদান দিওঁতে কৰোৱায় আৰু পিছত শত্ৰুক জয় কৰোঁতা, বিদ্ৰোহীক দমন কৰোঁতা দুৱৰা বংশৰ মুখ্য (প্ৰধান) মন্ত্ৰী শ্ৰীমৎ সেনাপতি বৰফুকনে এই ফলিখন উদ্ধাৰ কৰি পুনৰ দান কৰে।



লিপিখনৰ দ্বিতীয় ভাগত (প্ৰথম পিঠিতেই) অসমীয়াত লিখা আছে :

শাৰী ১ কামৰূপ দেশৰ বড়ুৱা ও কায়স্থ ও চৌধাৰি ও পাটোৱাৰি ও তালুকদাৰ ও ঠাকুৰিয়া ও গয়ৰহ

২ সকলো সাবধানে জানিব পাতিদৰঙ্গ পৰগণাৰ পিঙ্গলেশ্বৰ গ্ৰামৰ বোৱতি মাটি পকা ৪ চাৰি বিহি

৩ ৺ৰ পুণ্যে দেবোত্তৰ কৰি দিলে আতবাজে আছিলা জঙ্গলো বড়ি বাড়ি দবোবস্ত আবেহদ পুৰ্ব্বে ৰামজয়ু

৪ ৰ সীমা পশ্চিমে পুষ্টৈনদি দক্ষিনে মৰাবৈ উত্তৰে বড় আলি এই চওহদে মাটি আৰু ফকিৰ ১৫ ঘৰ

৫ ৺ৰ পুণ্যে ৰামবল্লভ, ভুবনৈশ্বৰ, ৰামচন্দ্ৰ এহি তিনিজন বড় দেউৰিক ভাগী সহিতে ব্ৰহ্মোত্তৰ কৰি দিয়া গল সেই পাত্ৰ জিৰ্ন্ন হৈল কাৰণ এখন তাম্ৰপত্ৰ কৰি দিয়া গ'ল ইহাৰ কৰ কাটিল পদ পঞ্চক বেছবে

৬ গাৰ চোৰ চিনাদা ধুমুসি মাড়েসা জলকৰ জবক্ষাৰ চকিহাট মাটিদান যুত ৰাজভণ্ড ব্যতিৰেক সৰ্ব্বৰাব

৭ পৰিত্যাগ হৈল ইহাত কোনোজনে অন্যথা নাচাৰিবেক ইতি শক ১৭০৩ তা ২৫ আষাড়

ওলোটা ফালে এনেদৰে আছে :

মগণিয়া ফকিৰৰ
গীৰি জাই
স্তেকেন্দাৰ—১
জটিয়া— ১
পটিয়— ১
কছিলা— ১
বেটিয়— ১
গৰিয়া— ১
ৰাউতা— ১
এৰাদও— ১
ভাণ্ডৰি— ১
লাঙ্গটা— ১
লালুয়া— ১
জুমা— ১
বজলি— ১
সুওপা— ১
কালৈ— ১
১৫

প্ৰথমখন ফলি আমাৰ বোধেৰে বেছি গুৰুত্বপূৰ্ণ। কাৰণ ইয়াত বিভিন্ন পূজাত লগা সামগ্ৰী আৰু তাৰ পৰিমাণ আৰু মূল্যৰ তালিকা দিয়া আছে। এনেকুৱা বস্তুৰ মূল্যৰ তালিকা আন আন কেতবোৰ লিপিতো অৱশ্যে পোৱা গৈছে। গোপেশ্বৰ দেৱালয়ৰ তামৰ ফলি[১] দীপ্তেশ্বৰ মন্দিৰৰ দেৱোত্তৰৰ তামৰ ফলি[২] দীৰ্ঘেশ্বৰী মন্দিৰৰ তামৰ ফলি ১৬৬১ শক[৩], সিদ্ধেশ্বৰ দেৱালয়ৰ তামৰ ফলি[৪] আৰু বিশ্বেশ্বৰ দেৱালয়ৰ[৫] তামৰ ফলিতো পূজাৰ সামগ্ৰী আৰু বস্তুৰ দামৰ তালিকা দিয়া আছে। সেইট চাহাবেও তিনিখন বস্তুৰ তালিকা উল্লেখ কৰিছে। প্ৰথমখন ১৬৬১ শকৰ কোনো তাম্ৰ লিপিৰ পৰা দিছে। দ্বিতীয়খন তালিকাও কোনো লিপিৰ পৰায়েই দিয়া; কিন্তু আগৰখনতকৈ কেইবছৰমান পিছৰ হ'ব। তৃতীয়খন সময়ৰ ফালৰ পৰা পিছৰ[৬]।

প্ৰসঙ্গ :

১। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী, : শ্ৰীবেণুধৰ শৰ্মা সম্পাদিত, ১৮৯৩ শক, পৃঃ ২৫৯—২৬০
২। প্ৰাচ্য শাসনাৱলী : ডঃ মহেশ্বৰ নেওগ সম্পাদিত, ১৯৭৪ চন, পৃঃ ১২০—১২২।
৩। ঐ পৃঃ ১৮৪
৪। ঐ পৃঃ ১৭৭—১৮০
৫। দণ্ডিনাথ দত্তৰ 'শ্ৰীবিশ্বেশ্বৰৰ ইতিবৃত্ত' ১৯৫৯ পৃঃ ৩১
৬। A History of Assam, 1st Edn. P. 271

আমাৰ আলোচিত তাম্ৰ ফলিখনত কিছুমান বস্তুৰ দাম তলত দিয়া ধৰণে পাওঁ। এই ফলিখনত বস্তুৰ পৰিমাণ সেৰ, পোৱা, ছটাক আদিত দিয়া আছে। তালিকাখনৰ পৰা আমি কিছুমান বস্তুৰ মূল্য মোন হিচাপ কৰি উলিয়াই লৈছোঁ।

যেনে—

চাঁউল ২ অনা ১০ গণ্ডা প্ৰতি মোনত
মুগ ৫ অনা ,,
তেল ১ টকা ৪ অনা ,,
ঘিঁ ৩ টকা ৫ অনা ,,
নিমখ ৩ টকা ১২ অনা ,,
গাখীৰ ২ অনা ১০ গণ্ডা ,,
মাহ ৪ অনা ,,
মুগ ৪ অনা ,,
আদা ৫ অনা প্ৰতি মোনত
জালুক ১২ টকা ৮ অনা ,,
গুৰ ১০ অনা ,,

তামোলৰ প্ৰতি কাওনৰ দাম ৪ অনা হিচাপে পৰে। যদি আমি সেইট চাহেবে দিয়া প্ৰথম তালিকাৰ বস্তুৰ দামৰ লগত আমাৰ আলোচিত লিপিৰ তালিকাত দিয়া বস্তুৰ দাম তুলনা কৰো তেন্তে বেছিভাগ ক্ষেত্ৰতে মিল দেখা যায়। কিছুমান ক্ষেত্ৰত অমিল অৱশ্যে আছে। এই তালিকাৰ পৰা বুজা যায় যে সেই সময়ত জালুকৰ দাম আটাইতকৈ বেছি আছিল ; তাৰ তলত আছিল নিমখৰ দাম। গোস্বামীদেৱেও গোপেশ্বৰ দেৱালয়ৰ তাম্ৰ ফলিত থকা বস্তুৰ দামৰ তালিকা আলোচনা কৰি কৈছে "লোণ আমাৰ দেশত পাবলৈ মস্কিল আছিল। সেই গুণে তাৰ দামো বেছি আছিল।"[১]

১। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী, বেণুধৰ শৰ্মা সম্পাদিত, পৃঃ ২৬০

* এই প্ৰবন্ধটো যুগুতাওঁতে আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী আৰু অধ্যাপক শ্ৰীৰজনী কান্ত শৰ্মাই বিশেষ পৰামৰ্শ দানেৰে সহায় কৰাৰ বাবে প্ৰবন্ধকাৰ তেখেতসকলৰ ওচৰত কৃতজ্ঞ।

# চেৰদুকপেন জনজাতিৰ বিবাহ পদ্ধতি

শ্ৰীয়েছে দৰজে ঠংচি

অৰুণাচলৰ চেৰদুকপেন জনজাতিৰ বিবাহ পদ্ধতি অন্যান্য জনজাতিৰ বিবাহ পদ্ধতিতকৈ বেলেগ। বিবাহ বুলিলে যি উগুল-থুগুল, যি আনন্দোৎসৱ পৃথিৱীৰ প্ৰায় ভাগ সমাজত দেখা যায়, চেৰদুকপেন জনজাতিৰ মাজত সি প্ৰায় নাইয়েই।

চেৰদুকপেনসকলৰ বিবাহক দুটা স্তৰত ভাগ কৰিব পাৰি। তাৰে প্ৰথম স্তৰ হৈছে দৰা-কন্যা নিৰ্বাচন পৰ্ব। দৰা-কন্যা বাচনিৰ ক্ষেত্ৰত অন্য জাতিৰ দৰেই চেৰদুকপেন পিতৃ-মাতৃসকল গোড়া আৰু ৰক্ষণশীল। দৰা-কন্যা বাচনি কাৰ্যত কন্যা ঘৰতকৈ দৰা ঘৰৰ প্ৰাধান্য দেখা যায়। জাতে, কুলে মিলা ছোৱালী পালে দৰাৰ মাক-বাপেকে কন্যা ঘৰ আৰু কন্যা বংশত কথাটো কাণত পেলায়। ই মাত্ৰ কন্যা ঘৰত কাণ চোৰোৱাও হ'ব পাৰে অথবা কন্যাদান কৰিবলৈ প্ৰস্তাৱ আকাৰেও হ'ব পাৰে। যদি কন্যাঘৰীয়া মানুহৰ কিবা আপত্তি আছে তেন্তে দৰা ঘৰক কোনোধৰণে আগ নাবাঢ়িবলৈ কৈ থব পাৰে। কিন্তু তাৰ দ্বাৰা দৰাঘৰীয়া মানুহক কোনো প্ৰস্তাৱ পেলোৱা প্ৰায় লক্ষ্য কৰা নাযায়। যদি কন্যাঘৰীয়া মানুহে হয় বা নহয় কিবা এটা নকয় তেন্তে সন্মত থকা বুলি ধৰি লৈ ভাল দিন-বাৰ চাই কেইজনমান ডেকা ল'ৰাক ছোৱালীজনী পথাৰৰ পৰাই হওক বা পানী ঘাটৰ পৰাই হওক অথবা গুই থকাৰ পৰাই হওক ধৰি আনিবলৈ পঠাই দিয়ে। এনেদৰে জোৰ কৰি ছোৱালী আনি কৰা বিয়াক হিন্দু পণ্ডিতসকলে 'ৰাক্ষস বিবাহ' আখ্যা দিছে। এনেধৰণৰ বিবাহ চেৰদুকপেন জনজাতিৰ বাহিৰেও অন্য সমাজতো প্ৰচলিত থকা দেখা যায়। হয়তো ইয়াৰ পৰিণাম বা পদ্ধতিলৈ লক্ষ্য কৰিয়েই এই বিবাহক 'ৰাক্ষস বিবাহ' বোলা হৈছে। নিয়মমতে কিছুমানে দৰাঘৰৰ মানুহৰ লগত অলপ সময় যুঁজ দি এৰি দিয়ে; যদি সেইদৰে যুঁজ নিদিয়ে তেন্তে কন্যাৰ ওপৰত নিজ মানুহে অপমান কৰা বুলি ধৰি লোৱা দেখা যায়। এই যুঁজত কন্যা ধৰিবলৈ অহা মানুহবিলাকৰ কাপোৰ, টুপী আদি কাঢ়ি থয়। তেনেদৰে কাঢ়ি থোৱা কাপোৰ টুপীকে "ৰাকপুজান" বোলে। কন্যা ঘৰৰ পৰা মানুহ পঠাই এই ৰাকপুজানবোৰ নানা উপঢৌকন দি পিচত ঘূৰাই আনিব পাৰি।

কন্যা ধৰি আনি দৰাৰ ঘৰৰ এচুকত ঠিক কৰি থোৱা আসনত আনি ৰাখে। সেই আসনৰ ওপৰত এটা হোৰাত মূল্যবান বয়বস্তু, খাদ্যশস্য ভৰাই তাৰ ওপৰত ৰং-বিৰঙৰ কাপোৰ আৰু ফুল লগাই সাজি থোৱা হয়। এই হোৰাক "টাচি য়ুং" বোলে। ই শুভকাৰ্য্যৰ প্ৰতীক। কন্যাক আনি নিৰ্দিষ্ট আসনত বহুৱাই দিয়াৰ লগে লগে ঘৰৰ প্ৰধান মানুহজনে সমুখত এবাটি লাওপানী দি ভিজিত 'খদি' বা বৰমাল্য প্ৰদান কৰি তিনি ঢোক লাও পানী কন্যাৰ মুখত ৰাকি খুৱাই দিয়ে। দৰাৰ ঘৰত

কন্যাৰ লগত থাকিবলৈ দুজনীমান বান্ধৱী থাকে, এওঁলোকক 'আছামৰোকমাত' বোলে। কন্যা ধৰি অনাৰ পিছত ঘৰত ধুনছাং বা নাচ গান কৰা আৰম্ভ হয়। কন্যাই নিজ হাতেৰে লাওপানী সাজি সকলোকে খুৱাব লাগে আৰু নিজেও নাচ গানত যোগদান কৰিব লাগে। কিন্তু তিনি দিনলৈকে কন্যাই দৰাৰ ঘৰৰ ভাত খাব নোৱাৰে। কন্যাৰ ওচৰ সম্পৰ্কীয় মানুহে এই তিনিওদিনে পাল পাতি ভাত ৰান্ধি আনি কন্যাক খুৱাই থাকে। দুইৰাতি পাৰ হ'লে দৰা পক্ষত দুজন আদহীয়া মানুহে লাওপানী আৰু 'থাটা' ( বগা কাপোৰৰ গামোছা স্বৰূপ মালা ) লৈ কন্যাৰ ঘৰলৈ আহে আৰু তেওঁলোকে চোৰ ডকাইতৰ দৰে কন্যা ধৰি নিয়াৰ বাবে ক্ষমা ভিক্ষা খুজি 'থাটা' আৰু লাওপানী প্ৰদান কৰে। ইয়াকে 'য়ামউহনাবা' বোলে। কন্যা পক্ষৰ মানুহে কন্যা ধৰিবলৈ অহা মানুহৰ পৰা কাঢ়ি থোৱা 'ৰাকপুজান' বা কাপোৰ টুপী সেই সময়ত কন্যা পক্ষৰ কৰা দাবী অনুসৰি দাম দি মুকলি কৰি নিয়ে। তিনি ৰাতি পাৰ হলে কন্যাকো মাক পিতাকৰ ঘৰলৈ পুনৰাই পঠাই দিয়ে। কিন্তু কন্যাপক্ষই যদি আগৰে পৰাই কাবোবাৰ্লৈ কন্যাদান কৰি থৈছে তেন্তে কন্যাক পুনৰ ওভোতাই পঠোৱা নহয়। আকৌ কিছুমানে ইচ্ছাকৃত ভাবে কন্যাক যাবলৈ নিদিয়াকৈ ৰাখি থোৱাও দেখা যায়। বিয়াৰ সময়ত দৰাই কোনো প্ৰকাৰে অংশ গ্ৰহণ নকৰে, বৰঞ্চ কন্যা ধৰি অনা সময়ত দৰাই দুই তিনিদিন ঘৰৰ বাহিৰতহে থাকিব লাগে। তেনে কৰাকে 'ইছিঞ্ৰা' অৰ্থাৎ দৰাই কৰা অভিমান বোলা হয়।

এইয়া বিয়াৰ প্ৰথম স্তৰহে, আচল বিয়া কিন্তু ই নহয়। ( কিন্তু আজিকালি প্ৰায়বোৰ বিয়া এই প্ৰথম স্তৰতে শেষ কৰি থোৱা দেখা যায়। ) দৰাচলতে ইয়াক মাথোন হিন্দুসকলৰ আঙঠি পিন্ধোৱা কাৰ্যৰ সৈতেহে তুলনা কৰিব পাৰি। কন্যাই দৰাৰ ঘৰত তিনিৰাতি যাপন কৰি ঘৰলৈ উভতি আহে। তাৰ পাছতহে দৰা আৰু কন্যা পক্ষৰ মাজত উছুংজিৰিং বা মাজৰ মানুহৰ দ্বাৰা কথা-বতৰা পতা হয়। যদি দুয়ো পক্ষই বুজা পৰালৈ আহে আৰু বিবাহ স্থিৰ হয় তেতিয়া বিবাহৰ বাবে দিন বাৰ কৰি লোৱা হয়। তাৰ পাছত দৰা পক্ষই কন্যাৰ বংশলৈ (অৰ্থাৎ কন্যাজনী যদি ঠংদোক ঘৰৰ হয় তেন্তে ঠংদোক উপাধিধাৰী সকলো লোকক কন্যাৰ বংশ বুলি ধৰা হয় ) এটা ভেড়া কন্যাৰ সম্ভ্ৰান্তৰ বা দাস বংশলৈ ( অৰ্থাৎ কন্যাজনী যদি সম্ভ্ৰান্ত বংশৰ হয়, তেন্তে তেওঁলোকৰ দাস বংশলৈ বা কন্যা দাস হলে তেওঁলোকৰ গৰাকী অভিজাত বংশলৈ এটা ভেড়া আৰু কন্যা ঘৰলৈ এটা ভেড়া আনি কন্যা নিবলৈ আহে। সেই ভেড়াবোৰক 'ছুফোলো' অৰ্থাৎ মাংস উপঢৌকন বোলা হয়। অভিজাত সম্প্ৰদায়ৰ মানুহে ভেড়াৰ সলনি মেথোন বা চৌৰৰ গাইয়ো উপঢৌকন হিচাপে অনা হয়। বিয়াৰ দিনা পুৱাই 'মিৰিং দিমি" অৰ্থাৎ কন্যাৰ ভনীয়েকসকলে কন্যাক ঘৰৰ বাহিৰে বাহিৰে নি এটা ঘৰত গা ধুৱাই, কাপোৰ কানি পিন্ধাই দিয়ে আৰু লগতে এটা ভোজ দিয়ে। তাৰ পিছত কন্যাক কাঁহী এখনৰ সৈতে 'থাটা' বা মালা প্ৰদান কৰি ঘৰলৈ লৈ আহে। ঘৰলৈ আহি পিতাকে প্ৰথমতে কন্যাৰ নামত ভোজ এটা দিয়ে। কন্যাৰ লগত আগৰবাৰৰ দৰে এইবাৰো দুই এজনী 'আচাম ৰোকমাত' থাকে। ভোজ শেষ হোৱাৰ পিছত কন্যাই 'আচাম চাৰাপ' কৰিবলৈ লয়। আচাম চাৰাপৰ অৰ্থ হৈছে কন্যা বিলাপ। এই আচাম চাৰাপ চেৰডুকপেন সংস্কৃতিৰ একচেতিয়া বস্তু ; অন্য কোনো জাতিৰ মাজত এনে ধৰণৰ প্ৰথা দেখা নাযায়। অসমীয়া বিয়া নামৰ লগতো ইয়াক তুলনা কৰিব নোৱাৰি। কাৰণ নামতীসকলে বিয়া নাম গায়, কিন্তু আচাম চাৰাপ বিয়া দিবলৈ ওলোৱা কন্যাইহে গাব পাৰে। ইয়াৰ সুৰ-লয়, তাল মান কান্দোনৰ উচুপনিৰ লগত



থাপ খোৱা গতিকে কান্দিলেহে 'আচাম চাৰাপ'ৰ সুৰৰ মাদকতা ওলাই পৰে। বিয়াৰ দুই এমাহৰ আগৰ পৰা চেৰডুকপেন ছোৱালীবিলাকে কোনো বয়সস্থ তিৰোতাৰ পৰা এই আচাম চাৰাপ শিকি লব লাগে। আচাম চাৰাপ কেইবাটাও স্তৰত বিভক্ত আৰু প্ৰত্যেকটোৰে নিজৰ কাল স্থান অনুসৰিহে গাব পাৰি। ভোজ ভাত শেষ হোৱাৰ পিছত প্ৰথমতে কন্যাই "চোকচাং চিকপা আচাম চাৰাপ" অৰ্থাৎ মাক দেউতাকক উদ্দেশ্য কৰি এইদৰে বিলাপ কৰি কান্দে :

ক্ৰিমান চাৰ'গ কেথান
চাৰ'ন চুমু মাপচিন
উঞ্ৰুলে খেংগ জোমৰ
গোমথাং ছোপাছি ক্ৰিকক্ৰি'ন
দিমিণ প্ৰাংমু মাতউ
গাচাং ন ইৰি 'গ জোমৰ'
গোংখা ছোপা ৰালা।
... ... ....
... ... ....
ক্ৰিমান লোগা কেথান
তাঙ্গু চাংগি এৰ্ পো
উঞ্ৰুলে ৰাপগো জোমৰ
চোংচাং লিওৰাচি ক্ৰিকক্ৰি'ন
দিমিন প্ৰাং মু মাত উ
মাকাথনো বোৰোমগো জোমৰ
গোংখা ছোপা ৰালা
চোংচাং লিংবা ৰালা

( শহৰ আৰু শাহু আইৰ সৈতে জন্মদাতা আই-দেউতাই পূৱত জন্মা মেথোনৰ শিঙত ধৰি, পশ্চিমত জন্মা চৌৰৰ গাইৰ গলবিচনীত ধৰি, দক্ষিণত জন্মা ঘোঁৰাৰ কেশৰত ধৰি দৰ-দাম কৰাৰ পাছত আনন্দত সুৰা পান কৰিছে বুলি ভাবিছিলো, কিন্তু মোৰ দৰে আজলী ছোৱালী এজনীৰ মুৰৰ চুলিত ধৰি, বুকুৰ আঁচলত ধৰি, কঁকালৰ টঙালিত ধৰি দৰ-দাম কৰিহে আনন্দত সুৰাপান কৰিছে দেখোন ! )

কন্যাই সেইদৰে বিলাপ কৰি কন্দাৰ পিছত মাক-দেউতাকে কন্যাই ৰাখি থাবৰ কাৰণে জি জি ( লোহাৰে তিনি বা চাৰিঠেঙীয়া ঘূৰণীয়া চৌকা বিশেষ ) ভাও ( পিতলৰ বাচন ) চোক ( ৰূপৰ দ্বাৰা নিৰ্মিত পানী তুলিবলৈ ব্যৱহাৰ কৰা হেতা ), ধনী মানুহে লগতে পুহিবৰ নিমিত্তে এটা গাই বা মাইকী ঘোঁৰা কন্যাক যৌতুক হিচাপে প্ৰদান কৰে। তাৰ পিছত নিজ বংশৰ প্ৰত্যেক ভাতৃ আৰু মতা মানুহসকলৰ ওচৰলৈ গৈ কোলাত পৰি কন্যাই বিলাপ কৰি কান্দে, তেতিয়া প্ৰত্যেকে একোটা "থাটা" অৰ্থাৎ মালা একোটাৰে সৈতে কাঁহী, বাটি, এড়ি কাপোৰ বা তেনে ধৰণৰ একোটা বস্ত্ৰ বা কাপোৰ উপহাৰ স্বৰূপে দি ভনীয়েকক বিদায় দিয়ে। ঘৰৰ পৰা ওলাই যাবৰ পৰত কন্যাই পাক ঘৰৰ প্ৰতি উদ্দেশ্য কৰি এইদৰে আকৌ বিলাপ কৰি কান্দে :—

মাও জ'ন থাপগি লামু
দিমিন প্ৰাংমু মাত উ
উঞ্ৰুলে নাঙু ঞ্ৰুগো
চিংৰা খানজে জোকখান
জাউৰানো লাচে জোকৰ'
হানো অজোগি ৰাৰো'
ফাকনো অজোগি খেৰো'
তাচিনো দাপগে চোংৰাউ
ছুৰো খোংগা জিমৰো,
লিংৰা খোংগা জিমৰো,
জাংৰা লাচে তুৰা
থুলুনো নিনিও ইলিংগো
নামখো কাৰমো চিৰা
চাগ্গা জেম চিৰো
লাচিত তোপাও অথোলো

লাখি ৰোভোপা ৰাৰামুদে
ঞ্‌কথি খুৰো অংমুউ
ঞাম্নাউথি ঞ্‌ৰা অংমুউ
কেন্‌না ৰাৰচে দোচোঙ্‌অ'
লিগা কোণমো দোচঙ্‌অ'
তুৰো খোংগা জিমথাঅ'
কেৰাণ' উমুলো লোৰা
ৰিৰাণ' অবোলো লোৰা
ঞ্‌লে চিংৰা জোকৰ'
কেলা ৰাৰচে দোচোঙঅ'
লিগা কৰমো দোচোঙঅ'।

(হে থাপগে লামু (অৰ্থাৎ পাকঘৰৰ দেৱী), তোমাৰে ভাতপানী খাই ডাঙৰ দীঘল হলো, আৰু গোটেই জীৱন তোমাৰে কোলাত কটাই দিম বুলি ভাবিছিলো, কিন্তু আজি মই অনিচ্ছাস্বত্বেও তোমাৰ পৰা বিদায় লৈ যাব লগাত পৰিছো। তথাপিও মই চিৰদিনৰ বাবে তোমাৰ পৰা বিচ্ছিন্ন হৈ নাযাওঁ, কেতিয়াবা পেটৰ তাড়না লৈ ৰাতিপুৱাই তোমাৰ ওচৰত ওলাবহি পাৰো, কেতিয়াবা আকৌ পতিৰ ঘৰৰ পৰা বুকুভৰা বেজাৰ আৰু অভিমান লৈ সন্ধিয়া পৰত তোমাৰ ওচৰত ওলাবহি পাৰো, তেতিয়া যেন তুমি আগৰ দৰে মোক তোমাৰ কোলাত এখানিমান স্থান দিয়া। জন্মদাতা মাতৃ, পালনকৰ্তা পিতৃতকৈ তোমাৰ আশীৰ্বাদ যে ডাঙৰ, গতিকে হে থাপগে লামু, ঘৰৰ পৰা ওলাই যোৱাৰ পিছতো যেন মোক ভালে কুশলে ৰাখা, আৰু জীৱন মোৰ যেন সুখৰ হয় তাৰ বাবে আশীৰ্বাদ দিয়া।)

সেইদৰে ৰান্ধনীশালৰ পৰা আৰম্ভ কৰি ঘৰৰ দুৱাৰ, বাৰান্দা, খটখটি, চোতাল, আস্তাবল, গোহালি আদি সকলো ঠাইৰ পৰা কন্যাই আচাম চাৰাপ কৰি আশীৰ্বাদ বিচাৰি বিদায় লয়। সেইদৰে কন্যাই নিজ সম্পৰ্কীয় মানুহৰ ঘৰে ঘৰে গৈ আচাম চাৰাপ কৰে আৰু প্ৰতিদান স্বৰূপে ঘৰৰ গিৰিহঁতে এখন কাঁ বা ঘটিৰে সৈতে ভিভিত খাটা প্ৰদান কৰি বিদা দিয়ে। তাৰ পিছত কন্যাই গাওঁত থকা প্ৰত্যেক মন্দিৰ, ধৰ্ম স্তম্ভ, পানীৰ ঘাট, খেতিৰ পথাৰ ইত্যা ঠাইলৈ গৈ আচাম চাৰাপ কৰি আশীৰ্বাদ আ বিদায় লয়। অৱশেষত গাঁওৰ চেতন অচেতন সকলে বস্তুৰ পৰা বিদায় লৈ দৰা ঘৰলৈ যাত্ৰা কৰে। এ দৰে আচাম চাৰাপ কৰোঁতে দুই তিনিদিন পৰ্য সময় লয়। কন্যাই আচাম চাৰাপ কৰি ফুৰাৰ সম মিৰিং দিমিসকলেও লগে লগে বিয়া নাম গা যাব লাগে। চেৰডুকপেন বিয়া নামৰ আংশিক নমু এটা তুলি দিয়া হ'ল ;

ক্ৰিমা চাৰপু চোংৰোন মানচোং পোন
মানদে চোঙভিণ মফামবু
মানদে কলস্তে মানডুৰ
ক্ৰিমা জাংকু চোংপোণ তচোংপণ
তেদে চচাং ক্ৰি মফামবু
তেদে ৰাপলো তেচে ফামজুৰ
ক্ৰিমা নোপলো ৰচোং পোণ
ৰদে চোঙভি মফামবু
ৰদে জামলো তেদে ফামজুৰ।
ক্ৰিমা লোকু চোংপণ ভচোংপণ
ভদে চোং ভি মফামবু
লোকেৰ জানলে তেদে ফামজুৰ।
ক্ৰিমা মিকু চাংপোণ মানচিনচোন
মাণচিণ চোংভিণ মফামবু
মাণচিণ দোংলা তেচে ফামজুৰ।

(পূৰৱ মেথোন বিক্ৰেতাই মেথোনৰ ওজনলৈ নহ —শিঙলৈ চাই বিক্ৰী কৰিবৰ ইচ্ছা নকৰে। উত্তৰ ঘোঁৰা বিক্ৰেতাই ঘোঁৰাৰ বৰণলৈ চাই নহয়— কেশৰৰ বাবে, পশ্চিমৰ মুখা বিক্ৰেতাই মুখাৰ আকা লৈ নহয়—মুখাৰ অবয়বৰ বাবে আৰু দক্ষিণৰ ক





বিক্ৰেতাই ৰূপৰ উজ্জলতাৰ বাবে নহয়—ৰূপত থকা ফুললৈ চাই অন্য মানুহক দিবলৈ টান পায়, আমাৰো কন্যাৰ সৌন্দৰ্যতকৈ তাইৰ গুণৰ বাবে তোমালোকৰ হাতত গটাবলৈ টান পাইছো।)

যদি বিয়াখন একেখন গাওঁৰ মাজতে হয় তেনেহলে দৰাপক্ষৰ মিৰিং দিমিসকলে কন্যা ঘৰলৈ আহি কন্যাক লৈ যায় আৰু কন্যাপক্ষৰ মিৰিং দিমিসকলেও কন্যাক একেবাৰে নি দৰাঘৰত থৈ আহে। কিন্তু বিয়া যদি চেৰডুকপেন্‌সকলৰ বাসস্থানৰ ঠিক মাজত অৱস্থিত ছিপিক নামৰ পাহাৰৰ কোনোবা ফালৰ দুই গাওঁৰ মাজত হয়, তেন্তে কন্যাই দৰাঘৰৰ মানুহৰ লগত গৈ সেই ছিপিক পাহাৰৰ এটা নিৰ্দিষ্ট শিলত ধৰি আচাম-চাৰাপ কৰি কান্দে। গাওঁৰ মূৰৰ পৰা দৰাপক্ষৰ মিৰিং দিমিসকলে খাটা আৰু লাওপানী লৈ কন্যাক আদৰি আনে। তাৰ পিছত দৰাৰ ঘৰত দুই তিনিদিনলৈকে ভোজভাত, নাচ-গান আদি চলে।

আগতে উল্লেখিয়াই অহাৰ দৰে এইবাৰো দৰাই কোনো ধৰণৰ ভাগ নলয়। কন্যা ঘৰলৈ আনি দুই-ৰাতি পাৰ হলে তৃতীয় দিনা কেইজনমান বন্ধুৱে গধূলি শোৱাৰ পৰত দৰাক ঘৰলৈ লৈ আহে। দৰা ঘৰত প্ৰৱেশ কৰাৰ আগতে ঘৰৰ আটাইকেইজন মানুহ শুই থাকিব লাগে। সেইদিনা প্ৰায় আঠজন লোকে শুব পৰাকৈ আচাম ৰোকমাত অকলে বিচনা মাজি তাৰে আধা অংশ অধিকাৰ কৰি কন্যাক লগত লৈ শুই থাকে। ঘৰৰ সকলো মানুহ শুই পৰাৰ পিছত দৰাক লগত লৈ বন্ধুসকলে ঘৰত প্ৰৱেশ কৰে আৰু দৰাক কন্যাৰ ঠিক কাষতে শুউৱাই দৰা-কন্যাৰ দুয়োফালে দৰাৰ বন্ধু আৰু কন্যাৰ আচামৰোকমাত বা সখীসকল শুই থাকে। ৰাতিপুৱাই দৰাৰ মাক পিতাক উঠি পাকশালত জুই ধৰি ঘৰখন পোহৰাই তোলে আৰু চৌকাত গৰম পানী বহাই থয়, কিন্তু দৰা-কন্যাৰ লাজ সঙ্কোচ ভাঁতৰাবৰ কাৰণে দৰা-কন্যাই উঠি আহিব খুজিলেও জোৰ কৰি বিচনাত বহুপৰলৈ শুৱাই থয়। তাৰ পাছত কন্যাই উঠি শহুৰ-শাহুৱেকে কৰি থোৱা গৰম পানীৰে লাওপানী তৈয়াৰ কৰি নিজৰ পতিক আৰু ঘৰৰ সকলোকে খুৱায়। পত্নীৰ পৰা পতিৰ সেয়ে প্ৰথম আহাৰ-পানী গ্ৰহণ। সেই দিনাও নাচ-গান কৰি বিবাহ-উৎসৱ চলি থাকে আৰু দৰায়ো সেইদিনাৰ নাচ-গানত যোগ দিয়ে। সেইদৰে দুই তিনি ৰাতি ধৰি বন্ধু-বান্ধৱীসকলে দৰা-কন্যাৰ মিলনত সহায় কৰি থাকে আৰু দুয়োৰে মাজত লাজ সঙ্কোচ দুগুচালৈকে আচামৰোকমাতসকল কন্যাৰ লগত থাকে। অৱশেষত সেই আচামৰোমাতসকলক প্ৰত্যেককে একোখন এড়ি কাপোৰ, একোখন কাঁহী আৰু ভিভিত খাটা বা মালা প্ৰদান কৰি বিদায় দিয়ে। এইদৰেই চেৰডুকপেনসকলৰ বিবাহ অনুষ্ঠানৰ সমাপ্তি ঘটে। ১৪৪৯- ৫২/৯৭

যিসকল কন্যাক প্ৰথমবাৰ ধৰি আনোতে একেবাৰে দৰাৰ ঘৰত ৰাখি থয়, সিহঁতকো পিছত আনুষ্ঠানিক বিয়াৰ দুই তিনিদিন আগতে মাক পিতাকৰ ঘৰলৈ পঠাই দিয়ে আৰু দৰাপক্ষৰ মানুহে তাৰ পাছে পাছে চুকোলো আদি নি আনুষ্ঠানিক ভাৱে লৈ আহে। জোৰাই খটা প্ৰথাও চেৰডুকপেন সমাজত বিদ্যমান। তেনে ক্ষেত্ৰত দৰাৰ পক্ষৰ মানুহে পিছত আনুষ্ঠানিক ভাৱে দৰা কন্যাক নিজ ঘৰলৈ লৈ আহে। চেৰডুকপেনসকলে সাধাৰণতে মোমায়েক বা পেহীয়েকৰ লৰা ছোৱালীকে বিয়াৰ পাত্ৰ হিচাপে বাচি লোৱা দেখা যায়। কিন্তু খুৰাকৰ বা মাহীয়েকৰ লৰা ছোৱালীক বিয়া কৰাব নোৱাৰে। নিজ ভগ্নীৰ ছোৱালীবিলাকৰ ওপৰত মোমায়েকসকলৰ সম্পূৰ্ণ অধিকাৰ থাকে আৰু তাৰে পৰা যিকোনো এজনী ছোৱালী নিজৰ লৰালৈ অনায়াসে আনিব পাৰে। তেনেধৰণৰ কন্যাক 'চামু' অৰ্থাৎ অধিকৃত কন্যা বোলা হয়। একে উপাধিধাৰী আৰু নিজৰ দাস বা অতি-

জাত গৰাকী সম্প্ৰদায়ৰ মাজত বিয়া হব নোৱাৰে। বহুপত্নী বা বহুস্বামী প্ৰথা নাই। আগৰ পত্নী এৰিব খুজিলে পত্নীৰ সৈতে চেৰডুকপেন আইনৰ ৫ নম্বৰ ধাৰা অনুযায়ী জৰিমনা ৰাইজ আৰু পত্নীৰ অভৰী ৰভৰীলৈ দিহে পত্নীক এৰি নতুন পত্নী লব পাৰে। বিধৱা বিবাহৰ প্ৰচলন আছে, বিধবা বৌৱেকক ইচ্ছা হলে দেওৰেকেও গ্ৰহণ কৰিব পাৰে। বিবাহৰ ক্ষেত্ৰত জাতিভেদ প্ৰথা ৰবকৈ মানি চলা দেখা যায়। তথাপিও দিৰাং খেম্বাং, নামচু; চাংথি, দোমথা, মোৰছিং ইত্যাদি গাওঁৰ মনপা মানুহৰ লগত বিবাহ হব পাৰে, এই চয়খন গাঁওৰ বাহিৰৰ কোনো মনপা লোকৰ চেৰডুকপেনসকলৰ বৈবাহিক সম্বন্ধ নাই।

চেৰডুকপেনসকলে জীৱিত কালত নাৰীৰ গাধন নলা
কিন্তু এজনী নাৰীৰ মৃত্যুৰ পিছত তাইৰ গা
তাইৰ পুত্ৰ, নাতি নাতিনীসকলে সেই নাৰীৰ ভা
পুত্ৰ নাতি নাতিনীক দিব লাগে। কিন্তু যৌ
কালতে গিৰিয়েকৰ ঘৰত যদি কোনো নাৰীৰ মৃ
হয় তেন্তে গিৰিয়েকৰ পৰাই তাইৰ গা ধন আদা
কৰি লোৱা দেখা যায়। এক প্ৰকাৰে কবলৈ গ
চেৰডুকপেনসকলে নিজৰ পত্নীৰ গাধন নিদিয়ে, মাকৰ
গাধন দিয়ে। নাৰীৰ জীৱিত কালত তাইৰ গা-
আদায় কৰা মানে তাইৰ আত্মা আৰু আয়ু
বিক্ৰী কৰা হয় বুলি চেৰডুকপেনসকলে বিশ্বা
কৰে। ●



# শ্ৰীসূৰ্য পাহাৰ

শ্ৰীগুনীন্দ্ৰ নাথ ভুঞা

গোৱালপাৰা চহৰৰ পৰা আঠ মাইল মান পূবে অৱস্থিত শ্ৰীসূৰ্য্য পাহাৰৰ অঞ্চলটো পুৰণি প্ৰত্নতাত্ত্বিক সমলেৰে পৰিপূৰ্ণ। ইয়াত ভালেমান দেৱ-দেৱীৰ মূৰ্তিৰ উপৰিও গোটা শিলত কটা বৌদ্ধ স্তূপ, শিৱ-লিঙ্গ আদি দেখা যায়। অতীতত একালত যে এই অঞ্চলটো ঘন-জনবসতিপূৰ্ণ ঠাই আছিল আৰু ধৰ্ম-চৰ্চাৰ এটি কেন্দ্ৰস্থল আছিল, সেইটো ওপৰত উল্লেখ কৰা মূৰ্তি আদি আৰু ঠায়ে ঠায়ে থকা সৰু-বৰ পুখুৰী, মাটি খান্দোঁতে বা হাল বাওঁতে নাইবা নৈৰ গৰা খহনীয়াৰ ফলত পোৱা শিল আৰু পোৰা-মাটিৰ মূৰ্তি, ঘৰুৱা কামত ব্যৱহৃত মাটিৰ সাজ-বাচনৰ খোলাকটি ইত্যাদিয়ে তাৰ প্ৰমাণ দিয়ে। সূৰ্য পাহাৰত পোৱা মূৰ্তি আদিৰ পৰা এই ধাৰণা হয় যে এসময়ত অৰ্থাৎ খৃষ্টীয় সপ্তম-অষ্টম শতিকাত (ইয়াত থকা মূৰ্তিবোৰ তাত থকা শিলালিপিৰ কালৰ পৰা এই সময়ৰ বুলি দীনেশ চৰকাৰ আদি পণ্ডিতে মতামত দিছে) সকলো ধৰ্ম-সম্প্ৰদায়ৰ লোকে ইয়াত ধৰ্ম-চৰ্চা কৰিছিল। সেইটোৱে ইয়াকে সূচায় যে ধৰ্ম বিষয়ত সেই সময়ৰ লোক উদাৰ-পন্থী আছিল আৰু সম-সাময়িক ৰজায়ো সকলো ধৰ্মৰে পৃষ্ঠপোষকতা কৰিছিল। এই অঞ্চলটো সেই সময়ৰ কোনোবা ধলুৱা ৰজাৰ ৰাজধানী আছিল বুলি কোনোবাই ধাৰণা কৰিলেও তাত আচৰিত হবলগীয়া একো নাই।

১০ম শতিকাত ৰচিত বুলি ধাৰণা কৰা কালিকা পুৰাণত ৭৮ম অধ্যায়ৰ ৪০-৫৫ ম শ্লোকত ৰৱিক্ষেত্ৰৰ বৰ্ণনা আৰু পূজাৰ মন্ত্ৰ আৰু বিধিৰ উল্লেখ পোৱা যায়। স্বৰ্গীয় আনন্দ চন্দ্ৰ আগৰৱালাদেৱৰ মতে এই ৰৱিক্ষেত্ৰই শ্ৰীসূৰ্যপাহাৰ। শ্ৰীসূৰ্য পাহাৰৰ কিছুদূৰ পূবত কৃষ্ণাই আৰু দুধনাই নৈৰ সঙ্গমস্থলী। কালিকা-পুৰাণত বৰ্ণিত ত্ৰিস্ৰোতা নৈ এই নৈয়েই হ'ব লাগে বুলি তেখেতৰ ধাৰণা। সূৰ্যপাহাৰৰ পশ্চিমে কুণ্ড থকা বুলি স্থানীয় লোকে কয়, যদিও আমাৰ দেখাৰ সৌভাগ্য হোৱা নাই। এই কুণ্ডই কালিকা-পুৰাণত বৰ্ণিত কপোত আৰু কৰণ কুণ্ড হ'ব লাগে।

সূৰ্যপাহাৰত গোটা শিলত কটা তিনি ফুটৰ পৰা প্ৰায় দহ ফুট ওখ প্ৰায় নটা বৌদ্ধ-স্তূপ আছে। তেনেকুৱা স্তূপ গোৱালপাৰা চহৰৰ পশ্চিমে পঞ্চৰত্নৰ ওচৰৰ পাগলাটেক অঞ্চলতো দেখিবলৈ পোৱা যায়। অসমত বৌদ্ধ মঠ—বিহাৰ বা আন গঠিত স্থাপত্যৰ কোনো নিদৰ্শন পোৱা নগলেও এই স্তূপ-বোৰৰ পৰা প্ৰমাণ হয় যে অন্ততঃ ৭ম ৮ম শতিকাত বৌদ্ধ-ধৰ্মৰ প্ৰচলন অসমত আছিল। সপ্তম শতিকাত কামৰূপ ভ্ৰমণ কৰা যুৱান চোৱাঙে প্ৰচ্ছন্নভাৱে বুদ্ধ-পূজা ইয়াত চলিছিল বুলি লিখি থৈ গৈছে। গতিকে অসমলৈ বৌদ্ধ-ধৰ্মৰ প্ৰসাৰ হোৱা নাছিল বুলি কোনো পণ্ডিতে কৰা মন্তব্য গ্ৰহণযোগ্য নহয়।

শ্ৰীসূৰ্য পাহাৰত থকা মূৰ্তিবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য মূৰ্তি হ'ল জৈন তীৰ্থঙ্কৰৰ দুটা শিলত কটা নিম্ন অৰ্ধ-ভাস্কৰ্যৰ মূৰ্তি। ইয়াৰ বাহিৰেও সূৰ্য পাহাৰত আৰু ভালেমান হিন্দু দেৱতাৰ মূৰ্তি আছে। এই মূৰ্তিবোৰ তিনিটা ডাঙৰ শিলত শাৰীকৈ কটা। আটাইতকৈ ডাঙৰ মূৰ্তিটো পিছফালৰ আন এটা শিলত কটা। আটাইকেইটা মূৰ্তি সমপদ-স্থানক ভঙ্গীত থিয় হৈ থকা।

তাহানি কামৰূপ অনুসন্ধান সমিতিৰ 'জাৰ্নেল অব্, দি আসাম ৰিচাৰ্চ চোচাইটি'ৰ ২য় খণ্ডৰ ১ম সংখ্যাত ৺সৰ্বেশ্বৰ কটকীদেৱে মূৰ্তি দুটা দ্বাৰ-পালৰ বুলি লিখিছিল আৰু ১০ম খণ্ডত প্ৰকাশিত শ্ৰীপ্ৰেমধৰ চৌধুৰীদেৱৰ প্ৰবন্ধত বাহিৰত থকা মূৰ্তিবোৰ চিনাক্ত-কৰণ কৰা হৈছিল। ছবি লোৱাৰ সুবিধাৰ অৰ্থে মূৰ্তিবোৰৰ গাত চূণ সানি লোৱা হৈছিল। কিন্তু চূণ সনা কামত আমাৰ বোধেৰে বেমেজালি হোৱাৰ



শ্ৰীসূৰ্য পাহাৰৰ কেইটামান মূৰ্তি



কাৰণে চিনাক্তকাৰণত কিছু আসোৱাহ হৈ গ'ল। তেখেতৰ প্ৰবন্ধত গুহাত থকা মূৰ্তি দুটাক শিৱ-মূৰ্তি বুলি চিনাক্তকৰণ কৰা হৈছে। দৰাচলতে এই দুটা মূৰ্তি জৈন তীৰ্থঙ্কৰৰ। কোনো কোনোৱে এই দুটা মূৰ্তিৰ এটা জৈন তীৰ্থঙ্কৰ পদ্মপ্ৰভ আৰু আনটো শান্তিনাথৰ বুলি ক'ব খোজে। কিন্তু মানসাৰ, অপৰাজিত পৃচ্ছা আৰু বসুনন্দীৰ প্ৰতিষ্ঠা সাৰ সংগ্ৰহৰ মতে এই দুয়োটা মূৰ্তি প্ৰথম জৈন তীৰ্থঙ্কৰ আদিনাথ বা ঋষভনাথৰ হ'ব লাগে। স্বৰ্গীয় বৃন্দাবন ভট্টাচাৰ্যৰ জৈন মূৰ্তি-লক্ষণ বিচাৰেও তাকেই কয়। মূৰ্তি দুটাৰ এটাৰ তলত লাঞ্ছনা হিচাপে ধৰ্ম-চক্ৰ আৰু আনটোৰ তলত বৃষভ আছে। মূৰ্তি দুটাৰ জোখ যথাক্ৰমে ১৩৫ চেঃ মিঃ আৰু ৯৩ চেঃ মিঃ, আৰু দুয়োটা নগ্ন আৰু কায়োৎসৰ্গ ভঙ্গীত থিয় দি আছে।

সেই গুহাৰ ভিতৰতে প্ৰাচীন লিপিত লিখা কিছুমান আখৰ কটা আছে। চৌধুৰীদেৱৰ প্ৰবন্ধৰ পৰা আমি জানিব পাৰোঁ, যে ড° দীনেশ চন্দ্ৰ চৰকাৰ আৰু তেখেতে যুটীয়াভাৱে চেষ্টা কৰিও ইয়াৰ পাঠোদ্ধাৰ ভালদৰে কৰিব নোৱাৰিলে। তেখেত-সকলৰ মতে লিপিত কিছুমান তীৰ্থযাত্ৰী বা সেৱকৰ নামৰ বাহিৰে ইতিহাসৰ ফালৰ পৰা একো গুৰুত্ব-পূৰ্ণ কথা লিখা নাই। লিপিৰ শৈলী বিচাৰৰ ফালৰ পৰা এইবোৰ ৮ম-৯ম শতিকাৰ বুলি তেখেতে তেখেতৰ প্ৰবন্ধত উল্লেখ কৰিছে।

ইয়াৰ বহিৰেও শ্ৰীসূৰ্য পাহাৰত ডাঙৰ লটিয়া শিলত কটা ভালেমান দেৱ-দেৱীৰ মূৰ্তি আছে। মূৰ্তিবোৰ শাৰীকৈ কটা। আটাইতকৈ ডাঙৰ বাৰহতীয়া মূৰ্তিটো পাছফালৰ পৰা আন এটা শিলত কটা। চৌধুৰীদেৱৰ মতে ইয়াৰ ছটা মূৰ্তি নাৰী মূৰ্তি। কিন্তু অলপতে এই মূৰ্তিবোৰ ভালদৰে পৰীক্ষা কৰি পোৱা গল যে এইবোৰ নাৰী মূৰ্তি নহয়, পুৰুষৰ মূৰ্তিহে; আৰু মূৰ্তি কেইটা দ্বিভুজহে, চতুৰ্ভুজ নহয়। সোঁ-হাতত গদা আৰু বাও হাতত চক্ৰ আছে। ডিঙিত আজানুলম্বিত বনমালা আছে। নাৰী মূৰ্তি হিচাপে চিনাক্তকৰণ কৰি চৌধুৰীদেৱে এই কেইটা দুৰ্গা মূৰ্তি বুলি কৈছিল। আচলতে এই কেইটা বিষ্ণু মূৰ্তিহে। বিষ্ণুধৰ্মোত্তৰৰ মতে এই কেইটা লোকপাল বিষ্ণুৰ মূৰ্তি (একবক্তু, দ্বিবাহুশ্চ গদাচক্ৰধৰঃ প্ৰভুঃ)।

ইয়াৰ বাহিৰেও ইয়াত আৰু কেইটামান নগ্ন চতুৰ্ভুজ মূৰ্তি আছে। জটামুকুট আৰু সৰ্প-সম্বলিত এইকেইটা শিৱৰ মূৰ্তি। মূৰ্তিকেইটাৰ ওপৰৰ সোঁহাতত সৰ্প, ওপৰৰ বাওঁহাতত ত্ৰিশূল আৰু সোঁফালৰ তলৰ হাতখন বৰদ মুদ্ৰাত আছে আৰু তলত আছে শিৱৰ বাহন ভৃঙ্গী। তাৰে এটা চতুৰ্ভুজ নগ্ন মূৰ্তিৰ ওপৰত সোঁ আৰু বাওঁ হাতত যথাক্ৰমে ত্ৰিশূল আৰু চক্ৰ (?) আৰু তলৰ সোঁ-হাত বৰদ মুদ্ৰাত আছে। বাওঁহাতত কি আছে ধৰিব পৰা নগ'ল। আনহাতে মূৰ্তিটোৰ ডিঙিত আজানুলম্বিত বনমালা আছে। ওপৰৰ বাওঁ হাতত থকা আয়ুধটো যদি চক্ৰ হোৱাটো সঁচা হয়, তেন্তে এইটো হৰি-হৰৰ যৌথ মূৰ্তি বুলি ভাবিবৰ থল আছে।

পাছফালৰ শিলত কটা ডাঙৰ মূৰ্তিটো দ্বাদশ ভুজৰ। শিৰত কিৰীটি, আজানুলম্বিত বনমালা, নানা অলঙ্কাৰ শোভিত, বাৰখন হাতৰ এঘাৰখনত নানা বিধৰ আয়ুধ আৰু আনখন হাতত বৰদ মুদ্ৰাত থকা আৰু মূৰৰ ওপৰত সপ্ত-ফনা নাগ-শোভিত এই মূৰ্তিটোক নাৰী মূৰ্তি বুলি আৰু মনসাদেৱীৰ মূৰ্তি বুলি চৌধুৰী-দেৱে স্থিৰ কৰিছিল। এইটোও আচলতে পুৰুষ মূৰ্তি। মূৰ্তিটোৰ দুয়োকাষে দুটা সৰু মূৰ্তি (?) বিদ্যমান। পদ্মস্থিত এই মূৰ্তিটো কিহৰ মূৰ্তি সেইটো সতকাই কোৱা টান। ৰূপমণ্ডন আৰু অপৰাজিত পৃচ্ছাৰ মতে, অনন্তৰূপী বিষ্ণুৰ বাৰখন হাত থাকে; কিন্তু লগতে এটা মূৰৰ সলনি চাৰিটা মূৰ থাকে। আনহাতে সূৰ্যপাহাৰৰ এই মূৰ্তিটোত এটাহে মাথোঁ মূৰ আছে। বিষ্ণুধৰ্মোত্তৰ মতে অনন্তৰ চাৰিখন হাত আৰু মূৰৰ ওপৰত বহুফণা সম্বলিত নাগৰ

মূৰ্ত্তি থাকে। কিন্তু এইটো হ'লে ঠিক যে প্ৰাচীন কালৰ শিলাকুটিসকলে সকলো সময়তে শিল্প-শাস্ত্ৰ সমূহত মূৰ্ত্তি নিৰ্মাণ সম্বন্ধে দিয়া বিধি-নিৰ্দেশসমূহ আখৰে আখৰে পালন নকৰিছিল; বা ক্ষেত্ৰ বিশেষে নানা কাৰণত পালন কৰিবলৈ সমৰ্থ নহৈছিল। তাৰ অলেখ উদাহৰণ ভাৰতৰ অন্যান্য ঠাইতো পোৱা যায়। এনেকি দুটা বেলেগ ধৰ্মপন্থাৰ সমন্বয় বুজাবলৈ প্ৰাচীন ভাস্কৰ-সকলে শিল্প-শাস্ত্ৰত নথকা মূৰ্ত্তিও নিজৰ কল্পনা অনুসৰি সৃষ্টি কৰিছিল। মধ্যযুগত পূব ভাৰতত হিন্দু আৰু বৌদ্ধধৰ্মৰ সমাহাৰৰ প্ৰতিপাদক হিচাপে বিষ্ণুৰ হাতত থকা পদ্মমূৰ্ত্তিত বুদ্ধৰ প্ৰতীক বজ্ৰক অঙ্কিত কৰিছিল। আন নালাগে এই অসমতে আহোম যুগত খোদিত ভালেমান মূৰ্ত্তি শিল্প-শাস্ত্ৰসম্মত নহয়। গতিকে এই ক্ষেত্ৰতো তিনিটা মূৰৰ সলনি এটা মাথোন মূৰেৰে অনন্ত মূৰ্ত্তিক ৰূপায়িত কৰাটোও একো আচৰিত কথা নহয়।

সি যি কি নহওক, শিল্প-শৈলীৰ ফালৰ পৰা এই মূৰ্ত্তিবোৰ প্ৰায় অষ্টম শতিকাৰ। এনেধৰণৰ মূৰ্ত্তিৰ নিদৰ্শন বঙ্গদেশৰ অষ্টম শতিকাৰ পালযুগৰ আৰম্ভণি কালত খোদিত মূৰ্ত্তিৰ মাজত পোৱা যায়। দ্বাদশ-ভূজৰ মূৰ্ত্তিটো অলপ পিছৰ কালৰ হোৱাটোও অসম্ভৱ নহয়।

শ্ৰীসূৰ্য পাহাৰৰ গাতে লগা আলিৰ সিপাৰে বামুণ পাহাৰ। ইয়াত এটা ইটাৰে নিৰ্মিত শিৱ-মন্দিৰৰ ভগ্নাৱশেষ পোৱা যায়। মন্দিৰলৈ উঠা বাটটোৰ দুয়োকাষে পুৰণি মন্দিৰৰ ভগ্নাৱশেষ কটা শিলৰ টুকুৰা সজাই থোৱা আছে। বোধকৰো ইয়াৰ আগতে এটা শিলৰ মন্দিৰ আছিল আৰু সেইটো ধ্বংস হোৱাৰ পিছত ইটাৰে পুনৰ এটা মন্দিৰ নিৰ্মাণ কৰা হৈছিল। ইটাৰ মন্দিৰটো পোৰা মাটিৰ ভাস্কৰ্য্য খোদিত আছিল। শিলৰ মন্দিৰটো আদি মধ্যযুগৰ হোৱাটো সম্ভৱ।

শ্ৰীসূৰ্য পাহাৰৰ পৰা প্ৰায় ১ কিলোমিটাৰ ভিতৰত গোৱালপাৰালৈ যোৱাৰ পথত দোঙ্গাপাৰা গাওঁৰ গাতে লাগি থকা দেকধোৱা পাহাৰত ভালেমান শিলত কটা সৰু সৰু শিৱলিঙ্গ দেখিবলৈ পোৱা যায়। ইয়াতে এটা শিলৰ গাত গণেশ আৰু মহেশ (ব্ৰহ্মা ?)ৰ দুটা সৰু মূৰ্ত্তি কটা আছে। গাতে লগাকৈ আন এটা মূৰ্ত্তি কিহৰ সেইটো স্থিৰ কৰাটো সম্ভৱ হোৱা নাই। দুশাৰীত লিখা প্ৰাচীন লিপিৰ নিদৰ্শনো ইয়াত পোৱা যায় যাৰ পাঠোদ্ধাৰ এতিয়াও সম্ভৱ হোৱা নাই। লিঙ্গৰ প্ৰাচুৰ্যলৈ চাই এইবোৰো সূৰ্যপাহাৰৰ ভাস্কৰ্যৰ সমসাময়িক বুলি ভাবিবৰ যথেষ্ট স্থল আছে। পাহাৰৰ উত্তৰ মূৰে নৈৰ পাৰত থকা এটা শিলৰ ওপৰতো আন এশাৰী প্ৰাচীন লিপিৰ নিদৰ্শন পোৱা যায়, আৰু তাৰ কাষতে অলপ ওপৰত এটা শিলেৰে আৰু আনটো ইটাৰে নিৰ্মিত ঘৰৰ ভগ্নাংৱশেষৰ চিন পোৱা যায়।

৺কটকীদেৱৰ মতে ইয়াত বোধকৰো এটা শিৱ-মন্দিৰ আছিল। স্থানীয় লোকপ্ৰবাদ মতেও আগতে তাত এটা বুঢ়া-বুঢ়ীৰ মন্দিৰ আছিল বুলি কটকীদেৱে উল্লেখ কৰিছে। বোধকৰো আগতে তাত প্ৰাচীন মন্দিৰ আছিল। যথাযথ সমলৰ অভাৱত এইবোৰৰ কাল নিৰ্ণয় কৰাটো এতিয়াও সম্ভৱ হৈ উঠা নাই।

ইয়াৰ বাহিৰেও সূৰ্য্যপাহাৰৰ পূবে ৩-৪ মাইলমান ভিতৰত নন্দেশ্বৰ দেৱালয় অৱস্থিত। ইয়াতো যে এসময়ত এটা ইটাৰে নিৰ্মিত মন্দিৰ আছিল তাৰ যথেষ্ট প্ৰমাণ পোৱা যায়, যদিও ইয়াৰো সময় নিৰূপণ কৰাটো সম্ভৱ হোৱা নাই। কিন্তু পোৰা মাটিৰ ভাস্কৰ্যৰ ফুলাম চানেকিৰ অৱশিষ্ট সি দুই-এটুকুৰা পোৱা গৈছিল, সেইবোৰৰ পৰা ক'ব পাৰি যে নন্দেশ্বৰ দেৱালয়, বামুণ পাহাৰৰ ইটাৰ দ'ল আৰু দেকধোৱা পাহাৰৰ ইটাৰ দ'ল একে সময়তে নিৰ্মিত হৈছিল। বোধকৰো এইবোৰ সূৰ্য্যপাহাৰৰ শিলামূৰ্ত্তিবোৰৰ সময়কালতকৈ পিছৰ। ●

# নাট্য ৰস

.................................................

—কুমাৰ কিশোৰ

## ৰস কি আৰু কেইপ্ৰকাৰ ?

"ৰসো বৈ সঃ।" অৰ্থাৎ তেৱেঁই (ভগৱান) ৰস আৰু ৰসতেই তেওঁৰ পৰিচয়। সাধাৰণ অৰ্থত নট-নটী, অভিনেতা-অভিনেত্ৰীৰ ভাৱ-ব্যঞ্জক সঞ্চালনময়ী ভঙ্গিমাৰে শ্ৰোতা বা দৰ্শকৰ অন্তৰত যি পৱিত্ৰ আনন্দৰ সৃষ্টি কৰা যায় সেয়েই নাট্য-ৰস। কিন্তু ৰসৰ দ্বাৰা দৰ্শক অথবা শ্ৰোতাৰ মনত জানো অকল আনন্দৰেই সৃষ্টি কৰা হয় ? বিভিন্ন ৰসে দৰ্শক বা শ্ৰোতাৰ অন্তৰত বিভিন্ন ভাৱৰ উদ্ৰেক নকৰে জানো ? অন্যাৰ্থত ৰসৰ সংজ্ঞা এনেদৰে দিব পাৰি : অভিনেতা-অভিনেত্ৰীৰ আৱেগময়ী ভঙ্গিমাই [দেহ-ভংগী আৰু সংলাপ বা কথন ভঙ্গী] বা যি কাৰ্যই দৰ্শক বা শ্ৰোতাৰ অন্তৰত [দুখ-শোক, হাঁহি-আনন্দ, ক্ৰোধ-ঘৃণা আদি] বিভিন্ন ভাৱৰ উদ্ৰেক কৰে সেয়েই নাট্য-ৰস।

ৰস ন-প্ৰকাৰ বুলি কোৱা হয় যদিও নাট্য-শাস্ত্ৰ মতে ৰস আঠ প্ৰকাৰহে। শৃঙ্গাৰ বা আদি ৰস, হাস্য কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত ৰস।

"শৃঙ্গাৰহাস্য কৰুণা ৰৌদ্ৰ বীৰ ভয়ানকাঃ।
বীভৎসাদ্ভুত সংজ্ঞৌ চৈত্যষ্টৌ নাট্য ৰসাঃ স্মৃতা ॥"
—নাট্য শাস্ত্ৰ, ষষ্ঠ অধ্যায়।

নাট্য শাস্ত্ৰমতে শান্তৰস নাট্য ৰসৰ অন্তৰ্ভুক্ত নহয়। কিন্তু ভৰতৰ নাট্য শাস্ত্ৰ সমালোচক অভিনৱ গুপ্তৰ মতে নাট্যৰস আঠ প্ৰকাৰ নহয়; ন প্ৰকাৰহে। অভিনৱ গুপ্তই শান্ত ৰসকো নাট্য ৰসৰ অন্তৰ্ভুক্ত কৰিছে। নাট্য শাস্ত্ৰ অনুসৰি ৰস মূলতঃ চাৰিটা : শৃঙ্গাৰ, ৰৌদ্ৰ, বীৰ আৰু বীভৎস। বাকী চাৰিটা ৰস অৰ্থাৎ হাস্যৰস শৃঙ্গাৰ ৰসৰ পৰা, কৰুণ ৰস ৰৌদ্ৰ ৰসৰ পৰা, অদ্ভুত ৰস বীৰ ৰসৰ পৰা আৰু ভয়ানক ৰস বীভৎস ৰসৰ পৰা উৎপত্তি হৈছে!

অপ্ৰাসঙ্গিক হ'লেও এই খিনিতে উল্লেখ কৰা উচিত যে বিভিন্ন ৰসৰ অভিনয়ত ৰস সৃষ্টিৰ লগত থাপ খোৱাকৈ উচ্চ মঞ্চত কি ৰঙৰ পৰ্দা ব্যৱহাৰ কৰা উচিত সেই বিষয়ে নাট্য শাস্ত্ৰত উল্লেখ কৰিছে :

| ৰস | অভিনয়ত কি পৰ্দা ব্যৱহাৰ কৰিব লাগে | ৰসৰ অধিকাৰী বা দেৱতা |
|---|---|---|
| আদি ৰসৰ | অভিনয়ত— শুভ্ৰ বৰ্ণ ; | এই ৰসৰ দেৱতা বিষ্ণু। |
| হাস্য ৰসৰ | ,, বিচিত্ৰ বৰ্ণ ; | ,, ,, প্ৰমথ। |
| কৰুণ ৰসৰ | ,, ধূম্ৰ বৰ্ণ ; | ,, ,, যম। |
| ৰৌদ্ৰ ৰসৰ | ,, ৰক্ত বৰ্ণ ; | ,, ,, ৰুদ্ৰ। |
| বীৰ ৰসৰ | ,, পীত বৰ্ণ ; | ,, ,, ইন্দ্ৰ। |
| ভয়ানক ৰসৰ | ,, নীল বৰ্ণ ; | ,, ,, যম (কাল) |
| বীভৎস ৰসৰ | ,, ধুমল বৰ্ণ ; | ,, ,, শিৱ (মহাকাল) |
| অদ্ভুত ৰসৰ | ,, হৰিৎ বৰ্ণ ; | ,, ,, ব্ৰাহ্মণ। |

পাশ্চাত্য দেশৰ অভিনয় সাহিত্যত বিভিন্ন ৰংবোৰক দুই ভাগত বিভক্ত কৰিছে : উষ্ম ৰং (Warm Colour) আৰু শীত ৰং (Cold Colour)। ৰঙা, হালধীয়া, কপিল প্ৰভৃতি ৰংবোৰক উষ্ম আৰু নীলা, সেউজীয়া, ছাই মাটিয়া প্ৰভৃতি ৰঙক শীত ৰং বুলি আখ্যা দিছে। উষ্ম ৰঙে আনন্দ উৎফুল্লতা আদিৰ কথা সূচায় ; আৰু উষ্ম ৰং সাধাৰণতে মিলনান্তক অভিনয়ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। তেনেদৰে শীত ৰঙে শীত আদি ভাৱৰ কথা সূচায় আৰু এই ৰং বিয়োগান্ত দৃশ্যৰ অভিনয়ত ব্যৱহাৰ কৰা উচিত বুলি উল্লেখ কৰিছে।

আলোক সম্পাত কৰোঁতেও ৰস অনুযায়ীহে খাপ খোৱা ৰঙৰ পোহৰ নিক্ষেপ কৰা কৰ্তব্য। অন্যথাই ৰসৰ দেৱতা অথবা অধিকাৰী ক্ষুণ্ণ হয়।

বিভিন্ন ৰস : উৎপত্তিৰ কাৰণ আৰু তাৰ লক্ষণ : অভিনয়ত বিভিন্ন সময়ত বিভিন্ন ভাৱ প্ৰকাশ কৰিব-লগীয়া হয়। এই আটাইবোৰ মনোভাৱ অষ্ট ৰসৰ অন্তৰ্বৰ্তী। প্ৰায়বোৰ নাট্যৰসেই দুটা ৰূপত প্ৰকাশ কৰা হয় : সংযত ৰূপ আৰু অসংযত ৰূপ। সংযত ৰূপত প্ৰকাশিত ৰসে দৰ্শকৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰে। ৰসৰ সংযত ৰূপ উপলব্ধিৰ বাবে দৰ্শকৰ গভীৰ আৰু সূক্ষ্ম অনুভূতিৰ প্ৰয়োজন। কিন্তু অসংযত ৰূপ উপলব্ধিৰ বাবে গভীৰ অনুভূতি নহলেও হয়। কিয়নো ৰস সৃষ্টিৰ বাহ্যিক ৰূপ প্ৰকাশৰ দ্বাৰা অসংযত ৰূপৰ অভিনয় কৰা হয়। ৰসৰ সংযত ৰূপ উচ্চ পৰ্য্যায়ৰ ব্যক্তিৰ (নাটকীয় চৰিত্ৰ) দ্বাৰাহে অভিনয়ত ফুটাই তোলা সম্ভৱ। প্ৰবন্ধৰ কলেৱৰ বৃদ্ধি হোৱাৰ ভয়ত সংযত আৰু অসংযত ৰূপৰ উদাহৰণ দিয়াৰ লোভ সামৰিব লগীয়া হ'ল।

ৰস কি ? সংস্কৃত 'ভৱন্তি' শব্দৰ পৰা ভাৱ শব্দটো ওলাইছে। সংলাপ, অঙ্গী-ভঙ্গী আদিৰ দ্বাৰা অভিনয়ত দৰ্শকৰ অন্তৰত যি অনুভূতিৰ সৃষ্টি কৰা হয়—সেয়ে ভাৱ ; আৰু ভাৱেই ৰস।

ভাৱ দুই প্ৰকাৰ : বিভাৱ আৰু অনুভাৱ।

বিভাৱ :—যি কাৰণত ভাৱ বা ৰসৰ উৎপত্তি বা উদ্ৰেক হয় অৰ্থাৎ ৰস উৎপত্তিৰ স্থায়ী কাৰণেই হ'ল বিভাৱ। বিভাৱক স্থায়ী ভাৱ বুলিও কোৱা হয়।

অনুভাৱ :—স্থায়ী ভাৱৰ বহিঃ প্ৰকাশ অৰ্থাৎ ৰস সৃষ্টি বা ভাৱ প্ৰকাশৰ বাবে যি কাৰ্য কৰা যায় তাকেই অনুভাৱ বোলে।

স্থায়ীভাৱ বা বিভাৱ আৰু অনুভাৱৰ প্ৰকাৰ আৰু প্ৰয়োগ সম্পৰ্কে পিছত বহলাই আলোচনা কৰা হৈছে।

অষ্ট ৰসৰ উৎপত্তিৰ কাৰণ :—

১। **শৃঙ্গাৰ ৰস** :—মনোৰম বস্তুৰ বা ঋতু, কুসুম মাল্যাদি পৰিধান, অলঙ্কাৰেৰে পৰিবেশন, মনোৰম বেশভূষা, প্ৰিয়জনৰ সঙ্গ উপভোগ, কাব্য-গীত আদি শ্ৰৱণ, উদ্যান আদিত ভ্ৰমণ, হংস আদিৰ কেলি কাৰ্য দৰ্শন প্ৰভৃতি কাৰণত শৃঙ্গাৰ ৰসৰ উদ্ৰেক বা উৎপত্তি হয়।

চকুৰ নিৰ্মল দৃষ্টি, মুখৰ পৱিত্ৰতা, মধুৰ আৰু হাস্যপূৰ্ণ বচন, সন্তুষ্টি আৰু উৎফুল্লতা, অঙ্গ প্ৰত্যঙ্গৰ হাস্যপূৰ্ণ ভঙ্গীৰ দ্বাৰা মঞ্চত শৃঙ্গাৰ ৰসৰ অভিনয় কৰা হয়।

শৃঙ্গাৰ ৰসৰ ব্যাভিচাৰী ভাৱ বিৰহ। নিৰ্বেদ, গ্লানি, শঙ্কা, অসূয়া, শ্ৰম, চিন্তা, ঔৎসুক্য, নিদ্ৰা, সুপ্তি, স্বপ্ন, বিবোধ, ব্যাধি, উন্মাদ, অপস্মাৰ, মোহ, মৰণ, প্ৰভৃতি অনুভাৱৰ দ্বাৰা অভিনয়ত শৃঙ্গাৰ ৰসৰ ব্যাভিচাৰ ভাৱ প্ৰকাশ কৰা হয়।

২। **হাস্য ৰস** :—হাস্য ৰসৰ স্থায়ী ভাৱ হাস্য বা আনন্দ। তিৰোতা আৰু নিম্ন স্তৰৰ পুৰুষৰ ক্ষেত্ৰত সাধাৰণতে হাস্যৰস প্ৰকাশ পায়। হাস্যৰস ছয় প্ৰকাৰ। যেনে—স্মিত, হাসিত, বিহাসিত, উপহাসিত, অপহাসিত আৰু অতিহাসিত। প্ৰথম দুই প্ৰকাৰ [স্মিত আৰু হাসিত] উচ্চ পৰ্যায়ৰ, বিহাসিত আৰু উপহাসিত মধ্য পৰ্যায়ৰ আৰু শেষৰ দুই প্ৰকাৰ অৰ্থাৎ অপহাসিত আৰু অতিহাসিত হাস্যৰস নিম্ন স্তৰৰ পুৰুষ আৰু নাৰীৰ দ্বাৰাহে প্ৰকাশিত হয়। এই ছয় প্ৰকাৰ হাঁহিক





স্মিত, হাস, বিহাস, উপহাস, অপহাস আৰু অতিহাস নামেও জনা যায়।

(ক) স্মিত :—দুগাল কিঞ্চিত পৰিমাণে ফুলাই, সুশ্ৰী ভঙ্গী আৰু দাঁতৰ পাৰি অদৃশ্যকৈ ৰাখি এই হাঁহিৰ অভিনয় কৰা হয়।

(খ) হাস :—প্ৰস্ফুটিত নেত্ৰ, মুখ আৰু গাল আদিয়েই এই হাঁহিৰ লক্ষণ। এই হাঁহিৰ অভিনয়ত দাঁতৰ পাৰি কিঞ্চিত পৰিমাণে দৃশ্যমান হোৱা বাঞ্ছনীয়।

(গ) বিহাস :—সঙ্কুচিত চকু আৰু গণ্ডস্থল, আনন্দ-পূৰ্ণ মুখ মণ্ডল, মধুৰ অথচ ক্ষীণ হাস্য ধ্বনিৰে বিহাসৰ অভিনয় কৰিব লাগে।

(ঘ) উপহাস :—উৎফুল্লিত নাক, দৃষ্ট জিহ্বা, নিকুঞ্চিত গ্ৰীৱা, বক্ৰ স্কন্ধ আৰু শিৰ প্ৰৱল প্ৰভৃতিয়েই উপহাসৰ লক্ষণ।

(ঙ) অপহাস :—শোকাদিৰ অৱসৰত অশ্ৰুসিক্ত নয়নেৰে, শিৰ আৰু স্কন্ধ প্ৰৱলভাৱে উৎকম্পিত কৰি যি হাস্যৰসৰ সৃষ্টি কৰা হয় সেয়েই অপহাস হাস্যৰস।

(চ) অতিহাস :—বিস্তাৰিত নেত্ৰ, উচ্চ আৰু অতিৰিক্ত আৰ্দ্ৰস্বৰ আৰু দেহ-পাৰ্শ্ব উভয় হস্তৰ দ্বাৰা আবৃত কৰি অভিনয়ত অতিহাসৰ লক্ষণ ফুটাই তোলা হয়।

হাস্যৰস দুই ভাগত বিভক্ত : আত্মস্থ আৰু পৰস্থ। হাস্যৰস সৃষ্টিৰ বাবে নিজে হাঁহিলে আত্মস্থ আৰু আনক হঁহুৱালে তাক পৰস্থ হাস্যৰস বোলে।

বিকৃত বেশ আৰু কেশ বিন্যাস, অদ্ভুত অলঙ্কাৰ পৰিধান (অৰ্থাৎ স্বাভাৱিকতাৰ ব্যতিক্ৰম কৰি) নিৰ্লজ্জতা অৱলম্বনৰ দ্বাৰা, কণ্ঠগ্ৰীৱা আদি স্পৰ্শ কৰি অসংলগ্ন সংলাপ (কলহ) বা চাল-চলন, অঙ্গী-ভঙ্গী প্ৰভৃতিৰ বিসদৃশতাৰ দ্বাৰা হাস্যৰসৰ উদ্ৰেক কৰা হয়। অসৎ প্ৰলাপ বা সংলাপ আদিয়ে ৰুচিপূৰ্ণ হাস্যৰসৰ সলনি নিম্ন ৰুচিৰ হাস্যৰস সৃষ্টিতহে সৰহ পৰিমাণে সহায় কৰে।

৩। **কৰুণ ৰস** :—কৰুণ ৰসৰ স্থায়ী ভাৱ শোক। অভিশাপ প্ৰাপ্তি, প্ৰিয়জনৰ বিৰহ, সম্পত্তি বিনাশ, মৃত্যু, পীড়ণ, তাড়ণ, বন্ধন, পলায়ন, আকস্মিক দুৰ্ঘটনা দুৰ্ভাগ্য প্ৰভৃতি কাৰণত কৰুণ ৰসৰ উৎপত্তি হয়।

অশ্ৰুপাত, অনুতাপ,, শুষ্কমুখ, বৈৱৰ্ণ, অঙ্গ-প্ৰত্যঙ্গৰ দুৰ্বলতা, ৰুদ্ধ শ্বাস-নিশ্বাস, স্মৃতি-বিলোপ আদি অনু-ভাৱত কৰুণ ৰস প্ৰকাশিত হয়।

উদাসীনতা, ৰক্তহীনতা ঔৎসুক্য, অত্যাধিক স্পৃহা, উত্তেজনা, ভ্ৰম, অপস্মাৰ, দৈন্য, ব্যাধি, বন্ধন, উন্মাদ, জড়তা, ত্ৰাস, কম্পন, স্বৰভেদ, অশ্ৰুপাত, আলস্য প্ৰভৃতি কৰুণ ব্যাভিচাৰ ৰূপ।

৪। **ৰৌদ্ৰ ৰস** :—ক্ৰোধ, ধৰ্ষণ, অধিক্ষেপন, অৱমাননা, মিছা অপবাদ, মন্ত্ৰ প্ৰয়োগ, ভীতি প্ৰদৰ্শন, প্ৰতিহিংসা পৰায়ণতা, আক্ৰোশ আদি স্থায়ী ভাৱৰ পৰা ৰৌদ্ৰ ৰসৰ উৎপত্তি হয়।

তাড়ণ, পীড়ণ, পাতন, ছেদন, অস্ত্ৰাঘাত, সম্প্ৰহাৰ, প্ৰহৰণ, আহৰণ, ৰুধিকাৰ্ষণ, প্ৰভৃতি ৰৌদ্ৰ ৰসৰ কাৰ্য্য বা ক্ৰিয়া। স্বেদ, ভ্ৰুকুটি, ৰুক্ষণ, ৰক্ত চকু প্ৰদৰ্শন, দন্তোষ্ঠ পীড়ণ, (দাঁতেৰে ওঠ কামুৰি ধৰি), গণ্ড-স্ফুৰণ, হস্তাগ্ৰ নিষ্পেষণ, দন্ত ঘৰ্ষণ, প্ৰভৃতি অনুভাৱত ৰৌদ্ৰ ৰস অভিনয়ত প্ৰকাশ কৰা হয়।

প্ৰত্যুৎপন্নমতি, সংকল্প, শৌৰ্য, অৱজ্ঞাজনিত ক্ৰোধ, অস্থিৰতা, স্বেদ, কম্পন, ৰোমাঞ্চ, ৰুদ্ধ শ্বাস, যুক্ত স্বৰ, প্ৰভৃতি ৰৌদ্ৰ ৰসৰ ব্যাভিচাৰ ভাৱ।

৫। **বীৰ ৰস** :—উচ্চ স্বৰত বচন প্ৰকাশ কৰিলেই বীৰ ৰসৰ অভিনয় কৰা হয় বুলি সৰ্ব সাধাৰণৰ ধাৰণা। কিন্তু সেই ধাৰণা সঁচা নহয়। শক্তি, ধৈৰ্য, মঙ্গলময়ী ভাৱ, আশ্চৰ্যহীনতা, প্ৰত্যুৎপন্নমতি আৰু উৎসাহ প্ৰভৃতিৰ পৰা বীৰ ৰসৰ উৎপত্তি হয়।

ধৈৰ্য, দৃঢ়তা, বীৰত্ব, গৌৰৱ, শক্তি, আক্ৰমণাত্মক মনোভাৱ, ভৎৰ্সনা আদি অনুভাৱৰ দ্বাৰা অভিনয়ত বীৰ ৰস প্ৰকাশ কৰা হয়।

বীৰ ৰসৰ ব্যাভিচাৰ ভাৱ :—সন্তুষ্টি, সুচিন্তিত

বা বিবেচিত সিদ্ধান্ত অহঙ্কাৰ বা গৌৰৱ, আবেগ শৌৰ্য, স্মৃতি ভয়াবহতা, অৱজ্ঞাসূচক থং ইত্যাদি।

বীৰ ধৰ্ম পালনৰ বাবে উদাৰতা আৰু ত্যাগ স্বীকাৰৰ ক্ষমতা থকা প্ৰয়োজন। দাতাকৰ্ণ, ৰজা হৰিশ্চন্দ্ৰ প্ৰভৃতিয়েই তাৰ প্ৰমাণ।

৬। **ভয়ানক ৰস :**—বিকৃত শব্দ শ্ৰৱণ, প্ৰেতাত্মা দৰ্শন, শূন্য গৃহ বা অৰণ্যত কাল যাপন, শৃগাল, ফেঁচা, আদি জীৱ-জন্তুৰ বাৱ বা আৰ্তনাদ শ্ৰৱণ, আত্মীয় স্বজনৰ বন্ধন, পীড়ণ বা বধ দৰ্শন বা প্ৰিয়জনৰ মৃত্যু সংবাদ প্ৰাপ্তি অথবা তেনে ধৰণৰ অমঙ্গলীয়া চিন্তা, নৃপতি অথবা গুৰুৰ ওচৰত অপৰাধী বুলি হোৱা চিন্তা বা আশঙ্কা, সংগ্ৰাম, শ্বাপদ জন্তুৰ সন্মুখত পৰা হেতু আত্মনিধনৰ বাবে জন্মা শঙ্কা প্ৰভৃতি কাৰণত ভয়ানক ৰসৰ উৎপত্তি হয়।

হাত ভৰিৰ কম্পন, দেহ অথবা অঙ্গ-প্ৰত্যঙ্গ সঙ্কোচন হৃদ-কম্পন, শুষ্ক অণ্ঠ-কণ্ঠ, স্বেদ নিৰ্গমন, স্বৰ ভেদ, মোহ, জড়তা, চপলতা, ৰোমাঞ্চ, ত্ৰাস, দৃষ্টি ভেদ, মৰণ, পতন প্ৰভৃতি বাহ্যিক লক্ষণ প্ৰকাশৰ দ্বাৰা ভয়ানক ৰস অভিনয়ত ফুটাই তোলা হয়। ভয়ানক ৰসৰ কৃত্ৰিম ৰূপৰ অভিনয়ত ওপৰোক্ত লক্ষণবোৰ লঘুভাৱে [ অৰ্থাৎ অন্তৰ্নিহিত সত্যতা নথকাকৈ ] প্ৰদৰ্শন কৰা প্ৰয়োজন।

স্তম্ভ, স্বেদ, গদ গদ, স্বৰ, বিবৰ্ণতা, শঙ্কা, মোহ, দৈন্য জড়তা, ত্ৰাস অপস্মাৰ আৰু মৰণ প্ৰভৃতি লক্ষণ ভয়ানক ৰসৰ ব্যাভিচাৰ ভাৱ।

৭। **বীভৎস ৰস :**—বীভৎস ৰসৰ উৎপত্তিৰ কাৰণ ( স্থায়ী ভাৱ ) ঘৃণা। অপ্ৰিয় বস্তু বা দৃশ্য দৰ্শন. অনিষ্টকাৰী কাৰ্য্য দৰ্শন, অনিষ্টমূলক বচন শ্ৰৱণ, অনিষ্ট মূলক আলোচনা, গন্ধ, স্পৰ্শ, [ দুৰ্গন্ধ, পোক বা ঘৃণনীয় বস্তু আদিৰ স্পৰ্শ ], শব্দাদিৰ পৰা অন্তৰত বীভৎস ৰসৰ উৎপত্তি হয়।

সংকুচিত চকু মুখ আৰু অৱনত মুৰ, আবৰিত নাক, অস্থিৰ পদক্ষেপ আদিৰ দ্বাৰা বীভৎস ৰসৰ ভাৱ অভিনয়ত ফুটাই তুলিব লাগে।

মৃগী ৰোগীৰ ভঙ্গী, উদ্বেগ, আৱেগ, ব্যাধি মূৰ্চ্ছা মৃত্যু প্ৰভৃতিৰ দ্বাৰা বীভৎস ৰসৰ ব্যাভিচাৰ ভা অভিনয়ত প্ৰকাশ কৰা হয়।

৮। **অদ্ভুদ ৰস :**—অদ্ভুত ৰসৰ উৎপত্তিৰ মু কাৰণ বিস্ময়। দেৱতা বা দেৱ কাৰ্য দৰ্শন, অভি লাসিত বস্তু প্ৰাপ্তি, অভিলাস পূৰণ, উচ্চ ধৰণ অট্টালিকা, মন্দিৰ বা সভাথলিত প্ৰৱেশ, মায়া (ছলনা ঐন্দ্ৰজালিক কাৰ্য দৰ্শন প্ৰভৃতি কাৰণত অদ্ভুত ৰস উৎপত্তি হয়।

বিস্ফাৰিত নয়ন, অনিমেষ দৃষ্টি, ৰোমাঞ্চিত ভঙ্গী অশ্ৰুপাত, হৰ্ষ প্ৰকাশ, হাঁহাকাৰ ধ্বনি, সাধুবাদ দান বক্তৃতা, বাহুবাদন ( বাহুত আঙুলি বুলন ), আঙুলি ঘুৰণ প্ৰভৃতি অনুভাৱত অদ্ভুত ৰস অভিনয়ত প্ৰকাশি হয়।

ওপৰত আলোচনা কৰা অষ্ট ৰসৰ প্ৰত্যেকটো তিনিপ্ৰকাৰৰ বুলি নাট্য শাস্ত্ৰত উল্লেখ কৰিছে।

১। শৃঙ্গাৰ ৰস :—বচন ভূষণ আৰু কৰণ বা কাৰ্য

২। হাস্য আৰু ৰৌদ্ৰ ৰস :—অঙ্গ, ভূষণ আৰু বচন

৩। কৰুণ ৰস :—ন্যায় কাৰ্যত পোৱা বাধা পৰা উৎপত্তি হোৱা কৰুণ ৰস, সম্পত্তি নাশৰ প উৎপত্তি হোৱা কৰুণ ৰস আৰু প্ৰিয়জনৰ বিয়োগ জন্মা কৰুণ ৰস।

৪। বীৰ ৰস :—দান দিয়া কাৰ্যৰ পৰা উৎপাদি বীৰ ৰস, ধৰ্ম পালনৰ ( কৰ্তব্য পালন ) পৰা সৃষ্টি হো বীৰ ৰস, আৰু সংগ্ৰামৰ পৰা উৎপত্তি হোৱা বীৰ ৰস।

৫। ভয়ানক ৰস :—কৃত্ৰিম শঙ্কা, দোষনীয় কা সম্পাদনৰ পৰা উৎপাদিত হোৱা ভয়ানক ৰস আ বিপদৰ চিন্তাত জন্ম ভয়ানক ৰস।

৬। বীভৎস ৰস :—দুৰ্গন্ধ, সাধাৰণ আ উত্তেজিত। [ বিষ্ঠা আৰু পোক আদি দৰ্শনত দুৰ্গ আৰু ৰক্ত অথবা তেনে ধৰণৰ সাদৃশ্য থকা বস্তু দৰ্শন পৰা উত্তেজিত বীভৎস ৰসৰ উৎপত্তি হয়।

৭। অদ্ভুত ৰস : এই ৰস তিনিপ্ৰকাৰ বু



উল্লেখ কৰিছে যদিও দুই প্ৰকাৰ নামহে নাট্য শাস্ত্ৰত পোৱা যায়—স্বৰ্গীয় আৰু আহ্লাদিত।

অষ্ট ৰসৰ উৎপত্তিৰ কাৰণ আৰু লক্ষণসমূহৰ বিষয়ে সম্পূৰ্ণ জ্ঞান আহৰণ কৰিব পাৰিলে অভিনয়ৰ সময়ত ইঙ্গিতপূৰ্ণ ধ্বনি সৃষ্টি, (sound effects), আলোক সম্পাত, দৃশ্য সজ্জা, সাজ-সজ্জা, ৰঙ্গ সজ্জা, আদিত যথেষ্ট সহায় হয়। উদাহৰণ স্বৰূপে গ্ৰীৱা ভঙ্গীকে লোৱা যাওক। অৱশ্যে অসমীয়া নৃত্যত বা অভিনয়ত গ্ৰীৱা ভঙ্গীৰ ব্যৱহাৰ নিচেই তাকৰ।

গ্ৰীৱা ভঙ্গী চাৰি প্ৰকাৰ ; যেনে—সুন্দৰী গ্ৰীৱা, ভিৰশ্চিনা গ্ৰীৱা, পৰিৱৰ্ত্তিতা গ্ৰীৱা আৰু প্ৰকম্পিতা গ্ৰীৱা।

সুন্দৰী গ্ৰীৱা ভঙ্গী :—গ্ৰীৱা বেঁকা কৰি তল ওপৰ আৰু লৰচৰ ভঙ্গীৰ দ্বাৰা সুন্দৰী গ্ৰীৱা ভঙ্গী প্ৰদৰ্শন কৰা হয়। নৃত্য ভঙ্গিমাৰ জ্ঞানলব্ধ অভিনেতা অভিনেত্ৰীয়ে শৃঙ্গাৰ ৰসৰ অভিনয়ত সুন্দৰী গ্ৰীৱা ভঙ্গী প্ৰকাশ কৰি কৰি মাধুৰ্যপূৰ্ণ আৰু উচ্চ পৰ্যায়ৰ অভিনয় কৰিব পাৰে।

তেনেদৰে ধ্বনি সৃষ্টি, আলোক সম্পাদ, দৃশ্য সজ্জা সাজ-সজ্জা, অঙ্গ সজ্জা আদিৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজন আছিল যদিও ঠাইৰ অভাৱত সেই বিষয়ে আলোচনা বা উদাহৰণ দিয়াৰ পৰা বিৰত থাকিব লগীয়া হ'ল।

অৱশ্যে ৰসৰ বিষয়ে আলোচনা কৰোতে বিভিন্ন ভাৱ আৰু তাৰ প্ৰয়োগ সম্পৰ্কে বিতংভাৱে আলোচনা কৰা উচিত ; কিন্তু সিমানবোৰ আলোচনা নকৰি স্থায়ী ভাৱ আৰু ভাৱৰ সংখ্যা কেইটাহে মাথোন উল্লেখ কৰা হ'ল।

স্থায়ী ভাৱ আঠ প্ৰকাৰ ; ব্যাভিচাৰ তেত্ৰিশ প্ৰকাৰ আৰু অনুভৱ আঠ প্ৰকাৰ।

১। আঠ প্ৰকাৰ স্থায়ী ভাৱ :—ৰতি, হাস্য, শোক, উৎসাহ, ভয় জুগুপ্সা আৰু বিস্ময়।

২। তেত্ৰিশ প্ৰকাৰ ব্যাভিচাৰ ভাৱ :—নিৰবেদ বা নৈৰাশ্য, গ্লানি, শঙ্কা, অসূয়া মদ (মাতলামি), শ্ৰম, (ক্লান্তি), আলস্য, দৈন্য, চিন্তা মোহ স্মৃতি, ধৃতি, (সন্তুষ্টি) ত্ৰীৱা (লজ্জা) চপলতা হৰ্ষ, আৱেগ, জড়তা গৰ্ব, বিষাদ, ঔৎসুক্য, নিদ্ৰা, অপসাৰ, সুপ্ত বিবোধ, অমৰ্ষ, ( ঘৃণা বা অৱজ্ঞাসূচক থং ) অৱহিত্থা (ভণ্ডামি) উগ্ৰতা, মতি ( ভৰষা ), ব্যাধি, উন্মাদ, মৰণ, ত্ৰাস আৰু বিতৰ্ক।

৩। অনুভাৱ আঠ প্ৰকাৰ : যেনে : স্বেদ, স্তম্ভ কম্পন ( বেথুপ ), অশ্ৰু, বৈবৰ্ণ, ৰোমাঞ্চ স্বৰভেদ আৰু প্ৰলয়।

স্থায়ীভাৱ আৰু অনুভাৱৰ আন এটা ৰূপ হ'ল ব্যাভিচাৰ ভাৱ।

ৰসৰ বিষয়ে আলোচনা কৰা ওপৰৰ কথাখিনিয়েই যথেষ্ট নহয়। এইয়া হাতী মাৰি ভুককাত ভৰোৱাহে হৈছে। ●



# সঙ্গীত, চৰিত্ৰ তথা গৰ্ব *

৺শশীকান্ত গোস্বামী

নৃত্য, গীত আৰু বাদ্য এই তিনিওটাকে সঙ্গীত বোলা হয়। সঙ্গীতৰ বিষয়ে বৰ্ণনা কৰি পণ্ডিতসকলে কয় যে জপতকৈ কৌটি গুণ শ্ৰেষ্ঠ যাগ, যাগতকৈ কৌটি গুণ শ্ৰেষ্ঠ যোগ, যোগতকৈ কৌটি গুণ শ্ৰেষ্ঠ ধ্যান, ধ্যানতকৈ কৌটি গুণ শ্ৰেষ্ঠ গান আৰু গানৰ ওপৰত একো নাই :

"ন বিদ্যা সঙ্গীতাৎপৰা"

সঙ্গীতজ্ঞসকলে সঙ্গীতৰ শ্ৰেষ্ঠতা সম্বন্ধে 'ধ্ৰুপদ' সঙ্গীতত এইদৰে বৰ্ণায় : "সঙ্গীত অপাৰ সমুদ্ৰস্বৰূপ, মহাদেৱেও ইয়াৰ পাৰ নাপায়। গণপতি ইন্দ্ৰাদি দেৱতাসকলে ইয়াক ভয় কৰে আৰু মূৰ্খসকলেহে অজৰ অমৰ বুলি ভাবি যমৰ লগত কঠিনতা উপলব্ধি নকৰি যুঁজ কৰিবলৈ যায়।"

সঙ্গীত মোক্ষপ্ৰাপ্তিৰ সপোন; সেইকাৰণে 'নাৰদ সংহিতা'ত ভগবানে নাৰদক এই বুলি কোৱা লিখা আছে—

"নাহং বসামি বৈকুণ্ঠে, যোগীনাং হৃদয়েন চ।
মদ্ভক্তা যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ॥"

সঙ্গীতৰ দ্বাৰাই ভগবানক পোৱা যায়। মহাকবি জয়দেৱে 'গীত গোবিন্দ', বিদ্যাপতিয়ে 'মধুৰ পদাৱলী', স্বামী হৰিদাসে 'বহুত 'ধ্ৰুপদ', দক্ষিণ ত্যাগ ৰজাই ৰামৰ গুণাত্মকীৰ্তন ৰচিছে। মীৰাই শ্ৰীকৃষ্ণৰ গুণ-গানত আত্মসমৰ্পণ কৰিছিল—এইদৰে সন্ত পৰম্পৰা শেষত বিষ্ণু দিগম্বৰ পালুস্কাৰকে ধৰি সন্তসকলে ৰামৰ গুণগান কৰি জগতৰ কল্যাণ সাধিছে।

* অসমৰ আনজনা বিশিষ্ট সঙ্গীত-সাধক শ্ৰীশশীকান্ত গোস্বামীৰ যোৱা ১২ মে' তাৰিখে দেহাৱসান ঘটিছে। পৰলোকলৈ গতি কৰাৰ কিছুদিন আগতে এই প্ৰবন্ধটো আমালৈ পঠাইছিল। তেখেতৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেখেতৰ স্বৰচিত প্ৰবন্ধটি পাঠক সমাজলৈ আগবঢ়োৱা হ'ল। —সম্পাদক



সঙ্গীতে প্ৰাণ স্পন্দিত কৰে। সঙ্গীত নহলে জীৱন মৃতপ্ৰায়, নিষ্প্ৰাণ গতিবিহীন। সঙ্গীতে আন্তৰিক আবেগক মূৰ্ত কৰি তোলে। অন্তৰৰ কৰুণা জগাই তুলিবলৈ সকলোতকৈ উত্তম মাধ্যম হৈছে সঙ্গীত। মানুহৰ বাহিৰেও আন প্ৰাণী আনকি উদ্ভিদ আদিয়েও ও সঙ্গীতৰ দ্বাৰা প্ৰভাৱান্বিত হয়।

সঙ্গীতৰ উৎকৰ্ষ সাধনাত চৰিত্ৰ এটা প্ৰধান উপাদান। ঋষি, মুনি আৰু সন্তসকলে আনকি দেৱতা গন্ধৰ্ব সকলেও পাৰ নোপোৱা এই সঙ্গীতত পাৰদৰ্শিতা লাভ কৰিবলৈ আমাৰ সাধাৰণ মানুহ সচ্চৰিত্ৰবান আৰু অহংকাৰবিহীন হব লাগিব, কঠোৰ শাস্ত্ৰক কাব্যই ধ্বংস কৰে, কাব্যক সঙ্গীতে ধ্বংস কৰে আৰু সঙ্গীতক স্ত্ৰী বা পুৰুষবিলাকে ধ্বংস কৰে আৰু ভোক পিয়াহত সকলো ধ্বংস হয়। সচ্চৰিত্ৰবান সঙ্গীতজ্ঞই সকলোৰে কল্যাণ সাধন কৰে। সঙ্গীত ক্ষেত্ৰত দোপত-দোপে আগবাঢ়ে আৰু জাতি ধৰ্ম নিৰ্বিশেষে সকলোকে একতাৰ বান্ধোনেৰে বান্ধি পেলায়। সচ্চৰিত্ৰবান সঙ্গীতজ্ঞ দীৰ্ঘজীৱি হয় আৰু ৰোগ, শোক, আৰু মোহ আদিৰ পৰা মুক্ত থাকে। সমাজ আৰু দেশৰ সুনাম আৰ্জে আৰু সকলোৰে প্ৰিয়পাত্ৰ হয়।

আনহাতে চৰিত্ৰহীন সঙ্গীতজ্ঞই সমাজৰ কোনো কল্যাণ সাধন নকৰে। তেওঁলোকে সমাজত বিশৃঙ্খল আনে আৰু সঙ্গীতহেন পবিত্ৰকলাত কালিমা সানে আৰু নিজে অকাল মৃত্যু বৰণ কৰে।

সঙ্গীতজ্ঞসকল নিৰহঙ্কাৰীও হোৱা বাঞ্চনীয়। ওপৰত উল্লেখ কৰা এনেহেন উচ্চস্তৰৰ সঙ্গীত সাধনাত অহঙ্কাৰ কৰিবৰ স্থল নাই। যিয়ে যিমানেই আগ নাবাঢ়ক অসম্পূৰ্ণ হৈয়েই থাকিব। এটা জীৱনত এই সাধনা সম্পূৰ্ণ কৰিব নোৱাৰি। আমি যি সামান্য চৰ্চা কৰিবলৈ অৱকাশ পাইছো ইও পূৰ্ব জন্মৰ চৰ্চাৰ লগত জড়িত। আমি বহুতে সামান্যই হওক, যদি কাৰোবাৰ পৰা সঙ্গীত সম্বন্ধে কিবা অলপ শিক্ষা লাভ কৰিছোঁ সেইটো স্বীকাৰ কৰিবলৈ টান পাওঁ। এইটো এটা বেয়া লক্ষণ। এনে শিক্ষাৰ্থীৰ পতন অৱশ্যম্ভাৱী। আমি বি-এ, এম-এ পঢ়োৱা অধ্যাপকৰ কথা মনত ৰাখি নিম্ন প্ৰাইমাৰী স্কুলত শিকোৱা বা প্ৰথমে ক-খ পঢ়োৱা পণ্ডিতক পাহৰা আৰু আমাৰ পিতৃ-মাতৃক পাহৰা একেই কথা। এই প্ৰসঙ্গত এটি আখ্যান আছে।

তানসেন আৰু বৈজুবাওৰাৰ সমকালীন গোপাল লাল নামে এজন বিখ্যাত গায়ক আছিল। গোপাললালক শৈশৱ অৱস্থাত এৰি মাকৰ মৃত্যু হয় আৰু গোপাললালৰ ভৰণ পোষণ, সঙ্গীত শিক্ষা আদি বৈজুবাওৰা আৰু স্বামী হৰিদাসে সম্পন্ন কৰে। গুৰুৰ আজ্ঞা শিৰোধাৰ্য্য কৰি গোপাললাল কাশ্মীৰলৈ যায়। সেই সময়ত কাশ্মীৰৰ মহাৰজাই গোপাললালৰ সঙ্গীত শুনি আচৰিত হৈ তেওঁৰ গুৰু কোন বুলি সোধাত গোপাললালে তেওঁৰ গুৰু কোনো নাই বুলি উত্তৰ দিছিল। মহাৰজাই তেতিয়া কৈছিল যে গোপাললালৰ গোৱাৰ কায়দা কৌশলৰ দ্বাৰাই কোনো সংগুৰুৰ পৰা শিক্ষা লাভ কৰা কথা বুজায়। তেতিয়াও গোপাল লালে গুৰু নাই বুলিয়েই কৈছিল। তাৰ পিছত মহাৰাজে গোপাললালক কৈছিল যে যদি কেতিয়াবা তেওঁৰ কোনো গুৰু থকা বুলি প্ৰমাণিত হয় তেতিয়া তেওঁক অপৰাধী বুলি গণ্য কৰা হ'ব।

আনফালে বৈজুবাওৰাই জানিব পাৰিলে যে গোপাললাল কাশ্মীৰত মহাৰাজৰ দৰবাৰত গায়ক নিযুক্ত হৈছে। তেতিয়া তেওঁৰ লগত মিলিবলৈ আৰু গোপাললালৰ স্ত্ৰী প্ৰভা আৰু ছোৱালী মীৰাক চাবলৈ তেওঁ কাশ্মীৰলৈ গ'ল। অতি কষ্টে শ্ৰীনগৰ পাই বৈজুবাওৰাই সুধি সুধি গোপাললালৰ বাসস্থান উলিয়ায়; কিন্তু গোপাললালৰ দাৰোৱানে বৈজুবাওৰাক ফটা-ছিটা কাপোৰ পিন্ধা এজন দুখীয়া ভিক্ষাৰী বুলি ভাবি তেওঁক ভিতৰলৈ সোমাবলৈ নিদিলে। বৈজুবাওৰাই নিৰাশ হৈ তাৰ পৰা গুচি আহে আৰু

এখন বাগিছাৰ ভিতৰত বহি গান গাবলৈ আৰম্ভ কৰে ; তাতে শ্ৰোতাৰ ভীৰ হয় আৰু শ্ৰীনগৰত এই বিচিত্ৰ গায়কৰ নাম বিয়পি পৰে আৰু মহাৰাজৰ কাণলৈ যায়। মহাৰাজে তেওঁক নিমন্ত্ৰণ কৰে। এই নিমন্ত্ৰণৰ খবৰ গোপাললালে জানিব পাৰি বৰ শঙ্কিত হয় আৰু কোনো প্ৰতিযোগিতা নাপাতিবলৈ মহাৰাজক প্ৰকাৰন্তে কোৱা স্বত্বেও মহাৰাজে প্ৰতিযোগিতাৰ আয়োজন কৰে। প্ৰথমে বৈজুৱাওৰাৰ গান আৰম্ভ হ'ল। বৈজুৱাওৰাই গোপাললালক লক্ষ্য কৰি স্বৰচিত "ভীম পলাসী" ৰাগৰ পদ 'কাহে কা গৰ্ব কীন্‌হো গুণীজো কহায়োঁৰে" বুলি আৰম্ভ কৰি সকলোকে মুগ্ধ কৰে আৰু সকলোৰে চকুলো ওলায়। চাৰিওফালে "বাহ বাহ" শব্দ ধ্বনিত হয়। পিছত বৈজুৱাওৰাই গানটোৰ শেষৰ পদ 'কহত বৈজুৱাওৰে শুনিয়ো গোপাললাল গুৰুকো বিচাৰ তৈ ক্যা ফল পায়োৰে' গাই গীত সমাপ্ত কৰে। ঠিক সেই সময়তে গোপাল লাল বৈজুৱাওৰাৰ চৰণত দীঘল দি পৰি কান্দিবলৈ ধৰিলে। বৈজুৱাওৰাই তেওঁক তুলি লৈ নিজৰ বুকুৰ মাজত সুমুৱাই লয়। কিন্তু গোপাললালৰ সেই মুহূৰ্ততে বুকুৰ মাজতস্পন্দন বন্ধ হয় আৰু ততালিকে মৃত্যু হয়।

# শৈৱ ধৰ্ম

শ্ৰীগোলোকেশ্বৰ বৰুৱা

(১)

হে ৰুদ্ৰ দেৱতা,
হে গিৰিশ, হে সৌম্য,
আপোনাৰ কল্যাণকাৰিণী শান্তিশালিনী
পাৱনী পুণ্যপ্ৰকাশিনী অমৃতনিস্যন্দিনী
সুৰতিৰে,
আপোনাৰ দৃষ্টি সুধাময়
দিয়ে যেন আমাক সদায়।

—শুক্ল যজুৰ্বেদ ১৬।২

শিৱ আমাৰ এগৰাকী পৰম আৰাধ্য দেৱতা। লক্ষ লক্ষ লোকে শিৱৰ চৰণ কমল তলত প্ৰণিপাত জনায় আৰু ভক্তিঅৰ্ঘ্য নিবেদন কৰে। তথাপিও শৈৱ ধৰ্মৰ উৎপত্তিৰ বুৰঞ্জী এতিয়াও গৱেষণাৰ বস্তু হৈ আছে। এই ধৰ্মৰ থুলমূল ছবি এখন তলত দাঙি ধৰা হ'ল।

বহুজন জ্ঞানী লোকে কয় যে শিৱ প্ৰাগ্‌-আৰ্য আৰু অনাৰ্যৰ দেৱতা আছিল আৰু শিৱই বহুত যুদ্ধবিগ্ৰহ কৰিহে আৰ্যৰ দ্বাৰা দেৱতা বুলি স্বীকৃত হয়। ঋগ্‌বেদত শিৱ দেৱতা নহয়, এটা বিশেষণ মাত্ৰ ; শিৱৰ অৰ্থ মঙ্গলময়। ঋগ্‌বেদত ৰুদ্ৰ এগৰাকী সামান্য দেৱতা ; মাত্ৰ আঠৈটা সূক্তৰে ৰুদ্ৰক বন্দনা কৰা হৈছে। ৰুদ্ৰ দেৱতাই একালত শিৱ নাম পায়। আৰ্যই কি ৰুদ্ৰ দেৱতাকো অনাৰ্যৰ পৰা গ্ৰহণ কৰিছিল ? এই বিষয়ে মতভেদ আছে। বহুতে কয়, ৰুদ্ৰ অনাৰ্যৰ দেৱতা আছিল, আৰ্যই অনাৰ্যৰ পৰা ৰুদ্ৰ দেৱতাক গ্ৰহণ কৰে। ঋগ্‌বেদৰ ৰুদ্ৰ এগৰাকী উগ্ৰ, ভয়ঙ্কৰ দেৱতা ; ৰুদ্ৰ শব্দটোৱেই খাণ্ড খাণ্ড প্ৰচণ্ড মূৰ্তি এটা চকুৰ আগত দাঙি ধৰে। ৰুদ্ৰ ৰুষ্ট হলে গোটেই গাওঁৰ মানুহকে, বিশেষকৈ মানুহৰ নাতিপুতি, সন্তি-সন্ততি, আনকি নিজৰ ভক্তকো বজ্ৰ নিক্ষেপ কৰি, শৰ-ধনুৰে আৰু ৰেমাৰ সৃষ্টি কৰি ধ্বংস কৰে। ৰুদ্ৰই তেনেকৈয়ে মাৰি থাণ্ডাং কৰে। কিন্তু পূজা পালে, স্তুতি পালে ৰুদ্ৰ তুষ্ট হয়। তুষ্ট ৰুদ্ৰই মানুহক ৰোগমুক্ত কৰে, মানুহ আৰু পশুক ৰক্ষা কৰে ; মানুহক পাপ-মহাসাগৰৰ পৰা উদ্ধাৰ কৰে, অন্ন, গৃহ ধন-বস্ত্ৰ, অমোঘ অস্ত্ৰ, নিৰাপত্তা আৰু সুখসমৃদ্ধি দিয়ে। ৰুদ্ৰ প্ৰধানকৈ দ্বিপদ আৰু চতুষ্পদৰ অধিপতি আৰু ভিষকৃতম অৰ্থাৎ সৰ্বোৎকৃষ্ট চিকিৎসক।[১] শিৱৰ পশুপতি আৰু সৰ্বৰোগ-হৰ ৰূপটো ঋগ্‌বৈদিকোত্তৰ সাহিত্যত উজ্জলতৰ হৈ পৰে। অথৰ্ববেদে[২] শিৱক এজনা মহিমাময় দেৱতা, সকলোৰে প্ৰভু, পৰমেশ্বৰ, পশুপতি বুলি বন্দনা কৰে, সদাশিৱ অৰ্থাৎ সদায় শুভপ্ৰদ হৈ থাকিবলৈ প্ৰাৰ্থনা

১। ঋগ্‌বেদ ১।১১৪ ; ২।৩৩

২। অথৰ্ববেদ ২।২৭ ; ২।৩৪ ; ৬।৯৩ ; ১১।২ ; ১৫।৫ ইত্যাদি।

কৰে। তেনেকৈয়ে যজুৰ্বেদে শিৱক মঙ্গলময় শঙ্কৰ অৰ্থাৎ কল্যাণকাৰী আৰু শম্ভু অৰ্থাৎ হিতকাৰী দেৱতা-ৰূপে স্তুতি কৰিছে, যদিও শিৱই নিজৰ উগ্ৰ মূৰ্তি পৰিহাৰ কৰা নাই।[৩] মানুহে লাহে লাহে শিৱৰ ঘোৰ ৰূপৰ কথা পাহৰি যায়। আজি আমি শিৱক স্মৰণ কৰিলে শিৱ আমাৰ আগত ত্যাগী, ধ্যানী, যোগী, প্ৰশান্ত, পৰমকাৰুণিক, বৰাভয়দাতা কল্পতৰুৰূপে দেখা দিয়ে। শিৱই বৈদিক যুগত গণপৰিত্যক্ত পথাৰ প্ৰান্তৰ, পথ ঘাট, হাবি বননি, বিপদসঙ্কুল নদনদী, দুৰ্গম পৰ্বত-পাহাৰ, মৰিশালি আদি ভয়াবহ ঠাইত বাস কৰিছিল। পিছলৈ শিৱই কৈলাসত নিগাজীকৈ থাকিবলৈ লয়। আদিতে শিৱ প্ৰধানতে দৈত্য-দানৱ, অসুৰনিষাদ আদি জাতিবিলাকৰ, চোৰ ডকাইত দুৰ্বৃত্তৰ, চণ্ডাল, পতিত আৰু ভ্ৰষ্টাচাৰী আদিৰ দেৱতা আছিল। কিন্তু মহাভাৰতৰ যুগৰ পৰাই শিৱ সকলোৰে পৰম আৰাধ্য, মঙ্গলময় দেৱতা-ৰূপে গৃহীত হবলৈ ধৰে। মানুহে শিৱৰ কাৰণে মন্দিৰ সাজে, সেই মন্দিৰত শিৱৰ পূজা কৰে। মানুহে হৃদয়মন্দিৰতো শিৱৰ পূজা কৰিবলৈ লয়।

এইটো নিঃসন্দেহে কব পাৰি যে শিৱ কোনো জাতি-উপজাতিৰ বা স্থানবিশেষৰ দেৱতা নাছিল। বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ জাতি-উপজাতিয়ে শিৱৰ নিচিনা একোজনা দেৱতাক পূজা কৰিছিল। কোনোবা এটা কালত আটাইবিলাক আৰ্য আৰু আৰ্যেতৰ জাতি-উপজাতিৰ শিৱৰ মাজত সমিলমিল সংস্থাপন কৰা হয় আৰু শিৱ দেৱতা এগৰাকী বুলি গ্ৰহণ কৰা হয় আৰু সকলো জাতি-উপজাতিৰ শিৱৰ চাৰিত্ৰিক বৈশিষ্ট্য একেজনা শিৱৰ ওপৰতে অৰ্পণ কৰা হয়; সেই কাৰণে শিৱৰ নামো সহস্ৰ, গুণো সহস্ৰ, ৰূপো সহস্ৰ।

শিৱ কি ভাৰতীয় দেৱতা? মহেঞ্জোদাৰোত পোৱা মোহৰত যোগধ্যানৰত মূৰ্তি খোদিত পোৱা গৈছে। চা... জন মাৰ্শালে এইটো মহাযোগী শিৱৰ মূৰ্তি আৰু শৈৱ ধ... প্ৰাগ-আৰ্য বুলি মত দিয়ে। মহেঞ্জোদাৰো সভ্যত... পট্টোতাসকল সুমেৰ জাতিৰ মানুহ বুলি অনুমান কৰা হয়। হলে ( H. R. Hall ) কয়, সুমেৰ জাতি... বোধকৰোঁ ভাৰতীয় আছিল আৰু এওঁলোকে ভাৰত... পৰা গৈ সুমেৰত ৰাজ্য স্থাপন কৰিছিল।[৪] কি... পৃথিৱীৰ বহুত ঠাইত শিৱৰ নিচিনা দেৱতা একো... গৰাকীৰ পূজা কৰা হয়। ভাৰতৰ ওচৰচুবুৰীয়া মধ্যপ্ৰাচ... দেশত আৰু ইক্ষু উপত্যকাৰ সপ্ত-পাতালত শিৱ-পূজ... কৰা হৈছিল। শিৱ ভাৰতৰ পৰা বাহিৰলৈ গল নে... বাহিৰৰ পৰা ভাৰতলৈ আহিল খাটাংকৈ কোৱা টান... এইটো দাবী কৰিব পাৰি যে যিজনা দেৱতাক ভাৰতে... খৃষ্টজন্মৰ দুই সহস্ৰ বছৰৰ আগৰে পৰা পূজা কৰি... আহিছে, সেইজনা দেৱতা ভাৰতীয়ই।

শিৱক লিঙ্গ আৰু দেৱতা উভয় ৰূপে পূজা কৰ... হয়। বহু প্ৰকাৰ লিঙ্গ আৰু দেৱমূৰ্তিৰ ধ্যান পো... যায়। লিঙ্গ সাধাৰণতে মাটি আৰু শিলেৰে তৈয়া... কৰা হয়। বাণ, দীৰ্ঘাকৃতি বৰদণ্ড; স্ফটিক স্তম্ভ, জ্যোতি... স্তম্ভ আৰু যিকোনো দীঘলীয়া শিলাকো লিঙ্গ বুলি... পূজা কৰা হয়। নৰ্মদা নদীৰ শিলালিঙ্গ অমৰ নাৰ... বৰফলিঙ্গৰ মহিমাৰ অন্ত নাই। এইবিলাক ঠাই... লিঙ্গক জ্যোতি লিঙ্গ বুলি পূজা কৰা হয়:—সোমনা... শ্ৰীশৈলৰ মল্লিকাৰ্জুন; উজ্জয়িনীৰ মহাকাল; অমৰে... শ্বৰৰ ওঁকাৰেশ্বৰ; পৰলীৰ বৈজনাথ; ডাকিনী... ভীমশঙ্কৰ; সেতুবন্ধৰ ৰামেশ্বৰ; দাৰুকবনৰ নাগেশ... বাৰাণসীৰ বিশ্বেশ্বৰ; গোমতী নদীৰ পাৰৰ ত্ৰ্যম্ব... হিমালয়ৰ কেদাৰনাথ আৰু শিৱালয়ৰ ঘুস্মেশ... (ঘুষ্মেশ্বৰ)। এইসকল জ্যোতি লিঙ্গৰ মাহাত্ম্য অপাৰ... শিৱৰ দেৱ মূৰ্তিৰো বহু প্ৰকাৰে কল্পনা কৰ... হৈছে।

৩। শুক্লযজুৰ্বেদ ১৬শ অধ্যায়।

৪। H. R. Hall : The Ancient History Of The Near East, 1952, pp 173-4





লিঙ্গ কি বস্তু? ঋগ্‌বেদৰ দুঠাইত "শিশ্নদেৱাঃ" শব্দটোৰ উল্লেখ আছে। শিশ্নৰ অৰ্থ পুৰুষ জন-নেন্দ্ৰিয়। এইটো অনুমান কৰা হয় যে কোনো অনাৰ্য জাতিয়ে পুৰুষ জননেন্দ্ৰিয়ৰ পূজা কৰিছিল। কিন্তু ৰথে (Roth) কয়—শিশ্নদেৱাঃ আছিল tailed (or pria pic) demons' নেজাল দানৱ। লিঙ্গক পুং-জননেন্দ্ৰিয় বুলি কব নোৱাৰি। শালগ্ৰাম যেনেকৈ বিষ্ণুৰ প্ৰতীক, লিঙ্গ তেনেকৈ শিৱৰ প্ৰতীক। কোনো কোনো শিৱস্থানত লিঙ্গক এনেভাৱে স্থাপন কৰা হৈছে যেন লিঙ্গই স্ত্ৰীযোনি ভেদ কৰি ওপৰলৈ উঠিছে, ইয়াক যোনিপট্ট বা গৌৰীপট্ট ভেদ বুলি কোৱা হয়। ইয়াৰ অৰ্থ তলত ব্যাখ্যা কৰা হৈছে।

লিঙ্গৰ অৰ্থ কি? এইতিনিটাই মুখ্য ব্যাখ্যা:— ১। লিঙ্গ জ্যোতিঃ স্তম্ভ; লিঙ্গ পুৰাণে শিৱলিঙ্গক অক্ষয় অব্যয় জ্যোতিঃ বুলি কৈছে। ২।। যজ্ঞস্তম্ভৰ পৰা লিঙ্গৰ ধাৰণা লোৱা হৈছে। ৩। অথৰ্ববেদে স্কম্ভ বা স্তম্ভ এগৰাকী পৰমেশ্বৰ বুলি কৈছে। এই স্কম্ভ বা স্তম্ভ দেৱতাই লিঙ্গলৈ ৰূপান্তৰিত হৈছে।

যোনিপট্টৰ অৰ্থ কি? এই দুটাই প্ৰধান ব্যাখ্যা।

১। লিঙ্গ জুই জ্বলোৱা শলাকা আৰু যোনিপট্ট হৈছে পাত্ৰ। শলাকাডাল পাত্ৰটোত ঘঁহনি মাৰি জুই জ্বলোৱা হয়। এনেকৈয়ে জ্যোতিৰ্লিঙ্গৰ জন্ম হয়।

২। পৰম ব্ৰহ্ম হৈছে চিৎ আৰু লিঙ্গ চিতৰ প্ৰতীক। যোনিপট্ট হৈছে (সাংখ্যৰ) প্ৰকৃতি। ভাৰতীয় দৰ্শনে বিশ্বাস কৰে যে অদ্বিতীয় পৰমব্ৰহ্মৰ যেতিয়া বহু হবৰ মন যায় পৰম-ব্ৰহ্মই প্ৰকৃতিৰ সহায়েৰে পৃথিৱী সৃষ্টি কৰে আৰু নিজেই সৃষ্ট পৃথিৱীৰ সকলোতে সোমাই পৰে। প্ৰকৃতিয়েই পৃথিৱী; প্ৰকৃতি জড়-স্বৰূপা। পৰম ব্ৰহ্ম লিঙ্গৰূপা জড়প্ৰকৃতিৰ দ্বাৰা পাশবদ্ধ হয়। কিয় পাশবদ্ধ হয়? ইয়াৰ উত্তৰত মহৰ্ষিসকলে কয়: পৰমব্ৰহ্মৰ কি ইচ্ছা আমি কেনেকৈ জানিম?' কোনো কোনো সম্প্ৰদায়ে পুৰুষ-লিঙ্গক আৰু স্ত্ৰী-যোনিক পূজা কৰে বুলি কোৱা হয়। এইটো এটা নগণ্য ব্যতিক্ৰম। সকলো ভক্তই সচ্চিদানন্দময় পিতৃশিৱ আৰু অমৃতস্বৰূপা মাতৃ গৌৰীৰ চৰণতহে ভক্তি প্ৰণতি জনায়।

আৰ্যবিলাকে কেতিয়া লিঙ্গ পূজা গ্ৰহণ কৰে? এইটো কোৱা হয় যে বহুত আৰ্য ঋষি মুনিয়ে অনাৰ্য-পত্নী লৈছিল; অনাৰ্য পত্নীসকলে বিয়াৰ আগৰে পৰাই লিঙ্গ পূজা কৰি আছিল, বিয়াৰ পিছতো লিঙ্গ পূজা কৰি থাকে; প্ৰথমে আৰ্য ঋষিমুনিয়ে পূজা গ্ৰহণ কৰা নাছিল আৰু সেই কাৰণে লিঙ্গ পুৰাণত শিৱৰ লম্পট ৰূপ এটা দাঙি ধৰা হৈছে; কিন্তু আৰ্যপত্নীৰ হেঁচাত আৰ্য ঋষিমুনিয়ে লিঙ্গ পূজা গ্ৰহণ কৰে। পতঞ্জলিয়ে (১৫০ খৃঃ পূঃ) লিঙ্গ পূজাৰ উল্লেখ কৰা নাই। সেইকাৰণে অনুমান কৰা হয় যে প্ৰথম শতিকামানৰ পৰাহে আৰ্যই লিঙ্গ পূজা গ্ৰহণ কৰে।

শিৱ মূৰ্তিৰ কল্পনা কোনো কোনো জাতিয়ে শিৱৰ শান্তশুভ মানৱমূৰ্তি কল্পনা কৰিছিল; আৰু কোনো কোনোৱে ঘোৰভয়ঙ্কৰ মূৰ্তি কল্পনা কৰিছিল; পিছলৈ দুয়ো শ্ৰেণীৰ সমন্বয় ৰক্ষা কৰি একে মূৰ্তিকে শান্ত আৰু ঘোৰ ৰূপে ৰূপায়িত কৰা হয়। এহাতে শিৱৰ ধ্যানমগ্ন, যোগীন্দ্ৰ, অভয়দাতা, বৰদাতা আৰু আনহাতে তেওঁৰ ৰুদ্ৰ মূৰ্তিৰো কল্পনা কৰা হৈছে। দাক্ষিণাত্যৰ শিৱৰ নটৰাজ মূৰ্তিৰ অতি জনপ্ৰিয়। নটৰাজ মূৰ্তিতো শিৱৰ শুভ, বৰদ আৰু সংহাৰক, এই উভয়ৰূপ ৰূপায়িত কৰা হৈছে। অৰ্ধ-নাৰীশ্বৰ শিৱমূৰ্তিৰো কল্পনা কৰা হৈছে। শিৱ মূৰ্তিৰ কল্পনাৰ বিষয়ে চমুকৈ এবাৰ তলত কোৱা হ'ল।

১। মুখ: (ক) এখন (খ) পাঁচখন: এই পাঁচখন মুখে যথাক্ৰমে চিৎ, আনন্দ, ইচ্ছা জ্ঞান আৰু ক্ৰিয়াৰ সূচনা কৰে আৰু প্ৰত্যেকৰে অধিপতি যথাক্ৰমে ঈশান তৎপুৰুষ, সদ্যোজাত, অঘোৰ আৰু বাম।

২। মূৰত (ক) জটা বেণীবদ্ধ, অথবা, কোনো কোনো মূৰ্তিত বেণীবদ্ধ জটাৰ নামনিত চুলিৰ ঘূৰণীয়া চকাবিলাক ৰতাহত উৰি ফুৰে:

(খ) চন্দ্ৰকলা—চন্দ্ৰকলা যোগীৰ চন্দ্ৰমণ্ডল সহস্ৰাৰ পদ্মত অৱস্থিত বগা অংশক চন্দ্ৰমণ্ডল বুলি কোৱা হয় :

(গ) গঙ্গা—সহস্ৰাৰ পদ্মৰ অমৃত ধাৰাই গঙ্গা :

(ঘ) সৰ্প-কুণ্ডলিনী শক্তিৰ প্ৰতীক।

৩। চকু : তিনিটা—শান্ত, ঘোৰ আৰু অৰ্ধ-নিমিলীত : এই তিনিটা চকু যথাক্ৰমে সূৰ্য, অগ্নি আৰু এওঁলোকৰ পৰা উদ্ভৱ হৈছে যথাক্ৰমে ইড়া পিঙ্গলা আৰু সুষুম্না।

৪। কণ্ঠ : বগা ; নীলা। খেচৰী বন্ধই নীলকণ্ঠ।

৫। বুকু : সৰ্প আৰু/বা যজ্ঞোপবীত শোভিত।

৬। হাত : (ক) দুখন (খ) চাৰিখন, (গ) আঠখন (ঘ) দহখন।

৭। অলঙ্কাৰ : নানাপ্ৰকাৰ—(ক) কাণৰ কাণবালা (খ) কণ্ঠত হাৰ, ফুলৰ মালা, সৰ্পমালা, (গ) হাতত কঙ্কণ। (ঘ) বাহুত বাজু, (ঙ) ভৰিত নূপুৰ (চ) নৰ কপাল, (ছ) সৰ্প, (জ) মৰা মানুহৰ হাৰ ইত্যাদি।

৮। সঙ্গীত বাদ্য : পিণাক মুৰজ, ডিণ্ডিম, ডম্বৰু

৯। অস্ত্ৰ : সোঁহাতত—শূল, বজ্ৰ, খড়্গ পৰশু বৰ।

বাওঁহাতত—নাগ, পাশ, ঘণ্টা, ডম্বৰু, অঙ্কুশ ;

অন্যান্য—কপাল, কমণ্ডলু, খট্বাং, বিষাণ, ধনুশৰ, পাৰিঘ ইত্যাদি।

১০। বসন : বাঘছাল, হস্তীচৰ্ম, মৃগচৰ্ম, আকাশ ;

১১। গাৰ বৰণ : কৰ্পূৰ-কান্তি-ধৱল, অৰ্কবহ্নি, নীললোহিত, তুষাৰাদ্ৰিসঙ্কাশ।

১২। প্ৰসাধন : ভস্ম

১৩। আসন : পদ্মাসন, যোগাসন, দণ্ডায়মান

১৪। বাহন : বৃষভ

১৫। পতাকা : মকৰধ্বজ

শিৱৰ অৰ্ধনাৰীশ্বৰ মূৰ্তি সাধাৰণতে শান্ত, শুভ, বৰদ। পাৰ্বতীয়ে শিৱৰ বাওঁফালে অৰ্ধনাৰীৰূপে থাকে, মূৰত মুকুট, কাণবালা, ধুনীয়া বস্ত্ৰ আদি পৰিধান কৰে।

শিৱৰ নটৰাজ মূৰ্তিৰ বৈশিষ্ট্য আছে। চমুকৈ তলত বৰ্ণনা কৰা হ'ল—

১। হাত—চাৰিখন ২। চুলি—বেণী-বন্ধা, ৰত্ন খচিত, ওলমি পৰা চুলিৰ চকাবিলাক নাচোঁতে ঘূৰি থাকে, ফেটী সাপ, লাওখোলা আৰু জলকুঁৱৰীৰূপী গঙ্গা শোভিতা ; চুলিৰ ওপৰত চন্দ্ৰকলা, শিৰত কেচিয়া (এবিধ দালচেনি) ফুলৰ মালা।

৩। কাণ—সোঁকাণত পুৰুষৰ কাণবালা, বাওঁকাণত তিৰোতাৰ কাণবালা ; ৪। ডিঙিত—কণ্ঠহাৰ ৫। বাহুত —বাজু ; ৬। কপালত—ৰত্নখচিত মেখলা ; ৭। ভৰিত —নূপুৰ ; ৮। হাতত হাতবালা ৯। হাত আৰু ভৰিত —আঙুঠি ; ১০। পোষাক (ক) টানকৈ পিন্ধা জামা, (খ) বতাহত উৰিফুৰা উত্তৰীয় ১১। লগুণ ; ১২। সোঁহাতত ডম্বৰু ১৩। এখন বাওঁহাতত বহ্নি ১৪। অন্য এখন বাওঁহাতে তলত পদদলিত মুয়লক নামৰ অসুৰক দেখুৱাই দিছে ; ১৫। মুয়লক এটা বাওঁহাতত এটা ফেটী সাপ লৈ আছে ১৬। বাওঁভৰিখন ওপৰলৈ দঙা ; এই বাওঁভৰিৰ তলত শৰণাগত ভক্তই আশ্ৰয় লাভ কৰে।

ত্ৰিশূল আৰু ডম্বৰুৰ আধ্যাত্মিক ব্যাখ্যা ॥ শিৱমূৰ্তি-বিলাকত দুটা বস্তু অপৰিহাৰ্য, ত্ৰিশূল আৰু ডম্বৰু। ত্ৰিশূলে কি সূচায় ? মহেঞ্জোদাৰো মোহৰৰ ওপৰত খোদিত যোগীজনৰ মূৰত এটা শিঙা দেখা যায়। পণ্ডিতসকলে এই শিঙাটো নিত্যৰ প্ৰতীক বুলি কয়। যুগ্ম শিঙাৰ পৰা ত্ৰিশূলৰ উৎপত্তি হৈছে। ত্ৰিশূলে সূচনা কৰে শিৱ নিত্য, শাশ্বত। ডম্বৰু—শিৱৰ কৃত্য পাঁচোটা, সৃষ্টি, স্থিতি, সংহাৰ, তিৰোভাৱ আৰু অনুগ্ৰহ। হিন্দু দৰ্শনে সাধাৰণভাৱে মানি লৈছে যে নাদ বা শব্দৰ পৰা জগতৰ সৃষ্টি হৈছে। শিৱই ডম্বৰু বজায়, নাদ বা শব্দৰ সৃষ্টি হয়, তাৰ পৰা বিশ্বচৰাচৰৰ সৃষ্টি প্ৰবাহ বৱলৈ ধৰে। অকল সৃষ্টি নহয়, বাকী





চাৰিটা কৃত্যও শিৱই ডম্বৰুৰ সহায়েৰে কৰে। শিৱই ডম্বৰু বজায় : বিশ্বচৰাচৰৰ সৃষ্টি হয় ; শিৱই ডম্বৰু বজায় : বিশ্বৰ ভৰণ-পোষণ কৃত্য সম্পাদিত হয় ; শিৱই ডম্বৰু বজায় : বিশ্ব চৰাচৰ সংহাৰ কৰা হয় ; শিৱই ডম্বৰু বজায় : মায়া দূৰ হৈ যায়, শিৱই ডম্বৰু বজায় : শিৱৰ অনুগ্ৰহ মহাসাগৰত বিশ্বচৰাচৰ ডুব যায়। তেনেকৈয়ে ডম্বৰুৱে একোটা যুগৰ পৰিবৰ্তন সূচনা কৰে। শিৱই ডম্বৰু বজায় : সত্যযুগ পুৰায়, শিৱই ডম্বৰু বজায়ঃ ত্ৰেতা যুগ আহে, শিৱই ডম্বৰু বজায়ঃ দ্বাপৰ যুগ আহে, শিৱই ডম্বৰু বজায় : কলিযুগ আহে। কিন্তু শিৱই নিতৌ ডম্বৰু বজায় : নিতৌ পৰিবৰ্তন ঘটে।

শৈৱ ধৰ্মৰ শাখা ॥ বহুত আছিল ; তাৰ ভিতৰত এইকেইটাই প্ৰধান :—পৌৰাণিক ; পাশুপত ; বীৰশৈৱ বা লিঙ্গায়ৎ ; শৈৱসিদ্ধান্ত বা তামিল ; শিৱাদ্বৈত ; কাশ্মিৰী ; নাথ আৰু গোৰখনাথী ; কাপালিক ; কালা-মুখ ; অঘোৰপন্থী।

কাপালিক, কালামুখ, আৰু অঘোৰপন্থী নামত হে শৈৱধৰ্ম, এতিয়া প্ৰায় লুপ্ত হৈছে। পাশুপতো লুপ্ত হ'ল বুলি কব পাৰি। কাশ্মিৰী শৈৱধৰ্মৰ দুটা শাখা, স্পন্দ শাস্ত্ৰ আৰু প্ৰত্যভিজ্ঞা শাস্ত্ৰ ; স্পন্দ শাস্ত্ৰক ত্ৰিকশাস্ত্ৰ বুলিও কোৱা হয়।

শৈৱ সাহিত্য ॥ শ্বেতাশ্বতৰ আৰু অথৰ্বশিৰস্, এই দুখনেই মূল উপনিষদ। লিঙ্গ আৰু শিৱ, এই দুখন প্ৰধান পুৰাণ ; অগ্নি, কূৰ্ম, বায়ু, বামন, আৰু স্কন্দ পুৰাণো শৈৱপুৰাণ।

ঋগবেদ, যজুৰ্বেদ, অথৰ্ববেদ ; ঐতৰেয় ব্ৰাহ্মণ, জৈমিনীয় (উপনিষদ) ব্ৰাহ্মণ, তৈত্তিৰীয় ব্ৰাহ্মণ, গোপথ ব্ৰাহ্মণ, চান্দোগ্য ব্ৰাহ্মণ, শতপথ ব্ৰাহ্মণ ; তৈত্তিৰীয় সংহিতা, মৈত্ৰায়ণী সংহিতা ; হিৰণ্যকেশিন্ গৃহ্যসূত্ৰ, পাৰস্কৰ গৃহ্যসূত্ৰ ; মহাভাৰত, ৰামায়ণ আদিতো ৰুদ্ৰশিৱৰ বিষয়ে বহুত কথা আছে।

কিন্তু শৈৱ ধৰ্মৰ প্ৰধান শাস্ত্ৰ হল শৈৱ আগম আৰু নিগম। শৈৱ আগম ৭৩ খন আছিল ; কিন্তু এতিয়া দুষ্প্ৰাপ্য।

পাশুপত সাহিত্য : পঞ্চাধ্যায়ী বা পঞ্চাৰ্থবিদ্যা নামে গ্ৰন্থত এই শাখাৰ পাঁচোটা তত্ত্বৰ আলোচনা কৰা হৈছে। এই গ্ৰন্থ পোৱা নাযায়।

বীৰ শৈৱ সাহিত্য : বসৱ পুৰাণ ; বিজ্জলৰায় চৰিত ; বিবেকচিন্তামণি ; বীৰ শৈৱাচাৰ প্ৰদিপীকা ; পঞ্চাৰ্থপঞ্চমোৎপত্তি প্ৰকৰণ আদি।

কাশ্মিৰী সাহিত্য : শিৱসূত্ৰম্ বা শিৱসূত্ৰাণি ; স্পন্দকাৰিকা।

তামিল বা দ্ৰাবিড় সাহিত্য : বেচ বিশাল ; এঘাৰখন সংহিতা ; প্ৰধান, তামিল ভাষাত লিখিত দেৱাৰম নামৰ সাতখন গ্ৰন্থ ; তিৰুৱাসগম্ আৰু পেৰিয়পুৰাণ। আটাইকেইখন উচ্চশ্ৰেণীৰ গ্ৰন্থ ; ভক্তিপূৰ্ণ স্তুতিবিলাক মধুৰ আৰু সুললিত।

অন্য কেইটা শৈৱ-শাখাৰ প্ৰাচীন প্ৰামানিক শাস্ত্ৰ দুষ্প্ৰাপ্য। কাপালিক, কালামুখ আৰু অঘোৰপন্থীৰ কোনো সাহিত্য পোৱা নাযায়। ৰামানুজ আৰু শঙ্কৰদিগ্বিজয় গ্ৰন্থৰ পৰা কিছু আভাস পোৱা যায়।*

## (২)

## শৈৱ দৰ্শন

শৈৱধৰ্মৰ প্ৰত্যেকটো শাখাৰ দৰ্শনৰ মূল শিক্ষা হৈছে শিৱই পৰম ব্ৰহ্ম, শিৱক জনাৰ বাহিৰে মুক্তিলাভ কৰাৰ অন্য উপায় নাই। তলত শ্বেতাশ্বতৰ উপনিষদৰ শিক্ষা আৰু নটৰাজ শিৱৰ নৃত্যৰ দাৰ্শনিক ব্যাখ্যা চমুকৈ দাঙি ধৰা হল।

শ্বেতাশ্বতৰ উপনিষদৰ শিক্ষা—

ৰুদ্ৰ মাথো একেজনা

ৰুদ্ৰ নাই দ্বিতীয়জনা

ৰুদ্ৰই কৰে জগৎ সৃজন

* নাথ আৰু গোৰখনাথীৰ বিষয়ে ডঃ কল্যাণী মল্লিক, ডঃ মোহন সিংহ, ৰাজমোহন নাথ আদি বহুগৰাকী কৃতবিদ্য পণ্ডিতে মূল্যবান কিতাপ লিখিছে।

নিজ শাসনীশক্তিৰে কৰে শাসন
মানৱ হৃদয়ত পাতে বাসস্থান
সকলো জগৎ কৰে পালন :
ৰুদ্ৰই সৃষ্টি কৰে নিখিল ভুৱন
নিজ ক্ৰোধানলেৰে কৰে সকলো দাহন। ৩।২
সকলোতে তেওঁৰ পাণিপাদ আননকৰ্ণশিৰনয়ন
বিশ্বচৰাচৰ তেওঁ কৰে আবৰণ। ৩।১৬
তেৱেঁই প্ৰভু সকলোৰে ঈশান
তেৱেঁই সকলোৰে অনন্ত শৰণ। ৩।১৭
তেওঁৰ হাত নাই, কিন্তু কৰে গ্ৰহণ
ভৰি নাই—সকলোৰে আগতে কৰে গমন
তেওঁৰ চকু নাই তথাপি কৰে দৰ্শন
তেওঁৰ কাণ নাই তথাপি কৰে শ্ৰৱণ
তেওঁ সকলো জানে
তেওঁক কিন্তু কোনেও নাজানে
তেওঁকেই পৰম পুৰুষ বুলি
বন্দনা কৰে সৰ্বজনে। ৩।১৯
তেওঁ অণুতকৈয়ো অণুতৰ
মহত্তকৈয়ো মহত্তৰ
তেওঁ হৃদয় গুহাতে কৰে বাস
তেৱেঁই প্ৰথম পুৰুষ
তেওঁৰেই প্ৰসাদত
তেওঁক কৰে যিজনে দৰ্শন
তেওঁ হয় শোকমুক্তিবান। ৩।২০

ৰুদ্ৰক জনাৰ উপায় কি? এই উপনিষদৰ দ্বিতীয় অধ্যায়ে উপদেশ দিছে, বিজিতেন্দ্ৰিয় হোৱা, তেওঁতেই বিলীন হোৱা, তেতিয়া তেওঁক জানিব পাৰিবা।

কিন্তু সৰ্বশেষত এই উপনিষদে কয়, ৰুদ্ৰক পৰা ভক্তি অৰ্পণ কৰা, ৰুদ্ৰৰ চৰণকমলত আত্মসমৰ্পণ কৰা, ৰুদ্ৰক জনাৰ এয়েই প্ৰকৃষ্ট উপায়। তেওঁক জনাৰ বাহিৰে মুক্তিলাভৰ অন্য উপায় নাই।

এইখন উপনিষদ শ্ৰীমদ্ভগৱদ্ গীতাৰ আগতে ৰচিত। এইখন উপনিষদে গীতাৰ আগতেই ভক্তি আৰু শৰণাগতি ধৰ্ম শিক্ষা দিয়ে। প্ৰথমে শিৱকে ভগৱৎ আৰু শিৱৰ ভক্তসকল ভাগৱত আছিল। পতঞ্জলিয়ে শিৱ ভাগৱতৰ উল্লেখ কৰিছে।

## নটৰাজ শিৱ

শিৱৰ বহুবিধ নাচ আছে। তাৰে ভিতৰত শিৱৰ তাণ্ডৱ নৃত্য আৰু চিদম্বৰম্ নটৰাজ মন্দিৰৰ নদন্ত নৃত্য আটাইতকৈ বিখ্যাত।

তাণ্ডৱ নৃত্য কৰোঁতে শিৱ সাধাৰণতে দশহস্ত। এই নৃত্য শ্মশানত কৰা হয়। এই নৃত্য তামসিক। শিৱই ভৈৰৱ বা বীৰ ভৈৰৱ ৰূপ ধাৰণ কৰি এই নাচ নাচে। শিৱৰ লগতে দেৱী পাৰ্বতী আৰু ভূত-প্ৰেতবিলাকও উন্মত্ত হৈ নাচে। এই নাচ প্ৰাগ্-আৰ্যযুগত অৰ্ধদেৱতা আৰু অৰ্ধৰাক্ষসৰূপী দেৱতা এজনে শ্মশানত নাচিছিল। এই নাচ নাচি শিৱই সংহাৰ কৰে। শিৱই কি সংহাৰ কৰে? ইয়াৰ দাৰ্শনিক ব্যাখ্যা এনেদৰে দিয়া হৈছে—মানুহৰ হৃদয়খনেই শ্মশান। এই হৃদয় শ্মশানত শিৱই প্ৰচণ্ড মূৰ্তি ধাৰণ কৰি নাচি নাচি হৃদয়ৰ অহংকাৰ, কৰ্দপ-কলুষ-কালিমা তাপ পাপ আদি জুই জলাই পুৰি ভস্মসাৎ কৰে। তেতিয়া তেওঁৰ ভক্তই বুজিবলৈ সক্ষম হয় যে তেওঁ (ভক্ত) নিজেই নিত্য শুদ্ধ বুদ্ধ মুক্ত: তেতিয়া তেওঁৰ ভক্তই জন্মমৃত্যু সংহাৰ চক্ৰৰ পৰা মুক্তি লাভ কৰে।

## নদন্ত নৃত্য

শিৱই নদন্ত নাচ নাচে চিদম্বৰমৰ নৃত্য-মন্দিৰত। চিদম্বৰমক বিশ্ব জগতৰ কেন্দ্ৰ বুলি কোৱা হয়। এই নাচৰ উৎপত্তিৰ বিষয়ে কোশিল পুৰাণত এইটো উপাখ্যান পোৱা যায়। তাৰাগম নামে এখন বনত বহুত বিধৰ্মী ঋষিয়ে ভ্ৰান্ত মত প্ৰচাৰ কৰি আছিল। এওঁলোকক মৰ্দন কৰিবলৈ শিৱ আহে। শিৱৰ লগতে



এগৰাকী ৰূপহীৰ ৰূপ ধৰি বিষ্ণু আৰু অভিশেষণ নামে ভক্তও আহে। তেওঁলোকৰ সৈতে ঋষিসকলৰ দুৰ্ধোৰ তৰ্ক লাগে। ঋষিবিলাকে তৰ্কেৰে বলে নোৱাৰি শিৱক প্ৰাণে মাৰিবলৈ বাঘ সৃষ্টি কৰে। শিৱই মিচিকৈকৈ হাঁহি কনিষ্ঠ অঙ্গুলিৰে বাঘটো চেলাই ছালখন পাটকাপোৰৰ দৰে গাত মেৰিয়াই লয়। ঋষিবিলাকে অগ্নিত আহুতি দি এটা ফেঁটীসাপ সৃষ্টি কৰে। শিৱই সাপটো ধৰি নিজৰ ডিঙিত মালাৰ নিচিনাকৈ মেৰিয়াই লয়। শিৱই তেতিয়া নাচিবলৈ ধৰে। ঋষিসকলে মুয়লকে শিৱক বধ কৰিবলৈ খেদি আহে। শিৱই বিনা আয়াসে নিজৰ ভৰিৰ আঙুলিৰে মুয়লকৰ পিঠিখন চেপি ভাঙি পেলায়। মাটিত বাগৰি গোঁ-গোঁৱাই থাকে। শিৱই পুনৰ নাচিবলৈ আৰম্ভ কৰে। এই নাচ দেৱতা আৰু ঋষিসকলে তন্ময় হৈ চাই থাকে। অভিশেষণে শিৱক বৰ মাগে, তেওঁ যেন এই নৃত্য আকৌ এবাৰ চাবলৈ পায়। শিৱই বৰ দিয়ে, এই নাচ বিশ্বৰ কেন্দ্ৰস্থান চিদম্বৰমত চাবলৈ পাব, সেই কাৰণে চিদম্বৰম নৃত্য মন্দিৰত নটৰাজ শিৱই এই নাচ নাচে।

এই নদন্ত নৃত্যৰ অৰ্থ কি? শৈৱ শাস্ত্ৰই কয় যে সৃষ্টি, স্থিতি, সংহাৰ, তিৰোভাৱ আৰু অনুগ্ৰহ এই পাঁচোটা শিৱৰ নৃত্য। অন্যান্য ঋষি মুনিয়ে দেখে যে শিৱই এই পাঁচোটা কাম অকলে কৰিবলৈ টান পাইছে। সেই কাৰণে তেওঁলোকে সৃষ্টিৰ দায়িত্ব ব্ৰহ্মাৰ ওপৰত, স্থিতি বা পালন ৰক্ষাৰ দায়িত্ব বিষ্ণু আৰু সংহাৰৰ দায়িত্ব ৰুদ্ৰৰ ওপৰত জাপি দিয়ে আৰু তিৰোভাৱৰ দায়িত্ব মহেশ্বৰ আৰু অনুগ্ৰহৰ দায়িত্ব সদাশিৱৰ ওপৰত অৰ্পন কৰে। এওঁলোকে যি কি নকৰক, শৈৱসকলে কয়, আচলতে পঞ্চনৃত্য শিৱৰহে। শিৱই পঞ্চকৃত্যৰ জৰিয়তে সম্পাদন কৰে। শিৱই জীৱাত্মাক ঐহিক সুখ আৰু পাৰলৌকিক পৰমাৰ্থ দিবৰ মানসেৰে নৃত্য কৰে। শিৱই নাচে ক'ত?

"শিৱই আত্মাৰূপ মঞ্চত নাচে, তেওঁ আমাৰ পাপ ধ্বংস কৰিবলৈ নাচে। আমাৰ পাপ ধ্বংস কৰি শিৱই মায়া অন্ধকাৰ দূৰ কৰে, অবিদ্যা নাশ কৰে, অনুগ্ৰহ বৰ্ষণ কৰে আৰু আমাৰ আত্মাক আনন্দ মহাসাগৰত বুৰাই দিয়ে। যিসকলে শিৱৰ নৃত্য দৰ্শন কৰিবলৈ পায় তেওঁলোক জন্ম-মৃত্যুচক্ৰৰ পৰা মুক্ত হয়।" নিত্য নৃত্যই শিৱৰ লীলা। Skryabin নামে এজন কৱিয়ে Poem of Ecstasy নামৰ কবিতা এটিত শিৱৰ নৃত্যৰ অন্তৰ্নিহিত ৰহস্যৰ বৰ্ণনা কৰিছে। একাংশ দণ্ডি ধৰা হল। শৈৱ দৰ্শনে সাংখ্য-দৰ্শনৰ পুৰুষ প্ৰকৃতি তত্ত্ব মোটামুটিকৈ গ্ৰহণ কৰিছে। এই কবিতাৰ পুৰুষ শিৱ।

পুৰুষে খেলিছে
পুৰুষে কামনা কৰিছে
পুৰুষে যোগমায়াৰ সহায়েৰে সৃষ্টি কৰিছে
প্ৰেমানন্দত নিমগ্ন হৈছে....
প্ৰকৃতিৰ কুসুমৰাশিৰ মাজত এটা চুমাত থমকি ৰৈছে....
সৌন্দৰ্যমোহান্ধ হৈ পুৰুষে দৌৰিছে, খেলিছে,
নাচিছে, পাকঘূৰণি খাইছে....
এই লীলাত তেওঁ উল্লাসবিভোৰ আনন্দবিভোৰ....
মুক্ত দিব্য এই প্ৰেম-সংগ্ৰামত।
লক্ষ্যহীনতাৰ অপূৰ্ব মহিমাত
প্ৰত্যভিলাষৰাশিৰ মিলনত
অকল চৈতন্যত, অকল প্ৰেমত
পুৰুষে নিজৰ দিব্যসত্তাৰ স্বভাৱ উপলব্ধি কৰে....
( পুৰুষে কয় ) "অ' মোৰ সংসাৰ, মোৰ জীৱন,
মোৰ স্ফুলন, মোৰ হৰ্ষোন্মাদ!
তোমাৰ প্ৰতিটো মুহূৰ্ত মই সৃষ্টি কৰোঁ
পূৰ্বভুক্ত সকলো ৰূপ অস্বীকাৰ কৰোঁ :
মই নিত্য 'নেতি নেতি'...."
এই নাচ ভোগ কৰি, এই ঘূৰ্ণীবায়ুত
প্ৰাণান্ত হৈ ( পুৰুষে দ্ৰুত বেগে মহোচ্ছ্বাসৰ
ৰাজ্যলৈ উৰি যায়।

এই বিৰতিহীন সংসাৰত, এই লক্ষ্যহীন দিব্য উৰণত
পুৰুষে লাভ কৰে আত্মবোধ,
নিজ ইচ্ছাশক্তিৰে অদ্বিতীয় মুক্ত চিৰসৃষ্টিশীল,
সকলো উদ্ভাসিত কৰি, সকলো সঞ্জীৱিত কৰি,
বিশ্বৰূপৰ মাজেদি সকলো খেল খেলি
পুৰুষে লাভ কৰে আত্মবোধ····
'তোমাৰ বুকুতে মই আছোঁ, অ' মোৰ পৃথিৱী,
মোক লৈ তোমাৰ সপোন—ময়ে ধৰিছিলোঁ
কৰিবলৈ জন্মগ্ৰহণ...
আৰু তুমিয়েই সকলো—মুক্তি আৰু আনন্দৰ এটি
তৰঙ্গ...'
মহাপ্ৰলয়ে সংসাৰক সাৰটি লৈছে
পুৰুষে নিজ সত্তাৰ উৰ্ধতম শিখৰ পাইছে
আৰু তেওঁ মুক্ত ইচ্ছাৰ দিব্য শক্তিৰ
অনন্ত জোৱাৰ উপলব্ধি কৰিছে।
তেওঁৰ উগ্ৰ সাহ :
যিটো আছিল বিভীষিকা এতিয়া সেইটো
উত্তেজনা ; যিটো আছিল মহাভয়,
সেইটো এতিয়া আনন্দ····
আৰু বিশ্বচৰাচৰে 'মই' আনন্দ ধ্বনিৰ
প্ৰতিধ্বনি তুলিছে।[১]

এই কৱিতাটিয়ে শিৱৰ নটৰাজ মূৰ্তি কৱিতাৱদ্ধ কৰিছে।

চমুকৈ, অগণন জীৱাত্মাক মায়াৰ পৰা আৰু জন্ম-মৃত্যু সংসাৰচক্ৰৰ পৰা মুক্তি দিবলৈ শিৱই নাচে আৰু শিৱৰ নৃত্যমঞ্চ হৈছে মানুহৰ হৃদয়।

১। A Coomaraswamy : The Dance of Shiva pp 91-92

# ষোড়শ শতিকালৈকে অসমীয়া ভাষা

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

খৃষ্টিয়ান শতিকাৰ আৰম্ভণিৰ আগতে নহলেও অন্তত: ইয়াৰ আৰম্ভণিৰ সময়ত মধ্য ভাৰতীয় আৰ্য-ভাষাৰ আদিম স্তৰৰ ভাষা কোৱা লোক এদল আহি অসমত বসতি স্থাপন কৰে। তেওঁলোকৰ ভাষাৰ পৰাই এটা স্থানীয় প্ৰাকৃতৰ জন্ম হয়।

সপ্তম শতিকাত অসম ভ্ৰমণ কৰা হিউয়েনচাঙৰ উল্লেখটোৱেই অসমৰ ভাষাৰ বিষয়ে প্ৰাচীনতম উল্লেখ। তেখেতৰ মতে কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ। এই চীনা ভ্ৰমণকাৰীজনে উল্লেখ কৰা কামৰূপ যাইকৈ আধুনিক অসম আৰু মধ্য ভাৰত হৈছে মগধ নামে জনাজাত দক্ষিণ বিহাৰ। সেই অঞ্চলৰ সেই সময়ৰ কথিত ভাষা আছিল মাগধী। মাগধী আৰু কামৰূপী ভাষাৰ মাজত পাৰ্থক্য থকাটো হিউয়েনচাঙে লক্ষ্য কৰিছিল, সেই মাগধীৰ লগত পাৰ্থক্য থকা কামৰূপী ভাষাটোৱেই সেই সময়ৰ স্থানীয় প্ৰাকৃত আছিল। এই প্ৰাকৃতৰ কোনো নিদৰ্শন এতিয়ালৈকে আৱিষ্কৃত হোৱা নাই।

অসমীয়া ভাষা বিকাশৰ বুৰঞ্জীমূলক পৃষ্ঠভূমিত পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে কামৰূপত শাসন কৰা প্ৰাক্-আহোম ৰজাসকলৰ ফলিবোৰত সেই সময়ত প্ৰচলিত হৈ থকা কামৰূপৰ ভাষাৰ প্ৰকৃতি আৰু ৰূপৰ উদাহৰণ থকা প্ৰাকৃত-প্ৰভাৱ পোৱা যায়। ভূমিদানপত্ৰৰ শুদ্ধ সংস্কৃতৰ মাজত ৰচকসকলৰ বা আখৰকটীয়াসকলৰ অসাৱধানতাৰ বাবে এই প্ৰাকৃত ৰূপবোৰ সোমাই পৰে।

তলত দিয়াবিলাকৰ নিচিনা কিছুমান এই দানপত্ৰৰ শব্দ আজিও অসমীয়া ভাষাত ব্যৱহৃত হয় ; যেনে—'আউল', বঁকিয়া ; 'জান', জুৰি ; 'পাৰলি', এবিধ গছ ইত্যাদি। ফলিবোৰৰ কিছুমান শব্দই আমাক আধুনিক অসমীয়া শব্দৰ অলপ আগৰ ৰূপটোলৈ আঙুলিয়ায় ; যেনে—'ঝৰি' >আ.অ. জৰি, পাকৰী গছ, ওডিঅম্ম >আ.অ. উৰিয়াম, এবিধ গছ, Bescoffia Javanica, খোড়া >আ.অ. থঁৰা, আগ-কটা বা আগ-মৰা (গছ) ; মাকৃখি > আ.অ. মাখি, মক্ষিকা ; সেই ফলিবোৰত থকা কিছুমান নামবাচক শব্দ আজিকোপতি অসমীয়া মানুহৰ নাম হিচাপে প্ৰচলিত, যেনে—ধনেশ্বৰ, নন্দেশ্বৰ, বুধেশ্বৰ, মহীধৰ ইত্যাদি।

একাদশৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত চৰ্যাপদ-বোৰ ৰচিত হয়। আধুনিক অসমীয়াত আজিও ব্যৱহৃত শব্দেৰে সৈতে চৰ্যাপদবোৰ ভৰপূৰ ; যেনে—ডাল, গছৰ শাখা, গোহালী, গৰুৰ ঘৰ ; বহল, ডাঙৰ আৰু দীঘল, ইত্যাদি। √উঠ্, ওপৰলৈ গতি কৰ্ ; √উজা, সোঁতৰ

ওপৰ ফাললৈ যা; √কান্দ্, দুখ বা শোকত চকুলো টুকি বেজাৰ কৰ্ আদি ধাতু নিঃসন্দেহে আধুনিক অসমীয়াই এতিয়ালৈকে ব্যৱহাৰ কৰি আছে।

অসমীয়া ধ্বনিতত্ত্বৰ প্ৰধান বৈশিষ্ট্যবোৰ হৈছে— উষ্ম ধ্বনিসমূহৰ বিশিষ্ট উচ্চাৰণৰ লোপ, মূৰ্ধন্য আৰু দন্ত্য ধ্বনিসমূহৰ পাৰ্থক্য বিলোপ, হ্ৰস্ব আৰু দীৰ্ঘস্বৰৰ পাৰ্থক্য বিলোপ, ক্ষ-ৰ ঠাইত ক্থ, খ বা হ হোৱা, উষ্ম ধ্বনিসমূহৰ ঠাইত হ হোৱা, ইত্যাদি। চৰ্যাপদৰ ভাষাত এই আটাইবোৰ বৈশিষ্ট্য পোৱা যায়।

পৰসৰ্গ —লোঅ (লোক) আৰু —সঅল (সকল) যোগ দি বহুবচন তৈয়াৰ কৰা, —নী আৰু —ঈ যোগ দি স্ত্ৰীলিঙ্গ তৈয়াৰ কৰা, পঞ্চমী বিভক্তিৰ বাহিৰে আটাইবোৰ শব্দ বিভক্তিৰ উপস্থিতি, প্ৰায় আটাইবোৰ ক্ৰিয়া-বিভক্তিৰ উপস্থিতি—এই আটাই-বোৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যই আঙুলিয়ায় যে চৰ্যাপদৰ ভাষা অসমীয়া ভাষাৰে সৈতে এবাৰ নোৱাৰাকৈ জড়িত। তলৰ উদাহৰণটোৱে ভাষাটোৰ এটা আভাস দাঙি ধৰিব :

সুসুৰা নিদ গেল বহুড়ী জাগঅ।
কানেট চোৰে নিল কা গই মাগঅ॥
দিৱসই বহুড়ী কাউই ডৰে ভাঅ।
ৰাতি ভইলে কামৰু জাঅ॥ (চঃ ২)

(শহুৰেক টোপনি গল, বোৱাৰীয়েক জাগে। কানেট চোৰে নিলে, ক'লৈ গৈ বিচাৰিব? বোৱাৰী-য়েকে দিনত কাউৰীলৈকেই ভয় কৰে, ৰাতি হলে (কিন্তু) কামৰূপলৈকে যায়।)

জঅ জঅ দুন্দুভি সাদ উছলিলা।
কাহ্নু ডোম্বীবিবাহে চলিলা॥
ডোম্বী বিবাহিআ অহাৰিউ জাম।
জউতুকে কিঅ আনুতু ধাম॥
অহনিসি সুৰঅ-পসঙ্গে জাঅ।
জোইনি-জালে ৰঅনি পোহাঅ॥ (চঃ ১৯)

(জয় জয় দুন্দুভিৰ শব্দ উথলিল। কাহ্নুই ডুমুনীক বিয়া কৰিবলৈ চলিল। ডুমুনীক বিয়া কৰি জন্ম অন্ত কৰিলে। যৌতুকত অনুত্তৰ ধাম আনিলে। দিনে-নিশা সুৰত প্ৰসঙ্গত যায়। যোগিনীৰ জালতে [যোগিনীৰ লগত প্ৰেমৰ জালতে] ৰাতি পুৱায়।)

ৰামাই পণ্ডিতৰ শূন্য পুৰাণৰ ভাষা অসমীয়াৰ ওচৰ চপা। ইয়াৰ সময় নিৰ্ধাৰিত হোৱা নাই। কিছুমানে দশম-দ্বাদশ শতিকাৰ, কোনোৱে ষোড়শ শতিকাৰ আৰু কোনো-কোনোৱে সপ্তদশ-অষ্টাদশ শতিকাৰ বুলি ভাবে। আমি ইয়াত দশম-দ্বাদশ শতিকাৰ বুলি ধৰি লৈ আলোচনা কৰিছোঁ।

ইয়াৰ ভাষাত অসমীয়া ভাষাৰ অজস্ৰ শব্দ পোৱা যায়; যেনে—কোন, পানী, ঘৰ, পুথৰি (পুখুৰী) আদি শব্দ এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। শুদ্ধ বঙলা শব্দ হোৱা হলে এইবোৰ শব্দ হলহেতেন— কে, জল, বাড়ী, পুকুৰ আদি। ইয়াত অসমীয়া ধাতু √হ, হু, √মাগ্, √বুল, √ল, √পা আদি পোৱা যায়। কৰ্তা কাৰকত —এ (যেনে—শঙ্খে), কৰণ কাৰকত —এ (যেনে—সুখে, অৰ্থাৎ সুখেৰে), সম্বন্ধত —ৰ (যেনে—শঙ্খৰ, যমৰ, অন্নৰ, আদি), অধিকৰণত —ত আদি অসমীয়া ভাষাৰ বৈশিষ্ট্য ইয়াৰ ভাষাত পোৱা যায়। ক্ৰিয়া-বিভক্তিৰ ভিতৰত বৰ্তমান কালৰ প্ৰথম পুৰুষত -ওঁ, দ্বিতীয় পুৰুষত -অ, তৃতীয় পুৰুষত -এ বা য় বিভক্তি পোৱা যায়। অতীত কালৰ -ইল (যেনে—নাছিল, উপজিল); ভৱিষ্যত কালৰ -ব (যেনে—খাব, পাব) ইত্যাদি বিভক্তি পোৱা যায়। অসমীয়াৰ দৰে নেতিবাচক ক্ৰিয়াৰূপ হয়। তলৰ উদ্ধৃতিৰ পৰা আমাৰ উক্তি প্ৰমাণিত হব :

দশ দিগপাল নাহি মেঘ তাৰাগণ।
আউ মিত্ত নাছিল জমৰ তাড়ন॥...
ঘৰে ধান নাছিলেক সুখে অন্ন খাব।
অন্নৰ বিহনে পৰ্ভু কত দুখ পাব॥....
শঙ্খ উপজিল কৰ শঙ্খৰ বিচাৰ।



কহ কহ পণ্ডিত শঙ্খৰ সাৰ॥
কোন শঙ্খে নছোৱে পানী।
দক্ষিণ শঙ্খে নছোৱে পানী॥

(ডিম্বেশ্বৰ নেওগৰ উদ্ধৃতি)

এনে ধৰণৰ আন এখন পুথি হল বড়ু চণ্ডী দাসৰ শ্ৰীকৃষ্ণ কীৰ্তন। ইয়াত থকা প্ৰায়বোৰ শব্দ আধুনিক অসমীয়া ভাষাত সচৰাচৰ প্ৰচলিত হৈ আছে; যেনে—তপত, যতন, আজি, কাকুতি, থং ঘৰ, ঠাই দীঘল, বিচনী, বুঢ়া ইত্যাদি। মুঞি (মই), মোঞি (মই), মোক, মোৰ, মোত, তুঞি (তই), তোঞি (তই) তোক, তোৰ, তোত, তাক, তাৰ, তাত আদি সৰ্বনাম শব্দ নিশ্চিতৰূপে অসমীয়া। √আগুছ (আগছ্, আগুচ্) √এড়্, √খুজ্, (খোজ্), √চমক্, √জি, (জী উঠ্) √জিআ (জীয়া), √জিন্ (জয় কৰ) √ঝঙ্কা (জোঁকা), √তাৰ (উদ্ধাৰ কৰ্), √তেজ্ (ত্যাগ কৰ্) √দহ্ দগ্ধ কৰ্), √দোষ্ (দোষ্ দে), √নাঁট্ (নুজুৰ্, যথেষ্ট নহ), √নিন্দ্ (নিন্দা কৰ্), √নিবাৰ্ (নিবাৰণ কৰ্) √পাতিআ (পতিয়া), √পাসৰ্ (পাহৰ্), √পি (পান কৰ্), √পিন্ধ্ (পৰিধান কৰ্) √পোড় (পোৰ্) √পূৰ্ (পূৰ্ণ হ), √পেলা (নিক্ষিপ্ত কৰ্, বিক্ষিপ্ত কৰ্) √কল্ (ঘট্) আদি সম্পূৰ্ণকৈ অসমীয়া ধাতু বঙলা ভাষাত পাবলৈকে নাই। ইয়াৰ উপৰিও গালি পাড়্, কথা পাত্, কাণ পাত্, আদি অসমীয়া জতুৱা বাক্যাংশ অসমীয়া ভাষাতহে আছে, বঙলাত নাই।

শব্দৰূপৰ ক্ষেত্ৰত প্ৰথমা বিভক্তি—এ; যেনে— নাৰায়ণে, কংসে, দেৱগণে ইত্যাদি; দ্বিতীয়া—ক; যেনে—পূতনাক, লক্ষ্মীক, মাঅক ইত্যাদি; তৃতীয়া বিভক্তি —এ; যেনে—নেহেঁ, মুখে, পাএ ইত্যাদি; চতুৰ্থী বিভক্তি—ক লাগি: যেনে—তাক লাগি, ইত্যাদি, সপ্তমী বিভক্তি—ত; যেনে—পৃথিবীত, মুখত আঞ্চলত ইত্যাদি শ্ৰীকৃষ্ণ কীৰ্তনত পোৱা যায়।

ক্ৰিয়াবিভক্তিৰ ক্ষেত্ৰত স্বৰূপ ভূতহে পোৱা যায়, অপূৰ্ণ ভূত পোৱা নাযায়। স্বৰূপ ভূতত প্ৰথম পুৰুষত —ইলোঁ, —ইলু প্ৰত্যয় পোৱা যায়; যেনে—কৰিলোঁ চলিলোঁ, জানিলোঁ দিলু, দেখিলু, আইলু ইত্যাদি। দ্বিতীয় পুৰুষত পোৱা যায়—ইলি প্ৰত্যয়, যেনে—না শুনিলি, কৈলি চিহ্নিলি, ইত্যাদি। তৃতীয় পুৰুষৰ বিভক্তি—ইল আৰু—ইলে, যেনে—উঠিল, পশিল, চলিল কৰিলে, দিলে, নিলে, ইত্যাদি।

বৰ্তমান কালৰ ভিতৰত কেৱল নিত্য বৰ্তমানৰ ৰূপহে পোৱা যায়। নিত্য বৰ্তমানৰ প্ৰথম পুৰুষৰ বিভক্তি—ওঁ আৰু —ঙ, যেনে—আছোঁ, কৰোঁ, কহোঁ, জাঙ, ইত্যাদি। দ্বিতীয় পুৰুষৰ বিভক্তি—অ, যেনে কৰ, জান, কহ, ইত্যাদি। তৃতীয় পুৰুষৰ বিভক্তি —এ বা —ই বা —য়; যেনে—কান্দে, কাম্পে, চড়ে গৰজএ, গুণএ চলএ, জাই, পাই খাই ইত্যাদি।

ভৱিষ্যত কালৰ প্ৰত্যয় প্ৰথম পুৰুষত পোৱা যায় —ইবোঁ; যেনে—তেজিবোঁ, কৰিবোঁ, খাইবোঁ ইত্যাদি দ্বিতীয় পুৰুষৰ প্ৰত্যয়—ইবি; যেনে—জাইবি, ঝঙ্কা-য়িবি, দিবি, ইত্যাদি। তৃতীয় পুৰুষৰ প্ৰত্যয়—ইব বা —ইবে; যেনে—দিব, হৈব, উপজীব; জাইবে, পুৰিবে তোষিবে, ইত্যাদি।

শ্ৰীকৃষ্ণকীৰ্তনৰ পৰা উদ্ধৃত কৰা পদতেই আমাৰ উক্তিবোৰ প্ৰমাণিত হব :

তোক ছাড়ী বড়ায়ি কেমনে জায়িবোঁ ঘৰ।
হেন চিন্তি চড়িলোঁ মো নাএৰ উপৰ॥
কথো দূৰ থেআইলে নাঅ চক্ৰপাণী।
ঝাঝৰ নাঅ নৈল চাৰি পাসে পানী॥
বড়ায়ি বড় ভয় পাইলোঁ যমুনাৰ জলে।
পাৰ কৈল মোকে ভালে কাহ্নাঞি গোআলে॥
গাতৰ ভৰা বাধা পেলা আভৰণে।
পাণিকুটি মাৰ আক্কাক বুইল কাহ্নে॥
আচম্বিত থৰতৰ বাহিলেক বাঅ।
মাঝ যমুনাত ডুবিআঁ গেল নাঅ॥ —পৃ. ৬৫।

আনে নিজৰ বুলি দাবী কৰা পুথিৰ কথা বাদ দিলে প্ৰাক্-শঙ্কৰী কবিসকলৰ ভিতৰত নিৰ্বিবাদে হেম সৰস্বতীৰ প্ৰহ্লাদ-চৰিতৰ কথা কব পাৰি। তেখেতক প্ৰাচীনতম কবি বুলি ধৰা হয় আৰু তেখেতৰ সময় ধৰা হয় ত্ৰয়োদশ শতিকা। প্ৰহ্লাদ চৰিতৰ ভাষাত ইতিমধ্যে অসমীয়া ভাষাই আধুনিক গঢ় লবলৈ আৰম্ভ কৰিছে। অগনি, অগিয়ান ধিয়ান, ভকতি আদি শব্দ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অগ্নি, অজ্ঞান, ধ্যান, ভক্তি শব্দত স্বৰভক্তি হৈ সিদ্ধ হৈছে। খঙ্গ, ঝাঙ্গ, দাম্ভ, ৰঙ্গ, মাহুত আদি শব্দ আধুনিক অসমীয়াত খং, জাং (দীঘল) দাঁত, ৰং, মাউত শব্দ হৈ এতিয়াও আছে। আগ, আন (অন্ত), আন্ধাৰ, কিনো, কিবা, ঠাই মই তই তুমি, আপুনি গোসাই, তালু আদি শব্দই আধুনিক অসমীয়াৰ ৰূপ গ্ৰহণ কৰিছে।

ৰূপতত্বৰ ক্ষেত্ৰত হেম সৰস্বতীৰ ভাষাৰ বিকাশশীল ৰূপ দেখা যায়। বহু বচনৰ প্ৰত্যয়—গণ,—চয় —মান, —মানে, আৰু —লোক হেম সৰস্বতীৰ ভাষাত ব্যৱহৃত হৈছিল যদিও ইয়াৰ ভিতৰত লোক প্ৰত্যয়টোহে সৰ্বনামৰ বহুবচনৰ প্ৰত্যয় ৰূপে তেওঁলোক, এওঁলোক আদি শব্দত ৰক্ষিত হৈছে। ভালেমান, কিছুমান আদি কেইটামান শব্দতহে মান প্ৰত্যয়টো আধুনিক অসমীয়াত পোৱা যায়। বাকীবোৰ প্ৰত্যয় আমি পাহৰিলোঁ। স্ত্ৰীলিঙ্গৰ প্ৰত্যয় হিচাপে প্ৰা. ভা. আ. —ঈ প্ৰত্যয় বগী কলী, মাহী, পেহী, আদি শব্দত আধুনিক অসমীয়াত পোৱা যায়। হেম সৰস্বতীয়ে স্ত্ৰীলিঙ্গত—ঈ প্ৰত্যয়হে ব্যৱহাৰ কৰিছিল। তেতিয়াৰ ভাষাত স্ত্ৰীলিঙ্গৰ —নী প্ৰত্যয়ৰ ব্যৱহাৰ পোৱা নায়ায়।

শব্দৰূপৰ বিভক্তি হিচাপে প্ৰথমা বিভক্তি—এ ; যেনে—গন্ধৰ্বে (পদ. নং ১০০) ; দ্বিতীয়া বিভক্তি—ক ; যেনে—অসুৰক (প.৯৮) ; তৃতীয়া বিভক্তি—এ ; যেনে—অস্ত্ৰে (প. ৯৮) আৰু দিয়া ; যেনে—জাঠু দিয়া (প.৩৬) চতুৰ্থী বিভক্তি—ক ; যেনে—সভাক (প. ২)—ক লাগি যেনে—ঊৰ্ধ্বক লাগি (প. ৯৪) ;—ক লাগিয়া ; যেনে—ঊৰ্ধ্বক লাগিয়া (প. ৯৪) ; পঞ্চমী বিভক্তি—ৰ পৰা, যেনে—আকাশৰ পৰা (প. ১০০), ষষ্ঠী বিভক্তি—ৰ, যেনে—অসুৰৰ (প. ১১), সপ্তমী বিভক্তি—ত যেনে—আগত (প. ১৫) পোৱা যায়। পিছৰ যুগৰ ৰচনাত বেছিকৈ পোৱা পঞ্চমী বিভক্তিৰ প্ৰত্যয় হন্তে-ৰ ব্যৱহাৰ প্ৰহ্লাদ-চৰিতত নথকা কথাটো লক্ষ্য কৰি লগীয়া।

ধাতুৰূপৰ ক্ষেত্ৰত হেমসৰস্বতীৰ ভাষাত অপূ[ৰ্ণ] ভূতৰ ৰূপ পোৱা নাযায়। স্বৰূপ বৰ্তমানেই একমা[ত্ৰ] অতীত কালৰ ক্ৰিয়াৰূপ আছিল। প্ৰথম পুৰু[ষত] প্ৰত্যয় পোৱা যায়—ইলোঁ আৰু—ইলোহোঁ। দ্বিতী[য়] পুৰুষত—ইলি,—প্ৰত্যয়হে পোৱা গৈছে। তৃতীয় পুৰু[ষত] —ইল—ইলা,—ইলে, ইলন্ত আৰু ইলেক পোৱা যায়।

বৰ্ত্তমান কালৰ প্ৰত্যয় প্ৰথম পুৰুষত—ওঁ,—ও[ঁ]... পোৱা যায়। দ্বিতীয় পুৰুষত পোৱা যায়—আ আ... —আহা। তৃতীয় পুৰুষত—অতি, —অন্ত, —অ[ি]... —অয়, —ই, —এ, আদি পোৱা যায়।

ভৱিষ্যত কালৰ প্ৰত্যয় প্ৰথম পুৰুষত পোৱা যা[য়] —ইবো আৰু —ইবোহোঁ। দ্বিতীয় পুৰুষত পো[ৱা] যায় —ইবিহি আৰু —ইবা। তৃতীয় পুৰুষত—ই... আৰু —ইবেক প্ৰত্যয় পোৱা যায়।

হেম স্বৰস্বতীৰ ভাষা এনেকুৱা :

"অধিকে জলিলা কান্তি দেহা দশ গুণে।
হৰি যাক ৰক্ষা কৰে মাৰে তাক কোনে॥
দুনাই বিষ খুৱাইলেক বিষ নলাগিল।
জাঠু দিয়া কাটিলেক খাণ্ডায়ো ভাঙ্গিল॥৩৬

—প্ৰহ্লাদ চৰি[ত]

হৰিহৰ ( বৰ ? ) বিপ্ৰই চতুৰ্দশ শতিকাত বভ্ৰুবাহ[নৰ] যুদ্ধ, লব-কুশৰ যুদ্ধ, তাম্ৰধ্বজৰ যুদ্ধ এই তিনিখন যুদ্ধ-কা[ব্য] ৰচনা কৰে। হৰিহৰ বিপ্ৰৰ ভাষা হেম সৰস্ব[তীৰ] ভাষাৰ পৰা বিশেষ পৃথক নহয়। হেম সৰস্ব[তীৰ] ৰচনাত পোৱা অতীত কৃদন্ত প্ৰত্যয়—ইবাৰ এখে[তৰ] ৰচনাতো পোৱা যায়। কিন্তু এখেতৰ ৰচনাত—এৰ অতীত কৃদন্ত প্ৰত্যয়ো পোৱা যায়। পঞ্চমী বিভক্তিৰ হন্তে পৰসৰ্গ এখেতৰ ৰচনাত পোৱা যায়। পৰা পৰসৰ্গও এখেতে ব্যৱহাৰ কৰিছিল।




এই সময়তে কবিৰত্ন সৰস্বতীয়ে জয়দ্ৰথ বধ ৰচনা কৰে। সাত্যকি-প্ৰবেশৰ লিখক কদ্ৰ কন্দলীও এই সময়ৰে। অতীত কৃদন্ত—ইবাৰ আটাইবোৰ প্ৰাক্-শঙ্কৰী কবিৰে সাধাৰণ বৈশিষ্ট্য।

প্ৰাক্-শঙ্কৰী কবিসকলৰ ভিতৰত মাধৱ কন্দলীয়েই শ্ৰেষ্ঠ। মাধৱ কন্দলীয়ে ৰামায়ণ ৰচনা কৰে। এখেতৰ নামত প্ৰচলিত দেৱজিত কাব্য কন্দলীৰ নহয় বুলি কোনো কোনোৱে কয়। ৰামায়ণৰ ভাষাত যদিও অধিক ক্ষেত্ৰত হেমসৰস্বতীৰ ভাষাকেই পোৱা যায়, তথাপিও কিছু নিজা বৈশিষ্ট্য নোহোৱা নহয়। বহুবচনত মেলেক, —হন্তে আদি প্ৰত্যয় মাধৱ কন্দলীৰ বৈশিষ্ট্য।

মাধৱ কন্দলীৰ ভাষা প্ৰাক্-শঙ্কৰী কবিসকলৰ ভিতৰত আটাইতকৈ পূৰঠ ভাষা। এখেতৰ ভাষাতো কিন্তু অপূৰ্ণ ভূতৰ ব্যৱহাৰ পোৱা নাযায়। বৰ্তমান কালত দ্বিতীয় পুৰুষত ক্ৰিয়াত —অ প্ৰত্যয় আৰু মান্যাৰ্থত —আ বা —আহা প্ৰত্যয়ৰ ব্যৱহাৰ এখেতৰ ভাষাই নিৰ্দিষ্ট কৰে যেন লাগে। ৰাৱণক সীতাই "তই" সম্বোধন কৰি কৈছে :

প্ৰভুৰ আগত তই থিৰ হুইবে
ভালে জানো তোৰ গহ।
মোহোৰ আগত চকুৱা নফাৰ
আনত ভাৱনা কহ॥ ৪২০২

আনহাতে মান্যাৰ্থত "তুমি" সম্বোধন কৰি ৰাক্ষসীসকলে ৰাৱণক কৈছে :

তুমি অভিলাষে হৰি আনিলা যাহাক।
কাহাৰ শকতি আছে মাতিবে তাহাক॥ ৪৩৬০

ইয়াত কৰ্তা তুচ্ছাৰ্থক 'তই' হোৱা বাবে √কহ, ধাতুৰ তুচ্ছাৰ্থক প্ৰত্যয়—অ যোগ হৈ প্ৰথম উদাহৰণত "কহ" হল। দ্বিতীয় উদাহৰণত মান্যাৰ্থক 'তুমি' কৰ্তা হোৱা গুণে √আন্ ধাতুৰ মান্যাৰ্থক প্ৰত্যয় যোগ হৈ "আনিলা" হ'ল।

অতীত কালত সম্ভাব্য ভূতৰ অৰ্থত হন্তে পৰসৰ্গৰ ব্যৱহাৰ মাধৱ কন্দলীৰ ভাষাৰ অন্য এটা বৈশিষ্ট্য ; যেনে—মোক বুলিলাহা হন্তে সীতাৰ কাৰ্য্যক। ৩৬১৭।

তলত মাধৱ কন্দলীৰ ভাষাৰ উদাহৰণ দিয়া হল :

ক্ষত্ৰি জাতি বীৰ তুমি মুহিকা গহন।
সুবুলিয়া শৰ কৰিলাহা কি কাৰণ॥
বুলিয়া আমাক কৰিলাহা-হন্তে ৰণ।
পৰৱৰ্ত্তি ভৈল-হন্তে তোমাৰ মৰণ॥ ৩৬১০

শঙ্কৰী যুগৰ প্ৰতিষ্ঠাতা শঙ্কৰদেৱ [ ১৪৪৯ ১৫৬৮ ] প্ৰাচীন অসমীয়া ভাষাৰ আটাইতকৈ প্ৰতিভাশালী কবি। এখেতৰ ভাষাত হেম সৰস্বতী আৰু মাধৱ কন্দলীৰেই বিকশিত ৰূপ পোৱা যায়। বহু বচনৰ প্ৰত্যয় হিচাপে —সব আৰু —সকল শঙ্কৰী ভাষাৰ বৈশিষ্ট্য। কৰণ কাৰকত শঙ্কৰী ভাষাত—এৰে প্ৰত্যয়ো পোৱা যায় ; যেনে আৰু—এৰে কৰে নামক সৰি। ....৫৪—কীৰ্তন। সম্ভাব্য ভূতৰ ক্ৰিয়াৰূপত শঙ্কৰদেৱে স্বৰূপ ভূতৰ ক্ৰিয়া-বিভক্তি যুক্ত ৰূপৰ পাছত হন্তে পৰসৰ্গ ব্যৱহাৰ কৰা নিয়ম মাধৱকন্দলীৰ অনুৰূপ। পাছে কোনো কোনো ক্ষেত্ৰত তেখেতে এই ক্ষেত্ৰত হুই উপসৰ্গবো ব্যৱহাৰ কৰিছে ; যেনে—পূৰ্ব্বতে মৰিলোঁ হুই যেন যুৱাই ভাগে॥ ৩৭০ উ. কা, ৰামায়ণ। অসমীয়া ভাষাত ক্ৰিয়ামূলক স্বাৰ্থিক প্ৰত্যয় এটা আছে —লা। ডঃ কাকতিয়ে "আচামিজ্, ইট্‌চ ফৰ্মেশ্বন্ এণ্ড ডেৱে-ল'প্‌মেণ্ট" [ ১৯৪১ ] পুথিৰ ৮৩১ আৰু ৮৩২ ছেদত ইয়াৰ বিষয়ে আলোচনা কৰিছে "হবলা" শব্দতহে ইয়াৰ ব্যৱহাৰ পোৱা যায়। হেমচন্দ্ৰ বৰুৱাই হেমকোষত [ ১৯৬৫ ] ইয়াক ক্ৰিয়া বিশেষণ হিচাপে ধৰিছে। কামৰূপী উপভাষাত ইয়াক "হব" ৰূপত ব্যৱহাৰ কৰা হয় ; যেনে—সি আহিছি হব ( কামৰূপী ) ; সি আহিছে হবলা ( মান্য উপভাষা )। মান্য উপভাষাত ইয়াক "হব পায়" ৰূপেও ব্যৱহাৰ কৰা হয় যেনে—সি

আহিছে হব পায়। শঙ্কৰদেৱৰ ৰচনাত এনে ধৰণৰ প্ৰকাশ-ভঙ্গী "হইবে" শব্দৰ দ্বাৰা বুজোৱা হয় ; যেনে— পাপবিলি হইবে বলভদ্ৰ মোৰ কথা। ছুয়ো ভায়েৰৰ যেন কৰিলোঁ অৱস্থা॥ ক. হ. ৪০৭

শঙ্কৰী যুগৰ ভাষাৰ প্ৰধান বৈশিষ্ট্য হল যে এই ভাষাই হেম-সৰস্বতী মাধৱ কন্দলীৰ যুগৰ ভাষাত থকা অপ্ৰচলিত প্ৰকাশ ভঙ্গীবোৰ দূৰ কৰি নতুন নতুন প্ৰকাশভঙ্গী যোগ দি ভাষাটো ভাব প্ৰকাশৰ সুযোগ্য মাধ্যম কৰি তোলা হল। ভাষা ঘকৰা শব্দেৰে ভৰপূৰ হৈ পৰিল আৰু জতুৱা ঠাঁচেৰে সমৃদ্ধ হৈ পৰিল। তৎসম শব্দতকৈ তদ্ভৱ শব্দৰ প্ৰাধান্য বাঢ়ি আহিল। যদি ভাব প্ৰকাশৰ বাবে উপযুক্ত তদ্ভৱ শব্দ থাকে তেনে ক্ষেত্ৰত তৎসম শব্দ ব্যৱহাৰ কৰা নহয়। কোনো ধাৰণা প্ৰকাশ কৰিবলৈ উপযুক্ত ধাতু নাথাকিলে বিশেষ্য বা বিশেষণ শব্দৰ পাছত বিশেষ এটা ধাতু ব্যৱহাৰ কৰি যৌগিক ধাতু সাজি লোৱাৰ নিয়ম হল। সেই সময়ৰ এনে ধৰণৰ যৌগিক ধাতুবোৰ আজিকোপতি অবিবৃতভাৱে ব্যৱহৃত হৈ আছে। শঙ্কৰদেৱৰ সময়তে অসমীয়া ভাষাই সকলো ধৰণৰ ভাব প্ৰকাশৰ উপযোগী মাধ্যম ৰূপে গঢ় লৈ উঠে।

সেই যুগৰ ভাষাৰ এটা উদাহৰণ দিয়া হল :

পাছে ৰাম-কৃষ্ণে ৰঙ্গে অঙ্গিনাক যাই।
আঠু কাঢ়ি ক্ৰীড়ন্তে ফুৰন্ত ছুয়ো ভাই॥ ২৪৯
শীঘ্ৰে চলি যাহান্তে ঘাঘাৰ কৰে ধ্বনি।
পৰম আনন্দ ছুয়ো হোন্ত তাক শুনি॥ ...
স্নেহে পিয়াৱন্ত স্তন পুত্ৰ মুখ চান্ত।
মিলয় আনন্দ দেখি গাজি আসে দান্ত॥ ২৫১...
অগ্নি সৰ্প বিষকো ধৰিবে যান্ত খেদি।
কণ্টকতো পলান্ত মাৰক লাগ নেদি॥....২৫৩....
ছৱাল নভৈল ইটো ভৈল যমকাল।
কৰন্ত ধৰিয়া আনি আকাল-সিকাল॥...২৫৪

—ভাগৱত, ১২ স্কন্ধ।

কিসক আমাক আউৰ কৰা উতপাত।
পাসৰি আছিলো ছুনাই অগ্নি জাল গাত॥
আৰো অযোধ্যাত ভুঞ্জিবোহো ৰাজসুখ।
দেখিবো ছুনাই আউৰ ৰাঘৱৰ মুখ॥ ২০৭
বোলাইবোঁ ঘৰণী আৰো ৰাঘৱৰ ঘৰে।
নাই তেৰে নাৰী নিলাজিনী মোত পৰে॥
মোক কৰিবাক আৰো নবৈল ৰামৰ।
আৰো নকৰিবা কৰো সবাকে কাতৰ॥ ২৪৮

—উত্তৰাকাণ্ড ৰামায়ণ

ওপৰৰ আলোচনাৰ পৰা সিদ্ধান্ত কৰিব পাৰি যে সপ্তম শতিকাত মাগধীৰ পৰা "অলপ বেলেগ" ভাষা এটা নিশ্চিতভাৱে অসমত আছিল। এই ভাষাটো নিশ্চয়কৈ মধ্য ভাৰতীয় আৰ্য ভাষা আছিল বুলি সিদ্ধান্ত কৰিব পাৰি। পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত লিখিত কামৰূপী ৰজাসকলৰ তাম্ৰ আৰু শিলৰ ফলিৰ সংস্কৃত ভাষাত এই ভাষাৰ প্ৰভাৱ পৰিছিল। এই ভাষাৰ পৰাই একাদশ-দ্বাদশ শতিকাত চৰ্যাপদৰ ভাষা জন্ম পায়। শ্ৰীকৃষ্ণৰ কীৰ্তন আৰু শূন্য পুৰাণৰ ভাষা ইয়াৰে এটা বিকশিত ৰূপ। ত্ৰয়োদশ শতিকাৰ হেম সৰস্বতী আদি চতুৰ্দশ শতিকাৰ মাধৱ কন্দলী আদি আৰু পঞ্চদশ শতিকাত শঙ্কৰদেৱ আদিৰ ভাষাৰ যোগেদি সপ্তম শতিকাৰ ভাষাই আজিৰ অসমীয়া ভাষাৰ ৰূপ গ্ৰহণ কৰিছে।

**সহায় লোৱা গ্ৰন্থ :**


১। কাকতি, বাণীকান্ত : ১৯৪১ : Assamese, Its Formation and Development ;

২। কাকতি, বাণীকান্ত, সম্পাদিত : ১৯৫৯ : Aspects of Assamese Literature ;

৩। গোস্বামী, উপেন্দ্ৰনাথ : ১৯৭০ : ভাষাবিজ্ঞান ;

৪। দত্তবৰুৱা, হৰিনাৰায়ণ, সম্পাদিত : ১৯৫৩ : শ্ৰীশঙ্কৰবাক্যামৃত ;

৫। দত্তবৰুৱা, হৰিনাৰায়ণ, সম্পাদিত : ১৯৬০ : সপ্তকাণ্ড ৰামায়ণ ;







৬। ধলৰ সত্ৰ পুথিভঁৰাল প্ৰকাশিত : তাৰিখ নাই : প্ৰহ্লাদ চৰিত্ৰ ;

৭। নেওগ, ডিম্বেশ্বৰ : ১৯৫৭ : অসমীয়া সাহিত্যৰ বুৰঞ্জী ;

৮। নেওগ, ডিম্বেশ্বৰ : ১৯৬২ : New Light on History of Asamiya Literature ;

৯। নেওগ, ডিম্বেশ্বৰ : ১৯৬৪ : Growth of Asamiya Language ;

১০। নেওগ, মহেশ্বৰ : ১৯৬৪ : অসমীয়া সাহিত্যৰ ৰূপৰেখা ;

১১। বৰুৱা, হেমচন্দ্ৰ : ১৯৬৫ : হেমকোষ ;

১২। বাগচী, প্ৰবোধচন্দ্ৰ আৰু শাস্ত্ৰী, শান্তিভিক্ষু : ১৯৫৬ : Charyagitikosa of Buddhist Siddhas ;

১৩। ৰায়, বসন্তৰঞ্জন : ১৩১১ বঙ্গাব্দ : শ্ৰীকৃষ্ণকীৰ্ত্তন ;

১৪। শৰ্মা, সত্যেন্দ্ৰনাথ : ১৯৭১ : অসমীয়া সাহিত্যৰ ইতিবৃত্ত ;

১৫। সেন, সুকুমাৰ : ১৯৬৬ : চৰ্যাগীতিপদাৱলী ;

১৬। হাজৰিকা, বিশ্বেশ্বৰ : ১৯৭১ : Assamese Till the Advent of Literary prose in the sixteenth century, published in "The Assam Academy Review" edited by Sri Bhaben Barua.

সৌন্দৰ্য চৰ্চাত

# গোলাপ ফুল

—ৰাম গোস্বামী

গোলাপফুলে দিয়ে নতুন আনন্দ, আবেগভৰা অপূৰ্ব শিহৰণ। গোলাপ কাব্যৰ উৎস, উদাস প্ৰেমৰ মূৰ্ত বিকাশ, বিৰহ বেদনাৰ অব্যক্ত হা-হুতাশ, প্ৰেমৰ বিমল সৌৰভ, প্ৰেমিকৰ কীৰ্তিস্তম্ভ। আনন্দ আৰু সৌন্দৰ্যৰ প্ৰতীক গোলাপফুল। ইয়াতকৈ মধুৰ আৰু সুগন্ধিকুল সম্ভৱ এতিয়ালৈকে ওলোৱা নাই। গোলাপ ফুলৰ ৰসিকে গোলাপৰ চৰ্চা কৰি আনন্দ পায়, উৎসাহ পায়, তৃপ্তি লাভ কৰে। সকলো ফুলৰ মাজত দীপ্‌লিপ্‌ ৰাণী গোলাপফুল। যিদিনাই মানুহে কৌতুহলবশতঃ স্বৰ্গীয় ধৰণীত ফুলি থকা গোলাপফুল এপাহ চিঙি সুগন্ধি ঘ্ৰাণ অনুভৱ কৰিলে সেই দিন ধৰি গোলাপৰ প্ৰতি মানুহৰ আকৰ্ষণ বাঢ়িবলৈ ধৰিলে। মানুহৰ কল্পনা ৰাজ্যত গোলাপৰ সৌৰভে মধুৰ সাঁচ বহুৱালে।

প্ৰাচীন কালত গোলাপফুল সম্ভৱ য'তে ত'তে হৈছিল বনৰীয়া ফুল স্বৰূপে। বিশেষকৈ পৰ্বতীয়া অঞ্চলত গোলাপফুল বেছিকৈ হৈছিল।

গোলাপফুলৰ প্ৰাচীন ইতিহাস অতি বৈচিত্ৰ্যময়। মানুহৰ জন্মৰ আগৰে পৰা গোলাপ ফুলে এই বিনন্দীয়া ধৰণীত শোভা বিতৰণ কৰি আহিছে। অনেকৰ মতে তিনিশ হাজাৰ বছৰ জুৰি গোলাপৰ ইতিহাস ৰঞ্জিত হৈ আছে। প্ৰাচীন সাহিত্যত গোলাপফুলৰ উল্লেখ মন কৰিবলগীয়া। সংস্কৃত সাহিত্যত উল্লেখিত তৰুণীপুষ্প, অতিমঞ্জুলা, চেমন্তিকা আদি গোলাপৰে নামবিশেষ। প্ৰাচীন উপকথা, আখ্যান আদিত গোলাপৰ বিভিন্ন উল্লেখ আছে। ভোজন কৌতূহল নামৰ সংস্কৃত পুথি এখন ১৭৭৩ শকত ৰঘুনাথ গণেশ নৱহস্ত নামেৰে এজন পণ্ডিতে সম্পাদন কৰি তাত গুলাবোদক প্ৰকৰণৰ এটা অধ্যায় যুগুত কৰিছে। গোলাপজলৰ বিভিন্ন ব্যৱহাৰৰ বিষয়ে ইয়াৰ পৰা গম পাব পাৰি। (A.D. 1851 Journal of Tanjore M. SS Library) ৰাজ ব্যৱহাৰিক কোষত(A.D. 1676) ৰঘুনাথ পণ্ডিতে ভাগ্য প্ৰসঙ্গত আঁতৰক "পুষ্পসাৰঃ" বুলি বৰ্ণনা কৰিছে। (অত্তৰঃ পুষ্পসাৰঃ) ভাৰতীয় ঔষধ শাস্ত্ৰত গোলাপফুলৰ গুণাগুণ সম্পৰ্কে বৰ্ণনা বিৰল। গোলাপ জলৰ ব্যৱহাৰ মোগলসকলৰ দিনৰে পৰা প্ৰচাৰ হবলৈ ধৰে। বাবৰৰ দিনৰে পৰা মোগল ৰাজদৰবাৰত গোলাপ জলৰ আদৰ বৃদ্ধি পাইছিল। ১৮২৪ চনত হকীম ফৰাসিস নামে এজন পণ্ডিতে ১৩ অধ্যায়ত সম্পূৰ্ণ এখন পুথি লিখি উলিয়ায়। শ্ৰীগনেশায় নমঃ শ্ৰীসৰস্বত্যৈ নমঃ ॥ অথ বেদ শাস্ত্ৰ হকীম ফৰসিস্ নাম সুত বিৰচিতে ৰৰহদক হজুল পুৰাণে নামহ। অথ ৰিতুবিচাৰ লিখ্যতে। ইয়াত গোলাপৰ উল্লেখ আছে। আঁতৰ গুলাবীৰ বহুত বৰ্ণনা ইয়াত পোৱা যায়। ফৰাসিস্ হকীমৰ বিষয়ে বিশেষ বিৱৰণ জনা নাযায়। এওঁ এজন চিকিৎসা শাস্ত্ৰৰ পণ্ডিত আছিল বুলি গম পাব পাৰি। ১৮০০ খৃষ্টাব্দৰ পৰাই ভাৰতত গোলাপজল, গোলাপী আঁতৰৰ ব্যৱহাৰ হৈছিল বুলি ঠাৱৰাব পাৰি।* সঙ্গীত, সুকুমাৰ কলা, স্থাপত্য বিদ্যাত গোলাপৰ উল্লেখ মন কৰিবলগীয়া, প্ৰেম নিবেদনত, ভাস্কৰ্য কলা শিল্পত, অলঙ্কাৰ পাতি, মাটিৰ বাচন-বৰ্তন, চিলাই কামত গোলাপফুলৰ নিদৰ্শন পোৱা যায়।

গোলাপফুল অতীজতে বগা ৰঙৰ আছিল, পিছত হে বিভিন্ন ৰঙলৈ ৰূপান্তৰিত হ'ল। প্ৰবাদ আছে যে ইভেনৰ বাগিছাত গোলাপফুলে জকমকাই থাকোতে ইভে দেখি মোহিত হ'ল আৰু ফুলত চুমা আঁকি দিলে। চুমাৰ তীব্ৰজ্বালাত গোলাপৰ মৰমলগা পাহিবোৰ ফাটি তেজ বৰলৈ ধৰিলে। তেতিয়াৰ পৰাই গোলাপ ফুল ৰঙা হৈ পৰিল। আন এটা উপকথাত আছে যে গ্ৰীছ দেশৰ ৰূপকুঁৱৰী ৰডেনদিক (Rhodanthe) তেওঁৰ ডেকা প্ৰেমিকসকলে প্ৰেম নিবেদন কৰি ব্যতিব্যস্ত কৰি তুলিছিল। উপায় নেদেখি ৰেছেৰিয়ে পলাই ফুৰিবলৈ ধৰিলে। দুখৰ কথা শুনি 'আৰটেমিছ'ৰ মন্দিৰত থকা পবিত্ৰতাৰ দেৱীয়ে (Goddess of Purity) ৰডেনদিক আশ্ৰয় দি অত্যাচাৰৰ পৰা হাত সাৰিবলৈ গোলাপফুলৰূপে জীৱন দান কৰিলে। প্ৰেমিকৰ প্ৰেম নিবেদনত তাইৰ ৰঙা পৰি যোৱা গাল দুখনৰ ৰঙা ৰং লাগি গোলাপফুল ৰঙীন হৈ পৰিল। গ্ৰীচ আৰু ৰোমৰ উপকথাত প্ৰেম আৰু সৌন্দৰ্যৰ লগত গোলাপ ফুলৰ তুলনা কৰা হৈছিল। 'ভেনাচৰ জন্ম' নামৰ বিখ্যাত চিত্ৰ এখনত নীলবৰণীয়া সাগৰৰ বুকুৰ পৰা ভেনাচদেৱীয়ে গোলাপফুল হাতত লৈ উঠি অহা দৃশ্য অঙ্কিত কৰা হৈছে। প্ৰেমৰ দেৱতা 'ইৰজ'ৰ লগত গোলাপৰ ৰিজনি অনুভূতি প্ৰধান। প্ৰেম নিবেদনত গোলাপফুল আগবঢ়োৱা প্ৰথা প্ৰাচীন সাহিত্যত উল্লেখ আছে। প্ৰেমিক-প্ৰেমিকাৰ মধুৰ স্পৰ্শত গোলাপৰ পাহি মেল খায়; ইয়াৰ মাদকতাত প্ৰেমৰ তৃষ্ণা জুৰ পৰে। আন এটা উপকথাত আছে যে সৌন্দৰ্যৰ ৰাণী ভেনাচৰ ভৰিত কাঁইটে বিন্ধাৰ ফলত এটোপাল তেজ মাটিত পৰি গোলাপ ফুলৰ জন্ম হ'ল। প্ৰাচীন মিছৰ দেশত গোলাপৰ মালাৰে দেৱ-দেৱীৰ পূজা নিবেদন কৰিলে ততালিকে ফল পোৱা গৈছিল বুলি লোকবিশ্বাস আছিল। আইৰিছ দেৱীৰ পূজাৰ বাবে গোলাপফুল আছিল অপৰিহাৰ্য। বিখ্যাত মিছৰীয় সাধু "সোণালী গাধ' নামৰ কাহিনীত আছে যে, পাপকাৰ্যত ৰত হোৱাৰ বাবে লুচিয়াছ নামৰ বীৰ এজন গাধৰূপে ৰূপান্তৰিত হৈছিল। আইৰিছ দেৱীৰ মন্দিৰত নিজৰ অসৎ কাৰ্যৰ বাবে অনুশোচনা প্ৰকাশ কৰি ক্ষমা ভিক্ষা বিচৰাত দেৱীয়ে লুচিয়াছক সপোন দেখুৱালে যে তেওঁ যদি দেৱীৰ আগন্তুক উৎসৱৰ দিনা ভক্তবৃন্দই অনা মালাৰ একাজলি গোলাপ ফুল গাধৰূপী লুচিয়াছে চোবাই খাবলৈ পায়, তেতিয়াহ'লে তেওঁ পুনৰ মনুষ্যৰূপে জীৱন লাভ কৰিব পাৰিব। সপোনৰ কথামতে কাম কৰাত লুছিয়াছে দেৱীৰ আশীৰ্বাদ লাভ কৰি সুন্দৰ যুৱক ৰূপ ধাৰণ কৰিলে।

মৌনতাৰ প্ৰতীক স্বৰূপে গোলাপফুলক আখ্যা দিয়া হয়। গ্ৰীক উপকথাত আছে যে, প্ৰেমৰ দেৱতা ইৰজে সৃষ্টিৰ প্ৰথম গোলাপফুলটি মৌনতাৰ দেৱতাক উপহাৰ দিছিল—যাতে মৌনতাৰ দেৱতাই ইৰজৰ মাকৰ গুপুত প্ৰেমৰ ঘটনাৱলীবোৰ ক'তো ব্যক্ত কৰিব নোৱাৰে। তেতিয়াৰে পৰা গ্ৰীকসকলৰ মাজত গোলাপ ফুলক মৌনতাৰ প্ৰতীক স্বৰূপে স্বীকৃতি দিয়া হ'ল। আলোচনাৰ কোঠালিত টেবুলৰ ওপৰত এটি বগা বা ৰঙা গোলাপ তলত দুটি কলি ......দেখনিয়াৰকৈ সজাই থলে বুজিব লাগিব যে,...আলোচনাৰ বিষয়-বস্তু গোপন,

* পি.ডি. গোডে—'The cultural History of India

সকলোৱে গোপনীয়তা ৰক্ষা কৰিব লাগে। (Sub-Rosa-under the Rose....)

ৰোমান সম্ৰাট নিৰোৱে গোলাপফুল ইমান ভাল পাইছিল যে, তেওঁ ৰাজপ্ৰাসাদৰ সকলোতে গোলাপ ফুল লগাইছিল। বিশিষ্ট আলহীক সোধপোচ কৰিবলৈ ৰাজকাৰেঙৰ মজিয়াত গোলাপৰ পাহিৰে চকুতলগা মণ্ডল অঙ্কিত কৰোৱা হৈছিল। গোলাপৰ গোন্ধেৰে গোটেই ৰাজপ্ৰাসাদ মলমলাই আছিল। ইজিপ্তৰ ৰাণী ক্লিওপেট্ৰাই গোলাপফুলক অতি আদৰ কৰিছিল। মাৰ্ক এণ্টনিক অভ্যৰ্থনা জনাবলৈ ৰাণীৰ ৰাজ অন্তঃপুৰত আঠুলৈকে সোমোৱা গোলাপফুল মজিয়াত সজাই থোৱা হৈছিল। প্ৰাচীন গ্ৰীক, ৰোমান, মিচৰীয়-সকল স্থাপত্যবিদ্যাত অতি উন্নত আছিল। তেওঁলোকৰ বিভিন্ন কাৰুকাৰ্যত গোলাপফুলৰ নিদৰ্শন প্ৰকাশ পাইছে। ক্ৰীটৰ ৰাজপ্ৰাসাদসমূহৰ বেৰ আৰু চালত গোলাপফুল খোদিত কৰা হৈছিল। প্ৰাচীন অলঙ্কাৰ পাতি, বাচন-বৰ্তনত গোলাপৰ চিত্ৰ ৰূপাঙ্কণ কৰা হৈছিল।

নেপোলিয়নৰ পত্নী জোচেফাইনে গোলাপফুলৰ বিভিন্ন ৰূপ অঙ্কিত কৰিবলৈ পেৰী জোচেফ ৰেডাউট (Pierre Joseph Redoute') নামৰ এজন বিখ্যাত চিত্ৰকৰ নিয়োগ কৰিছিল। ফেনটিনলেটৰ, এলফ্ৰেড, পাৰ্চন্স আদি সু-বিখ্যাত চিত্ৰকৰসকলে গোলাপফুলৰ চিত্ৰ....অঙ্কন কৰি যুগমীয়া খ্যাতি অৰ্জন কৰি গৈছে। অনেক সম্ৰাটে গোলাপফুলক ৰাজমুকুট, সিংহাসন, ৰাজদণ্ড আদিত খোদিত কৰাই লৈছিল। ইংলণ্ডত এসময়ত গোলাপফুল জাতীয়ফুল ৰূপে পৰিগণিত হৈছিল। আমেৰিকাৰ কোনো কোনো ৰাজ্যই গোলাপ ফুলক ৰাজ্যৰ প্ৰতীকৰূপে ব্যৱহাৰ কৰা দেখা যায়। (আমাৰ নতুন ৰাজ্য মেঘালয়ৰ প্ৰধান ৰাজনৈতিক দলৰ ই প্ৰতীক। Hill State আন্দোলনৰ প্ৰতীক স্বৰূপে গোলাপফুল নিশ্চয় সৌভাগ্যবান।) গোলাপ ফুলৰ প্ৰচাৰৰ বাবে আৰু সমাদৰৰ অৰ্থে অনেক দেশে ডাকটিকট উলিয়াইছে।

পাৰস্যদেশত গোলাপফুলৰ আদৰ আছিল অতুলনীয়। এই দেশৰ প্ৰাচীন সাহিত্যত গোলাপফুলে এক গৌৰৱম স্থান অধিকাৰ কৰিছে। বিখ্যাত কবি চাদিৰ অমৰ লিখনি গুলিস্তানত (Gulistan) গোলাপৰ সৌন্দ অতি মনোৰমকৈ বৰ্ণনা কৰা হৈছে। ৰোচৰাক আগৰ কালত বিদেশীসকলে 'চিটি অব থাউজেণ্ড এণ্ড ৰোজ মেল' বুলি অভিনন্দন জনাইছিল। আলহী আহিলে আৰৱসকলে গোলাপফুল আগবঢ়াই অভ্যৰ্থনা জনাইছিল (আইহলেন্ আইহলেন্ ৰফিক্ৰফিক্) আৰৱসকলে গোলাপফুল কলিতে ছিঙি আনি এটা মাটিৰ ভুকুকা ভৰাই মুখখন ভালকৈ বন্ধ কৰি মাটিত পুতি থৈ দিয়ে। যেতিয়া গোলাপফুলৰ নাটনি হয় তেতিয়া মাটিৰ তলৰ পৰা ভুকুকাটো খান্দি উলিয়াই আনে আৰু গোলাপৰ কলিবোৰ বাহিৰ কৰি অলপ পানীত জুবুৰীয়াই ৰাখে আৰু পাছত ৰ'দত মেলি দিয়ে। ৰ'দ ৰত্তাহ লাগি ফুলৰ পাহিবোৰ মেল খাই জকমকাই উঠে। এজন চুলতানে বোলে গোলাপ ফুলৰ প্ৰতি ইমান আকৃষ্ট হৈছিল যে তেওঁ সদায় গোলাপফুল লৈ ফুৰিছিল, সাজ-পোচাকতো গোলাপৰ চিত্ৰৰে বুটা বচাই পিন্ধিছিল। তেওঁৰ বাহিৰে যাতে কোনেও গোলাপফুল কব নোৱাৰে তাৰে আজ্ঞা দিছিল। কাইবোৰ বাটপথত গোলাপফুল বিক্ৰী কৰা লোকে খৰিদ্দাৰ দেখিলেই কৈ উঠে, "পয়গম্বৰ হজৰত মহম্মদৰ পবিত্ৰ ঘামৰ পৰা ওলোৱা কাঁইটৰ ফুল গোলাপ লৈ সৌভাগ্যবান হোৱা।" হজৰত মহম্মদে কৈছিল, "যেতিয়া মোক স্বৰ্গলৈ লৈ যোৱা হৈছিল, তেতিয়া মোৰ গাৰ ঘাম মাটিত পৰিছিল। এই ঘামৰ পৰা এজোপা কাঁইটীয়া গছ মৰুভূমিত গজি উঠে। ইয়াৰ পৰাই গোলাপফুল ফুটিছে। ইয়াৰ গোন্ধত মোৰ গোন্ধ সোমাই আছে। তুমি এই ফুলৰ ঘ্ৰাণ লোৱা।"



ভাৰতবৰ্ষত পূজাৰ বাবে গোলাপফুলৰ আদৰ বেছি। গোলাপৰ মালাৰে দেৱ-দেৱীক পূজা জনোৱা হয়। মৃতব্যক্তিৰ সমাধিত গোলাপৰ মালা প্ৰদান কৰি সন্মান দেখুওৱা হয়। ফুল সজোৱাত গোলাপফুলৰ ব্যৱহাৰ মন কৰিবলগীয়া। জাপানীসকলে গোলাপফুলক চুডাল বাঁহৰ আগ নাইবা সৰল গছৰ ডালিৰে ফুল-দানীত সজাই ৰূপকথাৰ চিনাকি দিয়ে। বাঁহ বা সৰল গছৰ ডাল—বীৰ যোদ্ধাৰ প্ৰতীক, গোলাপফুল বন্দী কৰি অনা সুন্দৰী গাভৰু। বিভিন্ন খোলা বা পাত্ৰত গোলাপফুল সজাব পাৰি। কোটৰ বুটামত এটি ৰঙা গোলাপ গুজি ল'লে বয়সৰ পাৰ্থক্য নাথাকে, বুঢ়াও ডেকা হয়। খোপাত লোৱা গোলাপফুলে নাৰীৰ শিল্পীসুলভ মনৰ পৰিচয় দিয়ে।

আমাৰ অসমত গোলাপফুলৰ বিষয়ে বিহুগীতত উল্লেখ পোৱা যায়—উদাহৰণ স্বৰূপে বিহুগীতত আছে—

ভিতিকি ভিতাফুল
যোৰহাটৰ গোলাপফুল
চেনিমৰা বাগিছাৰ চিঠি।
চিঠিৰে ভিতৰত
কথাদি পঠিয়াম
আমালৈ নিদিবা পিঠি।
ভিতিকি ভিতাফুল
ফুলনিৰ গোলাপফুল
বিহিয়াটিং বাগিছাৰ চিঠি।
তোমালৈ যেতিয়া
মনত মোৰ পৰিব
যামে বৰষুণত তিতি।

কোনোবা ডেকাৰ কিৰিলি শুনি চেনায়ে গায়—

অ' মইনা গোলাপফুল
পাৰি আনা কপৌফুল
তোমাৰ লগত চিনাকি হওঁ।
বাৰীৰ মাজে মাজে
গোলাপফুল ফুলিলে
তিতাফুল ফুলিলে চাপত,
তোমাৰে আমাৰে জোৰা নাপাতিলে
কোনোবা জনমৰ পাপত।

ফকৰা-যোজনাত আছে—

যদিও মদাৰ ফুল
ৰঙে মতলীয়া
নহয় গোলাপৰ জোৰ।

গোলাপ ফুলৰ পৰা তৈয়াৰ কৰা গোলাপজল আৰু গোলাপী আঁতৰ সৰ্বজন বিদিত। ফুলৰ পৰা তেল উলিয়াই সুগন্ধি তৈয়াৰ কৰা প্ৰথা, পাৰস্য, মিচৰ, ভাৰতবৰ্ষ আৰু চীন দেশত প্ৰাচীন কালৰে পৰা প্ৰচলিত আছিল।

উপাদেয় পানীয় আৰু বিভিন্ন ঔষধৰ বাবে গোলাপ-জল ভাৰতবৰ্ষত ব্যৱহৃত হৈছিল। আজিকালিও চকুৰ অসুখ হ'লে গোলাপজল ব্যৱহাৰ কৰা হয়। বিয়া-সবাহ, তিথি-পাৰ্বন, উৎসৱ-মেলাত সম্ভাষণ জনাবলৈ গোলাপজল চটিওৱা হয়। আগতে তামৰ পাত্ৰ এটাত এগুণ গোলাপফুলত দুগুণ পানী দি গৰম কৰি ভাবক উলিয়াই তাৰ পৰা বহু কষ্টেৰে গোলাপজল উলিওৱা হৈছিল। আজিকালি অৱশ্যে গেছৰ শোধনযন্ত্ৰত গোলাপজল উলিওৱা হয়। জুই বা গেছৰ তাৰত গোলাপ আঁতৰ পোনপটীয়াভাৱে উলিয়াব নোৱাৰি। গোলাপ জল উলিয়াই এটা বহল পাত্ৰত (মাটিৰ বা ধাতুৰ) বাচনত পানীখিনি ৰাতি বাহিৰত উলিয়াই থব লাগে। ধুলি-মাকতি নপৰিবলৈ বাচনৰ মুখখন এখন পাতল কাপোৰেৰে বান্ধি থব লাগে। ৰাতিপুৱা গোলাপজলৰ ওপৰত মাখনৰ দৰে এটা চামনি পৰিব। এটা পাখিৰে বা পাতল খোলা জাতীয় হেঁতাৰে চামনিখন কাঢ়ি আইনাৰ বটলত ভৰাব লাগে। উত্তাপ বঢ়াৰ লগে লগে এই চামনিৰ পৰা সংগ্ৰহ কৰা বস্তুখিনি তেলেতীয়া হৈ পৰিব। ইয়াকে গোলাপী আঁতৰ (Otto of Roses) বোলা হয়। ইয়াত চন্দনৰ গোন্ধো মিহলাব পাৰি। উচ্চ ধৰণৰ আঁতৰৰ বাবে উৎকৃষ্ট

গোলাপৰ প্ৰয়োজন। নিচেই চলপুৱাতে ফুল ছিঙিব লাগে। ৰ'দ ওলোৱাৰ পিছত গোলাপফুল ছিঙা উচিত নহয়।

গোলাপী আঁতৰ আৱিষ্কাৰৰ বাবে মোগল সম্ৰাজ্ঞী নুৰজাহানৰ নাম যাউতিযুগীয়া হৈ থাকিব। নুৰজাহানে সদায় সুগন্ধি ব্যৱহাৰ কৰিছিল। তেওঁ স্নান কৰা পুখুৰীত সদায় গোলাপফুল ওপচাই ৰখা হৈছিল। এদিন স্নান কৰি থাকোঁতে তেওঁ পানীত তেলজাতীয় বস্তু ওপঙি থকা দেখি কৌতুহল জন্মিল আৰু হাতেৰে আলফুলকৈ চামনিখন আনি পৰীক্ষা কৰি দেখিলে যে, এই তেলজাতীয় বস্তুখিনি গোলাপৰ পৰা ওলোৱা এবিধ সুগন্ধি মাখোন। এই তেলজাতীয় বস্তুখিনিয়ে পাছত আঁতৰ-ই-জেহাঙ্গীৰী (Attar-i-Jehangiri) নামে জগত বিখ্যাত হৈ পৰিল। উত্তৰ প্ৰদেশৰ কনৌজ, জৌনপুৰ, গাজীপুৰ আদিত গোলাপৰ খেতি হৈছিল আৰু গোলাপজল, গোলাপী আঁতৰ তৈয়াৰ হৈছিল।

আইন-ই-আকবৰীত (খৃঃ ১৫৯০, ১ম খণ্ড) গোলাপজল আৰু গোলাপী আঁতৰৰ বহুতো উল্লেখ আছে। আবুল ফজলে বিভিন্ন সুগন্ধিৰ তালিকা এখন প্ৰস্তুত কৰি বহুতো উপাদেয় তথ্য দাঙি ধৰিছে। মোগল সম্ৰাটসকলৰ দৰবাৰত, বিয়া-সবাহত প্ৰথমতে আলহীৰ গাত গোলাপজল চতিয়াব লাগে, তাৰ পাছত প্ৰত্যেককে গোলাপী আঁতৰ দান কৰি পাণবটা আগবঢ়াব লাগে। মোগল বাদছাহসকলে সদায় গোলাপজল, গোলাপী আঁতৰ ব্যৱহাৰ কৰিছিল বুলি আইন-ই আকবৰীত উল্লেখ আছে।

বৈজ্ঞানিক আহিলা পাতিৰ অভাৱত গোলাপজল আৰু গোলাপী আঁতৰৰ চৰ্চা আমাৰ দেশত কমি আহিল। আগ্ৰহ থাকিলেও আধুনিক সা-সৰঞ্জামৰ অসুবিধাত আঁতৰ ব্যৱসায়ীসকলে আগবাঢ়িব নোৱাৰিছিল। বুলগেৰীয়া, ফ্ৰান্স আদি দেশত গোলাপজল, গোলাপী আঁতৰ তৈয়াৰ হৈ আমাৰ দেশলৈ আমদানি হয়। আধুনিক পদ্ধতিৰে বিধে বিধে গোলাপৰ সুগন্ধি আজিকালি বজাৰত ওলাইছে।

ভাৰতবৰ্ষৰ আলিগড় জিলাৰ ৰাৰমানা অঞ্চলত গোলাপজলৰ বাবে খেতি হয়। এই বিধ গোলাপৰ নাম এডোৱাৰ্ড। কনৌজ, গাজীপুৰ, কানপুৰ, চিকেন্দাৰপুৰ, চাহৰাণপুৰ আদি ঠাইত গোলাপৰ বাগিছা আছে। এইবোৰ অঞ্চলৰ পৰা গোলাপফুল অনেক ঠাইলৈ চালান যায়। গোলাপফুলৰ দাম কম নহয়। দিল্লী, আগ্ৰা, লক্ষ্ণৌ, কানপুৰ, বেনাৰস, কলিকতা, মাদ্ৰাজ, বম্বে আদি চহৰত গোলাপফুল ভাল বিক্ৰী হয়। প্ৰত্যেক কিলোগ্ৰাম গোলাপফুলৰ মূল্য কোনো কোনো ঠাইত ৩০/৪০ টকালৈকে উঠে। ইয়াৰ বাবে কিনা মানুহৰ অভাৱ নাই। অনেকে মালাৰ বাবে, পূজাৰ বাবে, সজাবৰ বাবে, উপহাৰৰ বাবে গোলাপফুল কিনে। এনেকৈয়ে গোলাপৰ আদৰ যুগ যুগ ধৰি চলি আহিছে।

# তিৱা (লালুং) জনজাতিৰ চমু পৰিচয়

শ্ৰীজনেশ্বৰ দেউৰী

অসমৰ আদিম অধিবাসী মঙ্গোলইড নামৰ বৃহৎ ঠালৰ অন্তৰ্গত বড়ো গোষ্ঠীৰ অন্যতম শাখা হিচাপে তিৱা (লালুং) জনজাতিৰ উদ্ভৱৰ ক্ষেত্ৰত কেইবাটাও জনশ্ৰুতি প্ৰচলিত আছে। তাৰে দুটিৰ উল্লেখ কৰা হ'ল। এসময়ত মহাদেৱ আৰু পাৰ্বতীয়ে সৃষ্টিধৰ চাবৰ মানসেৰে বৃষভ বাহনত উঠি আকাশমাৰ্গত বিচৰণ কৰি আগবাঢ়িল। তেওঁলোকৰ তলৰ লগাত নানা গছ-গছনিৰে ভৰা আৰু চৰাই চিৰিকতিয়ে কিৰিলিয়াই থকা সৰোবৰ এটিৰ কাষত উপস্থিত হ'ল। সৰোবৰত ৰাজহাঁহবোৰে পদুমৰ মোলান ঠোঁটত লৈ খেলি আছিল। এই ধুনীয়া দৃশ্য উপভোগ কৰাৰ পিছত মহাদেৱ দুৰ্ঘোৰ টোপনিত পৰিল। টোপনিতে শিৱৰ মুখৰ পৰা পাঁচখোপা লালটি ওলাই মাটিত পৰিল। সাৰপোৱাত পাৰ্বতীৰ ইচ্ছানুসৰি সেই অজ্ঞাত কুলশীলে পাঁচোজন দেৱতাৰ সৃষ্টি কৰিলে। পাৰ্বতী গোঁসানীয়েও নিজৰ শৰীৰৰ পৰা পাঁচগৰাকী দেৱীৰ সৃষ্টি কৰি তেওঁলোকৰ লগত বিয়া দিলে। তেওঁলোকৰ পৰাই যি পুত্ৰ-পৌত্ৰাদি হ'ল তেওঁলোক লালুং বুলি জনাজাত হ'ল। তিৱাসকলে সেইবাবে পঞ্চদেৱতাৰ পূজা কৰে। মহাদেৱ যি ঠাইত জিৰাইছিল সেই সৰোবৰ মানস সৰোবৰেই হ'ব বুলি অনুমান হয়!

বাৰপুজীয়াৰ ৺ৰঙামুৱা দেওৰজাৰ পুত্ৰ শ্ৰীভূপেন দেওৰজাৰ হাতত পোৱা শাঁচিপতীয়া পুথিৰ মতে (ময়ন কন্দৰ বংশাৱলী) লালংসকলৰ উৎপত্তি অন্য ধৰণেহে হৈছে। সূৰ্যবংশত বেন নামে এজন পৰাক্ৰমী ৰজা আছিল। বেনৰ পুত্ৰ বেনুও বৰ ধাৰ্মিক আছিল যদিও তেওঁ পিছলৈ বৰকৈ প্ৰজাক উৎপীড়ন কৰিছিল। এজন বিপ্ৰক ভালদৰে আপ্যায়ন কৰাত বেনুক ৰাজপদ সোনকালে পাব বুলি আশীৰ্বাদ দিয়ে। ৰজা হৈ তেওঁ প্ৰজাৰ ওপৰত বৰ অত্যাচাৰ চলায়। ৰাজসভাৰ ব্ৰাহ্মণ পণ্ডিতসকলে এইবিষয়ে ৰজাক কোৱাত ৰজাই তেওঁলোকক ৰাজসভাৰ পৰা খেদি পঠায়। কিন্তু ব্ৰাহ্মণসকলে শাপ দি তেওঁক ভস্মীভূত কৰে। পিছত ৰাণীৰ কাকুবাকুত ব্ৰাহ্মণসকলে তেওঁক পুনৰ জীৱন দান কৰে। ৰজাৰ ভস্মবোৰ ৰাণীয়ে এটি তামৰ পাত্ৰত ভৰাই থৈছিল। সেই ভস্মখিনি মন্থন কৰাত শক্তিৰূপিনী ভগৱতীৰ কোলাত বেনুৰ পুনৰ্জন্ম হয়। আৰু ব্ৰাহ্মণসকলে পিছত ৰজাৰ শৰীৰ মালিচ কৰাত শৰীৰৰ মলবোৰৰ পৰা যিসকল অনুৰৰ জন্ম হ'ল তেওঁলোকক লালুং নাম দিয়ে।

সবে ঋষি গৈয়া পাছে ৰাজাক মথিলা।
তাহান শৰীৰে যত পাপ বাজ ভৈলা॥

কুম্ভ গোট ধৰি পাছে মথিলা বিস্তৰ।
তাত হন্তে ৰাজ ভৈলা যতেক অসুৰ॥
লাল হন্তে ৰাজ ভৈলা লালুং নাম থৈলা।
আথে বেথে উঠি সবে ঋষিক নমিলা॥
(হৰিচন্দ্ৰ দ্বিজ)।

হৰিচন্দ্ৰ দ্বিজ প্ৰণীত 'নয়ন কন্দৰ বংশাৱলী' পুথিত লালুংসকলৰ বিৱৰণ এইদৰে দিয়া হৈছে।

স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'ৰ ২য় অধ্যায়ৰ ১১ পৃষ্ঠাত দিয়া টোকা এটি ইয়াত উদ্ধৃত কৰা হ'ল: "এই দেশৰ লোকসকলক প্ৰধানকৈ তিনি শ্ৰেণীত ভাগ কৰিব পাৰি। প্ৰথম আৰ্য অৰ্থাৎ যিবিলাক আৰ্যাবৰ্ত্ত বা ভাটীৰ ফালৰ পৰা আহি বাস কৰিছে—যাৰ ভাষা সংস্কৃতমূলক। ইয়াৰ মাজত ব্ৰাহ্মণ, কলিতা, কেওট প্ৰভৃতি যিবিলাকে সংস্কৃতমূলক অসমীয়া ভাষা কয় সেই সকলো পৰে। দ্বিতীয় অনাৰ্য অৰ্থাৎ যিসকল লোক আৰ্য সন্তান নহয় আৰু যি এই দেশতে আদিৰে পৰা বাস কৰি আছে বা পাছত দেশলৈ আহিছে আৰু যাৰ স্বতন্ত্ৰ ভাষা আছিল বা আছে। ইয়াৰ মাজত এই দেশৰ মিকিৰ, কছাৰী, লালুং, আহোম প্ৰভৃতি পৰে। তৃতীয় মিশ্ৰ জাতি অৰ্থাৎ আৰ্য আৰু অনাৰ্য জাতিৰ দ্বাৰা উৎপন্ন হোৱা জাতি। অধিকাংশ কোচ আৰু চুটীয়া প্ৰভৃতি জাতি ইয়াৰ অন্তৰ্গত।" (আসাম বুৰঞ্জী; ২য় অধ্যায়; ১১ পৃষ্ঠা ২ দফা)।

অসমলৈ প্ৰব্ৰজন কৰি অহা জনস্ৰোতবিলাকৰ ভিতৰত আৰ্যসকলৰ আগতে অহা ঠালবোৰ যেনে, নিগ্ৰইড্, অষ্ট্ৰ'-এচিয়াটিক আৰু মঙ্গলইড্। ইণ্ডো-চাইনিজ ভাষা-ভাষীসকল আকৌ তিনিটা ঠালৰ—(ক) মন্‌খেমৰ (খ) তিব্বত-বৰ্মা (গ) শ্যাম-চীন। অসমত বসবাস কৰা অনাৰ্যসকল তিব্বত-বৰ্মা গোষ্ঠীৰ তিনিটা ভাষা-ভাষী পৰিয়ালৰ যেনে—নগা, কুকী-চীন আৰু বড়ো ভাষা। ৺বেজবৰুৱাৰ "অসম" প্ৰবন্ধত অসমৰ জাতিমালা সম্পৰ্কে দিয়া এটি টোকা এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। "নগা পৰ্ব্বতবোৰত নগা ভাষা কোৱা হয়। কুকি-চীন ভাষা মণিপুৰ, কাছাৰ, আৰু লুচাই পৰ্ব্বতত কোৱা হয়। বড়ো ভাষাৰ ভিতৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো অনাৰ্য জাতিৰ ভাষা পৰে। উত্তৰ কাছাৰৰ ভাষাবোৰ, গাৰো পৰ্ব্বতবোৰত প্ৰচলিত ভাষাবোৰ, কছাৰী বা মেচ ভাষা, ৰাভা, চুটীয়া, লালুং, ত্ৰিপুৰা, ডিমছা আদি ভাষা বড়ো পৰিয়ালৰ ভিতৰৰা। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত আৰু তাৰ পিছতো টাই বা চান্ ভাষাৰ ভিতৰৰা ভাষা কওঁতাবিলাকো অসম সোমায়হি।" (অসমীয়া ভাষা আৰু সাহিত্য; পৃঃ ৪)।

অসমত বাস কৰা আদিম অধিবাসীসকলৰ ভিতৰত বড়ো ঠালৰ অন্তৰ্গত তিৱাসকল (লালুং) অন্যতম। লালুং নামটো অৰ্বাচীন। লালুংসকলক প্ৰকৃততে তিৱা বুলিহে কোৱা হয়। এওঁলোকৰ আদি বাসস্থান তিব্বত। লালুং ভাষাত 'তি' শব্দে পানী আৰু বস্তু বা বও্ অৰ্থে বাস কৰা বুজায়। এই তিব্বত শব্দ কালক্ৰমত তি-বদ>তি-বেডো আৰু তাৰ পৰা অপভ্ৰংশ হৈ জাতিবাচক নাম হিচাপে তিৱা হৈছেগৈ। গতিকে হিমালয়ৰ তুষাৰাবৃত অঞ্চল লালুংসকলৰ আদি বাসভূমি আছিল বুলি ভবাৰ থল আছে। কালক্ৰমত বৰ্ধিত জনসংখ্যাৰ বাবে তেওঁলোকে সোঁ ঠাই এৰি ভৈয়ামলৈ প্ৰব্ৰজন কৰে বাসৰ উপযোগী ঠাই বিচাৰি। ভূটানৰ দক্ষিণত তেওঁলোকৰ সুৱ লেখত লৱলগীয়া ৰাজ্য আছিল। এখন লাইলি ৰাজ্য আৰু আনখন হিলালী ৰাজ্য।* হিলালী ৰাজ্য দিহিং আৰু দিবং নৈৰ মাজৰ অঞ্চলত অৱস্থিত আছিল। ব্ৰহ্মপুত্ৰৰ পাৰলৈকে এই ৰাজ্যৰ সীমা আছিল। পিছত উত্তৰ ভাৰতৰ আৰ্য গোষ্ঠীৰ লোকসকলৰ হেঁচাত এওঁলোক ব্ৰহ্মপুত্ৰ পাৰ হৈ নগাওঁ জিলা আৰু শিৱসাগৰৰ কিছু ঠাইত বিয়পি পৰে আৰু সমগ্ৰ দৈয়াং উপত্যকা দখল কৰি ত্ৰিবেগ ৰাজ্য স্থাপন কৰে। তিৱা লোকগীত লা-লি হিলালীৰ ক্ষেত্ৰত আৰু বান ছাৰা নৃত্যগীতত এই ৰাজ্যৰ বিষয়ে মনত পেলাই তিৱা লোকসকলে বিননি তোলে।

তিব্বত মালভূমিৰ পৰা প্ৰব্ৰজন কৰি তিৱা লোকসকলে পৰ্বতৰ দাঁতিকাষৰ অঞ্চলত বসতি কৰে। পৰ্বতৰ গুহা আৰু দাঁতিকাষৰত বাস কৰা বাবে তেওঁলোকক কিৰাট আখ্যা দিছিল। এওঁলোকে পাটপলুৰ ব্যৱসায়ো কৰিছিল। বড়ো, লালুং, মেছ, হাজং আদি জাতি কিৰাট বুলি জনাজাত (আৰ, নাথ)। এই কিৰাটসকলৰে ৰজা আছিল মাইৰঙ্গ বা মহীৰঙ্গ, হাটকাসুৰ, ঘটকাসুৰ আদি। তিৱাসকলৰ প্ৰব্ৰজনৰ গতিপথ এনেধৰণৰ। প্ৰথমে তেওঁলোক পাহাৰৰ পৰা ভৈয়ামলৈ, তাৰ পাছত ভৈয়ামৰ পৰা পাহাৰ আৰু পুনঃ ত্ৰয়োদশ আৰু চতুৰ্দশ শতিকাত ভৈয়ামলৈ প্ৰব্ৰজন কৰে। আৰ্যগোষ্ঠী আৰু টাইসকলৰ হেঁচাত পৰি তিৱাসকল বহু'শ বছৰ ধৰি জয়ন্তীয়াত পলাই বাস কৰিছিল। তাৰ পৰা ভৈয়ামত বসবাস কৰেহি স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ দিনত। কিন্তু প্ৰাগৈতিহাসিক কালৰ তিৱা ৰজাসকলে যেনে—জিতাৰি বংশোদ্ভুত আৰিমত্ত, জোঙালবলহু, ৰত্নসিংহ (জোঙালবলহু পুমা কুলৰ লোক বুলি তিৱাসকলে দাবী কৰে) গোভাৰ পাস্তেশ্বৰ ৰজা তিৱাসকলৰ পিতৃ-পিতামহ। কালক্ৰমত আহোমৰ কবলত পৰাৰ পিছত তিৱা ৰজাসকলে ক্ৰমে সাতোৰজা আৰু পাঁচোৰজা নামেৰে পোৱালী ৰজাৰ আখ্যা পায় আৰু আহোমৰ কৰতলতীয়া ৰজা হিচাপে ৰাজ্য চলায়। অদ্যাৱধি নগাৱঁত সাতোৰজা আৰু পাঁচোৰজাৰ হাতত তেওঁলোকৰ বংশ পৰিচয় থকা সাঁচিপতীয়া অতীত বুৰঞ্জী বিদ্যমান। পুৰাতাত্বিকসকলে সেই লোকসকলৰ পৰা সাঁচিপতীয়া বুৰঞ্জীখিনি সংগ্ৰহ কৰিলে অসম বুৰঞ্জীৰ অন্ধকাৰত থকা বহুখিনি সমল ওলাই পৰিব। গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জীত লালুংসকলৰ বিষয়ে এইদৰে লিখিছে—"লালুঙবিলাকে প্ৰায় কছাৰীৰ এক উপজাতি। লালুঙইতে প্ৰায় সমভূমিত থাকে। ইহঁতৰ ভাষা কছাৰী ভাষাৰ অপভ্ৰংশ মাত্ৰ। সমভূমিৰ অনেক লালুঙে সিহঁতৰ ভাষা বিস্মৰণ হৈছে। টোটোলা, ৰাভা, হাম্ৰা, মদাহি জাতিও কছাৰীৰ উপজাতি। যিবিলাক কছাৰীয়ে বৰ্ম্মন উপাধি ধাৰণ কৰিছে সেই সকলে হিন্দু আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰিছে। এই দেশৰ মহন্তসকলে কছাৰী আৰু লালুং প্ৰভৃতিক শৰণ দি কোঁচ জাতিৰ অন্তৰ্গত কৰিছে। এই দেশৰ জাতিমালা মতে কছাৰীবিলাকক "কুবাচ" বোলে।"
(আসাম বুৰঞ্জী; ২য় অধ্যায়; ২য় দফা, ১৭ পৃষ্ঠা)

বৰ্তমান তিৱা (লালুং) সকলে উত্তৰ লক্ষীমপুৰৰ ধেমাজি মহকুমা, হেলেম, সমগ্ৰ নগাওঁ জিলা, মিকিৰ পাহাৰ, জয়ন্তীয়া আৰু কামৰূপ জিলাৰ পূৰ্বাংশত বসবাস কৰিছে। নগাওঁ জিলাতেই তিৱাসকলৰ জনসংখ্যা সকলোতকৈ বেছি। ১৯৭১ চনৰ চৰকাৰী পিয়ল মতে অসমত লালুংসকলৰ জনসংখ্যা একলাখ পঁচিশ হাজাৰ। কিন্তু বেচৰকাৰী হিচাপমতে প্ৰায় দুই লাখ। দাঁতিকাষৰীয়া বুৰঞ্জী তথা আহোম বুৰঞ্জীত উল্লেখ কৰা গাৰোসকল আচলতে লালুংহে। দক্ষিণ আৰু দক্ষিণ-পূব নগাৱঁত গাৰো মানুহ নাই বুলিলেও অত্যুক্তি কৰা নহয়। চহৰী মৌজাৰ অন্তৰ্গত মাথোন দুখনহে গাৰো গাওঁ আছে। লালুংসকলৰ ৰাজতন্ত্ৰ আছিল বুলি আগতেই কোৱা হৈছে। তেওঁলোকৰ বৰ্তমানো প্ৰচলিত পঞ্চায়তী শাসন তাৎপৰ্যপূৰ্ণ।

তিৱা (লালুং) সকল কৃষিজীৱি লোক। ধান, মৰাপাট, সৰিয়হ, মাহ, তিল আদিৰ খেতি কৰে। পাহাৰত বাস কৰা তিৱা লোকসকলে পাহাৰৰ অনুচ্চ

---

হিলালী ৰাজ্যই বৰ্তমানৰ হেলেম। ৰজা ৰামচন্দ্ৰৰ দিনতে দুৰ্ভিক্ষৰ কবলত পৰি লগতে জাতি-ভাই দেউৰীসকলৰ লগত মতানৈক্য হোৱাত লালুংসকলে হিলালী ৰাজ্য এৰি ব্ৰহ্মপুত্ৰ পাৰ হৈ পুনৰ এখন ৰাজ্য স্থাপন কৰে। সেই ৰাজ্যৰ নাম হালালী। ড° সূৰ্য্য কুমাৰ ভূঞাৰ অসম বুৰঞ্জীত ইয়াৰ ইঙ্গিত দিয়া আছে।

ঠাইবোৰত কোৰ মাৰি জুম খেতি কৰে। তেওঁলোকে আলু, কচুৰ খেতিও কৰে। ভৈয়ামৰ লোকসকলৰ জীৱন যাত্ৰাৰ প্ৰণালী পাহাৰীয়া লালুংসকলতকৈ কিছু বেলেগ। তিৱা লোকসকলে সমাজ পাতি বাস কৰে। খাদ্য সামগ্ৰীৰ ক্ষেত্ৰতো তেওঁলোকৰ স্বকীয়া বৈশিষ্ট্য আছে। ভাতেই তেওঁলোকৰ প্ৰধান আহাৰ। অন্যান্য সামগ্ৰী হিচাপে গাহৰী, কুকুৰা, কেকোঁৰা কুচিয়া আদিও ভক্ষণ কৰে। জাতিগত পৰম্পৰা তেওঁলোকে কেতিয়াও বাদ দিয়া নাই। তথাকথিত উচ্চ-হিন্দুসকলে বৰ্জন কৰা শাল শিঙি মিৰিকামাছ আদিও এওঁলোকে খায়। শুকান মাছ, চেনা ফলা মাছ, আদিও খাদ্য বস্তু হিচাপে ব্যৱহাৰ কৰে। মদ এবিধ উত্তেজক পানীয়। 'ৰাথৰ' নামধেয় এবিধ গছ পাতেৰে তৈয়াৰী বস্তুৰে মদ তৈয়াৰ কৰি ব্যৱহাৰ কৰে। ধৰ্মীয় কাম কাজত এইবিধ পানীয়ৰ প্ৰয়োজন অপৰিহাৰ্য।

তিৱা (লালুং) পুৰুষসকল যিমান পৰিশ্ৰমী সেইদৰে তিৰোতাবোৰো সমানে পৰিশ্ৰমী। পৰিশ্ৰম কৰাৰ ক্ষেত্ৰত তিৰোতাসকলেই অধিক কষ্টসহিষ্ণু। তিৰোতা-বিলাকে ঘৰুৱা কাম কাজৰ উপৰিও পথাৰত ধান মৰাপাট চিকুণোৱা, কটা নাইবা ৰথলিওৱা, ধান কটা খৰি লুৰি অনা, মাছ বিচৰা আদি সকলো কাম কৰে। কাপোৰকানি বোৱাত এওঁলোক বৰ পাকৈত শিপিনী। এড়ি পোহা, এড়িসূতা কাটি এড়ীয়া কাপোৰ বৈ লোৱা কপাহ নেওঠি কপাহী কাপোৰ বৈ লোৱা এওঁলোকৰ জাতীয় চৰিত্ৰ। ধুনীয়া ধুনীয়া বিহা-মেখেলা গামোছা আদিত তমকাফুলীয়া ফুল বছাত তিৱা তিৰোতাক কোনে চেৰ পেলাব? পাহাৰীয়া তিৱা মহিলাই মন্‌জুৰোৱা ফাচকাই, কাছং আৰু টাগ্‌লা বয়। টাগ্‌লা এবিধ দাড়িৰটা চোলা—বৈ যাওঁতেই গঁথা হয়। ই তিৱাসকলৰ জাতীয় পোছাক। তেওঁ-লোকে সূত্ৰধাৰৰ নিচিনাকৈ জোঙা পাগুৰি মাৰে। আঠুমুৰীয়া চুৰীয়া পিন্ধে। পিছে পাহাৰত বসবাস কৰা বহুতো লালুঙে মিকিৰৰ দৰে এডোখৰকৈ লেংটি মাৰে। ভৈয়ামৰ তিৱা লোকসকলৰ বহুতে আৰু বহুতো পাহাৰীয়া লোকেও আজিকালি আধুনিক ধৰণেৰে সাজপোছাক পৰিধান কৰে।

তিৱা (লালুং) সকলৰ মাজত প্ৰধানকৈ বাৰটা কূল আছে। পিছে এই মূল বাৰটা কুলত বাদেও আৰু আঠ-চল্লিশটা কুল—সমুদায় ষাঠিটা। শুকাই, আম্‌ছি, পামছং, আমছং, মচৰং বা মথ্‌ৰং, দাখৰ, কাষৰ, পুমা মিথি, দামলং, চল', মেলাং, মাছুৰ, লাছুৰ, পুক, ছাগাৰা আদি। শুকাই কুলৰ লোকসকলে নিজকে ৰজাকুলীয়া বুলি গৌৰৱ কৰে। এই কুলবিলাকৰ মাজত কোনো উচ্চ-নীচ ভেদভাৱ নাই। প্ৰত্যেকে প্ৰত্যেকৰ হাতে খোৱাত বাধা নাই। সামাজিক কাজ-সকাম আদিত সকলোৱে একগোট হৈ কাম কৰাটো বৈশিষ্ট্যপূৰ্ণ। কিছুমান সমাজদ্ৰোহী কামত বাৰখেলীয়া জেলাসকলৰ অনুমতি বা নিৰ্দেশানুসাৰে সমাজৰ কাম চলোৱা হয়। যেনে গো-বধী, জাত যোৱা, পতিত হোৱা, লোকসকলক প্ৰায়শ্চিত্ত কৰা বা খেলত লোৱাৰ বাবে বাৰকুলীয়া মানুহৰ প্ৰয়োজন অত্যাৱশ্যক। লালুংসকল বৰ সৰল অন্তৰৰ। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ হলেও একে তিৱা বুলি জানিলে আলহী অতিথিক বৰ আদৰ সাদৰ কৰে। তাতে যদি গৃহস্থৰ ঘৰৰ কুলৰ লগত কুল একে হয়, তেতিয়াতো কথাই নাই—ৰঘৰৰ ভিতৰ মজিয়াত ৰৰপীৰা পাৰি খুৱাব। লালুংসকলৰ কুলৰ প্ৰাধান্য আৰু কঠোৰ নীতি নিয়ম কিছু আছে, সেয়াও বৰ্ণনা কৰা হৈছে।

সামাজিক প্ৰথা বিয়া তিৱাসকলৰ মাজত প্ৰচলিত আছে। তেওঁলোকৰ হেনো আগতে গা খাটি দিয়া প্ৰথাও আছিল। তিৱা লোকসকল পিতৃ প্ৰধান পৰিয়ালৰ। পিতাৰ অবিহনে পুত্ৰই সম্পত্তিৰ উত্তৰাধিকাৰী হয়। জীয়াৰীয়ে পৈতৃক সম্পত্তিৰ ওপৰত দাবী তুলিব নোৱাৰে। বহুতে কৰ খোজে যে লালুংসকল মাতৃ প্ৰধান সম্প্ৰদায়ৰ। পিছে সেইটো মূলি ভুল তথ্য। জয়ন্তীয়াত বহুকাল বাস কৰাৰ বাবেই কিছুমানে এই কথা স্বীকাৰ কৰিব খোজে। মাতৃ প্ৰাধান্যতা মানি চলিবলৈ টান পায়েই লালুংসকল জয়ন্তাৰ পৰা গুছি আহে। লালুং সমাজৰ মাজত গোভীয়া প্ৰথাৰ প্ৰচলন আছিল। এতিয়া এই প্ৰথা উঠি গৈছে। কোনো লোকৰ ভৱিষ্যৎ বংশধৰ নাথাকিলে তেনেলোকে গোভীয়া ৰাখে। পলুৱাই অনা (গান্ধৰ্ব) প্ৰথাৰ প্ৰচলনেই বেছি। দৰা-কন্যা উভয় পক্ষৰ সম্মতি সাপেক্ষে জোৰোণ বিয়াও চলে। আৰ্থিক বিপৰ্যয়ৰ বাবে ৰবিয়াৰ পৰিৱৰ্তে এই জোৰোণ বিয়া পাতে। কিন্তু জোৰোণ বিয়াৰ খৰচ পাতি এখন বৰ বিয়াৰ সমানেই হয়। লালুংসকলৰ বিবাহৰ হোম নোপো-ৱাটো এটি তাৎপৰ্যপূৰ্ণ দিশ। অগ্নি দেৱতাক হৱন কৰি অগ্নিসাক্ষী কৰাৰ প্ৰয়োজন তিৱাসকলৰ মাজত নাই। বিয়াৰ দিনাই কোষ-ছিঙা দিন বোলে। লালুং ভাষাত ইয়াক "খুলে মিদাইনে ধাৰ ছাৰা" বোলে, অৰ্থাৎ এজন দেৱতাৰ কুলৰ পৰা অন্য এজন দেৱতাৰ কুললৈ তুলি অনা বোলে। দৰা আৰু কন্যাৰ সকলোটি সমজুৱাক সাক্ষী ৰাখি মহাদেৱৰ নামত ঘৰ জেলাই এজোৰ পক্ষী বলি দি দৰা কন্যাৰ মঙ্গলাৰ্থে আশীৰ্বাদ দিয়ে। আৰু এটি লক্ষ্য কৰিব লগা বিষয়—একে কুলৰ মাজত বিবাহ নিষিদ্ধ। শুকাইৰ সতে শুকাই অথবা আম্‌ছিৰ সতে আম্‌ছিৰ বিবাহ নিষিদ্ধ। কোনোবাই সেই কাৰ্য কৰিলে বিবাহ বিচ্ছেদ, নহয় প্ৰায়শ্চিত্তৰ উপৰিও বৃহৎ সংখ্যক জৰিমনা।

তিৱা (লালুং) সকলৰ বিচাৰ পদ্ধতি বৰ কঠোৰ। অপৰাধীৰ দোষৰ অনুপাতে দণ্ড বিহা এওঁলোকৰ নিয়ম। কঠোৰ দণ্ড বিহাৰ প্ৰথাৰ বাবেই তেওঁলোকৰ মাজত সমাজদ্ৰোহী কাৰ্য হঠাতে নঘটে। বয়সস্থ লোকক অপমান কৰা, চৰ-লাঠি দণ্ডা আদি দায়-দোষ হলে নাইবা পিতৃস্থানীয় লোকক অপঘাত কৰিলে ৰাইজে দোষীক চুলি-দাড়ি খুৰাই জলস্নান দিয়ে আৰু প্ৰায়শ্চিত্ত কৰে। টকা-পইচা দণ্ড কৰাত বাদেও ৰাইজক ভোজ-ভাত খুৱাই উদ্ধাৰ পৰাচিত্ত হব লাগে। সামাজিক কাম-কাজ আদিত সমাজ অৱমাননা কৰিলে তামোল-পাণ এৰটাকৈ ন-বাণ্ডনি ন-টকা অথবা ন-টা আধলি আৰু সাত বান্ধনি হলে সাত টকা বা সাত আধলি দণ্ড কৰে। ইয়াৰ অৰ্থ কুল অনুসৰি সামাজিক মৰ্যাদা বেলেগ বেলেগ। উদাহৰণ স্বৰূপে শুকাই বা পাম্‌চং সকলে আম্‌ছিৰালিসকলক বিদ্ৰূপ কৰে—"হঞ্জে দলাভাৰী আম্‌ছিইঁত" এই বুলি। অৰ্থ আম্‌ছিৰালি সকলে অতীতত ৰজাৰ দোলাভাৰীৰ কাম কৰিছিল। মৃতকৰ সংকাৰ কৰোঁতে যদি বাঁহ আদি ফুটি শব্দ কৰে তেন্তে সেয়া অমঙ্গলৰ চিন বুলি ভাবি গৃহস্থক তামোল-পাণ এৰটা আৰু মুখবন্ধা এটি (মদৰ কলহ) দণ্ড কৰা হয়। তিৱাসকলৰ সমাজত যদি পতিতা-পতিতা বা তেনে ধৰণৰ কোনো সমাজদ্ৰোহী নৈতিক দুশ্চৰিত্ৰৰ কাম কৰে—নাইবা কোনো লোকৰ যদি একে বংশৰ ছোৱালীৰ স'তে অপবাদ হয় অথবা কোনো লোকৰ যদি আপোনঘৰৰ খুৰা-ৰবদেউতা আদিৰ লৰা-ছোৱালীৰ মাজত অবৈধ সম্পৰ্ক ঘটে সেই ক্ষেত্ৰত তেনে দুৰ্নীতিত লিপ্ত হোৱা কেজনৰ লগতে দুয়োঘৰ গৃহস্থৰ ওপৰত ৰাইজে কঠোৰ দণ্ড বিহে। পতিত-পতিতাইঁতক চুলি-দাড়ি খুৰাই প্ৰায়শ্চিত্ত কৰা হয়; বহু ক্ষেত্ৰত ৰাইজক নমনা হলে তেনে লোকক ৰাইজৰ সংস্পৰ্শৰ পৰা বিচ্ছিন্ন কৰি নাদে-ঘাটে জুই-পানীয়ে আলগ কৰি ৰাখে। পুনশ্চ সেই ব্যক্তি বা গৃহস্থক খেলত লব লগা হলে ৭০০/৮০০ টকাৰ জৰিমনা কৰাৰ উপৰিও ৰাইজক ভোজ-ভাত খুৱাই প্ৰায়শ্চিত্ত হব লাগে। কোনো কোনো ঠাইত এনে পতিত-পতিতাক গাওঁৰ পৰা খেদি দিয়ে। ইয়াকে "জুমুঠি বান্ধি খেদি দিয়া" বুলি কোৱা হয়। ইয়াৰ কাৰণ, তেনে মানুহ গাওঁত থাকিলে ভৱিষ্যৎ উঠি অহা ছামৰ অনিষ্ট হব এই ভাবি সেই কাম কৰে। মৰামৰি চুৰি-ডকাইতি আদিতো ওজন গধুৰ দণ্ডৰ বাবেই তেনে কাম প্ৰায়ে

নকৰে। তিৱাসকলৰ বিচাৰ ইমান কট্‌কটিয়া। সোণাপুৰ আৰু ক্ষেত্ৰীৰ ফালে কুলীয়া গাওঁ ইয়াৰ উদাহৰণ।

তিৱা (লালুং) সকলৰ নিজস্ব ভাষা আছে। ভৈয়ামৰ তিৱাসকলে বহুযুগ ধৰি অন্যান্য সম্প্ৰদায়ৰ মানুহৰ লগত মিলা মিছা কৰাৰ ফলত তেওঁলোকৰ বহুতে নিজা তিৱা ভাষা পাহৰি পেলাইছে। তথাপি ভৈয়ামত বসবাস কৰা শতকৰা ৩৫% ভাগেই এই ভাষা জানে। "অনভ্যাসে হতা বিদ্যা" বুলি এষাৰ কথা আছে। পাহাৰৰ তিৱা সকলৰ মাজত এই ভাষা আছে। বড়ো ভাষাৰ লগত এই ভাষাৰ বহু মিল আছে যদিও ডিমাছাসকলৰ আৰু দেউৰীসকলৰ ভাষাৰ স'তে সম্বন্ধ অতি ওচৰৰ। পাহাৰীয়া তিৱাসকলে অসমীয়াৰ ব্যঞ্জন বৰ্ণৰ ৪ৰ্থ মহাপ্ৰাণ বৰ্ণটো উচ্চাৰণ কৰিব নোৱাৰে। সেইদৰে 'ক'ৰ উচ্চাৰণ 'চ'ৰ উচ্চাৰণ আদিতো তাৰতম্য আছে। ঘ, ঝ ঢ ধ, ভ, এই বৰ্ণ কেইটা উচ্চাৰণ কৰোঁতে জিভা দোবোল খাই যায়। যেনে—ঘৰ ; ইয়াক পাহাৰীয়া তিৱাসকলে উচ্চাৰণ কৰে গহৰ, সেইদৰে—ধৰিবলৈ—দহ্‌ৰিবলৈ। তিৱা ভাষাত যদিও কিতাপ পত্ৰ লিখা হৈছে তথাপি এই ভাষা কথিত অৱস্থাতে আছে। কিন্তু অনুসন্ধানৰ ফলত জনা গৈছে যে তিৱাসকলৰ ব্যাকৰণৰ বৈশিষ্ট মনকৰিবলগীয়া। এই ক্ষেত্ৰত ৰেভাৰেণ্ড এম, বালোৱানৰ প্ৰচেষ্টা শলাগিবলগীয়া। তেখেতে তিৱা ভাষাত পাঠ্য পুথিত প্ৰণয়ন কৰাত বাদেও এখন তিৱা-ইংৰাজী শব্দকোষ আৰু ব্যাকৰণ প্ৰকাশ কৰি উলিয়াইছে। আৰু সুখৰ কথা অপ্ৰকাশিত অৱস্থাত আমাৰ তিৱা (লালুং) যুৱ ছাত্ৰ সম্মিলনৰ কেৰাগৰাকী উদীয়মান যুৱকে কেইবাখনো কিতাপ লিখি উলিয়াইছে। শব্দ কোষ ৰচনাৰ কামো প্ৰায় শেষ হওঁ হওঁ।

ছগ্ৰামিছাৱা তিৱাসকলৰ প্ৰধান উৎসৱ। ছগ্ৰামিছাৱাক বসন্তোৎসৱ বুলি কোৱা হয়। ইয়াত ডেকা গাভৰুসকলৰ প্ৰণয় গীত গোৱা হয় আৰু প্ৰকৃতিৰ বুকুত ঘটা পৰিবৰ্তনৰ লগত মানৱ জীৱনৰ সমন্বয়

আৰু ঘনিষ্ঠতা উল্লেখ কৰি নৃত্য-গীত গোৱা হ
বৰতৰ উৎসৱ তেজেলীয়া অঞ্চলত উদ্‌যাপন কৰে
ই উষা-অনিৰুদ্ধৰ অগ্নিগড়ত হোৱা প্ৰণয় কাহিনীৰ
ভিত্তি কৰি পালন কৰা উৎসৱ। এই উৎসৱ কুমাৰী
পূজাৰ নামান্তৰ বুলি অনুমান কৰিব পাৰি। পিঠাগু
থুন্দা (ৰান-ছাৱা) উৎসৱো তিৱাসকলে পালন কৰে
এই উৎসৱত ডেকাচাঙৰ যুৱসকলে বিশেষভাৱে অং
ভাগ লয়। বছৰটোত অনুষ্ঠিত হোৱা তিনিওটা বিহু-
ক্ৰমে বহাগ বিহু, কাতি আৰু মাঘ বিহু তেওঁলো
পালন কৰে। অৱশ্যে বিহুত সম্পাদন কৰা আনুষ্ঠানি
কাৰ্যসমূহৰ এটি স্বকীয়া বৈশিষ্ট্য আছে। বিহু ম
আৰু বুধবাৰে পালন কৰাটো তিৱাসকলৰ জাতি
পৰম্পৰা। এতিয়া সংক্ৰান্তি পালন কৰা হৈ
কাতি বিহুত ঘৰঘৰত দেৱতাৰ নামত তামোল-প
নলগালে ব্যৱহাৰ কৰা নিষিদ্ধ। বহাগ বিহুত বিশ্বক
নামত গধূলি এযোৰ পক্ষী বলি দিয়া হয়। না
মৈ-কোৰ-কটাৰী আদি ঘৰঘৰৰ চোতালত ৰাখি পি
কৰ্মাৰ পূজা কৰা হয়। আৰু মন্ত্ৰপূত পিঠাগু
ছটিওৱা হয়। ই মঙ্গলসূচক কাম। সেইদৰে গ
গৰুবোৰক ভৰি ধুৱাই ধূপ-ধুনাৰে সেৱা সং
জনোৱা হয়। ঘৰঘৰত পিঠাপনা সান্দহ আদি দেৱ
নামত লগায় বহাগ আৰু মাঘ বিহু দুয়োটা পৰ্ব
মেলা উৎসৱ ভৈয়ামৰ তিৱাসকলৰ সকলোতকৈ
প্ৰাধান্যমূলক উৎসৱ। তিৱাসকলৰ পাচোঁৰজাৰ
প্ৰচলিত এই বহাগী মেলা উৎসৱ অন্যান্য জা
মাজত প্ৰচলন নাই। এই মেলা উৎসৱত ব
মানুহৰ সমাগম হয়। মেলা উৎসৱৰ দলৈ মি
সম্প্ৰদায়ৰ হ'বই লাগিব। তিৱা ৰজাৰ সেনা
মিকিৰ আছিল গুণে এতিয়াও মেলা উৎসৱৰ
মিকিৰ সম্প্ৰদায়ৰ পৰা লোৱা হয়। এই মেলা উ
স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনৰ পৰাই প্ৰচলিত হো
ৰুদ্ৰসিংহ স্বৰ্গদেৱে দিগ্বিজয়ৰ প্ৰচেষ্টা হাতত লো
কছাৰী, জয়ন্তীয়া আদি দাঁতি কাষৰীয়া ৰজাস





বশ্যতা স্বীকাৰ কৰাৰ পাছত তিৱাসকলৰ সাতোৰজা আৰু পাচোঁৰজাই কৰা সাহায্যত মুগ্ধ হৈ তেওঁলোকক বঁটা-বাহন দান কৰে আৰু পোৱালীৰজা বুলি স্বীকৃতি দিয়ে। তেতিয়াৰ পৰাই পাচোঁৰজাসকলে প্ৰত্যেক বছৰে বহাগ বিহুৰ পিছত এই মেলা উৎসৱ পালন কৰে। এই মেলা উৎসৱৰ এটি বিশদ বিবৰণ লিখকৰ "বহাগী মেলা তিৱাসকলৰ অৱদান" শীৰ্ষক প্ৰবন্ধত বিশদভাৱে ব্যাখ্যা কৰা হৈছে। অধুনা অন্যান্য সম্প্ৰদায়ৰ লোকসকলেও নিজৰ ইচ্ছামতে মেলা উলিওৱা দেখা গৈছে। আৰু বহুতে এই মেলা উৎসৱক ঘুনুচা যাত্ৰাৰ অনুৰূপ বুলি কব খোজে। প্ৰকৃততে এই তথ্য সম্পূৰ্ণ ভিত্তিহীন। তিৱাসকলৰ ৰজাঘৰীয়া মেলাত ঢাল-তৰোৱাল, বাৰু-যাঠি আদি আৰু কেকোঁৰা দোলা উলিওৱা কাৰ্যই তিৱাসকলৰ পাচোঁৰজাৰ এসময়ৰ প্ৰাধান্যতাৰ কথাই আমাৰ মনলৈ আনে।

তিৱাসকল শাক্তধৰ্মী মানুহ। তেওঁলোকে নানা দেৱ-দেৱতাৰ পূজা কৰে। তাৰ ভিতৰত ফা-মাহাদেউ, বদলমাজি, চাৰিভাই-চাৰিকৰা, লাম্ফা ৰাজা আৰু ভগৱতী পূজাই প্ৰধান। তিৱাসকলে যেহেতু ফা-মাহাদেউৰ ঔৰষত জন্মগ্ৰহণ কৰা বুলি চিনাকি দিয়ে সেইবাবে তেওঁলোকে মহাদেউ পূজাকে সকলো দেৱতাৰ পূজাৰ ক্ষেত্ৰত আগভাগ দিয়ে। মহাদেৱক অনন্ত শক্তিৰ আধাৰ বুলি "মিন্দাই" (supreme soul) নামেৰে অভিহিত কৰে। অতীজতে ফা-মাহাদেউ বদলমাজি আৰু ভগৱতী থানত নৰবলি পৰ্যন্ত হৈছিল। আজি-কালি বলি প্ৰথা নাই। গোভাৰজা আৰু নেলীৰজাৰে হোৱা যুদ্ধৰ কাৰণো নৰবলি। শস্যাধিপতিৰ পূজা বহাগ মাহত কৰা হয়; পৃথিৱীত শস্যে মৎস্যে উভৈনদী হোৱাৰ মানসেৰে। নানাবিধ অপায় অমঙ্গল নাশৰ বাবেও এই পূজা কৰা হয়। কাতি মাহত লখিমী পূজা আৰু ফাগুণ মাহত খাপ্লাং বাৰানে পূজা বা খেৰকটা পূজা উৎসৱ পালন কৰা হয়। জংখং আৰু খেৰ পূজাত প্ৰথমে চাৰিভাই-চাৰিকৰা

আৰু মহাদেৱ পূজাৰ পাছত অন্যান্য দেওপিতৃক পূজা দিয়ে। ৰাতিসেৱা বা সচং পূজা ৰাতি নিভৃতে কৰা হয়। সচং পূজাত পহু আৰু পখীৰে (গাহৰী আৰু কুকুৰা) ভগৱতী পূজা কৰে। তিৱাসকলৰ ৰাতিসেৱা ধৰ্ম কাৰ দ্বাৰা প্ৰচলিত হ'ল এই লৈ বহু বিতৰ্ক আগতে হৈ গৈছে। এই সচং পূজা জনজাতীয় সমাজত অবিকৃতভাৱে থাকি গল—আৰু ইয়াক অসমৰ ছুতীয়া-আহোম প্ৰভৃতি মানুহে অদ্যাপি নিভৃতে পালন কৰা প্ৰথা বিদ্যমান।

জাতকৰ অশৌচাদি কাৰ্য তিৱাসকলে যেনেদৰে সম্পাদন কৰে তাৰ দ্বাৰা তেওঁলোকৰ স্বকীয়া জাতীয়ত্বৰ কথাকেই সূচায়। কেঁচুৱা জন্ম হলে বাঁহৰ চুচৰে নাড়ীকটা, কেঁচুৱাৰ মঙ্গলাৰ্থে সকলো দেৱতাক সাক্ষী ৰাখি চৰাই ছেদন কৰা, ধমু লৈ মন্ত্ৰ মাতি দশোদিশে কাড় মৰা কাৰ্যই ইয়াকে নিৰ্দেশ কৰে যে সৰ্বদিশতে বিৰাজমান শিৱই নৱজাতকৰ মঙ্গলসাধন কৰক। কেঁচুৱাৰ প্ৰথম চুলিকটা লোকজনক গামোছা আৰু টকাৰে সন্মান আগবঢ়োৱা তিৱাসকলৰ নিয়ম। অশৌচৰ দিনা কঁচু আৰু কুকুৰাৰ মাংসৰে জাল ৰান্ধি নৱজাতকক চেলেকাই দিয়ে। মহিলা গিয়াতিসকলে জালুক চোবাই মুখেৰে সা দিয়ে আৰু সৰিয়হৰ তেলেৰে গা মালিচ কৰি দিয়ে। সেইদিনাই কেঁচুৱাৰ নামকৰণ প্ৰথাটিও সমাধা কৰা হয়।

তিৱাসকলে যদিও আধুনিক বিজ্ঞান চৰ্চা কৰা নাছিল তেওঁলোকে স্বাস্থ্য বিধিৰ নিয়ম বাৰুকৈয়ে পালন কৰিছিল। গাঁৱৰ পৰা আঁতৰত তেওঁলোকৰ শ্মশান। মৰিশালিতহে শৱ সংকাৰ কৰা প্ৰথা জন জাতীয়লোকৰ মাজত প্ৰচলিত। মানুহ মৰিলে দাহন কৰিবলৈ তেওঁলোকৰ মৰিশালি আছে। যদি কাৰোবাৰ বা কোনো বংশৰ শ্মশান নাথাকে তেনেহলে ৰাইজক তমোল-পাণৰ বঁটা বাহন আগবঢ়াই মৃতকৰ সংকাৰাৰ্থে ঠাই মাগে। গাঁৱৰ পৰা যথেষ্ট দূৰত শ্মশান থাকে। অন্যান্য হিন্দু সমাজৰ দৰে চৌহদৰ

ভিতৰত শৱ-দাহন অথবা পুতি থোৱা প্ৰথা লালুংসকলে কেতিয়াও সমৰ্থন নকৰে। শৱ আধা-পোৰাকৈ এৰা, শ্মশানত বাঁহ ফুটি শব্দ কৰা আদি কাৰ্য কৰিলে ৰাইজে শৱ সংকাৰীসকলক দণ্ড বিহে। মৃতকৰ শ্ৰাদ্ধাদি কাৰ্যও তিৱাসকলৰ সুকীয়া। ব্যক্তিগত বা বংশভিত্তিক এই সামাজিক কাৰ্যত ৰাইজে হাতে হাতে লাগি সহায় কৰে। ঘৰখনীয়া কাৰ্য হলেও ৰাইজক মাতি বুলি গৃহস্থই সহায় বিচাৰে আৰু ৰাইজেও ৰান্ধনি, চাকনি, যোগালি, পাত-পত্ৰ কটা থোৱা বোৱাৰ সামগ্ৰী বাচন-বৰ্তন আদি যোগাৰ দিবৰ বাবে ডেকা গাভৰুছামক দায়িত্ব দিয়ে। আৰু গৃহস্থক সৰ্বতোপ্ৰকাৰে সহায় কৰে। গৃহস্থই বা কৰম ঘৰীয়াই সকলো দ্ৰব্য চমজি দিয়াৰ পাছত ৰাইজৰ সকলোৱে মুনিহ তিৰোতা নিৰ্বিশেষে নিজৰ কাম দৰে লাগি ভাগি শ্ৰাদ্ধাদি সমাপন কৰে।

তিৱা (লালুং) সকল ক্ষত্ৰিয় কুলসম্ভূত হিন্দু ধৰ্মৰ লোক। তেওঁলোকে নানা দেৱ-দেৱতা পূজে যদিও একজন মাথো ঈশ্বৰ বিশ্বাস কৰে। মহাদেৱ তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা। কিৰাতসকল শিৱ উপাসক।

পাচোঁ ৰজাসকলৰ ভিতৰত অগ্ৰগন্য টোপাকুছিৰ ৰজাৰ দিনতে আউনিআটীৰ সত্ৰাধিকাৰে ৰজাৰ অনুৰোধ জনোৱাত ৰজাই ভাগৱতী ধৰ্ম গ্ৰহণ কৰে। আৰু তেতিয়াৰ পৰাই তিৱাৰজাসকলে দেওৰজা আখ্যা পায়। তাৰ পিছৰ পৰাই লালুংসকলৰ মাজত ভিন্ন মতবাদৰ সৃষ্টি কৰে অন্যান্য লোকসকলেহে।

★

## কবি বৈকুণ্ঠনাথ চক্ৰৱৰ্তীৰ পবিত্ৰ স্মৃতিত

( ২৪ পৃষ্ঠাৰ পিছৰ পৰা )

যেতিয়া যমুনাৰ পাৰলৈ উঠি গৈ তেওঁৰ ওচৰত নিজ নিজ বস্ত্ৰ খুজিছিল, তেতিয়া বাস্তৱত শ্ৰীকৃষ্ণতে লজ্জা অৰ্পিত হ'ল। ভগৱানৰ অৱতাৰ, শ্ৰীকৃষ্ণতে গোপীসৱে সৰ্বস্ব অৰ্পণ কৰিলে। এয়ে হ'ল 'বস্ত্ৰহৰণ'ত নিহিত নিগূঢ় বিশুদ্ধ অভিপ্ৰায়। শ্ৰীকৃষ্ণ অনুৰাগ বিৱশা ব্ৰজগোপী-সৱে এমাহধৰি কাত্যায়নী ব্ৰত কৰিছিল। মাহৰ শেষত, যিদিনা ব্ৰত সম্পূৰ্ণ হৈছিল সিদিনাহে ভগৱান শ্ৰীকৃষ্ণই গোপীসৱৰ মনোভীষ্ট সিদ্ধি কৰাৰ উদ্দেশ্যে 'বস্ত্ৰহৰণ' কৰিছিল।

কবি বৈকুণ্ঠনাথ চক্ৰৱৰ্তীয়ে লীলাময় শ্ৰীকৃষ্ণৰ জীৱন চৰিতৰ অলৌকিক মহাত্ম্য জানিছিল নানা শাস্ত্ৰ বেদ-বেদান্ত-দৰ্শন-পুৰাণ পঢ়ি। শ্ৰীমদ্ভাগৱত গীতাৰ সাৰমৰ্ম মৰ্মে মৰ্মে উপলব্ধি কৰি পাইছিল—কৃষ্ণ আত্মাৰাম। আত্মজগন্ময়। সেই জগততে কৃষ্ণ প্ৰীতিবিশিষ্ট। কৃষ্ণৰ বিষয়ে শাস্ত্ৰ অধ্যয়ন কৰি চক্ৰৱৰ্তীয়ে সীমা নাপাইছিল যদিও, তেওঁৰ জ্ঞানচক্ষু উন্মীলন হৈছিল। জ্ঞানচক্ষুৰে তেওঁ দেখিছিল কৃষ্ণ সৰ্বত্ৰ সকলো—সময়ে সৰ্বগুণৰ অভিব্যক্তিত উজ্জ্বল। তেওঁ অপৰাজেয়, ধৰ্মাত্মা। শ্ৰীকৃষ্ণ বেদজ্ঞ, নীতিজ্ঞ, প্ৰীতিময়, পুণ্যময়। নিৰপেক্ষ ন্যায়নিষ্ঠ, লোকহিতৈষী। তেওঁ অনুষ্ঠেয় কৰ্মত অপ-ৰাজুখ। ক্ষমাশীল, নিৰ্মম-নিৰহঙ্কাৰ। যোগযুক্ত তপস্বী, সৰ্বগুণাধাৰ। তেওঁ মানুহ হৈও অতিমানুহৰ চৰিত্ৰ বিকাশেৰে পতিতক উদ্ধাৰ কৰে। দুষ্টক দমন আৰু শান্তক পালন ও দানৱক দমন কৰি জগতত শান্তি প্ৰতিষ্ঠা কৰে। লীলাময় শ্ৰীকৃষ্ণৰ এনেবোৰ মাহাত্ম্য সাৰকথা অৱলম্বনত বৈকুণ্ঠ নাথ চক্ৰৱৰ্তীয়ে ৰচনা কৰিছিল শ্ৰীকৃষ্ণলীলামৃতম্‌কাব্যম্‌।

'শ্ৰীকৃষ্ণলীলামৃতম'ৰ উপৰিও তেখেতৰ আৰু দুখন পুথি প্ৰকাশ হৈছে। যেনে—(১) ব্ৰহ্মপুত্ৰ স্নান মাহাত্ম্য আৰু (২) দেৱাৰ্চনা পদ্ধতি। ইয়াত বাহিৰেও কেবাখনো গ্ৰন্থ হাতেলিখা অৱস্থাত আছে বুলি জনা যায়। বিশেষকৈ শুক্ৰনীতি আৰু ভট্টিকাব্যৰ টীকা আৰু অনুবাদ। এই দুখন গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা হলে অসমীয়া সাহিত্যৰ ভঁৰাল এই অমূল্য গ্ৰন্থৰে সমৃদ্ধিশালী হ'ব বুলি আমাৰ বিশ্বাস। আৰু খবৰ পোৱা গৈছে যে এই পণ্ডিত গৰাকীয়ে প্ৰতিযোগিতাত পুৰস্কাৰ পোৱা কেইবাটাও দৰ্শনতত্ত্বৰ প্ৰবন্ধ অপ্ৰকাশিত অৱস্থাত আছে। এনে মৌলিক প্ৰবন্ধৰ প্ৰকাশৰ বাবে যথাবিহিত ব্যৱস্থা কৰিবলৈ অসম চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিলোঁহঁক।

এই পণ্ডিত গৰাকীয়ে যে কেৱল সংস্কৃত অধ্যাপনাই কৰিছিল এনে নহয় তেওঁ জ্যোতিষ শাস্ত্ৰতো আছিল বিশিষ্ট পণ্ডিত। গোৱালপাৰা জিলাৰ সদৰ কেন্দ্ৰ ধুবুৰীৰ হৰিসভা সংস্কৃত টোলত চক্ৰৱৰ্তী আচাৰ্য্য হৈ অধ্যাপনাকে ব্ৰত বুলি শিক্ষাদান কৰি থকা অৱস্থাত ভাৰতৰ বহুকেইজন পণ্ডিত তেখেতৰ সান্নিধ্যলৈ আহিছিল।

সকতে ছাত্ৰাৱস্থাৰ পৰা টোলত বাস কৰি যি পৰিৱেশত সাত্ত্বিক ও নৈষ্ঠিক জীৱন যাপন কৰিছিল, ঠিক তেনেকৈ বৈকুণ্ঠনাথ চক্ৰৱৰ্তীয়ে তেওঁৰ বাণী বন্দনাৰ পুণ্যপীঠ, হৰিসভা চতুষ্পাঠীৰ পৰিৱেশো আশ্ৰম সদৃশ কৰি গঢ়ি তুলিছিল। আচাৰ্যৰ দৰে গুৰু আসনত অধিষ্ঠিত হোৱাত, সকলোৱে সামাজিক ও জনমঙ্গল অনুষ্ঠানত শ্ৰদ্ধাৰে আগ-শাৰীত আসন দিছিল। চক্ৰৱৰ্তী আমৰণ অসম সংস্কৃত বোৰ্ডৰ সদস্য আছিল। তেওঁ আছিল মিষ্টভাষী, সদালাপী আৰু সহানুভূতিশীল। চক্ৰৱৰ্তীৰ সান্নিধ্যত অহা ব্যক্তিয়ে তেওঁৰ সাদৰ-সম্ভাষণ ও বিনম্ৰ ব্যৱহাৰৰ কথা পাহৰা নাছিল। বেদ-বেদান্ত, সাংখ্য দৰ্শন, উপনিষদ-পুৰাণৰ তত্ত্ব আয়ত্ত কৰিলেও, শ্ৰীমদ্ভাগৱত গীতাৰ কৰ্মযোগ আৰু উপনিষদযুক্ত ব্ৰহ্মতত্ত্বত পৰম বিশ্বাসী আছিল। তেখেতে বিনাকামে কেতিয়াও অলস জীৱন কটোৱা নাছিল। কৰ্ম-ময় জীৱনত অন্তৰত ঈশ্বৰ আৰাধনা আৰু কৰ্মক্ষেত্ৰত নিজেও কৰ্তব্য কৰিছিল আৰু সকলোৰে আগত সেই আদৰ্শ দাঙি ধৰিছিল।

শেষত ইং ১৯৭৬ খৃষ্টাব্দৰ ২০ ফেব্ৰুৱাৰীৰ দিনা হৰিসভা চতুষ্পাঠীৰ পৱিত্ৰ প্ৰাঙ্গণত পণ্ডিত প্ৰবৰ বৈকুণ্ঠ নাথ চক্ৰৱৰ্তীৰ নিজা ঘৰত পঁয়সত্তৰ বছৰ বয়সত বৈকুণ্ঠ-গামী হয়। কবি বৈকুণ্ঠনাথৰ বৈকুণ্ঠ প্ৰয়াণত, আমি অসমবাসীয়ে শ্ৰদ্ধাৰ তৰ্পণ নিবেদন কৰি, সেই মহান ব্যক্তিৰ পৱিত্ৰ স্মৃতিত সুঁৱৰিছোঁ : বৈকুণ্ঠনাথ চক্ৰৱৰ্তী তৰ্কতীৰ্থ আছিল এই যুগৰ অনলস কৰ্মযোগী, শিক্ষাদাতা আচাৰ্য গুৰু, অতন্দ্ৰিত জ্ঞানতাপস, সত্যদ্ৰষ্টা ঋষি আৰু ৰসস্ৰষ্টা কবি।

★

## পুৰণি পত্ৰিকাৰ পৰা

[৺ চন্দ্ৰধৰ বৰুৱাৰ দ্বাৰা সম্পাদিত ১ম বছৰ ৪ৰ্থ সংখ্যা অসম সাহিত্য সভা পত্ৰিকাৰ পৰা সংগৃহীত শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱৰ ‘চক্ৰেটিচৰ মতে কবিৰ প্ৰকৃতি’ নামৰ প্ৰবন্ধটি যেনেধৰণে ছপা হৈছিল, তেনে-কৈয়ে পুনৰ্মুদ্ৰণ কৰা হ’ল—সম্পাদক]

# চক্ৰেটিচৰ মতে কবিৰ প্ৰকৃতি

(গ্ৰীক ভাষাৰ পৰা অনূদিত)

[“ইয়ন” বুলি প্লেটৰ এখন সৰু কিতাপ আছে। তাত প্লেট’ৰ গুৰু চক্ৰেটিচে ইয়ন নামে এজন মানুহেৰে সৈতে কথা-বাৰ্ত্তা পাতিছে। পুৰণি গ্ৰীচত হমাৰৰ কবিতাবিলাক মানুহৰ আগত গাই ফুৰা কিছুমান মানুহ আছিল। এওঁবিলাকক ‘ৰাপচদচ’ (Rhapsode) বোলা হৈছিল। ইয়ন এই নিচিনা এজন গায়ক। তেওঁৰ লগত চক্ৰেটিচে এই গানবিদ্যাৰ বিষয়ে আলোচনা কৰিছে আৰু কথা প্ৰসঙ্গত কবিৰ স্বৰূপ সম্পৰ্কেও কিছুমান কথা কৈছে। বৰ্ত্তমান প্ৰবন্ধত এই কথা খিনিকে অনুবাদ কৰি দিয়া হল। বন্ধনীৰ ভিতৰত দিয়া কথাবিলাক মূলত নাই, স্পষ্টতাৰ কাৰণে দিয়া হৈছে।]

(চক্ৰেটিচে ইয়নক কৈছে)

“হমাৰৰ সম্পৰ্কে যে তুমি ভাল ভাল কথা কব পাৰা সি কোনো এটা বিশেষ কলা (১) নহয়। মই কোৱাৰ দৰে সি এটা ঐশ্বৰিক শক্তি, যি তোমাক পৰিচালনা কৰে, যি ধৰণৰ শক্তি সেই শিলটোত আছে যাক (নাট্যকাৰ) য়ুৰিপিদিচে চুম্বক শিল (২) বুলিছিল, কিন্তু আনে “হেৰাক্লেয়া” বোলে। ঐ শিলটোৱে অকল যে নিজে লোহাৰ আঙঠি আকৰ্ষণ কৰে সি নহয় এই আকৰ্ষণ শক্তিটো আঙঠিবোৰতো স্থাপন কৰে, যাতে সিহঁতেও শিলটোৱে যি কৰে তাকে কৰিব পাৰে, (অৰ্থাৎ যাতে) সিহঁতেও ঘূৰি আন আন আঙঠি আকৰ্ষণ কৰিব পাৰে। (ইয়াৰ ফল স্বৰূপে) কেতিয়াবা লোহাৰ আঙঠিৰ এডাল বৰ দীঘল শিকলি—এটা ইটোৰ পৰা ওলমি থাকে। সেই শিলটোৰ পৰাই আটাইবিলাক আঙঠিতে আকৰ্ষণ শক্তিটো লাগেহি। সেইদৰে কবিতা দেৱীয়ে নিজে কোনো মানুহক দৈৱী শক্তিৰে অনুপ্ৰাণিত কৰে আৰু এই অনু-প্ৰাণিতসকলৰ জৰিয়তে আন আন মানুহো প্ৰেৰণা মত (৩) হৈ যেন পৰস্পৰ এডাল শিকলি গঠন কৰে (৪)। মহাকাব্য লিখা কবিলাক কাব্য-কলাৰ গুণত যে ভাল হয়, সি নহয়, দৈৱী শক্তিৰে অনুপ্ৰাণিতহৈ দৈৱী শক্তিৰ বশ হৈ তেওঁবিলাকে এই সুন্দৰ কবিতাবিলাক ৰচনা

(১) টেকনে ইং art, ইয়াৰ পৰাই ইংৰাজী টেকনিকেল শব্দ আহিছে।
(২) গ্ৰীক মাগ্নেতিচ ইং magnet.
(৩) ‘এন্থুচিয়াজ’, ইয়াৰ অৰ্থ হৈছে দেৱতাৰ দ্বাৰা স্বৰ্গীয় ভাৱত উন্মত্ত হোৱা। এয়ে ইং enthusiasm.
(৪) মূলত “আন আন প্ৰেৰণামত্ত মানুহৰ এডাল শিকলি ওলমি থাকে।”



কৰে (৫)। গীতিকবিলাকেও এইদৰেই কৃতিত্ব লাভ কৰে। (৬)। ‘কৰবান্ত’ সম্প্ৰদায়ৰ পুজাৰীবিলাকে যিদৰে আপোনপাহৰা হৈ (দেৱীৰ আগত) নাচে (৭), সেইদৰে গীতি কবিবিলাকেও আপোনপাহৰা হৈ এই সুন্দৰ গাথাবিলাক ৰচনা কৰে। লালিত্য (৮) আৰু ছন্দৰ ৰাজ্যত সোমালে তেওঁবিলাক দৈৱশক্তিৰ বশ হৈ উৎসৱত মতলীয়া হৈ পৰে। সুৰাদেৱতাৰ পৰিচাৰিকা-বিলাকে (৯) দৈৱশক্তিৰ দ্বাৰা অভিভূত হৈ, হিতাহিত জ্ঞান হেৰুৱাই নৈৰ পৰা মৌ আৰু গাখীৰ তুলি আনেগৈ, গীতিকবিসকলৰ আত্মায়ো তাকে কৰে। তেওঁবিলাকে নিজেই সেই বুলি কয়। বাস্তৱতে কবিবিলাকে আমাক কয়, বোলে তেওঁবিলাকে মধুপ্ৰবাহী নিজৰাৰ পৰা, কলা বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীসকলৰ (১০) ফুলনিৰ পৰা আৰু বাঁহনি বননিৰ পৰা তেওঁবিলাকৰ গানবোৰ ছিঙি ভোমোৰাৰ দৰে উৰি উৰি আমাৰ ওচৰলৈ লৈ আহে। তেওঁবিলাকে সঁচা কথাকে কৈছে। কবি এটা পাতল, পাখি লগা, পবিত্ৰ বস্তু; অনুপ্ৰাণিত আৰু উন্মত্ত নহয় মানে, বিচাৰশক্তি লুপ্ত নহয় মানে তেওঁ একো ৰচনা কৰিব নোৱাৰে। এই বস্তুটো (অৰ্থাৎ বিচাৰ শক্তি) থাকে মানে কোনো মানুহে কবিতা ৰচনা বা ভবিষ্যদ্বাণী কৰিব নোৱাৰে। কবিবিলাকে যে কবিতা ৰচে আৰু সংসাৰৰ ক্ৰিয়া-কলাপৰ বিষয়ে, তুমি হমাৰৰ বিষয়ে কোৱাৰ দৰে, অনেক সুন্দৰ কথা কয়। সি দৈৱৰ বলেৰে, শিল্পকলাৰ সহায়েৰে নহয়। এই কাৰণেই প্ৰত্যেক কবিয়ে যি বিষয়লৈ তেওঁক কবিতাদেৱীয়ে ঠেলি পঠাইছে, কেৱল সেই বিষয়তহে ভালকৈ ৰচনা কৰিব পাৰে, কোনোৱে “দিথুৰাম্বচ” কবিতা, কোনোৱে প্ৰশংসা গাথা, কোনোৱে নাচৰ গান, কোনোৱে মহাকাব্য আৰু কোনোৱেবা “ইয়াম্বচ” ছন্দৰ কবিতা। আন আন বিষয়ত (অৰ্থাৎ যিবিলাক বিষয়ত দেৱীৰ পৰা প্ৰেৰণ পোৱা নাই। তেওঁবিলাকৰ প্ৰত্যেকজনেই অকামিলা। তেওঁবিলাকে এইবিলাক দৈৱশক্তিৰে ৰচনা কৰে (১১), কলাৰ সাহায্যেৰে নহয়, কাৰণ, এটা বিষয়ত কলাৰ সহায়েৰে ভালকৈ ৰচনা কৰিব পৰা হলে, আন আদ বিষয়তো সেই একে উপায়েৰে) ভালকৈ ৰচনা কৰিব পাৰিহেঁতেন। এই কাৰণে দেৱতাই তেওঁবিলাকৰ (অৰ্থাৎ কবিসকলৰ) বিচাৰ শক্তি লুপ্ত কৰি তেওঁবিলাকক ভবিষ্যদ্বক্তা আৰু পবিত্ৰাত্মা ভবিষ্যদ্বিজ্ঞানবিদসকলৰ দৰে নিজৰ চাকৰৰূপে ব্যৱহাৰ কৰে, যাতে আমি শুনোতা বিলাকে জানিব পাৰোঁ যে (বাস্তৱতে) এই বহুমূলীয়া কথাবিলাক তেওঁবিলাকে কোৱা নাই—তেওঁবিলাকৰ বিচাৰ শক্তিয়েই নাই—, কিন্তু (আচল) বক্তাজন দেৱতা নিজেই, তেওঁবিলাকৰ জৰিয়তে দেৱতাই আমাৰ আগত কথা কৈছে। এই কথাৰ আটাইতকৈ ডাঙৰ প্ৰমাণ হৈছে কবি তুন্নিকচ (১২)। তেওঁ (এটাৰ বাহিৰে) আন এনে কোনো কবিতা ৰচা নাছিল যাক কোনোবাই উল্লেখযোগ্য বুলি ভাবিব, কিন্তু তেওঁ সেই সকলোৱে গোৱা গীতটো ৰচিছিল—সম্ভৱতঃ সি গীতৰ ভিতৰত সকলোতকৈ সুন্দৰ। বাস্তৱতে এই গীতটো তেওঁ নিজে কবৰ দৰে “কলাবিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীসকলে কৰা এটা

মূলত “কয়”।
(৬) মূলত “ভাল হয়”।
(৭) চিবেল নামে এগৰাকী দেৱীৰ আগত
(৮) “হাৰমনিয়া” ইং harmony
(৯) Bacchus দেৱতাৰ মাইকী পুৰোহিতবিলাক।
(১০) “মুচা” ইং the Muses.
(১১) মূলত “কয়”।
(১২) গোটেইটো নাম দিয়া নাই।

আবিষ্কাৰ"। মোৰ মনেৰে এই বিষয়ত দেৱতাই আমাৰ প্ৰতি ইয়াকে বিশেষভাৱে ইঙ্গিত কৰিছে যে এই সুন্দৰ কবিতাবিলাক পাৰ্থিৱ (১৩) কিংবা মানুহৰ সৃষ্টি নহয়, সেইবিলাক হৈছে দেৱতাৰ বস্তু, দেৱতাৰ সৃষ্টি, সেই বিষয়ে আমি কোনো সন্দেহ কৰিব নালাগে। কবিবিলাকে দেৱতাসকলৰ দোৱনীয়াত বাজে আন একো নহয়; তেওঁবিলাকৰ প্ৰত্যেকক যেয়ে হাত কৰক, তেওঁবিলাক (মুঠতে) দৈৱীশক্তিৰ হাতত আবদ্ধ। এইবিলাক কথাকে দেখুৱাওঁ বুলি দেৱতাই ইচ্ছা কৰি (ওপৰত উল্লেখ কৰি অহা) আটাইতকৈ অকামিলা কবিজনৰ হতুৱাই আটাইতকৈ সুন্দৰ গীতটো ৰচনা কৰালে (১৪)।………"

## অনুবাদকৰ মন্তব্য

ওপৰত চক্ৰেটিচে চমুকৈ কবি আৰু কবিতাৰ প্ৰকৃতি নিৰ্ণয় কৰিছে। তেওঁ বুজাব খুজিছে যে প্ৰকৃত কবিয়ে স্বাভাবিক প্ৰেৰণাৰ বলত কবিতা ৰচনা কৰে, ভাবি-চিন্তি এটা নিৰ্দ্দিষ্ট কাব্যকলা অনুসৰণ কৰি ভাল কবি হ'ব নোৱাৰি। এই প্ৰেৰণা এটা স্বাভাৱিক স্বৰ্গীয় বস্তু, তাক নিজ ইচ্ছামতে পোৱা নাযায়। এই কাৰণেই দৈৱাৎ এই প্ৰেৰণা পালে কবিয়ে কেতিয়াবা অমৰ সৌন্দৰ্যেৰে পৰিপূৰ্ণ কবিতা ৰচনা কৰে, কিন্তু প্ৰেৰণাৰ অন্তৰ্ধান হলে অশেষ চেষ্টা কৰিলেও আকৌ তেনে কবিতা ৰচিব নোৱাৰে। কবি তুন্নিকচ অতি সাধাৰণ কবি আছিল। কিন্তু এবাৰ এই দৈৱীশক্তি পোৱা বাবেই তেওঁ এটা বিশ্ব-বিমোহন গীত ৰচিছিল। নিজে চেষ্টা কৰি আৰু এটা বিশেষ ৰীতি অনুসৰণ কৰি ভাল কবিতা লিখিব পৰা হ'লে তুন্নিকচে যি উপায়েৰে এই গীতটো ৰচনা কৰিছিল সেই উপায়েৰে তেনে গীত আৰু অনেক ৰচনা কৰিব পাৰিলেহেঁতেন।

প্ৰেৰণাসম্পৰ্কে চক্ৰেটিচে যি কৈছে সি সম্পূৰ্ণ সঁচা, কিন্তু তেওঁ ইয়াকো কয় যে প্ৰকৃত চিন্তাশক্তি, বিচাৰ ক্ষমতা আৰু অনুসন্ধানমূলক তত্ত্বজ্ঞান—এইবিলাক গুণ কবিৰ নাই। প্লে'টই তেওঁৰ এপল'জিয়া নামে আন এখন কিতাপত চক্ৰেটিচৰ হতুৱাই কোৱাইছে যে কবিবিলাকে নিজে যি ৰচনা কৰে তাকে ভালকৈ বুজাই দিব নোৱাৰে, তেওঁবিলাকে কবিতা ৰচনা কৰোঁতে জ্ঞানেৰে নকৰে, কিবা এটা স্বাভাৱিক প্ৰবৃত্তিৰ বশ হৈ, এটা দৈৱী উদ্দীপনাত উন্মত্ত হৈ ৰচনা কৰি যায়। অনেক সুন্দৰ কথা কয়; কিন্তু যি কয় তাৰ বিষয়ে বাস্তৱতে একোকে নাজানে। চক্ৰেটিচৰ এই কথা অৱশ্যে অলপ অতিৰঞ্জিত হৈছে, বিশেষকৈ যি সকল কবিয়ে গভীৰ চিন্তা আৰু নানা অনুসন্ধান কৰি কাব্য ৰচনা কৰে তেওঁলোকৰ পক্ষে এই কথা ভালকৈ নাখাটে। দান্তেৰ "অমৰ কাব্য" (Divina commedia আৰু গেঠেৰ "ফাউষ্ট" গভীৰ চিন্তাপ্ৰসূত, অনুসন্ধানমূলক কাব্য; তাত প্ৰেৰণা আছে, কিন্তু ক্ষণিক উদ্দীপনাৰ উন্মাদ নাই। চক্ৰেটিচে যি আপোনপাহৰা উন্মাদ-উত্তেজনাৰ কথা কৈছে তাক অৱশ্যে কম-বেছি পৰিমাণে সকলো কবিতে পোৱা যায়। গীতকাব্য লিখা কবিসকলৰ এই গুণটো বিশেষভাৱে বৰ্ত্তমান। ৰুচ কবি বেল্‌মন্তক প্ৰকৃতিৰ ভিন ভিন উপাদান আৰু দৃশ্যবিলাকে এনেদৰে মুগ্ধ আৰু আত্মসাৎ কৰি পেলাইছিল যে তেওঁ অধীৰ হৈ গাইছিল—

> ইয়া জ্‌ভুচনিয় পে্যচনী ন্যে চাম্ চজ্‌দাভাল,
> ম্যো জাত্ৰচৌল্ ইথ গৰ্‌নি অৰ্‌ভাল্।
> (মই) ধ্বনিময় গাথাবাশি নিজে ৰচা নাই।
> পৰ্বতৰ ৰৰনৈয়ে দিছে দলিয়াই।

প্ৰকৃতিৰ ৰূপ ধ্যান কৰোঁতে কৰোঁতে কবিয়ে তেওঁৰ কবিতাবিলাক নিজেই ৰচিছে নে, নাই প্ৰকৃতিদেৱীয়ে

(১৩) মূলত "মানৱী"
(১৪) মূলত "গালে"



তেওঁৰ হিয়াত থিতি লৈ সেইবিলাক তেওঁৰ মুখেদি কোৱাইছে তাক ভালকৈ নিৰ্ণয় কৰিব পৰা নাই। এয়ে চক্ৰেটিচে উল্লেখ কৰা দৈৱী উদ্দীপনা।

স্বাভাবিক প্ৰেৰণা বা দৈৱীশক্তি আৰু উন্মাদ-ব্যাকুলতা যে কবিপ্ৰকৃতিৰ লক্ষণ সেই বিষয়ে সন্দেহ নাই, কিন্তু জ্ঞান বা বোধশক্তি আৰু তত্ত্ববিদ্যা কবিৰ স্বভাৱৰ পৰা একেবাৰেই আঁতৰ বুলি কব নোৱাৰি। মধ্যযুগৰ সকলো জ্ঞান-বিজ্ঞান মথি দান্তেই তেওঁৰ "অমৰ কাব্য" লিখিছিল, গেঠেৰ "ফাওষ্ট" কাব্যত দৰ্শন আৰু কবিতাৰ কিবা এটা সংশ্লেষণ কৰিব খুজিছিল। তথাপি সকলো বাদ দিলে চক্ৰেটিচে যি কৈছে সেয়ে কবিপ্ৰকৃতিৰ শেষ লক্ষণৰূপে বাকী থাকে। সাহিত্য হিচাপে গেঠেৰ গম্ভীৰ "ফাওষ্টৰে" মূল্য বেছি নে তেওঁৰ কোমল গীতিকবিতাবিলাকৰে মূল্য বেছি তাক সংকাই কোৱা টান। ৰভাহত হালিজালি থকা কুষ্মলতাৰ যি সৌন্দৰ্য শক্তিশালী বৰগছৰ সেই সৌন্দৰ্য নাই। চিন্তাৰ বলতকৈ কল্পনাৰ বল বেছি, কোৱাল আৰু বেছি ব্যাপক। দৈৱী-শক্তিৰে মানৱী কল্পনাৰ অতীত ধামৰ পৰা মৌ-মাখিৰ দৰে মৌ আহৰণ কৰাতে কবিৰ বিশেষত্ব। চক্ৰেটিচে কবৰ দৰে কবি এটা "পাতল, পাখিলগা, স্বাৰ্গীয় বস্তু"।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ

# অসম সাহিত্য সভাৰ
# নতুন প্ৰকাশন

১৯৭৫-৭৬ চনত প্ৰকাশিত

১। বেজবৰুৱাৰ দিনলেখা ( ২য় খণ্ড )
২। চন্দ্ৰধৰ বৰুৱাৰ জীৱনী
৩। জগন্নাথ বৰুৱাৰ জীৱনী
৪। হিতেশ্বৰ বৰুৱাৰ স্মৃতি-মাল্য
৫। স্নেহৰ অৰুণাচল
৬। Annuls of Asam Sahitya Sabha
৭। তিতাবৰ সৌৰভ
৮। দেশভক্ত তৰুণৰাম ফুকন ( শিশুৰ উপযোগী )
৯। সাগৰৰ কথা ( শিশুৰ উপযোগী )
১০। তিৱা সম্প্ৰদায়ৰ পৰিচয়
১১. Development of Script in Ancient Kamrup
১২। স্বাধীনতা আন্দোলনৰ ৰূপৰেখা
১৩। চুফী আৰু চুফীবাদ
১৪। অধ্যয়ন চক্ৰ
১৫। টিঙুৰ লখিমী

প্ৰাপ্তিস্থান :—প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—১

গুৱাহাটী কাৰ্যালয় :
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—১

## অসম সাহিত্য সভা
### কাৰ্য্য-নিৰ্বাহক সমিতিৰ অধিবেশন

ফেব্ৰুৱাৰী ১, ১৯৭৬ খ্ৰীষ্টাব্দ
টিহু।

উপস্থিত সদস্যসকল : শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা, শ্ৰীতৰুণ চন্দ্ৰ পামেগাম, শ্ৰীবীৰেন বৰকটকী, শ্ৰীচিত্তৰঞ্জন চৌধুৰী, শ্ৰীযতীন গোস্বামী, শ্ৰীছামছিং হাফে, শ্ৰীহিতেন শৰ্মা শ্ৰীঅৰুণ গোস্বামী শ্ৰীনিশিপদ চৌধুৰী, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীউপেন্দ্ৰ বৰকটকী, শ্ৰীপ্ৰসন্নৰাম দাস, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীজিতেন গগৈ, শ্ৰীৰাজেন ৰাভা, শ্ৰীআজিজুৰ ৰহমান বৰভূঞা, শ্ৰীনগেন শইকীয়া,

নিমন্ত্ৰিতসকল : শ্ৰীশৈলেন্দ্ৰ প্ৰসাদ মেধি, শ্ৰীকৈলাসময় বৰুৱা, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

(১) অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকে চলিত বছৰৰ কাৰ্য নিৰ্বাহক সমিতিৰ শেষ অধিবেশন পৰিচালনা কৰিবৰ কাৰণে অসম সাহিত্য সভাৰ সভাপতি ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাক অনুৰোধ জনায়।

(২) সভাপতিয়ে আসন গ্ৰহণ কৰি তলত দিয়া শোক প্ৰস্তাৱটি দাঙি ধৰে আৰু সমবেতসকলে থিয় হৈ দুইমিনিট নিৰৱ প্ৰাৰ্থনা জনায়।

অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্বাহক সমিতিৰ অধিৱেশনে গুৱাহাটীৰ কৃষ্ণপ্ৰসাদ বৰুৱা, যোৰহাটৰ নকুলচন্দ্ৰ সভাপণ্ডিত, বঙালী সাহিত্যিক শৈলজানন্দ মুখোপাধ্যায়, গুৱাহাটীৰ কবিচন্দ্ৰ মহন্ত, নলবাৰীৰ নিৰ্ভয়চন্দ্ৰ মহন্ত, পদ্মবিভূষণ আহমেদ জান থিৰাক, বিখ্যাত সংগীতজ্ঞ পল ৰবছন, উত্তৰ গুৱাহাটীৰ কুমুদচন্দ্ৰ বৰদলৈ, চিলচৰ সাহিত্য সভাৰ সভাপতি কবিৰাজ হৰেশচন্দ্ৰ ভট্টাচাৰ্য ভিষকশাস্ত্ৰী, বিখ্যাত ৰহস্য কাহিনী ৰচয়িতা অগাথা ক্ৰিষ্টিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।

(৩) অভ্যৰ্থনা সমিতিৰ পক্ষৰ পৰা সাধাৰণ সম্পাদক শ্ৰীশৈলেন্দ্ৰ প্ৰসাদ মেধিয়ে আদৰণী জনায়।

(৪) প্ৰধান সম্পাদকে পৰৱৰ্তী অধিৱেশনৰ কাৰ্য্য-বিৱৰণী উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

(৫) প্ৰধান সম্পাদকে জনায় যে—(ক) ছপাশালত দিয়া ১০ খন পুথি ইতিমধ্যে আহি পাইছেহি আৰু বাকী কেইখন শীঘ্ৰে পোৱাৰ আশা কৰা হৈছে।

(খ) যোৰহাটত দুদিনীয়াকৈ ২৫ আৰু ২৬ ডিচেম্বৰত লেখক-শিবিৰ সম্পন্ন হয় আৰু শিবিৰৰ আলোচ্য বিষয়ৰ গ্ৰন্থখনি ছপাশাললৈ পঠোৱা হৈছে।

(গ) নবীনচন্দ্ৰ বৰদলৈ স্মাৰক বক্তৃতাটিও গ্ৰন্থাকাৰে উলিয়াবলৈ ছপাশাললৈ পঠোৱা হৈছে।

(ঘ) ১৩ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰীলৈকে সাহিত্য সভা সপ্তাহ উদ্‌যাপিত হয়, তদুপৰি যোৰহাটত কেন্দ্ৰীয়ভাৱে হিতেশ্বৰ বৰবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উৎসৱ উদযাপিত হয়। শতবাৰ্ষিকী উপলক্ষে হিতেশ্বৰ স্মৃতিমাল্য নামৰ গ্ৰন্থ প্ৰকাশ কৰা হৈছে

(৬) উপ-সমিতিৰ ফলাফল : প্ৰধান সম্পাদকে জনায় যে—

(ক) জিজ্ঞাসাবাদ নামৰ গ্ৰন্থখনিৰ বাবে শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীক মোহনচন্দ্ৰ শৰ্মা বঁটা (খ) জুনুমণিৰ বিজ্ঞান নামৰ পুথিৰ বাবে শ্ৰীপ্ৰমৃত ফুকনক প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা (গ) অসমৰ চৰাই চিৰিকতি নামৰ গ্ৰন্থৰ পাণ্ডুলিপিৰ বাবে শ্ৰীযামিনী গোস্বামীক গোপাল চন্দ্ৰ গোস্বামী বঁটা প্ৰদান কৰিবলৈ আৰু (ঘ) সত্ৰীয়া নৃত্য আৰু নৃত্যৰ তাল নামৰ গ্ৰন্থখনিৰ বাবে অসম প্ৰকাশন পৰিষদক হৰিপ্ৰসাদ নেওগ সোঁৱৰণী মুদ্ৰণ আৰু অলংকৰণ বঁটা প্ৰদান কৰিবলৈ ঘোষণা কৰা হৈছে। আৰু ত্ৰয়শ্চত্বাৰিংশ সন্মিলনৰ মুকলি অধিবেশনত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। সমিতিয়ে অনুমোদন জনায় আৰু বঁটা প্ৰাপকসকললৈ অভিনন্দন জ্ঞাপন কৰে।

প্ৰধান সম্পাদকে জনায় যে মুদ্ৰণ আৰু অলংকৰণ বঁটা প্ৰকাশকৰ লগতে মুদ্ৰকৰো প্ৰাপ্য। সমিতিয়ে এই বছৰৰ পৰা মুদ্ৰককো বঁটা দিবলৈ সিদ্ধান্ত কৰে। সত্ৰীয়া নৃত্য আৰু নৃত্যৰ তাল গ্ৰন্থৰ মুদ্ৰক নৱজীৱন প্ৰেছক বঁটা দিবলৈ পৰামৰ্শ দিয়ে।

(৭) ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰৰ পৰীক্ষাৰ ফলাফল : প্ৰধান সম্পাদকে জনায় যে—চিলচৰ আৰু হাইলাকান্দি আৰু লালাত মুকলি কৰা ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰত ৫১ জন পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিছিল আৰু তাৰে ২৯ জন উত্তীৰ্ণ হোৱা বুলি সংসদে ঘোষণা কৰিছে। সমিতিয়ে অনুমোদন জনায়।

(৮) প্ৰধান সম্পাদকে জনায় যে—কাৰ্যালয় সচিৱ পদৰ বিজ্ঞাপন দিয়া হোৱা নাই, ফেব্ৰুৱাৰীৰ ভিতৰতে দিয়া হ'ব।

(৯) কাছাৰৰ বিভিন্ন ঠাইত অৰ্থৰ ফালৰ পৰা স্ব-নিৰ্ভৰশীল ভাষা-শিক্ষা শ্ৰেণী খোলাৰ বাবে প্ৰাথমিক সংগঠন কাৰ্য কৰিবলৈ হাইলাকান্দিত শ্ৰীপোনাৰাম বৰাক নিযুক্তি দিয়া হৈছে। সমিতিয়ে অনুমোদন জনায়।

(১০) পত্ৰিকাৰ বিজ্ঞাপন সাহিত্য সভা সপ্তাহৰ ভিতৰতে উলিয়াবলৈ বাতৰি কাকতলৈ পঠোৱা হৈছিল আৰু ইতিমধ্যে প্ৰকাশিত হৈছে। ইতিমধ্যে নাহৰকটীয়া শাখা সভাৰ সম্পাদকে পত্ৰিকা পঠোৱা নাই বুলি বাতৰি কাকতত লিখা চিঠিৰ উত্তৰত জনোৱা হৈছে যে সেই শাখাই ভি-পি কৰি পঠোৱা পত্ৰিকা মূৰাই পঠাইছে আৰু পত্ৰিকাৰ বাৰ্ষিক বৰঙণিও বাৰে বাৰে জনোৱা সত্বেও আদায় দিয়া নাই। সমিতিয়ে শাখাসমূহৰ এনে কাৰ্য অনুচিত বুলি অনুভৱ কৰে আৰু শাখাসমূহে সাংগঠনিক নীতি-নিয়ম মানি সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াব।

(১১) ত্ৰয়শ্চত্বাৰিংশ সন্মিলনৰ কাৰ্য-সূচী উত্থাপন কৰি প্ৰধান সম্পাদকে জনায় যে ১ ফেব্ৰুৱাৰীত ২ বজাৰ পৰা বিষয়-বাছনী সভা আহ্বান কৰা হৈছে। কাৰ্য-সূচী এনেধৰণৰ।

১ ফেব্ৰুৱাৰী : সন্ধ্যা : ৬ বজা—সংগীত অনুষ্ঠান উদ্বোধন কৰিব শ্ৰীসাৰদা বৰদলৈয়ে।

২ ফেব্ৰুৱাৰী : পুৱা ৮ বজাত—পতাকা উত্তোলন কৰিব : ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই।

৮-৩০ বজাত : স্মৃতিগ্ৰন্থ উন্মোচন কৰিব : শ্ৰীৰমা দাসে

ঐ সাহিত্য সংকলন ঐ শ্ৰীপৰাগ চলিহা

৯-৩০ বজাত প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন : শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

দুপৰীয়া ১২ বজাত মুকলি অধিবেশনত সভাপতিত্ব কৰিব শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই, উদ্বোধন কৰিব : ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীফখৰুদ্দিন আলি আহমদে।

৩ ফেব্ৰুৱাৰী পুৱা ৮-৩০ বজাত : আলোচনা-চক্ৰ অধিবেশন

সভাপতি : চৈয়দ আব্দুল মালিক

উদ্বোধন : শ্ৰীৰমণী কান্ত শৰ্মা

বক্তা : শ্ৰীযোগেশ দাস

শ্ৰীমহিম বৰা

শ্ৰীবীৰেন্দ্ৰকুমাৰ দাস

শ্ৰীৰামদাস বড়ো, ডঃ নীলিমা শৰ্মা।

আবেলি ১ বজাত : ২য় মুকলি অধিবেশন

উদ্বোধক : শ্ৰীশৰৎ চন্দ্ৰ সিংহ, মুখ্যমন্ত্ৰী, অসম

মুখ্য অতিথি : শ্ৰীসুভাষ মুখোপাধ্যায়

বিশিষ্ট অতিথি : শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা, শ্ৰীহিতেশ্বৰ শইকীয়া। সমিতিয়ে কাৰ্যসূচীত অনুমোদন জনায়।

(১২) প্ৰধান সম্পাদকে জনায় যে কাৰ্যালয় সচিৱৰ নিযুক্তি নোহোৱা পৰ্যন্ত পূৰ্ববৰ্তী বৈঠকৰ সিদ্ধান্ত অনুসৰি মুখ্য কাৰ্যালয় সহকাৰী, ২য় কাৰ্যালয় সহকাৰীক ক্ৰমে ৫০'০০ আৰু ২৫'০০ কৈ মধ্যৱৰ্তী বানচ দিয়া হৈছে। আৰু চেমিৰ আহমদক অংশকালীন সহকাৰী হিচাপে নিযুক্তি দিয়া হৈছে।

(১৩) প্ৰধান সম্পাদকে ত্ৰয়শ্চত্বাৰিংশ সন্মিলনত উত্থাপন



কৰিবলগীয়া বাৰ্ষিক প্ৰতিবেদন উত্থাপন কৰে। ১৯৭৫-৭৬ চনৰ কৃতকৰ্মৰ খতিয়ান সম্বলিত বাৰ্ষিক প্ৰতিবেদন সমিতিয়ে অনুমোদন কৰে।

(১৪) প্ৰধান সম্পাদকে ১৯৭৪-৭৫ বিত্তীয় বছৰৰ পৰীক্ষিত হিচাপ দাখিল কৰে। আয় ব্যয় আৰু বাকী টকা সমিতিয়ে অনুমোদন কৰে।

(১৫) প্ৰধান সম্পাদকে বিষয়-বাছনী সভাত উত্থাপন কৰিবলগীয়া নিয়মাৱলী সংশোধনৰ প্ৰস্তাৱ দাঙি ধৰে। ভুকিয়াই উলিওৱা প্ৰস্তাৱ উত্থাপন কৰিবলৈ সমিতিয়ে অনুমোদন কৰে।

(১৬) প্ৰধান সম্পাদকে মুকলি সন্মিলনত গ্ৰহণ কৰিবলৈ পোৱা প্ৰস্তাৱসমূহ উত্থাপন কৰে। সমিতিয়ে তাৰে তিনিটা প্ৰস্তাৱ উত্থাপন কৰিবলৈ পৰামৰ্শ দিয়ে। প্ৰথম প্ৰস্তাৱত— সাহিত্য জীৱনৰ ওচৰ চপাই জনজীৱনক মহত লক্ষ্যৰ প্ৰতি উদ্বুদ্ধ কৰিবলৈ সাহিত্যিকসকলৰ প্ৰতি আহ্বান জনোৱা হয়। দ্বিতীয় প্ৰস্তাৱত থলুৱা ভাষাসমূহৰ বিকাশৰ পথ খোলা ৰাখি উত্তৰ-পূৱ ভাৰতৰ সংযোগী ভাষা অসমীয়াৰ ব্যৱহাৰ উত্তৰ-পূৱ ভাৰতৰ ৰাজ্যসমূহত সম্প্ৰসাৰিত কৰি ৰাখিবৰ বাবে ৰাজ্য চৰকাৰসমূহক আহ্বান জনোৱা হয়, আৰু অসম সাহিত্য সভাই নিৰ্মাণ কৰিবৰ বাবে আঁচনি গ্ৰহণ কৰা ৰাধাকান্ত সন্দিকৈ ভৱনক অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰীয় বিদ্যাসদনত পৰিণত কৰাৰ লক্ষ্য লাভৰ বাবে ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাইজৰ সহায়-সহযোগিতা বাঞ্ছা কৰা হয়।

(১৭) মাননীয় সভাপতি ডাঙৰীয়াই-শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্যই যুগুতাই দিয়া 'চেক্সপীয়েৰ' গ্ৰন্থৰ পাণ্ডুলিপি পোৱাৰ কথা জনায়। তদুপৰি শ্ৰীভট্টাচাৰ্যই যথেষ্ট শ্ৰম কৰি যুগুত কৰা পুথিখনিৰ বাবে লেখকে পাৰিতোষিক সম্পৰ্কে জনোৱা কথা উত্থাপন কৰি কয় যে লিখকে পুথিখনিৰ (পাঁচ) ৫ হাজাৰ সংখ্যক ছপোৱাটো বিচাৰিছে। তাৰে পিছৰ অতিৰিক্ত তিনিহাজাৰ সংখ্যক পুথিৰ কাগজত হ'ব পৰা আৰু অতিৰিক্ত ছপাত হ'ব পৰা ব্যয় লিখকে সভাক দি (তিনি) ৩ হাজাৰ সংখ্যক পুথি বিচাৰিছে। সমিতিয়ে বিষয়টোৰ আলোচনাত মত প্ৰকাশ কৰে যে সভাই এই চৰ্তত গ্ৰন্থ ছপোৱা নাই। আৰু এনে চৰ্ত ভৱিষ্যতৰ বাবেও অসুবিধাজনক হব পাৰে। কিন্তু অসমীয়া ভাষাত চেক্সপীয়েৰৰ সম্পৰ্কে বিস্তৃত আলোচনাৰ কোনো পুথি নথকাত আৰু লিখকে যথেষ্ট শ্ৰম কৰি পুথিখনি যুগুতাই দিয়াৰ কথা বিবেচনা কৰি সমিতিয়ে লিখকৰ সম্মতি সাপেক্ষে অতিৰিক্ত এহাজাৰ (১০০০) সংখ্যক পুথি কাগজ আৰু অতিৰিক্ত ছপা ব্যয়ৰ বিনিময়ত দিবলৈ সম্মতি প্ৰকাশ কৰে। লগতে সভাই যিমান সংখ্যক পুথি নিজৰ বৰীয়াকৈ ছপাব তাৰ পঞ্চ-শতাংশ (৫) লিখকক বিনামূল্যে দিয়াৰ যি নীতি মানি অহা হৈছে সেই নীতিৰ ভিত্তিত লিখকক পুথি দিবলৈও সম্মতি প্ৰকাশ কৰে। কিন্তু প্ৰকাশ থাকে যে—এই ব্যৱস্থা ভৱিষ্যতৰ বাবে আহি হ'ব নোৱাৰিব।

(১৮) সমিতিয়ে সিদ্ধান্ত কৰে যে—১৯৭৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত অৰ্থাৎ চলিত বিত্তীয় বছৰৰ শেষলৈকে সভাৰ পুঁজি পৰিচালনাৰ দায়িত্ব বৰ্তমানৰ প্ৰধান সম্পাদকৰ দ্বাৰা হ'ব আৰু বৰ্তমানৰ প্ৰধান সম্পাদক আৰু বৰ্তমানৰ ধনভঁৰালীৰ স্বাক্ষৰত পুঁজিৰ লেন-দেন হ'ব। চলিত বিত্তীয় বছৰৰ হিচাপ কৰোৱাই প্ৰধান সম্পাদকে নতুনকৈ নিৰ্বাচিত হ'ব লগা প্ৰধান সম্পাদকক হস্তান্তৰ কৰিব।

(১৯) সমিতিয়ে, ত্ৰয়শ্চত্বাৰিংশ সন্মিলন সম্পৰ্কত পাঁচহাজাৰ (৫,০০০'০০) টকাৰ সাম্ভাব্য ব্যয়ত অনুমোদন জনায়।

(২০) ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব শ্ৰীপ্ৰকাশ গোস্বামীয়ে জনায় যে ভাষাজ্ঞান পৰীক্ষাসমূহৰ পাঠ্যক্ৰম নতুন কৰাৰ প্ৰয়োজনীয়তা আছে। কাৰ্য নিৰ্বাহক সমিতিয়ে এখন পাঠ্যক্ৰমৰ খচৰা প্ৰস্তুত কৰি সমিতিত দাখিল কৰিবলৈ সচিবক দায়িত্ব দিয়ে।

(২১) প্ৰধান সম্পাদকে জনায় যে—অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাক্ষ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই তেখেতৰ দ্বাৰা সম্পাদিত আৰু সভাৰ হৈ মণিমাণিক প্ৰকাশৰ দ্বাৰা প্ৰকাশিত 'কেহেঁকলি' নামৰ পুথিখনিৰ বাবদ সম্পাদক হিচাপে পাব পৰা অৰ্থ পাবৰ বাবে আশা প্ৰকাশ কৰিছে আৰু তেখেতৰ দ্বাৰা লিখিত 'শতাব্দীৰ অৰ্ঘ্য' নামৰ কবিতা পুথি এখনি প্ৰকাশৰ দায়িত্ব সভাই লোৱাটো বাঞ্ছা কৰিছে। সমিতিয়ে বিষয়টো আলোচনা কৰে আৰু মত প্ৰকাশ কৰে যে—যিহেতু চলিত বছৰৰ আঁচনি অন্তৰ্ভুক্ত কৰি প্ৰকাশ কৰিবলৈ অৰ্থ আৰু সময়ৰ নাটনি হ'ব আৰু যিহেতু সভাই এতিয়ালৈকে নিজৰ পুঁজিৰ পৰা ব্যক্তিগত কবিতা পুথি প্ৰকাশৰ ব্যৱস্থা কৰা নাই, সেইবাবে যদি সম্পাদক হিচাপে লিখকে পাবলগীয়া ধন পুথিখনিৰ সমুদায় খৰচৰ তিনি চতুৰ্থাংশমান হয় আৰু পুথিখনিৰ ব্যয় ১,০০০'০০ (এহাজাৰ)

টকাৰ ভিতৰত হয়, তেতিয়াহলে পুথিখনি ছপোৱাৰ ব্যৱস্থা কৰিবলৈ পৰৱৰ্তী কাৰ্য-নিৰ্বাহক সমিতিলৈ পৰামৰ্শ দিয়া হওক।

(২২) কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য শ্ৰীঅৰুণ চন্দ্ৰ গোস্বামীয়ে কয় যে—অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ অক্ষয় পুঁজিৰ ধনেৰে জাতীয় সঞ্চয় পত্ৰ কিনাৰ পৰিবৰ্তে ষ্টেট বেঙ্ক অৱ ইণ্ডিয়াৰ দহবছৰীয়া ম্যাদৰ সঞ্চয় আঁচনি জমা হলে শতকৰা ১৭ টকা সুত পোৱা হয়।

এই সম্পৰ্কে সংশ্লিষ্ট মহলৰ লগত আলোচনা কৰি এটি হিচাপ দাঙি ধৰিবৰ বাবে সমিতিয়ে শ্ৰীঅৰুণ গোস্বামীক দায়িত্ব দিয়ে।

(২৩) সমিতিয়ে তলত নাম দিয়া শাখা সভা আৰু স্বীকৃত সভাক স্বীকৃতি দিয়ে—(ক) বাদলা বেটা শাখা, ডিব্ৰুগড়, (২) মাণিকপুৰ শাখা, গোৱালপাৰা, (৩) দ পথাৰ শাখা, বৰ-পথাৰ, গোলাঘাট, (৪) ৰামধালা শাখা, ধালাইবাজাৰ, কাছাৰ (৫) পেডেৰী শাখা, ডিব্ৰুগড়, (৬) ৰাজগড় শাখা, ডিব্ৰুগড় (৭) অসম কৃষিবিশ্ববিদ্যালয় শাখা যোৰহাট, (৮) বটদ্ৰৱা আঞ্চলিক শাখা, নগাওঁ, (৯) আহতগুৰি চাৰিআলি আঞ্চলিক শাখা, নগাও, (১০) কাকতনগৰ শাখা, যোগীঘোপা, (১১) ৰূপজ্যোতি কলাপৰিষদ স্বীকৃত সভা, দুধনৈ, (১২) বৰগাং শাখা, দৰং।

(খ) সমিতিয়ে তলত নাম দিয়া সকলক আজীৱন সভ্য ৰূপে স্বীকৃতি দিয়ে ঃ (১) শ্ৰী যোগেশ্বৰ বৰা, লক্ষীমপুৰ, (২) শ্ৰীহৰেন্দ্ৰচন্দ্ৰ বৰকাকতি, লক্ষীমপুৰ, (৩) শ্ৰীডম্বৰুধৰ সোণোৱাল, ডিব্ৰুগড়, (৪) শ্ৰীমতী সাধী তেৰণপী, বৈথালাংছু, (৫) শ্ৰীজ্যোতিষচন্দ্ৰ সিংহ, গোৱালপাৰা, (৬) শ্ৰীগজেন্দ্ৰ নাথ চহৰীয়া, মঙ্গলদৈ, (৭) শ্ৰীমাণিক চন্দ্ৰ ফুকন, গোলাঘাট, (৮) শ্ৰীগৌতম ৰায়, হাইলাকান্দি, (৯) শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, ( আম্ৰকানন ) যোৰহাট, (১০) শ্ৰীছান্দমল জৈন, গোৱালপাৰা, (১১) শ্ৰীকৃষ্ণকান্ত গুপ্তা, ক্ষেত্ৰী, (১২) শ্ৰীমহম্মদ জবুৰউদ্দিন, কামৰূপ, (১৩) শ্ৰীআব্দুল ৰাছিত খান, কাছাৰ, (১৪) শ্ৰীতপোধৰ চৌধুৰী, কামৰূপ, (১৫) শ্ৰীগদাধৰ কলিতা, গোৱালপাৰা, (১৬) শ্ৰীকাশীকান্ত শৰ্মা, নগাওঁ, (১৭) শ্ৰীকেশৱ চন্দ্ৰ শৰ্মা, ডিব্ৰু, (১৮) শ্ৰীৰত্নৰাম গগৈ, ডিব্ৰু, (১৯) শ্ৰীসিদ্ধেশ্বৰ কলিতা, ডিব্ৰু, (২০) মহম্মদ আব্দুল খালেক, গোৱালপাৰা, (২১) শ্ৰীকমলাকান্ত দাস, গুৱালকুছি, (২২) শ্ৰীনবীন চন্দ্ৰ বৈশ্য, গুৱালকুছি, (২৩) শ্ৰীসনাতন চন্দ্ৰ দাস, গুৱালকুছি, (২৪) শ্ৰীকেশৱ চন্দ্ৰ বৈশ্য, (২৫) শ্ৰীফটিক চন্দ্ৰ দাস, গুৱালকুছি, (২৬) শ্ৰীৰবিৰাম শৰ্মা, খৈৰাবাৰী, (২৭) শ্ৰীনবাব চামচুৰ ৰহমান, চামদাং, (২৮) শ্ৰীযতীন্দ্ৰনাথ শৰ্মা, চামদাং (২৯) শ্ৰীধীৰা ডেকা, ভুমডুমা, (৩০) শ্ৰীৰুহিদাস নায়ক, চামদাং, (৩১) শ্ৰীঅনিল কুমাৰ শৰ্মা, নামৰূপ, (৩২) শ্ৰীতৰুণ পাঠক, নগাওঁ, (৩৩) মুস্তাফা ৱহীদুল ইছলাম, মীৰাবাৰী, (৩৪) শ্ৰীসোণাৰাম মজুমদাৰ, কাছাৰ, (৩৫) শ্ৰীসৰুনাথ গগৈ, নেমুগুৰি, (৩৬) শ্ৰীহেম বুঢ়াগোহাঁই।

স্বাঃ সত্যেন্দ্ৰ নাথ শৰ্মা
সভাপতি,
অসম সাহিত্য সভা

স্বাঃ নগেন শইকীয়া
১।২।৭৬
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## ত্ৰয়শ্চত্বাৰিংশ সন্মিলন,

বিষয়-বাছনী সভা

ফেব্ৰুৱাৰী ১, ১৯৭৬ খ্ৰীষ্টাব্দঃ গান্ধীভৱন

টিহু।

---

অসম সাহিত্য সভাৰ ত্ৰয়শ্চত্বাৰিংশ সন্মিলনৰ লগত ১৯৭৬ খ্ৰীষ্টাব্দৰ ১ ফেব্ৰুৱাৰী তাৰিখে দিনৰ ২ বজাৰ পৰা টিহুৰ গান্ধী ভৱনত সভাৰ শাখাসমূহৰ পৰা অহা ৬৬৬ জন প্ৰতিনিধিৰ সমাৱেশত বিষয়-বাছনী সভা অনুষ্ঠিত হয়।

১। প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই সভাৰ নিয়মাৱলীৰ ৫২ বিধি অনুসৰি বিদায়ী সভাপতি ডঃ সত্যেন্দ্ৰনাথ শৰ্মাক বিষয়-বাছনী সভা পৰিচালনা কৰিবলৈ আহবান কৰে।

অভ্যৰ্থনা সমিতিৰ পক্ষৰপৰা শ্ৰীকৈলাসময় বৰুৱাই সভাপতিক প্ৰতীক পৰিধাবন কৰে।

২। সভাপতি ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই সভাপতিৰ আসন গ্ৰহণ কৰি তলত দিয়া শোক প্ৰস্তাবটি দাঙি ধৰে আৰু সমবেত সকলোটিয়ে থিয় হৈ দুই মিনিট প্ৰাৰ্থনা কৰে।

অসম সাহিত্য সভাৰ ত্ৰয়শ্চত্বাৰিংশ টিহু সন্মিলনে তলত নাম উল্লেখ কৰা ব্যক্তিসকলৰ পৰলোকত গভীৰ শোক প্ৰকাশ কৰে আৰু আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

বিশ্ববৰেণ্য দাৰ্শনিক ৰাজনীতিক প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণন, অসম সাহিত্য সভাৰ চলিত বছৰৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য, বিখ্যাত শিশু সাহিত্যিক কবি-নাট্যকাৰ এম, ইব্ৰাহীম আলি, শিলচৰ সাহিত্য সভাৰ সভাপতি আজীৱন সভ্য, আয়ুৰ্বেদ চিকিৎসাৰ সু-চিকিৎসক হৰেশচন্দ্ৰ ভট্টাচাৰ্য, বিশিষ্ট শিশু সাহিত্যসেৱী অনন্ত দেৱ শৰ্মা, প্ৰাক্তন ৰুচ প্ৰধান মন্ত্ৰী নিকোলাই বুলগ্যানিন, চীনা প্ৰধান মন্ত্ৰী চৌ এন লাই, দেৰগাঁৱৰ ভুবনচন্দ্ৰ বৰুৱা, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত পুলিচ অধীক্ষক-লম্বোদৰ শইকীয়া, গুৱাহাটীৰ নাগৰিক জয়কান্ত বৰুৱা, যোৰহাটৰ শিল্পী চন্দ্ৰধৰ বৰদলৈ, টাইমচ অৱ ইণ্ডিয়াৰ সংবাদদাতা-সুদৰ্শন ভাটিয়া, গোলাঘাটৰ খ্যাতনামা আইনজীৱী দৌত্ৰেশ্বৰ দত্ত, বৰপেটাৰ বসন্ত কুমাৰ ওজা, অসমৰ আগশাৰীৰ মুদ্ৰক সোণাৰাম বেজ, বহাৰ নাগৰিক ফণীধৰ হাজৰিকা, নাজিৰাৰ মুক্তিনাথ ফুকন, সৰভোগৰ অভয়চৰণ চৌধুৰী, গুৱাহাটীৰ উষাৰাণী বৰদলৈ, ডিব্ৰুগড়ৰ হেমচন্দ্ৰ কোঁৱৰ, গোলাঘাটৰ ওজা মোলাই বৰা, গোলাঘাটৰ ওজা যোগকান্ত বৰুৱা, শিৱসাগৰৰ ভাওৰীয়া সদানন্দ দাস, নগাওঁৰ আলতাফ হুছেইন, অসমৰ প্ৰবীন সাংবাদিক, সাহিত্যিক লক্ষ্মীনাথ ফুকন, ভাৰতৰ বনুৱা নেতা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী খাণ্ডুভাই দেশাই, কৰাচী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ মহম্মদ হুছেইন, পশ্চিমবঙ্গৰ প্ৰাক্তন ৰাজ্যপাল পদ্মজা নাইডু, ভাৰতৰ অন্যতম বিখ্যাত বনুৱা নেতা পিটাৰ আল ভেৰাহ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দুৰ্গাপ্ৰসাদ ধৰ, জাপানৰ প্ৰধান মন্ত্ৰী ইছাক ছানটা, সাংবাদিক কে-নিবাসন, সাংবাদিক স্বদেশ প্ৰসাদ সিং, কাছাৰৰ সাংবাদিক

বিধুভূষণ চৌধুৰী, অসমৰ প্ৰবীণ সমাজকৰ্মী উপেন্দ্ৰনাথ নবীছ, বাংলাদেশৰ ৰাষ্ট্ৰপতি তথা স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা শ্বেখ মুজিবুৰ ৰহমান, বেংগলৰ প্ৰখ্যাত পদাৰ্থবিদ ধীৰেন্দ্ৰ মোহন বসু, লক্ষীপুৰৰ প্ৰফুল্লবালা চৌধুৰী, নলবাৰীৰ কৰুণাকান্ত ভট্টাচাৰ্য, বাইহাটাৰ বুলু আৰা শইকীয়া, পলাশবাৰীৰ কৰুণা পাঠক, মঙ্গলদৈৰ বীৰেন্দ্ৰ নাৰায়ণ দাস, তেজপুৰৰ ফণীধৰ সিংহ, নগাওঁৰ মুক্তিদেৱ গোস্বামী, হোজাইৰ ভুবন চন্দ্ৰ বৰা, গোলাঘাটৰ লিলি গোস্বামী, যোৰহাটৰ ৰুদ্ৰকান্ত বৰা, শশীপ্ৰভা বৰবৰা, তাৰানাথ বৰপুজাৰী, ধৰণীধৰ বৰুৱা, শিৱসাগৰৰ যোগানন্দ গোহাঁই, ডিব্ৰুগড়ৰ ধূৰ্জটীচৰণ মিত্ৰ, গুৱাহাটীৰ কণকচন্দ্ৰ দাস, আৰু বিমলা বৰুৱা, বিশ্বৰ প্ৰসিদ্ধ ইতিহাস প্ৰণেতা আৰ্ণল্ড টয়নবী, অসমৰ প্ৰসিদ্ধ সাংবাদিক আৰু সাহিত্যসেৱী, যোগেন্দ্ৰনাথ বৰকাকতী, উত্তৰ লক্ষীমপুৰৰ বিশিষ্ট সাহিত্যসেৱী আৰু শিক্ষাবিদ চিৰাজুল হক বৰুৱা, প্ৰবীণ বুৰঞ্জীবিদ সৰ্বেশ্বৰ বৰুৱা আৰু ডিব্ৰুগড়ৰ সাহিত্য সেৱী আলোক চন্দ্ৰ ৰাজখোৱা, সংগীতজ্ঞ কণক চন্দ্ৰ দাস, মঙ্গলদৈৰ বুৰঞ্জী লেখক শ্ৰীদীনেশ্বৰ শৰ্মা, সমাজ কৰ্মী হলিৰাম নাথ চহৰীয়া, বিশিষ্ট বঙালী সাহিত্যিক নৰেন্দ্ৰনাথ মিত্ৰ, প্ৰসিদ্ধ সংগীতজ্ঞ বিনায়ক ৰাও পট্টবৰ্ধন, অসমৰ মুখ্য সচিব, কে-জি-আৰ আয়াৰ, ভাৰতৰ অন্যতম ৰাজনৈতিক নেতা কামৰাজ নাদাৰ, কামৰূপৰ কান্তিৰাম মেধি, প্ৰখ্যাত সংগীতজ্ঞ শচীনদেৱ বৰ্মন, প্ৰবীণ সাংবাদিক সংসদী সদস্য বি-সিং ৰাও, প্ৰাক্তন মন্ত্ৰী প্ৰবীণ কুমাৰ চৌধুৰী, গুৱাহাটীৰ শিক্ষাবিদ নৰেন শৰ্মা, বাংলা সাহিত্যিক নিৰঞ্জন মজুমদাৰ, নগাওঁৰ বিশিষ্ট নাগৰিক চন্দ্ৰকান্ত নেওগ, অভয়াপুৰীৰ সমাজ কৰ্মী কমলেশ্বৰ শৰ্মা, দুলীয়া সমাজ কৰ্মী চণ্ডীনাথ শৰ্মা, বেৰেঙ্গীয়াৰ শিক্ষক মনকালী ভাগৱতী, বজালীৰ সাহিত্য প্ৰেমী গৌৰীকান্ত শৰ্মা, গুৱাহাটীৰ নাগৰিক খগেন্দ্ৰনাথ দত্ত ভুঞা, বিশিষ্ট সংগীতজ্ঞ বসন্ত দেশাই, গুৱাহাটীৰ সংগীতজ্ঞ বলোৰাম দাস, যোৰহাটৰ পদ্মলোচনী দেৱী, জগন্নাথ বৰঠাকুৰ আৰু ডাক্তৰ ভগীৰথ দাস, গুৱাহাটীৰ কৃষ্ণ প্ৰসাদ বৰুৱা, গুৱাহাটীৰ কবিচন্দ্ৰ মহন্ত, যোৰহাটৰ নকুল চন্দ্ৰ সভাপণ্ডিত, বঙালী কথা সাহিত্যিক শৈলজানন্দ চট্টোপাধ্যায়, পদ্মবিভূষণ আহমেদ জান থিৰাক, তৰুণ সংগীতজ্ঞ পৱন বৰদলৈ, নলবাৰীৰ নিৰ্ভয় চন্দ্ৰ মহন্ত, নিষ্ঠাবান সমাজ-কৰ্মী কৃষ্ণ প্ৰসাদ দত্ত, যোৰহাটৰ প্ৰসন্ন কুমাৰ বৰুৱা, তেজপুৰৰ বিনোদ চন্দ্ৰ দত্ত, বাৰম্বাৰ সভাৰ অধিকাৰ গোপালকৃষ্ণ গোস্বামী, উত্তৰ গুৱাহাটীৰ শিক্ষাবিদ কুমুদ চন্দ্ৰ বৰদলৈ গুৱাহাটীৰ শিক্ষক কালিৰাম তহবিলদাৰ, বৃটিছ ৰহস্য কাহিনী ৰচয়িতা আগাথা ক্ৰিষ্টী, উত্তৰ আঞ্চলিক শাখা সাহিত্য সভাৰ সদস্য উত্তম ডেকা, গুৱাহাটীৰ দেৱপাল দাস, ডিব্ৰুগড়ৰ সৰুমলা গগৈ।

৩। অভ্যৰ্থনা সমিতিৰ সভাপতি ডাক্তৰ ভূমিধৰ বৰ্মণে সভাৰ প্ৰতিনিধিসকলক স্বাগত সম্ভাষণ জনায় আৰু অসম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলনৰ দৰে ব্যাপক অনুষ্ঠানৰ আয়োজনত হ'ব পৰা ত্ৰুটী-বিচ্যুতিৰ বাবে ক্ষমা বিচাৰে।

৪। প্ৰধান সম্পাদকে—১। আৰম্ভণি, ২। তৰ্পণ, ৩। প্ৰস্তাৱ প্ৰসংগ, ৪। '৭৪-৭৫' বিত্তীয় বছৰৰ হিচাপ, ৫। '৭৩-৭৪' বিত্তীয় বছৰৰ বিশেষ পুঁজিৰ হিচাপ, ৬। কাৰ্য-নিৰ্বাহক সমিতিৰ অধিৱেশন, ৭। '৭৫-৭৬' বিত্তীয় বছৰৰ আয়-ব্যয়ক, ৮। উপ-সমিতিসমূহ, ৯। অভিনন্দন, ১০। ভাষাজ্ঞান পৰীক্ষা, ১১। ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰ, ১২। অসম সাহিত্য সভা পত্ৰিকা, ১৩। সংগঠন, ১৪। সভাৰ আৰ্থিক অৱস্থা, ১৫। প্ৰকাশন, ১৬। পুনৰমুদ্ৰণ, ১৭। সভাৰ কেন্দ্ৰীয় পুথিভঁড়াল, ১৮। শতবাৰ্ষিকী, ১৯। সাহিত্য সভা সপ্তাহ, ২০। আনন্দৰাম বৰুৱা সোঁৱৰণী বক্তৃতা, ২১। লেখক শিবিৰ, ২২। দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱন, ২৩। কাৰ্যালয় পৰিচালনা, ২৪। সামৰণি—এই কেইটা ছেদত বিভক্ত কৰি চলিত বছৰৰ কামৰ খতিয়ান দাঙি ধৰে।

বিষয়-বাছনী সভাই প্ৰধান সম্পাদকৰ প্ৰতিবেদন গ্ৰহণ কৰে।

৬। প্ৰধান সম্পাদকে ১৯৭৪-৭৫ বিত্তীয় বছৰৰ হিচাপ ( আয়-২, ২৯, ০৮৩'৭৩ টকা ব্যয়-১, ৯৯, ৫৭৩'৬২ টকা আৰু বাহি ২৯, ৫১০'০৯ টকা ) দাখিল কৰে।

৭। প্ৰধান সম্পাদকে শাখাসমূহৰ পৰা অহা ৮ টা নিয়মাৱলী সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে।

সভাই বিশদ আলোচনাৰ অন্তত নিয়মাৱলীৰ ৫ম ছেদৰ ১৭ বিধিৰ ১০ ক্ৰমাংক এনে ভাৱে সংশোধন কৰি গ্ৰহণ কৰে :

> "১৮-২১লৈ ৪ জন সদস্য নিৰ্বাচিত সদস্যসকল আৰু সভাপতিয়ে প্ৰথম সুযোগতে মনোনীত কৰি ল'ব। সভাপতি প্ৰমুখ্যে ৭ জন নিৰ্বাচিত সদস্য উপস্থিত থাকিলেই এই বৈঠক বহিব পাৰিব। এই বৈঠক বিদায়ী প্ৰধান সম্পাদকেই আহবান



> কৰিব আৰু তেওঁ উপস্থিত থাকি ভাগ ল'ব পাৰিব। বিদায়ী সভাপতিকো এই বৈঠকলৈ আমন্ত্ৰণ কৰিব।"

৮। অসম সাহিত্য সভাৰ শাখাসমূহৰ পৰা অহা প্ৰস্তাৱ-সমূহ বিবেচনা কৰি কাৰ্যনিৰ্বাহক সমিতিয়ে যি তিনিটা প্ৰস্তাৱ দাঙি ধৰিবৰ মনেৰে অনুমোদন জনাইছিল সেই তিনিটা প্ৰস্তাৱ প্ৰধান সম্পাদকে উত্থাপন কৰে। সভাই বিস্তৃতভাৱে প্ৰত্যেকটি প্ৰস্তাৱ সম্পৰ্কে আলোচনা কৰে আৰু তলৰ ৰূপত প্ৰস্তাৱ কেইটি গ্ৰহণ কৰে।

১। অসম সাহিত্য সভাই অনুভৱ কৰে যে—দেশৰ সাহিত্য-সংস্কৃতিৰ লগত দেশৰ জনসাধাৰণৰ জীৱনৰ সম্পৰ্ক সদায় অতিশয় নিবিড় আৰু দৃঢ় হোৱা বাঞ্চনীয়। জন-সাধাৰণৰ আনন্দ আৰু বেদনাৰ যথাৰ্থ চিত্ৰনৰ মাজেৰে জনজীৱনক মহৎ লক্ষৰ প্ৰতি উদ্বুদ্ধ কৰি তোলাটোও সাহিত্যিক শিল্পীৰেই দায়িত্ব। সভাৰ ত্ৰয়শ্চত্বাৰিংশ সন্মিলনে ঘিৰোৱ ৰচনাই মানসিক অপকৰ্ষ সাধন কৰিব পাৰে তেনে সাহিত্যৰ বিৰোধিতা কৰে আৰু আশা প্ৰকাশ কৰে যে অসমীয়া ভাষাৰ সাহিত্যিকসকলৰ ৰচনাই সেই লক্ষৰ প্ৰাপ্তিৰ খোপান ৰচনা কৰক আৰু বাস্তৱিক জীৱনৰ উন্নয়নৰ বাবেও যথাসম্ভৱ অৰিহনা যোগাওক।

২। অসম সাহিত্য সভাই উত্তৰ পূৱ ভাৰতৰ বিভিন্ন ভাষা-ভাষী জনসাধাৰণৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ বান্ধ দৃঢ়ৰ পৰা দৃঢ়তৰ হোৱাটো বাঞ্চা কৰি আহিছে। সভাই মত প্ৰকাশ কৰে যে থলুৱা ভাষাসমূহৰ বিকাশত বাধাগ্ৰস্ত নহবাকৈ এই বৈচিত্ৰ্যপূৰ্ণ অঞ্চলটিৰ জনসাধাৰণক সাংস্কৃতিক আৰু ব্যৱহাৰিকভাৱে সংযুক্ত কৰি ৰখাৰ একমাত্ৰ মাধ্যম অসমীয়া ভাষাৰ ব্যৱহাৰ যাতে সক্ৰিয়নিকৈ ৰাখিব পাৰি তাৰ বাবে অনুকূল পৰিৱেশ ৰচনা কৰিবলৈ অসম চৰকাৰক ধৰি উত্তৰ-পূব ভাৰতৰ ৰাজ্য চৰকাৰ সমূহক অনুৰোধ জনোৱা হওক।

(৩) অসম সাহিত্য সভাই প্ৰস্তাৱ কৰে যে প্ৰস্তাৱিত ৰাধাকান্ত সন্দিকৈ ভৱন অসমৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ কেন্দ্ৰীয় বিদ্যায়তন স্বৰূপে গঢ়ি তুলি অসম আৰু ওচৰ চুবুৰীয়া অঞ্চলৰ জনসাধাৰণৰ ভাষা-সংস্কৃতিৰ অধ্যয়নৰ কেন্দ্ৰত পৰিণত কৰা হওক। এই সম্পৰ্কত সভাই অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু সমূহ ৰাইজৰ কাৰ্যকৰী সহায় আৰু সহযোগিতা কামনা কৰে।

তদুপৰি অসমৰ সত্ৰীয়া সংস্কৃতি আৰু লোক সংস্কৃতিৰ আকৰ স্বৰূপ মাজুলীতো এটি সাংস্কৃতিক অধ্যয়ন কেন্দ্ৰ গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰক অনুৰোধ জনায়।

৯। প্ৰধান সম্পাদকে জনায় যে সভাৰ অভ্যৰ্থনা সমিতি-সমূহৰ কেইবাখনিৰ পৰাও অদ্য পৰিমিত আয়-ব্যয়ৰ হিচাপ পোৱা হোৱা নাই। তাৰ ভিতৰত ত্ৰিচত্বাৰিংশ তিতাবৰ সন্মিলনৰ অভ্যৰ্থনা সমিতিয়ে ১, ৫৬, ৭২২'৫৫ টকাৰ আয়-ব্যয়ৰ আংশিক হিচাপ এটি দিছে আৰু সম্পূৰ্ণ হিচাপ ১৯৭৬ খ্ৰীষ্টাব্দৰ ৩১ মাৰ্চৰ ভিতৰতে দিয়াৰ কথা জনাইছে।

সভা অৱগত হয় আৰু নিৰ্দিষ্ট সময়ত হিচাপ পাবলৈ আশা প্ৰকাশ কৰে। কেইবাখনিও অভ্যৰ্থনা সমিতিয়ে অদ্য পৰিমিত হিচাপ দাখিল নকৰাত সভাই দুখ প্ৰকাশ কৰে। আৰু ইয়াৰ দ্বাৰা সভাৰ ভাবমূৰ্তি নষ্ট হোৱাৰ আশংকা কৰে। সভাই সংশ্লিষ্ট সমিতিসমূহক পলমকৈ হলেও এতিয়াও হিচাপ দাখিল কৰিবলৈ আহবান জনায়।

১০। সভাপতি ডাঙৰীয়াই সন্ধ্যা ৫-৫০ বজাৰ পৰা ৮ বজালৈ বিষয়-বাছনী সভা স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

১১। সন্ধ্যা ৮ বজাত পুনৰ বিষয়-বাছনী সভা আৰম্ভ হয় আৰু পৰৱৰ্তী সন্মিলনৰ স্থান সম্পৰ্কে আলোচনা হয়। প্ৰধান সম্পাদকে জনায় যে—অভয়াপুৰী, গুৱালকুছি, মৰিগাওঁ, ৰহা, নাজিৰা, গোলাঘাট আৰু শিলচৰে পৰৱৰ্তী সন্মিলন নিমন্ত্ৰণ কৰিছে।

বিশদ আলোচনাৰ অন্তত সভাই অভয়াপুৰীৰ আমন্ত্ৰণ গ্ৰহণ কৰে। অভয়াপুৰীৰ সদস্য শ্ৰীশৈলেন্দ্ৰ নাৰায়ণ দাসে আনুষ্ঠানিকভাৱে পৰৱৰ্তী সন্মিলন নিমন্ত্ৰণ কৰে আৰু হৰ্ষধ্বনিৰে সভাই গ্ৰহণ কৰে।

১২। সভাপতিয়ে ঘোষণা কৰে যে—সভাৰ নিয়মাৱলী অনুসৰি অহা বছৰৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়-ববীয়া নিৰ্বাচন কৰিব লাগে। উপসভাপতি, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক ( যোৰহাট ), সহকাৰী সম্পাদক ( গুৱাহাটী ), ধনভঁড়ালী, পত্ৰিকা সম্পাদক, ভাষাজ্ঞান সংসদৰ সচিব আৰু ৯ জন সদস্যৰ বাবে নাম প্ৰস্তাৱ হ'ব লাগে।

উল্লেখিত পদসমূহৰ বাবে তলত দিয়াৰ দৰে নাম প্ৰস্তাৱ হয় ঃ

উপসভাপতি—শ্ৰীযোগেশ দাস, শ্ৰীহিতেশ ডেকা ।

প্ৰধান সম্পাদক—ডঃ হেমন্ত কুমাৰ শৰ্মা, শ্ৰীনলিনী চক্ৰৱৰ্ত্তী, আব্দুছ ছাত্তাৰ ।

ধনভঁড়ালী—শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীৰাম গোস্বামী, শ্ৰীকমল বাইলুং ।

পত্ৰিকা সম্পাদক— ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, ডঃ লক্ষহীৰা দাস, শ্ৰীসুৰেন বৰদলৈ, শ্ৰীযতীন গোস্বামী, শ্ৰীদেবেন্দ্ৰনাথ শৰ্মা, শ্ৰীহেম বৰা, শ্ৰীউম্বৰ কাকতি, শ্ৰীনাহেন্দ্ৰ পাদুন, শ্ৰীমহিম বৰা ।

সহকাৰী সম্পাদক—শ্ৰীকনক চন্দ্ৰ ডেকা, শ্ৰীবীৰেন্দ্ৰ কলিতা, শ্ৰীপ্ৰসন্নৰাম দাস, শ্ৰীউমা বৰুৱা ।

কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য—শ্ৰীঅধৰ চন্দ্ৰ ডেকা, শ্ৰীভগত নেওগ, শ্ৰীনৃপেন্দ্ৰ নাথ দাস, হেৰম্ব বৰদলৈ, অৰুণ গোস্বামী, অতুলচন্দ্ৰ বৰুৱা, ইৰানীসেন হাজৰিকা, ফুলেন বৰ্মণ, তুলসী প্ৰসাদ শইকীয়া, ৰাজেন ৰাভা, কৃষ্ণ প্ৰসাদ বৰঠাকুৰ, ৰামচৰণ ঠাকুৰীয়া, শৈলেন্দ্ৰ নাৰায়ণ দাস, কমলেশ্বৰ শইকীয়া, শিৱচৰণ বৈষ্ণৱ, ৰাম গোস্বামী, চিত্তৰঞ্জন চৌধুৰী, ৰমেশ চন্দ্ৰ বৰা, মঃ পিয়াৰ আলি, শ্ৰীমান চক্ৰৱৰ্ত্তী, বীৰেন্দ্ৰ কুমাৰ পাটগিৰি, মেঘ গগৈ, হৰিপ্ৰসাদ ৰাই, আনন্দ শৰ্মা, আব্দুল মালিক চৌধুৰী, জানাছিং তেৰাং, উমেশ ভাগৱতী, গজেন্দ্ৰনাথ চহৰীয়া, শুচিব্ৰতা ৰায়চৌধুৰী, গোবিন্দ চন্দ্ৰ পেগু, বেনুধৰ বৰা, মোহন চন্দ্ৰ ভূঞা, গোবিন্দ মোহন ডেকা, আজিজুৰ ৰহমান বৰভূঞা, নিৰঞ্জন মহন্ত, চামছিং হাঞে, মিলন চন্দ্ৰ চিলিং, হেম মড়ল, আনন্দ শৰ্মা, কৰুণাময় গোস্বামী, ভূধৰ হাজৰিকা, উম্বৰ কাকতি, জগত চেতিয়া, হেম বুঢ়াগোঁহাই, নিলিপদ চৌধুৰী, সতীশ চৌধুৰী, শিৱকান্ত দত্ত, শশী শৰ্মা, দেবেশ্বৰ শৰ্মা, প্ৰণীতা বৰুৱা, বিনোদ লহকৰ, ধীৰেন্দ্ৰ নাথ পূজাৰী, ফনী দাস, অতুলানন্দ গোস্বামী, হিতেন শৰ্মা, লাৱন্য গগৈ, নৰেন্দ্ৰনাথ বৰদলৈ, অশ্বিনীচৰণ চৌধুৰী, হৰেশ্বৰ গোস্বামী, কেশৱ চন্দ্ৰ হাজৰিকা, ভূমিধৰ দাস, খগেন ৰায়ন, ৰত্নেশ্বৰ দাস, ধৰ্মেশ্বৰ ডেকা, জীৱন সিংহ, ধীৰেন্দ্ৰ নাথ শৰ্মা ।

১৩। এই নিৰ্বাচন পৰিচালনা কৰিবৰ কাৰণে প্ৰধান সম্পাদকে শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱাৰ নাম প্ৰস্তাৱ কৰে আৰু সভাই গ্ৰহণ কৰে ।

১৪। মাননীয় সভাপতিয়ে জনাই যে ২ ফেব্ৰুৱাৰী তাৰিখে আবেলি ৪ বজাৰ পৰা ভোট গ্ৰহণ হব আৰু সম্ভৱ ক্ষেত্ৰত ৩ ফেব্ৰুৱাৰীৰ মুকলি সভাত অথবা গধুলীৰ সংগীত অনুষ্ঠানৰ মাজত প্ৰধান সম্পাদকে নিৰ্বাচনী বিষয়াৰ পৰা নিৰ্বাচিতসকলৰ নাম-তালিকা লৈ ঘোষণা কৰিব ।

১৫। মাননীয় সভাপতি ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই কাৰ্য-নিৰ্বাহকৰ সদস্য আৰু প্ৰতিনিধিবৰ্গক সিসকলৰ সহায় সহযোগিতাৰ বাবে শলাগ জ্ঞাপন কৰে ।

১৬। প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই মাননীয় সভাপতি প্ৰমুখ্যে সকলো সদস্য আৰু প্ৰতিনিধিবৰ্গক শলাগ জনায় আৰু টিহু সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰে ।

প্ৰতিনিধিসকলৰ পক্ষৰ পৰা শ্ৰীবিনোদ লহকৰে সভাপতি, প্ৰধান সম্পাদক আৰু কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰে ।

১৭। গধূলি ৯-৪৫ বজাত সভাপতিয়ে বিষয়-বাহনী সভাৰ সামৰণি ঘোষণা কৰে ।

স্বাঃ শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা
সভাপতি,
অসম সাহিত্য সভা

স্বাঃ শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

## নিৰ্বাচনৰ ফল

প্ৰধান সম্পাদকে ৩ ফেব্ৰুৱাৰীৰ দিনা ৰাতি ১০ বজাত সংগীত অনুষ্ঠানৰ কাৰ্যসূচীৰ মাজত নিৰ্বাচনী বিষয়া শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱাৰ পৰা নিৰ্বাচনৰ ফলাফল গ্ৰহণ কৰি ঘোষণা কৰে আৰু নিৰ্বাচনী বিষয়া আৰু সহযোগীসকলৰ ধন্যবাদ জ্ঞাপন কৰে ।



## ১৯৭৬-৭৭ চনৰ কাৰ্যনিৰ্বাহক সমিতি

সভাপতি—শ্ৰীযজ্ঞেশ্বৰ শৰ্মা,

উপসভাপতি—শ্ৰীহিতেশ ডেকা, গুৱাহাটী

প্ৰধান সম্পাদক—ডঃ হেমন্তকুমাৰ শৰ্মা, গুৱাহাটী

সহকাৰী সম্পাদক ( যোৰহাট )—শ্ৰীবসন্ত কুমাৰ গোস্বামী ( বিনা-প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত )

" " ( গুৱাহাটী )—প্ৰসন্ন ৰাম দাস, গুৱাহাটী

ধনভঁড়ালী—শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, গুৱাহাটী

পত্ৰিকা সম্পাদক—শ্ৰীযতীন গোস্বামী, গুৱাহাটী

ভাষাজ্ঞান পৰীক্ষা সচিব—শ্ৰীপ্ৰকাশ গোস্বামী ( বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত ) যোৰহাট,

সদস্য—শ্ৰীঅতুল চন্দ্ৰ বৰুৱা—গুৱাহাটী, শ্ৰীমতী শুচিব্ৰতা ৰায়চৌধুৰী—গুৱাহাটী, শ্ৰীৰামচৰণ ঠাকুৰীয়া—গুৱাহাটী, শ্ৰীশ্ৰীমান চক্ৰৱৰ্ত্তী—গুৱালকুছি, শ্ৰীসতীশ চৌধুৰী—পাঠশালা, শ্ৰীনিৰঞ্জন মহন্ত—শিলচৰ, শ্ৰীহৰেশ্বৰ গোস্বামী—নগাওঁ, মঃ আব্দুল মালিক চৌধুৰী—কৰিমগঞ্জ, শ্ৰীঅৰুণ গোস্বামী—যোৰহাট

( ৪ ফেব্ৰুৱাৰী তাৰিখে টিহু কলেজত পুৱা ১০ বজাত আহবান কৰা এই নৱ নিৰ্বাচিত সদস্যসকলৰ সভাই তলত নাম দিয়া সকলক মনোনীত সদস্য হিচাপে গ্ৰহণ কৰে—

মনোনীত সদস্য—শ্ৰীলীলা গগৈ ডিব্ৰুগড়, শ্ৰীইন্দ্ৰেশ্বৰ পেগু-মাজুলী, শ্ৰীচামছিং হাঞ্চে—মিকিৰপাহাৰ, শ্ৰীসুৰান হাজো—তেজপুৰ ।

স্বাঃ শ্ৰীনগেন শইকীয়া
৩।২।৭৬

# অসম সাহিত্য সভা

১৯৭৬-৭৭

## কাৰ্য্য-নিৰ্বাহক সমিতিৰ বিশেষ অধিবেশন

টিহ কলেজ

৪ ফেব্ৰুৱাৰী, ১৯৭৬

### উপস্থিত সদস্যসকল

১। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, ডঃ হেমন্তকুমাৰ শৰ্মা, শ্ৰীঅৰুণ চন্দ্ৰ গোস্বামী, মঃ আব্দুল মালিক চৌধুৰী, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীযতীন গোস্বামী, শ্ৰীপ্ৰসন্নৰাম দাস, শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীহিতেশ ডেকা, শ্ৰীনগেন শইকীয়া ( আহবায়ক )

### বিশেষভাৱে নিমন্ত্ৰিত

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা, শ্ৰীঅমল ৰাজখোৱা।

১। বিদায়ী প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই নিয়মাৱলী অনুসৰি অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাক সভা পৰিচালনা কৰিবলৈ অনুৰোধ জনায়।

২। সভাপতিয়ে আসন গ্ৰহণ কৰি সদস্যসকলক স্বাগতম জনায়।

৩। বিদায়ী সম্পাদকে কাৰ্য-নিৰ্বাহকৰ বাবে হোৱা নিৰ্বাচনৰ ফলাফল দাঙি ধৰে।

সভাপতিয়ে সিদ্ধান্ত কৰে যে—

"তলত নাম দিয়া ব্যক্তিসকলক অসম সাহিত্য সভাৰ ১৯৭৬-৭৭ চনৰ কাৰ্য্য-নিৰ্বাহক সমিতিলৈ মনোনীত কৰা হওক ঃ

১) শ্ৰীচামচিং হাঞ্চে, ডিফু ( মিকিৰ পাহাৰ )
২) শ্ৰীইন্দ্ৰেশ্বৰ পেগু, মাজুলী ( শিৱসাগৰ )
৩) শ্ৰীলীলা গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়
৪) শ্ৰীসুৰান হৰো, তেজপুৰ ( দৰং )

৪। সমিতিয়ে অনুভৱ কৰে যে অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিত অসমৰ বিভিন্ন অঞ্চল আৰু সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব সমানে হোৱা নাই। সেইবাবে সমিতিয়ে প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে যে প্ৰত্যেক কাৰ্যনিৰ্বাহক সমিতিৰ অধিৱেশনলৈ প্ৰতিনিধিত্ব নোপোৱা অঞ্চল আৰু সম্প্ৰদায়ৰ কমেও দুজন ব্যক্তিক বিশেষভাৱে নিমন্ত্ৰণ জনাব।

৫। সমিতিয়ে নিৰ্বাচন পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰি এই কাৰ্য সম্পন্ন কৰাৰ বাবে শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা আৰু তেওঁৰ সহযোগী সকলৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰে।

৬। সমিতিয়ে নিৰ্বাচনী-বিষয়া শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱাই ভৱিষ্যতে নিৰ্বাচন কাৰ্য সম্পন্ন কৰিবলৈ এখন আঁচনি সুপৰিকল্পিতভাৱে লোৱাৰ বাবে যি দি পৰামৰ্শ আগবঢ়াইছে সমিতিয়ে সেই পৰামৰ্শৰ প্ৰতি লক্ষ্য ৰখাৰ বাবে সিদ্ধান্ত কৰে।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
৪।২।৭৬
সভাপতি
অসম সাহিত্য সভা।

শ্ৰীনগেন শইকীয়া
৪।২।৭৬
বিদায়ী প্ৰধান সম্পাদক
অসম সাহিত্য সভা।

# অসম সাহিত্য সভা

## কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশন

১৯৭৬-৭৭ চন

স্থানঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

২৭ মাৰ্চ ১৯৭৬ ঃ গধূলি ৬ বজা

উপস্থিত সদস্যসকল ঃ

সৰ্বশ্ৰী যজ্ঞেশ্বৰ শৰ্মা ( সভাপতি, ) হিতেশ ডেকা ( উপ-সভাপতি ), ডঃ হেমন্ত কুমাৰ শৰ্মা ( প্ৰধান সম্পাদক ), বসন্ত কুমাৰ গোস্বামী ( সহঃ সম্পাদক, যোৰহাট ), প্ৰসন্নৰাম দাস ( সহঃ সম্পাদক, গুৱাহাটী ), দুৰ্গেশ্বৰ শৰ্মা ( ধনভঁৰালী ), যতীন গোস্বামী ( পত্ৰিকা সম্পাদক ), প্ৰকাশ গোস্বামী ( সচিব, ভাষাজ্ঞান-পৰীক্ষা সংসদ ), হৰেশ্বৰ গোস্বামী, শ্ৰীমান চক্ৰৱৰ্তী, লীলা গগৈ, আব্দুল মালিক চৌধুৰী, নিৰঞ্জন মহন্ত, ইন্দ্ৰেশ্বৰ পেগু, ৰামচৰণ ঠাকুৰীয়া, অতুলচন্দ্ৰ বৰুৱা, সুচিব্ৰতা ৰায়চৌধুৰী, অৰুণচন্দ্ৰ গোস্বামী, সতীশ চন্দ্ৰ চৌধুৰী।

বিশেষভাৱে নিমন্ত্ৰিতসকল ঃ

সৰ্বশ্ৰী যতীন্দ্ৰনাথ গোস্বামী, নগেন শইকীয়া, অমল ৰাজখোৱা, ডিম্বেশ্বৰ শৰ্মা, দেৱপ্ৰসাদ বৰুৱা, গোবিন্দচন্দ্ৰ দেৱা, শৈলেন্দ্ৰনাৰায়ণ দাস, বীৰেন্দ্ৰকুমাৰ দাস ৰাজেন ৰাভা, তৰুণচন্দ্ৰ পামেগাম, কুতুবুদ্দিন আহমেদ, শ্ৰীমতী অৱলা গোঁহাই।

১। প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ মাননীয় সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাক সভা পৰিচালনা কৰিবৰ বাবে আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। সভাপতিয়ে আসন গ্ৰহণ কৰে।

২। সভাপতিয়ে তলত দিয়া শোক প্ৰস্তাৱটি উত্থাপন কৰে—

(ক) অসম সাহিত্য সভাৰ ১৯৭৬-৭৭ চনৰ কাৰ্য-নিৰ্বাহক সমিতিৰ আজিৰ এই অধিৱেশনে অসম সাহিত্য সভাৰ ধুবুৰীত বহা ৩৯শ অধিৱেশনৰ কবি সন্মিলনৰ সভাপতি, বিদগ্ধ সংস্কৃত পণ্ডিত আৰু সাহিত্যিক শ্ৰীবৈকুণ্ঠনাথ চক্ৰৱৰ্তীৰ আকস্মিক বিয়োগত আৰু অসম আৰু ভাৰতৰ প্ৰাক্তন মন্ত্ৰী, সংসদী সদস্য আৰু প্ৰগতিশীল নেতা শ্ৰীমইনুল হক চৌধুৰীৰ আকস্মিক আৰু অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ শান্তিৰ কাৰণে ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনায় আৰু শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

(খ) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ এই অধিৱেশনে তলত নাম দিয়া লোকসকলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনায় আৰু শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে ঃ—

মঙ্গলদৈৰ প্ৰবীণ উকীল পূৰ্ণানন্দ ৰাজখোৱা, দিচাংমুখৰ স্বৰ্ণবালা দেৱী, বিহপুৰীয়াৰ সংবাদিক চন্দ্ৰকুমাৰ বৰুৱা,

গড়মুৰ সত্ৰৰ ধনভড়াৰী পূৰ্ণকান্ত ধনভড়াৰী, বৰপেটাৰ হাতীদাঁতৰ শিল্পী জগন্নাথ দাস, ডিব্ৰুগড়ৰ ৰমণীকান্ত বৰা, শিৱসাগৰৰ ৰাধিকাপ্ৰসাদ কাকতি, তেজপুৰৰ তেজেন দত্ত, দুলীৰ দেহীৰাম ডেকা আৰু চণ্ডীনাথ শৰ্মা, নগাঁৱৰ তজমিজুৰ ৰহমান, জালাহৰ হংসনাথ দাস, কৰবাৰ বস্তিৰাম দাস, উত্তৰ গুৱাহাটীৰ সংস্কৃত পণ্ডিত চক্ৰেশ্বৰ দেৱ শৰ্মা, মধ্য প্ৰদেশৰ প্ৰাক্তন ৰাজ্যপাল কে,চি, ৰেড্ডী, সৰবৰহী ডেকা দিনেশচন্দ্ৰ ডেকা, চৰকাৰী বিষয়া এম, এইচ ৰহমান, জালাহৰ নাট্য-শিল্পী কালীকান্ত শৰ্মা, গুৱাহাটীৰ নবীন চৌধুৰী, গুৱাহাটী উচ্চন্যায়ালয়ৰ পঞ্জীয়ক দুৰ্গানাথ হাজৰিকা, ৰেচম আৰু বয়ন বিভাগৰ বিশেষ বিষয়া চন্দ্ৰনাথ বৰুৱা, গুৱাহাটীৰ প্ৰবীণ সাহিত্যসেৱী আৰু লেখক প্ৰফুল্ল চন্দ্ৰ বৰুৱা, হাৰিয়ানাৰ ৰাজ্যপাল বি.এন.চক্ৰবৰ্তী, মাজুলীৰ সনাতন পেগু আৰু ৰৰহাপজানৰ আজীৱন সভ্য নুৰুল হুছেইন।

প্ৰস্তাৱ পাঠৰ অন্তত সকলোৱে দুই মিনিট থিয় হৈ মৌন প্ৰাৰ্থনা কৰে।

৩। প্ৰধান সম্পাদকে নব-নিৰ্বাচিত সদস্য আৰু নিমন্ত্ৰিত সকলক সাদৰ সম্ভাষণ জনায় আৰু সিসকলক পৰিচয় প্ৰদান কৰে।

৪। বিদায়ী প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই সদস্য-সকলক স্বাগতম জনায় আৰু সাহিত্য সভাৰ সমৃদ্ধি কামনা কৰে।

৫। প্ৰধান সম্পাদকে ১৯৭৫-৭৬ চনৰ কাৰ্য্য-নিৰ্বাহক সমিতিৰ শেষ অধিবেশনৰ কাৰ্য-বিৱৰণি আৰু চিহ্নত অনুষ্ঠিত হৈ যোৱা অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ সন্মিলনৰ বিষয়-বাছনি সভাত গৃহীত কাৰ্য-বিৱৰণি উত্থাপন কৰে আৰু সমিতিয়ে গ্ৰহণ কৰে।

৬। প্ৰধান সম্পাদকে চিহ্নত বহা নবনিৰ্বাচিত সদস্যসকলৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিশেষ অধিবেশনৰ কাৰ্যবিৱৰণি উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৭। সভাত পূৰ্বৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যবিৱৰণি আৰু বিষয়-বাছনি সভাৰ কাৰ্যবিৱৰণিৰ পৰা উত্থিত বিষয় আলোচিত হয়। প্ৰধান সম্পাদকে জনায় যে কাৰ্য-নিৰ্বাহক সমিতিৰ কাৰ্যবিৱৰণিৰ ঃ

(ক) নং ছেদত উল্লেখ কৰা মতে ছপা কৰিবলৈ দিয়া ১৬ খন পুথিৰ ৯ খনৰ সম্পূৰ্ণ জমা পোৱা হ'ল, পাঁচখনৰ ছপা সম্পূৰ্ণ হৈছে আৰু দুখনৰ ছপা কাম চলি আছে। তদুপৰি যোৱা বছৰ প্ৰকাশ কৰিব খোজা পুথিৰ ভিতৰত (১) শ্ৰীতাৰিণী কান্ত ভট্টাচাৰ্যৰ 'ছেকছ্‌পীয়েৰ', (২) ড° হেমন্ত কুমাৰ শৰ্মাৰ 'কামৰূপী লোকগীতি সংগ্ৰহ', (৩) ড° ইম্ৰাদ আলিৰ 'অসমীয়া সমাজ আৰু ইছলাম সংস্কৃতিৰ' সম্পূৰ্ণ পাণ্ডুলিপি আৰু (৪) অৰুণকুমাৰ খেৰীয়াৰ 'লুইত পাৰৰ আমি অসমীয়া'ৰ পাণ্ডুলিপিৰ এটা অংশ কাৰ্যালয়ে পাইছে। (৫) মোহিনী মোহন ব্ৰহ্মৰ 'বড়ো জনগোষ্ঠী' এতিয়াও পোৱা হোৱা নাই আৰু (৬) 'নগাভূমি'ৰ পাণ্ডুলিপিৰ কাৰণে শ্ৰীমতী নৱমালতী চক্ৰৱৰ্তীৰ লগত যোগাযোগ কৰা হৈছে।

(খ) প্ৰধান সম্পাদকে জনায় যে ১৭ নং ছেদত উল্লেখ কৰা চৰ্ত শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্যই মানি লৈ 'ছেকছ্‌পীয়েৰৰ' পাণ্ডুলিপি সাহিত্য সভাক ছপা কৰিবলৈ দিছে।

(গ) ৬ নং ছেদত উল্লেখ কৰা মতে সভাৰ বিভিন্ন বঁটা যোৱা ত্ৰিচত্বাৰিংশ সন্মিলনৰ মুকলি অধিবেশনত বঁটা বিজয়ী-সকলক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়।

এই বছৰৰ পৰা 'মুদ্ৰণ আৰু অলংকৰণৰ বঁটা প্ৰকাশকৰ লগতে মুদ্ৰককো দিয়া হ'ব।

(ঘ) কাৰ্যালয় সচিব পদৰ বিজ্ঞাপন দিয়া হোৱা নাই।

(ঙ) ১২ নং ছেদত উল্লেখ কৰা মতে মুখ্য কাৰ্যালয় সহকাৰী আৰু ২য় কাৰ্যালয় সহকাৰীক দিয়া মধ্যৱৰ্তী বানচ নতুন কাৰ্যালয় সচিবৰ নিযুক্তি নিদিয়ালৈকে দি থকা হ'ব। অংশকালীন সহকাৰী পদ উঠাই দিয়া হ'ব।

(চ) ১৮ নং ছেদৰ মৰ্মে বিদায়ী প্ৰধান সম্পাদকে চলিত ১৯৭৫-৭৬ বিত্তীয় বছৰৰ হিচাপ পৰীক্ষকৰ দ্বাৰা হিচাপ কৰোৱাই নব-নিৰ্বাচিত প্ৰধান সম্পাদকক এপ্ৰিলৰ প্ৰথম সপ্তাহতে অৰ্পণ কৰিব।

(ছ) ২২ নং ছেদৰ মৰ্মে আজীৱন সভ্যৰ অক্ষয় পুঁজিৰ ধন 'ষ্টেট বেংক অব ইণ্ডিয়া'ত গচ্ছিত ৰাখিবলৈ সিদ্ধান্ত লোৱা হয়।

(জ) প্ৰধান সম্পাদকে জনায় যে অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ চিহ্ন সন্মিলনত গৃহীত তিনিওটি প্ৰস্তাৱ বিহিত ব্যৱস্থাৰ কাৰণে যথাস্থানলৈ প্ৰেৰণ কৰা হৈছে।

৮। প্ৰধান সম্পাদকে ১৯৭৬-৭৭ চনৰ বাবে কাৰ্যাৱলীৰ



প্ৰাথমিক আঁচনি দাঙি ধৰে আৰু সমিতিয়ে পৰ্যালোচনা গ্ৰহণ কৰে।

## ৯। প্ৰকাশন আঁচনি ঃ

(ক) জনজাতীয় জীৱন ভিত্তিক প্ৰকাশন ঃ এই শিতানত অসম আৰু ইয়াৰ দাঁতি-কাষৰীয়া ৰাজ্যৰ কেইটিমান জনজাতিৰ মাজত প্ৰচলিত কেইখনমান সাধুকথাৰ পুথি সৰল ভাষাত প্ৰকাশ কৰা হ'ব। প্ৰতিখন পুথি ৬০ পৃষ্ঠামানৰ ভিতৰত হ'ব। পুথিত সাধুকথাৰ লগতে সাধুকথাৰ লগত জড়িত সেই বিশেষ জনজাতিৰ পৰিচয়মূলক একোখন পাতনি আৰু সাধুকথাৰ মাজে মাজে সন্নাৱনিকৈ ব্যৱহাৰ হোৱা থলুৱা (জনজাতীয়) শব্দ (অসমীয়া অৰ্থসহ) থাকিব লাগিব। প্ৰস্তাৱিত পুথিকেইখন হ'ল ঃ

| | প্ৰস্তাৱিত লিখক |
|---|---|
| বড়ো সাধু— | শ্ৰীধীৰেন্দ্ৰকুমাৰ দাস |
| ৰাভা সাধু— | শ্ৰীৰাজেন ৰাভা |
| মিছিং সাধু— | শ্ৰীতৰুণচন্দ্ৰ পামেগাম |
| ডিমাছা সাধু— | শ্ৰীসোণাৰাম থাওছেন বা শ্ৰীবুদ্ধীন্দ্ৰনাথ বৰদলৈ |
| কাৰ্বী সাধু— | শ্ৰীৰংবং তেৰাং |
| হাজং সাধু— | শ্ৰীপৰেশচন্দ্ৰ হাজং, তুৰা ডি, চি, অফিচ |
| তিৱা বা লালুং সাধু— | শ্ৰীবলাইৰাম সেনাপতি, বাৰপুজীয়া নগাওঁ |
| দেউৰী সাধু— | শ্ৰীডম্বৰুধৰ দেউৰী বা শ্ৰীকনকচন্দ্ৰ দেউৰী |
| ছেৰদুকপেনৰ সাধু— | শ্ৰীয়েছে দৰ্জে ঠংছে |
| চাহ-বনুৱাৰ মাজত প্ৰচলিত সাধু— | শ্ৰীদেউৰাম তাছা |
| নগাৰ সাধু— | শ্ৰীগোবিন্দচন্দ্ৰ পেৰা বা শ্ৰীহৰিপ্ৰসাদ ৰাই |

(খ) আন্তৰ্জাতিক শিশুসাহিত্য বছৰ উপলক্ষে প্ৰস্তাৱিত প্ৰকাশন। বিভিন্ন ধৰ্মৰ কাহিনী সম্বলিত এলানি গ্ৰন্থৰ প্ৰতিখনতে প্ৰায় ৮০ পৃষ্ঠা থাকিব—

| পুথিৰ নাম | প্ৰস্তাৱিত লেখক |
|---|---|
| পুৰাণৰ সাধু— | শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী |
| ইছলামীয় সাধু বা ন-অসমীয়াৰ সাধু | —এম, ইব্ৰাহিম আলি |
| বাইবেলৰ সাধু— | শ্ৰীমতী মিনি এমজ্‌ |
| জাতকৰ সাধু তথা বৌদ্ধধৰ্মীয় সাধু | —শ্ৰীশাসনবংশ ভিক্ষু বা শ্ৰীধৰ্মপাল ভিক্ষু |
| শিখ ধৰ্মীয় সাধু— | শ্ৰীৰূপ সিং |
| জৈন ধৰ্মীয় সাধু— | শ্ৰীছগনলাল জৈন |
| নেপালী সাধু— | শ্ৰীতাৰাপতি উপাধ্যায় আৰু শ্ৰীটিকাৰাম উপাধ্যায় |

(গ) বিশ্ববিদ্যা সংগ্ৰহ তথা Home University Libraryৰ আহিত মৌলিক সাহিত্য আৰু শিল্প-বিজ্ঞান সম্পৰ্কীয় এলানি পুথি। প্ৰতিখন পুথিৰ কমেবৰ ৮০-১০০ পৃষ্ঠাৰ ভিতৰত হ'ব।

| প্ৰস্তাৱিত গ্ৰন্থৰ নাম | প্ৰস্তাৱিত লেখক |
|---|---|
| ৰস আৰু ধ্বনি পৰিচয়— | ড° মুকুন্দ মাধৱ শৰ্মা |
| কবিতা — | অধ্যক্ষ বীৰেন বৰকটকী বা ড° মহেন্দ্ৰ বৰা |
| উপন্যাস— | ড° গোবিন্দ প্ৰসাদ শৰ্মা বা মঃ ৰায়হান শ্বাহ |
| কিতাপৰ কথা— | শ্ৰীৰাম গোস্বামী |
| সৌন্দৰ্য তত্ত্ব দৰ্শন— | শ্ৰীনগেন শইকীয়া |

(ঘ) জন্ম শতবাৰ্ষিকী প্ৰকাশন ঃ

দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতি-গ্ৰন্থ—

সংকলক আৰু আৰু সম্পাদক—ড° হেমন্তকুমাৰ শৰ্মা

সহকাৰী „ „ শ্ৰীপ্ৰসন্নৰাম দাস

শ্ৰীৰামচৰণ ঠাকুৰীয়া

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ (শিশু-উপযোগী জীৱনী)

—শ্ৰীসতীশচন্দ্ৰ চৌধুৰী।

## (ঙ) প্ৰকাশন সাধাৰণ ঃ

ছেক্সপীয়েৰ—লিখক শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য ; নিৰীক্ষক—ড° সত্যেন্দ্ৰনাথ শৰ্মা

কামৰূপৰ লোকগীতি—সংগ্ৰাহক আৰু সম্পাদক ড° হেমন্তকুমাৰ শৰ্মা ; নিৰীক্ষক—ড° মহেশ্বৰ নেওগ

লুইত পাৰৰ আমি অসমীয়া—লিখক—শ্ৰীঅৰুণকুমাৰ খেৰীয়া ; নিৰীক্ষক—শ্ৰীনগেন শইকীয়া

অসমীয়া সমাজ আৰু ইছলাম সংস্কৃতি—লিখক—ড° ইম্ৰাদ আলি ; নিৰীক্ষক—ড° মোহিনীকুমাৰ শইকীয়া

বড়ো জনগোষ্ঠী— লিখক মোহিনীমোহন ব্ৰহ্ম,
নিৰীক্ষক—শ্ৰীধীৰেন্দ্ৰনাথ দাস

নগাভূমি ঃ ( নাগামিজত )—
লিখিকা—শ্ৰীনবমালতী চক্ৰৱৰ্তী
নিৰীক্ষক—শ্ৰীহৰিপ্ৰসাদ ৰাই বা শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা

অসমীয়া গল্প-সংকলন—মুখ্য সংগ্ৰাহক আৰু সম্পাদক—
ডঃ মহেশ্বৰ নেওগ

সহযোগী সংগ্ৰাহক আৰু সম্পাদক—শ্ৰীযোগেশ দাস আৰু
শ্ৰীনাৰায়ণ শৰ্মা,

অসম সাহিত্য সভাৰ প্ৰকাশনৰ বিবৰণমূলক তালিকা
( হীৰক জয়ন্তী উপলক্ষে )—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

## ১০। অন্যান্য প্ৰকাশন ঃ

(ক) কালিৰাম মেধি ৰচনাৱলী—সংগ্ৰহ আৰু সম্পাদনা কৰিবলৈ ডঃ সত্যেন্দ্ৰনাথ শৰ্মা আৰু শ্ৰীমুৰাৰিচৰণ দাসলৈ অনুৰোধ জনোৱা হওক। এই গ্ৰন্থ ১৯৭৮ চনত মেধি ডাঙৰীয়াৰ জন্ম-শতবাৰ্ষিকী উৎসৱত প্ৰকাশিত হ'ব।

(খ) অসমৰ ঠাইৰ নামৰ ইতিবৃত্ত ঃ সমিতিয়ে অসমৰ বিভিন্ন ঠাইৰ নামৰ উৎপত্তি আৰু ইতিহাস সম্পৰ্কে এখনি তথ্যপূৰ্ণ গ্ৰন্থৰ প্ৰয়োজনীয়তা অনুভৱ কৰে আৰু সমিতিয়ে সিদ্ধান্ত কৰে যে এই কামৰ ভাৰ লবলৈ ডঃ মহেশ্বৰ নেওগক অনুৰোধ জনোৱা হওক। উক্ত কামৰ কাৰণে প্ৰয়োজন বোধ কৰিলে ডঃ নেওগে এখনি সম্পাদনা সমিতি গঠন কৰি অসম সাহিত্য সভাৰ দ্বাৰা অনুমোদন কৰাই ল'ব।

(গ) প্ৰাক্তন সভাপতি অধ্যাপক অতুলচন্দ্ৰ শ্ৰীহাজৰিকাই অসম সাহিত্য সভালৈ আগবঢ়োৱা বিশেষ অৱদানৰ চিন স্বৰূপে তেখেতৰ ৰচিত কবিতা-পুথি 'শতাব্দীৰ অৰ্ঘ্য' সভাৰ হীৰক জয়ন্তীৰ প্ৰকাশন হিচাপে প্ৰকাশ কৰা হওক। কিন্তু এইটো আগলৈ আহি হ'ব নোৱাৰিব।

(ঘ) ৰঘুনাথ চৌধাৰীৰ ৰচনাৱলীৰ সংগ্ৰহ সম্পৰ্কীয় আলোচনা পিছৰ কাৰ্যনিৰ্বাহকলৈ থোৱা হয়।

(ঙ) বিদায়ী প্ৰধান সম্পাদকে কয় যে, কেন্দ্ৰীয় চৰকাৰে তিনিখন পুথিৰ কাৰণে দিয়া অনুদানৰ মৰ্মে সভাই বৰ্ত'মানলৈ 'মৃচ্ছকটীক' নাটকখনহে অনুবাদ আৰু ছপা কৰি উলিয়াইছে। The serpent and the Rope কিতাপখন অনূদিত হৈ আছে আৰু Last phase of Gandhiji খন অনুবাদ কৰিবলৈ শ্ৰীযতীন গোস্বামীক দিয়া হৈছে। সমিতিয়ে শ্ৰীগোস্বামীক ছমাহৰ ভিতৰত পুথি-খন অনুবাদ কৰি দিবলৈ অনুৰোধ জনায় আৰু পুথিখনি ছপোৱা সম্পৰ্কে প্ৰকাশকৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১১। কাৰ্যনিৰ্বাহক সমিতিয়ে ১৯৭৬-৭৭ চনৰ বাবে তলত দিয়াৰ দৰে উপ-সমিতিসমূহ গঠন কৰে আৰু মনোনীত সদস্যসকলক দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

### (ক) প্ৰেমধৰ দত্ত সোঁৱৰণী পুঁজি ঃ

সমিতিৰ সদস্যসকল—শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীদেৱপ্ৰসাদ বৰুৱা, শ্ৰীমতী অৱলা গোহাঁই, শ্ৰীঅৰুণচন্দ্ৰ গোস্বামী, প্ৰধান সম্পাদক। এই সমিতি যোৰহাটত ৰহিব।

### (খ) হৰিহৰ চৌধুৰী পুঁজি ঃ

সমিতিৰ সদস্যসকল—শ্ৰীআব্দুছ ছাত্তাৰ, শ্ৰীদেৱেন্দ্ৰ শইকীয়া, ডাঃ নবীন গোস্বামী, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীপ্ৰ[illegible] গোস্বামী, প্ৰধান সম্পাদক। এই সমিতি যোৰহাটত ৰহিব।

### (গ) বনমালী শইকীয়া পুঁজি ঃ

সমিতিৰ সদস্যসকল—সৰ্বশ্ৰী যতীন্দ্ৰনাথ গোস্বামী, সুৰেন্দ্ৰনাথ বৰদলৈ, কুতুবুদ্দিন আহমেদ, মিনতি হাজৰিকা, মাধৱচন্দ্ৰ ভূঞা, প্ৰধান সম্পাদক। এই সমিতি যোৰহাটত ৰহিব।

### (ঘ) ডিগবৈ সাহিত্য সেৱা-সমিতি ন্যাস পুঁজি ঃ

সমিতিৰ সদস্যসকল—সৰ্বশ্ৰী সত্যপ্ৰসাদ বৰুৱা, [illegible] বৰুৱা, ফণী তালুকদাৰ, বহু ওজা, মহেন্দ্ৰ বৰঠাকুৰ, [illegible] শৰ্মা, যুগল দাস, ৰঞ্জিত গোস্বামী, ৰামচৰণ ঠাকুৰীয়া, প্ৰধান সম্পাদক। এই সমিতি গুৱাহাটীত ৰহিব।

### (ঙ) গুৱাহাটী উগ্ৰতাৰা ন্যাস সমিতি ঃ

সমিতিৰ সদস্যসকল—সৰ্বশ্ৰী অতুলচন্দ্ৰ হাজৰিকা, ডঃ মহেশ্বৰ নেওগ, ৰজনীকান্ত দেৱ শৰ্মা, ডঃ [illegible] চৰণ দাস, অতুলচন্দ্ৰ বৰুৱা, যোগেশ দাস, শুচিব্ৰতা [illegible] চৌধুৰী, পৰেশচন্দ্ৰ দেৱশৰ্মা, প্ৰধান সম্পাদক। [illegible] গুৱাহাটীত ৰহিব।



### (চ) শৰৎচন্দ্ৰ গোস্বামী বঁটা ঃ

সমিতিৰ সদস্যসকল—সৰ্বশ্ৰী গিৰিধৰ শৰ্মা, অধ্যক্ষ আয়ুব আলি, প্ৰমোদচন্দ্ৰ গোস্বামী, ডঃ প্ৰফুল্লচন্দ্ৰ গোস্বামী, অধ্যক্ষ ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, হিতেশ ডেকা, নন্দ তালুক-দাৰ, ভগবান মৰল, ৰমেশচন্দ্ৰ কলিতা, কণকচন্দ্ৰ ডেকা, প্ৰধান সম্পাদক। এই সমিতি গুৱাহাটীত ৰহিব।

### (ছ) মুদ্ৰণ আৰু অলঙ্কৰণ বঁটা ঃ

সমিতিৰ সদস্যসকল—সৰ্বশ্ৰী ডঃ সত্যেন্দ্ৰনাথ শৰ্মা, ৰাম গোস্বামী, চন্দ্ৰপ্ৰসাদ শইকীয়া, পৰেশচন্দ্ৰ শৰ্মা, ত্ৰৈলোক্য দত্ত, বেণু মিশ্ৰ, তিলক হাজৰিকা, যতীন গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা, প্ৰধান সম্পাদক। এই সমিতি গুৱাহাটীত ৰহিব।

### (জ) চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস-সমিতি ঃ

এই সমিতিত অসম সাহিত্য সভাৰ নৱ-নিৰ্বাচিত প্ৰধান সম্পাদক আৰু যোৰহাট কেন্দ্ৰীয় কাৰ্যালয়ৰ নৱ-নিৰ্বাচিত সহকাৰী সম্পাদক পূৰ্বৰ প্ৰধান সম্পাদক আৰু সহকাৰী সম্পাদকৰ ঠাইত অন্তৰ্ভুক্ত হ'ব। বাকী সদস্য একেদৰেই থাকিব।

যোৰহাটৰ সহকাৰী সম্পাদকজন যোৰহাটত ৰহিব লগা উপ-সমিতিসমূহৰ আৰু গুৱাহাটীৰ সহকাৰী সম্পাদকজন গুৱাহাটীত ৰহিবলগা উপ-সমিতিসমূহৰ পদেন সদস্য হ'ব।

## ১২। ভাষাজ্ঞান পৰীক্ষা সংসদ ঃ

সভাপতি—শিৱসাগৰ জিলা মণ্ডলৰ স্কুল পৰিদৰ্শক। সদস্য-সকল—সৰ্বশ্ৰী যতীন্দ্ৰনাথ গোস্বামী, আব্দুছ ছাত্তাৰ, অৱলা গোহাঁই, সুৰেন্দ্ৰনাথ বৰদলৈ, মুকুলী শইকীয়া, অৰুণ গোস্বামী, অমল ৰাজখোৱা, কুতুবুদ্দিন আহমেদ, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক ( যোৰহাট ), প্ৰকাশ গোস্বামী ( সচিব, আহ্বায়ক )।

(ক) ভাষাজ্ঞান পৰীক্ষাৰ নতুন পাঠ্যক্ৰম সচিবে উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে। পাঠ্যক্ৰমৰ স্বীকৃতিৰ কাৰণে ৰাজ্য চৰকাৰ আৰু মাধ্যমিক শিক্ষা পৰিষদৰ লগত যোগাযোগ কৰিবলৈ হৰেশ্বৰ গোস্বামীয়ে পৰামৰ্শ দিয়ে। সমিতিয়ে গ্ৰহণ কৰে।

(খ) ভাষাজ্ঞান পৰীক্ষা সংসদে পাঠ্যপুথিৰ লগত সঙ্গতি ৰাখি এখন পাঠ্যপুথি সংকলনৰ ব্যৱস্থা কৰিবলৈ ভাষাজ্ঞান সচিবক দায়িত্ব দিয়ে।

(গ) সভাত ১৯৭৫ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত আৰু অসম সাহিত্য সভাৰ দ্বাৰা পৰিচালিত ভাষাজ্ঞান পৰীক্ষাৰ ফল তলত দিয়াৰ দৰে ঘোষণা কৰা হয়—

(১) প্ৰাথমিক ঃ মুঠ পৰীক্ষাৰ্থী—৮৩৪, উত্তীৰ্ণ—৩৭৭।
উত্তীৰ্ণৰ হাৰ ৪৫% ১ম বিভাগ ১০,
২য় বিভাগ ৯৫ ৩য় বিভাগ ২৭২

(২) মাধ্যমিক ঃ মুঠ পৰীক্ষাৰ্থী—৩৬৮, উত্তীৰ্ণ ১৫৩,
উত্তীৰ্ণৰ হাৰ ৪২%

(৩) প্ৰাগ্‌ভাৰতী ঃ মুঠ পৰীক্ষাৰ্থী—৯৮, উত্তীৰ্ণ ৩০,
উত্তীৰ্ণৰ হাৰ ৩১%

(৪) ভাৰতী ঃ মুঠ পৰীক্ষাৰ্থী— ৯ উত্তীৰ্ণ ৫
উত্তীৰ্ণৰ হাৰ ৫৫·৫০%

(ঘ) শ্ৰীনিৰঞ্জন মহন্তই কাছাৰৰ পৰীক্ষা কেন্দ্ৰ সম্পৰ্কে থকা অসুবিধাসমূহৰ কথা উল্লেখ কৰাত শ্ৰীহৰেশ্বৰ গোস্বা-মীয়ে পৰামৰ্শ দিয়ে যে আৱশ্যকমতে পৰীক্ষাৰ নিয়মাৱলী সংশোধন কৰি হলেও বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ অৰ্থে সংসদক দায়িত্ব দিয়া হওক। সমিতিয়ে গোস্বামীৰ পৰামৰ্শ গ্ৰহণ কৰে।

(ঙ) প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই কয় যে ভাষা-শিক্ষা-শ্ৰেণীৰ হ্ৰস্বম্যাদী আঁচনিৰ তিনিটা প্ৰশিক্ষণ কেন্দ্ৰৰ ( শিলচৰ, হাইলাকান্দি আৰু লালা ) উপৰিও হাফ-লঙত খোলাৰ প্ৰাৰম্ভিক প্ৰস্তুতি কৰিবলৈ পোনাৰাম বৰাক পঠিওৱা হব। শ্ৰীবৰাই প্ৰতিবেদন দাখিল কৰে। সমিতিয়ে সংসদক এই বিষয়ে চূড়ান্ত সিদ্ধান্ত লৈ প্ৰতিবেদন দাখিল কৰিবলৈ দায়িত্ব দিয়ে। সংসদে শিলচৰত হ্ৰস্বম্যাদীৰ ঠাইত দীৰ্ঘম্যাদী আঁচনি লবলৈ সিদ্ধান্ত কৰে।

সমিতিয়ে সিদ্ধান্ত কৰে যে শাখা-সভাসমূহে প্ৰয়োজনৰ ভিত্তিত ভাষা-শিক্ষা শ্ৰেণী খুলিব পাৰিব।

১৩। 'অসম সাহিত্য সভা পত্ৰিকা'ৰ সম্পাদক শ্ৰীযতীন গোস্বামীয়ে পত্ৰিকা সম্পাদনা-সমিতিৰ সদস্যসকলৰ নাম ঘোষণা কৰে ঃ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, ( অসম সাহিত্য সভাৰ সভাপতি ) ২। ডঃ উপেন্দ্ৰনাথ গোস্বামী, ৩। শ্ৰীৰজনীকান্ত দেৱ শৰ্মা, ৪। শ্ৰীৰামচৰণ ঠাকুৰীয়া, ৫। শ্ৰীইবাণীসেন হাজৰিকা, ৬। ডঃ হেমন্তকুমাৰ শৰ্মা ( প্ৰধান সম্পাদক ) যতীন গোস্বামী, পত্ৰিকা সম্পাদক ( আহ্বায়ক )।

(ক) পত্ৰিকাৰ প্ৰথম সংখ্যাটো অসম সাহিত্য সভাৰ ৩৯ তম ধুবুৰী অধিবেশনৰ কবি সন্মিলনৰ সভাপতি স্বৰ্গীয় বৈকুণ্ঠনাথ চক্ৰৱৰ্তীৰ স্মৃতিত প্ৰকাশ কৰিবলৈ সমিতিয়ে সিদ্ধান্ত কৰে।

(খ) সমিতিয়ে পত্ৰিকাৰ বিষয়-বস্তু গধুৰ হ'ব লাগে আৰু মুদ্ৰণ উন্নত হ'ব লাগে বুলি মত প্ৰকাশ কৰে। পত্ৰিকাত গৱেষণামূলক প্ৰবন্ধ পাতি আৰু সাহিত্য সভাৰ বিৱৰণ থাকিব লাগিব।

(গ) সমিতিয়ে 'অসম সাহিত্য সভা পত্ৰিকা'ৰ বহুল প্ৰচাৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অসমৰ স্কুল, কলেজ আদি শিক্ষানুষ্ঠানসমূহ পত্ৰিকাৰ গ্ৰাহক হোৱাটো বাঞ্চা কৰে। এই কামত সহায় কৰিবলৈ চৰকাৰক অনুৰোধ জনোৱা হওক।

(ঘ) নতুন বছৰৰ পত্ৰিকা ছপোৱাৰ ক্ষেত্ৰত পত্ৰিকা সম্পাদকক এই মৰ্মে পৰামৰ্শ দিয়া হয় যে পত্ৰিকা সম্পাদকে কেইবাটিও প্ৰেছৰ পৰা নিবিদা লৈ সভাপতিৰ লগত আলোচনা কৰি উচ্চমান বিশিষ্ট ছপাশালত পত্ৰিকাখন ছপাব।

(ঙ) সভা আৰু শাখা সভা সমূহৰ কাৰ্য্যাৱলী পত্ৰিকাৰ লগতে বেলেগে ফৰ্মা একোটিত ছপাই প্ৰচাৰৰ দিহা কৰা হওক।

## ১৪। সংগঠন :

অসম সাহিত্য সভাৰ শাখা-সভাসমূহ সক্ৰিয় কৰি তোলা, আজীৱন সভ্য আৰু পত্ৰিকাৰ গ্ৰাহক বৃদ্ধি কৰা, কাৰ্য'নিৰ্ব'াহক সমিতিৰ সদস্যসকলৰ লগত যোগাযোগ ৰক্ষা কৰা আদি সংগঠন-কাৰ্যত আগবাঢ়িবলৈ তলত নাম দিয়া লোকসকলক সভাই সংগঠকৰ দায়িত্ব দিয়ে :

১। কাছাৰ জিলা—সৰ'শ্ৰী নৃপেন্দ্ৰ ৰাজবংশী ( শিলচৰ ) আজিজুৰ ৰহমান বৰভূঞা ( হাইলাকান্দি ), চিদ্দিক আলী চৌধুৰী ( কৰিমগঞ্জ )।

২। গোৱালপাৰা জিলা—সৰ'শ্ৰী দীনেশৰঞ্জন সৰকাৰ ( ধুবুৰী ), হৰিমোহন সৰকাৰ ( বনগাওঁ, টিপ্লাই ), কেশৱৰায় ( দুধনৈ ), ৰাজেন ৰাভা, ( দুধনৈ ), ৰজনী সিংহ ( লক্ষীপুৰ ), শৈলেন্দ্ৰ নাৰায়ণ দাস ( অভয়াপুৰী ), ৰঞ্জেন দাস ( গোলোকগঞ্জ) মোহিনী মোহন ব্ৰহ্ম ( কোকৰাঝাৰ ), ভৱানী প্ৰসাদ অধিকাৰী ( গোসাঁইগাওঁ কলেজ )।

৩। গাৰোপাহাৰ, মেঘালয়—সৰ'শ্ৰী পৰেশচন্দ্ৰ হাজং ( তুৰা ), মণি ৰাভা, এন, এল, এ ( টিক্ৰিকিল্লা ) সনৰ সিং ৰাভা ( তুৰা )

৪। খাচি পাহাৰ, ( মেঘালয় ) ডঃ ঐশ্বৰ্য দাস ( চিলং )

৫। কামৰূপ জিলা—সৰ'শ্ৰী কাতিৰাম ৰাভা ( বকো ) খগেন ৰায়ন ( বকো ), অধ্যাপক ধীৰেন ৰাভা ( নগৰবেৰা ), ৰমেশ কলিতা ( ছয়গাওঁ ) দণ্ডি কলিতা ( আলিৰ কাষ ), সৰে'শ্বৰ তালুকদাৰ ( মালীগাওঁ ), প্ৰতাপচন্দ্ৰ চৌধুৰী ( গান্ধী-নগৰ, ডিমৰীয়া ) হৰেন দাস ( দদৰা ), মঃ দিয়াৰ আলী ( মুকালমুৱা ), প্ৰেমমণী দাস (হাজো, সুৰেন্দ্ৰনাথ শৰ্মা, কমলপুৰ), অম্বৰীশ হাজৰী ( তামুলপুৰ ), বীৰেন দাস ( ৰৰমা ) সাধি কলিতা ( টিহু ), সুবোধচন্দ্ৰ শৰ্মা ( পিপলিবাৰী ) কেশৱ স্যুগিয়াৰী ( জালাহ ), অনিল কাকতি ( পোঃ আঠিয়াবাৰী ভায়া টিহু ( কামৰূপ ) ডঃ নিশিপদ চৌধুৰী ( পাটাচাৰকুছি ), ফুলেন বৰ্মণ ( টিহু ), এম, ইব্ৰাহীম আলী ( বৰপেটা ), ফনী দাস ( সুন্দৰীদিয়া ), আতোৱাৰ ৰহমান ( বাঘবৰ )।

৬। নগাওঁ—সৰ্বশ্ৰী উপেন বৰকটকী ( লামডিং ), যোগেন্দ্ৰ নাৰায়ণ ভূঞা ( নগাওঁ ), যুগলদেৱ গোস্বামী ( পুৰণিগুদাম ), সাৰদানন্দ দেৱ গোস্বামী ( হোজাই কলেজ ) জীৱন সিং ( মনচুন সাহিত্য সভা ), বুদ্ধিমান বৰদলৈ ( নগাওঁ ) ৰমা দত্ত ( চিং ), দেৱেন্দ্ৰনাথ হাজৰিকা ( বটদ্ৰৱা হাইস্কুল ), পদ্ম পাটৰ ( হয়বৰগাওঁ )।

৭। মিকিৰ পাহাৰ জিলা—সৰ'শ্ৰী সাথী টেৰনপী ( বৈঠালাংচু ), ৰং ৰং তেৰাং ( ডিফু কলেজ ), লুংকে তিমুং ( ডিফু ), কেশৱ শৰ্মা ( ডিফু কলেজ ), জানাসিং তেৰা (ডিফু) লংকাম তেৰণ, অনন্ত ৰবা ( বৈঠালাংছ ) যজ্ঞোৰাম গগৈ সদিয়াহজান হাইস্কুল )।

৮। উত্তৰ কাছাৰ জিলা—সৰ'শ্ৰী এন, এল, দাউগাওগো ( হাফলং ), এছ হোজাই ( হাফলং ), সোনাৰাম থাওচেন ( হাফলং ), বীৰেন্দ্ৰনাথ বৰপূজাৰী ( হাফলং কলেজ )।

৯। নগাভূমি—সৰ'শ্ৰী গোবিন্দ চন্দ্ৰ দৈৱা ( ডিমাপুৰ ), হৰিপ্ৰসাদ ৰাই ( কহিমা ), প্ৰভাত বৰগোঁহাই ( মোককচাং ), জিতেন গগৈ ( কোহিমা ), অখিল চন্দ্ৰ পানীফুকন ( কোহিমা )।

১০। শিৱসাগৰ জিলা—সৰ'শ্ৰী পোনাৰাম বৰুৱা (গোলাঘাট কলেজ ), ললিত বৰুৱা ( শিক্ষক বাপুলিপাৰা ), অৰুণ ছেত্ৰীয় ( গোলাঘাট কলেজ ), তৰুণচন্দ্ৰ পামেগাম ( মাজুলী ) ইন্দ্ৰেশ্বৰ পেগু (জেংৰাইমুখ কলেজ, মাজুলী ), হেম গগৈ ( বৰপথাৰ কলেজ ) চিদানন্দ শইকীয়া ( বোকাখাট ), দীনেশ্বৰ তাঁতী ( গড়মুৰ, যোৰহাট ) পুষ্পধৰ আইং ( কমাৰগাওঁ ) প্ৰফুল্ল চন্দ্ৰ দত্ত ( নাজিৰা ), হেম বুঢ়াগোহাঁই ( বকতা ), কৃষ্ণকান্ত মিশ্ৰ



( শিৱসাগৰ কলেজ ), সোণাৰাম বৰুৱা ( শিৱসাগৰ ছোৱালী কলেজ ), বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ ( নিতাই পুখুৰী ), কমলা বৰগোহাঁই ( মৰাণ কলেজ )।

১১। ডিব্ৰুগড় জিলা—সৰ'শ্ৰী তিলকচন্দ্ৰ বৰুৱা ( প্ৰঃ শিঃ ৰাজগড় উঃ মাঃ বিদ্যালয় ), তিলেন্দ্ৰ নাথ মহন্ত (নাহৰকটীয়া), মেৰ গগৈ ( নামৰূপ ), ৰাম গোস্বামী ( বৰহাপজান ), ধৰ্মকান্ত গোঁহাই ( ডুমডুমা ), নাৰায়ণ ঘাটোৱাৰ (হুগ্ৰীজান ) চনিৰাম কুৰ্মী ( চাহ মজদুৰ সংঘ ), হেৰম্ব বৰদলৈ ( ডিব্ৰুগড় ), সুৰেন্দ্ৰনাথ ভট্টাচাৰ্য ( তিনিচুকীয়া ), সুশীলকুমাৰ গগৈ ( চাবুৱা ), ভদ্ৰকৃষ্ণ গোস্বামী ( ডিগবৈ ), গগন চন্দ্ৰ সোনোৱাল ( কাকপথাৰ )।

১২। লক্ষীমপুৰ জিলা—সৰ'শ্ৰী কমল বাইলুং ( ধেমাজী ), গোবিন্দচন্দ্ৰ ডেকা ( উঃ লঃ কলেজ ), শঙ্খধৰ দলে (ধেমাজী )।

১৩। শদিয়া—শ্ৰীনীলকান্ত গোহাঁই।

১৪। দৰং—সৰ'শ্ৰী ৰমেশচন্দ্ৰ ৰৰা ( ঢেকীয়াজুলী ), টিকাৰাম উপাধ্যায় ( বুঢ়ী গাং ), নবীনচন্দ্ৰ কাথহাজৰিকা (তেজপুৰ ), উপেন্দ্ৰনাথ দাস ( টংলা ), ঘন শইকীয়া ( জামুগুৰিঘাট ) করুণাময় গোস্বামী ( চৌৰাবী আশ্ৰম, টংলা), ভৰত চন্দ্ৰ ডেকা ( মঙ্গলদৈ ), জিতেন ভাগৱতী ( মঙ্গলদৈ ), গজেন্দ্ৰনাথ চহৰীয়া ) মঙ্গলদৈ ), লক্ষীৰাম নাথ ( চিপাঝাৰ হাইস্কুল )।

প্ৰয়োজন অনুসৰি আৰু সংগঠক লব পাৰিব। সমিতিয়ে সংগঠকসকলক 'অসম সাহিত্য সভা পত্ৰিকা'ৰ একোটি সংখ্যা বিনামূলীয়াকৈ দিবলৈ সিদ্ধান্ত কৰে।

## ১৫। ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি :

এই সমিতি তলত নাম দিয়া সদস্যসকলৰ দ্বাৰা গঠন কৰা হয় :

সৰ'শ্ৰী জীৱকান্ত শইকীয়া ( সভাপতি, শ্ৰীদেৱপ্ৰসাদ বৰুৱা—( সম্পাদক ), যতীন্দ্ৰনাথ গোস্বামী, দেৱেশ্বৰ শইকীয়া, যোৰহাট সাহিত্য সভাৰ প্ৰধান সম্পাদক, যোৰহাটৰ অধীক্ষক অভিযন্তা, নগেন শইকীয়া অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, অসম সাহিত্য সভাৰ সহঃ সম্পাদক ( যোৰহাট কাৰ্যালয় )।

প্ৰয়োজন অনুসৰি এই উপ-সমিতিত স্থানীয় লোকক অন্তৰ্ভুক্ত কৰি ল'ব পাৰিব। এই সমিতিৰ ভৱন সম্পৰ্কে এখন আঁচনি যুগুত কৰি দাখিল কৰিবলৈ পৰামৰ্শ দিয়া হওক।

ভৱন-নিৰ্মাণ উপ-সমিতিৰ লগত সংগতি ৰাখি বিভিন্ন দিশৰ পৰিকল্পনা গ্ৰহণৰ উদ্দেশ্যে এখন পৰিকল্পনা উপ-সমিতিও গঠন কৰা হয়। উপ-সমিতিৰ সদস্যসকল—

সৰ'শ্ৰী যজ্ঞেশ্বৰ শৰ্মা ( সভাপতি, অসম সাহিত্য সভা ), ডঃ মহেশ্বৰ নেওগ, ডঃ সত্যেন্দ্ৰনাথ শৰ্মা, ডঃ প্ৰতাপচন্দ্ৰ চৌধুৰী, মুগল দাস, ডঃ মহেন্দ্ৰ বৰা, পৰাগ চলিহা, ইন্দ্ৰেশ্বৰ পেগু, তৰুণচন্দ্ৰ পামেগাম, লীলা গগৈ, নগেন শইকীয়া, ডঃ হেমন্তকুমাৰ শৰ্মা, ।

উল্লেখ থাকে যে প্ৰয়োজন-সাপেক্ষে এই উপ-সমিতিত বাকী সদস্য অন্তৰ্ভুক্ত কৰিব পাৰিব এই উপ-সমিতিয়ে অসমৰ বৈষ্ণৱ আৰু লোক সংস্কৃতিৰ কেন্দ্ৰস্থান মাজুলীত প্ৰস্তাৱিত সাংস্কৃতিক অধ্যয়ন কেন্দ্ৰৰ আঁচনি তৈয়াৰ কৰিব কৰিব। এই সমিতি যোৰহাটত বহিব। এই সমিতি যোৰহাটত বহিব।

১৬। আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক অসম সাহিত্য সভাৰ পক্ষৰ পৰা সন্মানসূচক উপাধি দিয়া সম্পৰ্কে আলোচনা কৰা হয় আৰু এই সম্বন্ধে যাৱতীয় ব্যৱস্থা লবলৈ ৰাধাকান্ত সন্দিকৈ ভৱন-নিৰ্মাণ সমিতিক দায়িত্ব দিয়া হয়।

## ১৭। সাংস্কৃতিক ভ্ৰমণ

অসম আৰু ইয়াৰ দাঁতি কাষৰীয়া ৰাজ্যত বসবাস কৰি থকা বিভিন্ন জাতি-প্ৰজাতিৰ মাজত থকা সংহতিৰ এনাজৰী-ডাল দৃঢ় কৰি তোলাৰ উদ্দেশ্যে বিভিন্ন সম্প্ৰদায়ৰ মাজত ভাবৰ আদান-প্ৰদান কৰাত সমিতিয়ে গুৰুত্ব আৰোপ কৰে। সেই কাৰণে সমিতিয়ে এই বছৰৰ কাৰণে অৰুণাচল, নগা ভূমি, অসমৰ পাহাৰী জিলা দুখন আৰু কাছাৰ জিলাত অসম সাহিত্য সভাৰ প্ৰতিনিধি দল একোটিৰ সাংস্কৃতিক ভ্ৰমণৰ কাৰণে আৰ্থিক অনুদান আগবঢ়াবলৈ ৰাজ্য চৰকাৰক অনুৰোধ জনায়।

সমিতিয়ে এই বিষয়ে চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১৮। লিখকৰ পৰিতোষিক সম্পৰ্কে সমিতিয়ে এনেদৰে সিদ্ধান্ত কৰে যে লিখকক নিজৰ ছপা পুথি দহখন আৰু

ৰয়েল্টি হিচাপে কিতাপৰ মূল্যৰ শতকৰা পাঁচ ভাগ (৫) পাৰিতোষিক স্বৰূপে দিয়া হ'ব। সাহিত্য সভাৰ কোনো গ্ৰন্থৰ সম্পাদকক পোন্ধৰখন গ্ৰন্থ মাননি স্বৰূপে দিয়া হ'ব। পাঠ্যপুথিৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহ'ব।

১৯। চৰকাৰী কাৰ্যালয়সমূহত এতিয়াও ৰাজ্যভাষা অসমীয়া সন্তোষজনকভাৱে নোহোৱাত আৰু অসমত থকা অনা-অসমীয়া স্কুলত এতিয়াও অসমীয়া ভাষাক তৃতীয় ভাষা হিচাপে শিকোৱাৰ ব্যৱস্থা নোহোৱাত সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু শীঘ্ৰে ইয়াৰ প্ৰতিকাৰ কৰিবলৈ চৰকাৰক অনুৰোধ জনায়।

২০। অসমীয়া ভাষা প্ৰয়োগৰ ক্ষেত্ৰত কাছাৰৰ স্কুল-সমূহত খৰতকীয়া ব্যৱস্থা ল'ব লাগে আৰু প্ৰয়োজন হ'লে এগৰাকী উপ-পৰিদৰ্শক নিযুক্তি দিব লাগে বুলি চৰকাৰক অনুৰোধ জনোৱা হওক।

২১। অন-অসমীয়া স্কুলত অসমীয়া শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থাটো অধিক দৃঢ় কৰিব লাগে বুলি সমিতিয়ে চৰকাৰক অনুৰোধ জনায়।

২২। অসম আৰু ইয়াৰ দাঁতি কাষৰীয়া ৰাজ্যত বসবাস কৰি থকা বিভিন্ন জনগোষ্ঠীৰ মাজত সাংস্কৃতিক বিনিময়ৰ যোগেদি সংহতি স্থাপনৰ উদ্দেশ্যে উপায় উদ্ভাৱন কৰিবলৈ অসমৰ মূখ্য মন্ত্ৰী তথা শিক্ষামন্ত্ৰী আৰু সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰীক লগ ধৰিবৰ কাৰণে এটি সজাতি দল পঠোৱাৰ সিদ্ধান্ত লোৱা হয়। এই সম্পৰ্কে সম্পাদকে ব্যৱস্থা ল'ব।

২৩। প্ৰধান সম্পাদকে জনায় যে তেওঁৰ কাৰ্যালয় গুৱা-হাটীত হোৱাত তাত সভাৰ কাম বাঢ়িছে। সমিতিয়ে সভাৰ কাম সুচাৰুৰূপে চলোৱাৰ উদ্দেশ্যে গুৱাহাটী কাৰ্যালয়ত (১) ডুপ্লিকেটিং মেচিন এটা, (২) ইংৰাজী লিখন-যন্ত্ৰ (টাইপ ৰাইটাৰ) এটা আৰু সম্পাদকৰ বাসভৱনত ব্যৱহাৰৰ কাৰণে এটা টেলিফোন লবলৈ অনুমোদন জনায়। গুৱাহাটীত কাৰ্যালয়-সহকাৰী এজনক সমিতিয়ে এবছৰৰ কাৰণে অস্থায়ীভাৱে নিযুক্তি দিবলৈ প্ৰধান সম্পাদকক কতৃত্ব দিয়ে।

২৪। ভগৱতী প্ৰসাদ বৰুৱা ভৱনত ব্যৱহাৰৰ কাৰণে আলমাৰী আৰু ৰেক যোগান ধৰিবলৈ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন অভ্যৰ্থনা সমিতিক অনুৰোধ জনোৱা হওক।

২৫। সমিতিয়ে যোৰহাট কেন্দ্ৰীয় কাৰ্যালয়ৰ পুৰণি ইংৰাজী টাইপ ৰাইটাৰটো নিলামত বিক্ৰী কৰি এটি নতুন টাইপ ৰাইটাৰ কিনিবলৈ অনুমোদন জনায়।

২৬। চৰকাৰৰ পৰা আৱশ্যকমতে সুলভ মূল্যত কাগজ ক্ৰয় কৰিবলৈ সিদ্ধান্ত কৰা হয়।

২৭। প্ৰধান সম্পাদকে জনায় যে (ক) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু বিহগী কবি ৰঘুনাথ চৌধাৰীৰ সমগ্ৰ ৰচনাৱলীৰ প্ৰকাশৰ স্বত্ব তেখেতৰ বোৱাৰী শ্ৰীমতী বসুন্ধৰা চৌধাৰী আৰু নাতি শ্ৰীসত্যৰাম চৌধাৰী প্ৰমুখ্যে চৌধাৰীৰ উত্তৰাধিকাৰী-উত্তৰাধিকাৰিণীসকলে অসম সাহিত্য সভাক অৰ্পণ কৰিবলৈ লিখিতভাৱে ইচ্ছা প্ৰকাশ কৰিছে। এই সম্পৰ্কত প্ৰধান সম্পাদকে চৌধাৰী পৰিয়ালৰ এখন চিঠি পাঠ কৰে। সমিতিয়ে আনন্দমনে এই দান গ্ৰহণৰ কথা জনায় আৰু এনে বদান্যতাৰ কাৰণে সমিতিয়ে কবি চৌধাৰীৰ উত্তৰাধিকাৰী-উত্তৰাধিকাৰিণীসকলৰ আন্তৰিক শলাগ লয়।

(খ) কবি চৌধাৰীৰ বোৱাৰী শ্ৰীমতী বসুন্ধৰা চৌধাৰী আৰু নাতিয়েকসকলে প্ৰখ্যাত গীতিকবি উমেশচন্দ্ৰ চৌধাৰীৰ স্মৃতিত তেখেতসকলৰ ঘৰত থকা মূল্যবান গ্ৰন্থ আৰু আলোচনীসমূহ অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ পুথিভঁৰালত 'প্ৰসঙ্গ গ্ৰন্থ' হিচাপে সংৰক্ষিত কৰি ৰাখিবলৈ দান দিয়াৰ প্ৰতিশ্ৰুতি দিছে।

সমিতিয়ে আনন্দমনে এই দান লবলৈ সন্মতি প্ৰকাশ কৰে আৰু এই দানৰ বাবেও শ্ৰীমতী বসুন্ধৰা চৌধাৰী প্ৰমুখ্যে চৌধাৰী পৰিয়ালৰ সকলোটিলৈ শলাগ জ্ঞাপন কৰে।

(গ) ওপৰৰ দুই বিষয়ত আইনগত ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হয়।

## ২৮। জন্ম শত-বাৰ্ষিকী উৎসৱ সমিতি :

(ক) অসম সাহিত্য সভাৰ দুগৰাকী প্ৰাক্তন সভাপতি দেশভক্ত তৰুণৰাম ফুকন আৰু পণ্ডিত কালিৰাম মেধিৰ জন্ম-শতবাৰ্ষিকী উৎসৱ গুৱাহাটীত কেন্দ্ৰীয়ভাৱে পালন কৰাৰ সিদ্ধান্ত লোৱা হয়। এই মৰ্মে সভাই এখন তদৰ্থ সমিতি গঠন কৰি দিয়ে। সেই সমিতিত থাকিব গুৱাহাটীৰ প্ৰাক্তন সভাপতিসকল, গুৱাহাটীতে থকা সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকল গুৱাহাটীৰ শাখা-সমূহৰ সভাপতি আৰু প্ৰধান সম্পাদক, ফুকন আৰু মেধি পৰিয়ালৰ লোক আৰু গুৱাহাটীৰ বিশিষ্ট নাগৰিকসকল।

সমিতিয়ে আৱশ্যক মতে আৰু সদস্য অন্তৰ্ভুক্ত কৰি ল'ব পাৰিব।



(খ) তৰুণৰাম ফুকনৰ সোঁৱৰণী বক্তৃতাৰ আয়োজন হ'ব লাগে বুলি সমিতিয়ে মত দিয়ে। এই বক্তৃতা শত-বাৰ্ষিকী উৎসৱ সমিতিয়ে আয়োজন কৰিব আৰু বক্তৃতাৰ বিষয় কাৰ্যনিৰ্বাহক সমিতিয়ে ঠিক কৰিব।

(গ) সাহিত্য সভাই ফুকনৰ জন্ম-শতবাৰ্ষিকীৰ সময়ত স্মৃতি-গ্ৰন্থ এখনি উলিওৱাৰ উপৰি ফুকনৰ ছবি এখন প্ৰকাশ কৰি উলিয়াবলৈ থিৰ কৰে।

## ২৯। সাহিত্য সভা সপ্তাহ :

সমিতিয়ে অইনবাৰৰ দৰে এই বছৰো সাহিত্য সভা সপ্তাহ পালন কৰিবলৈ সিদ্ধান্ত কৰি এই বিষয়ে যথাৰীতি ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

## ৩০। হীৰক জয়ন্তী :

১৯৭৭ চনত অসম সাহিত্য সভাৰ হীৰক জয়ন্তী কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটত পাতিবলৈ সিদ্ধান্ত কৰা হয়। এই উপলক্ষে তলত নাম দিয়া লোকসকলেৰে এখন তদৰ্থ সমিতি গঠন কৰা হয়। এই সমিতিয়ে অনুমোদনৰ বাবে পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিত আঁচনি দাঙি ধৰিব। সদস্য সকলঃ-- শিৱসাগৰ জিলাৰ উপায়ুক্ত, ডাঃ জীৱকান্ত শইকীয়া, যতীন্দ্ৰনাথ গোস্বামী, দেৱপ্ৰসাদ বৰুৱা, দেবেশ্বৰ শইকীয়া, অৰুণচন্দ্ৰ গোস্বামী, অমল ৰাজখোৱা, প্ৰকাশ গোস্বামী, কুতুবুদ্দিন আহমদ, অবলা গোঁহাই, নগেন শইকীয়া, প্ৰধান সম্পাদক, শ্ৰীবসন্তকুমাৰ গোস্বামী (আহ্বায়ক)।

এই সমিতিয়ে আৱশ্যক অনুসৰি সদস্য বঢ়াই ল'ব পাৰিব।

## ৩১। লেখক শিবিৰ :

সমিতিয়ে লেখক শিবিৰ পতাৰ সিদ্ধান্ত লয় আৰু ইয়াৰ আঁচনি পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিত দাখিল কৰিবলৈ সম্পাদকক দায়িত্ব দিয়ে। লেখক শিবিৰৰ লগত 'আখৰ জোটনি' বিষয়টো সন্নিবিষ্ট কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

৩২। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই 'ৰাধাকান্ত সন্দিকৈ'ৰ জীৱনীখন পুনৰ মুদ্ৰণৰ সম্পূৰ্ণ ব্যয় বহন কৰাত সমিতিয়ে এই দানৰ বাবে সন্দিকৈ ডাঙৰীয়াক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

৩৩। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ সমগ্ৰ ৰচনাৱলীৰ প্ৰকাশৰ ব্যৱস্থা পাছলৈ ৰাখি বৰ্তমানে 'সাদৰী' প্ৰকাশ কৰা হওক।

৩৪। শ্ৰীনন্দ তালুকদাৰৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' পুথিখন ছপা কৰাৰ সিদ্ধান্ত হীৰক জয়ন্তীৰ সময়লৈকে স্থগিত ৰখা হয়।

৩৫। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ চিঠি পাঠ কৰা হয় আৰু তেখেতৰ সম্পাদিত কেহোঁকলিৰ বাবদ পাবলগীয়া কিতাপৰ মাননি (প্ৰতি সংস্কৰণত দহখনকৈ) দিবলৈ আছে যদি দিয়াৰ ব্যৱস্থা কৰা হওক।

৩৬। অসমৰ স্বৰ্গগত বিখ্যাত লোকসকলৰ জন্ম-মৃত্যুৰ তাৰিখৰ তালিকা এখন যুগুতাবলৈ শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক ভাৰ দিয়া হয়।

৩৭। কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকলক বিভিন্ন বৈঠক আৰু বাৰ্ষিক সন্মিলনত যোগ দিবলৈ বিশেষ নৈমিত্তিক ছুটী মঞ্জুৰ কৰাৰ কাৰণে ৰাজ্য চৰকাৰক অনুৰোধ জনোৱা হওক।

৩৮। বিভিন্ন বেংকৰ লগত আদান-প্ৰদান কৰাৰ উদ্দেশ্যে সমিতিয়ে বিদায়ী প্ৰধান সম্পাদক আৰু ধনভঁৰালীৰ সলনি নব-নিৰ্বাচিত প্ৰধান সম্পাদক আৰু ধনভঁড়ালীৰ নাম অনুমোদন কৰে।

৩৯। গুৱাহাটী কাৰ্যালয়ত বহু দিনৰ পৰা পৰি থকা আজীৱন সভ্য ভৰ্তি ৰৰশিদৰ ৰছিদ বহী (৩৭-৪২ নং লৈ) সাতোটা পুনৰ ব্যৱহাৰ কৰিব পাৰিব বুলি সভাই অনুমোদন জনায়।

## ৪০। প্ৰকাশন অধিকৰ্তা নিযুক্তি :

প্ৰধান সম্পাদকে জনায় যে গুৱাহাটীৰ শ্ৰীদেবেন দাসে অসম সাহিত্য সভাৰ প্ৰকাশন অভিকৰ্তা হিচাপে কাম কৰিবলৈ লিখিতভাৱে ইচ্ছা প্ৰকাশ কৰিছে। সমিতিয়ে বিষয়টো আলোচনা কৰি সিদ্ধান্ত লয় যে শতকৰা ত্ৰিশ টকা কমিচনত প্ৰকাশন অভিকৰ্তাই পুথি-বিক্ৰী কৰিবলৈ দায়িত্ব ললে প্ৰধান সম্পাদকে আৱশ্যকীয় চুক্তি-পত্ৰাদি কৰি দায়িত্ব দিব পাৰিব। এই সম্পৰ্কত পূৰ্বৰ প্ৰকাশন-অধিকৰ্তা শ্ৰীবৃন্দীন্দ্ৰকুমাৰ ৰাজখনিকৰে প্ৰধান সম্পাদকৰ লগত যোগা-যোগ কৰিব পাৰে।

৪১। সম্পাদকে জনায় যে অসম সাহিত্য সভাৰ এক-চল্লিশ মঙ্গলদৈ সন্মিলনৰ অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ

কৰা 'মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য' নামৰ গ্ৰন্থখনিৰ প্ৰায় ১৩শ ( তেৰ শ ) কপি ছপাশালতে আবদ্ধ হৈ আছে বুলি আৰু স্মৃতিগ্ৰন্থ 'দৰং-স্মৃতি'ৰ আঢ়ৈ হাজাৰ কপি ধন ভড়ালীৰ হাতত আছে বুলি অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক শ্ৰীশচীন চহৰীয়াৰ চিঠিৰ পৰা জনা গৈছে। জনা মতে প্ৰায় দুহাজাৰ টকা আদায় নিদিয়াৰ বাবেই হেনো প্ৰেছত থকা পুথিখনি আবদ্ধ হৈ আছে। যদি অভ্যৰ্থনা সমিতিয়ে উক্ত পুথিসমূহ অসম সাহিত্য সভাক চমজাই দিয়ে, তেনেহলে সভাই উক্ত পৰিমাণৰ ধন প্ৰেছক আদায় দি পুথিখন গ্ৰহণ কৰিলে সভাৰ ক্ষতি নহ'ব। তদুপৰি অভ্যৰ্থনা সমিতিয়ে 'মঙ্গলদৈ বাৰ্ষিকী'ৰ বাবদ দিব লগা ধনো দিয়া নাই। গতিকে 'মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য' আৰু আৰু 'দৰং স্মৃতি' দুয়োখনি গ্ৰন্থ অসম সাহিত্য সভাক চমজাই দিবলৈ অভ্যৰ্থনা সমিতিক অনুৰোধ জনোৱা হওক।

সমিতিয়ে এই সম্পৰ্কত অভ্যৰ্থনা সমিতিৰ লগত যোগা-যোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

৪২। অসম সাহিত্য সভাৰ চিহ্ন সন্মিলনৰ হিচাপ দিবৰ কাৰণে অভ্যৰ্থনা সমিতিৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হয়।

স্বাঃ হেমন্তকুমাৰ শৰ্মা
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
২৭।৩।৭৬

৪৩। সমিতিয়ে মত প্ৰকাশ কৰে যে প্ৰচাৰৰ কাৰণে নতুনকৈ স্বীকৃতি পোৱা সভাৰ নাম বাতৰি কাকতত দিব লাগে।

৪৪। অধ্যাপিকা শ্ৰীমতী নীলিমা দত্তক সভাই আজীৱন সভ্য হিচাপে স্বীকৃতি প্ৰদান কৰে।

৪৫। অভয়াপুৰীৰ শ্ৰীশৈলেন্দ্ৰ নাৰায়ণ দাসে অভয়াপুৰীত বহিৰ্বঙ্গীয়া অসম সাহিত্য সভাৰ চতুশ্চত্বাৰিংশ সন্মিলনৰ প্ৰস্তুতি চলোৱা হৈছে বুলি জানিবলৈ দিয়ে। শ্ৰীদাসে পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত এই বিষয়ে বিতংভাৱে জনাব বুলি কয়। জানুৱাৰী মাহত সন্মিলন পতা হব পাৰে বুলি তেওঁ প্ৰকাশ কৰে।

৪৬। বিশেষভাৱে নিমন্ত্ৰিত সদস্য শ্ৰীগোবিন্দচন্দ্ৰ দেৱাই কাৰ্যনিৰ্বাহক সমিতিৰ পৰৱৰ্তী অধিৱেশন ডিমাপুৰলৈ নিমন্ত্ৰণ কৰে। সমিতিয়ে অনুমোদন জনায়।

৪৭। কাৰ্যসূচীৰ সমুদায় বিষয়ৰ অন্তত প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে সমূহ সদস্যলৈ শলাগ জাপন কৰে।

৪৮। সভাপতিয়ে সকলোটিলৈ ধন্যবাদ জনাই সভাৰ সামৰণি ঘোষণা কৰে।

স্বাঃ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
সভাপতি
অসম সাহিত্য সভা
২৭।৩।৭৬

জয়া প্ৰেছ, গুৱাহাটী-৩

# অসম সাহিত্য সভাৰ প্ৰকাশন ঃ

[ বৰ্তমান মজুত থকা ]

| ক্ৰঃ নং কিতাপৰ নাম | মূল্য | ক্ৰঃ নং কিতাপৰ নাম | মূল্য |
|---|---|---|---|
| ১। অসমীয়া ভাষা | ১.০০ | ১৭। অসম সাহিত্য সভা বাৰ্ষিকী, তেজপুৰ | ৩.০০ |
| ২। নীলাচল পাঠ | ১.০০ | ১৮। ,, ,, ,, ,, বৰপেটা | ৩.০০ |
| ৩। মুদ্ৰাৰাক্ষস | ৩.০০ | ১৯। ,, ,, ,, ,, ধিং | ৩.০০ |
| ৪। কৰ্পূৰ মঞ্জৰী | ২.০০ | ২০। ,, ,, ,, ,, মাকুম | ৩.০০ |
| ৫। সাহিত্য দৰ্পণ | ২০.০০ | ২১। ,, ,, ,, ,, ধুবুৰী | ৩.০০ |
| ৬। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ১৪.০০ | ২২। ,, ,, ,, ,, ৰঙিয়া | ৩.০০ |
| ৭। অসমীয়া জাতিৰ ইতিবৃত্ত | ১০.০০ | ২৩। আপকী অসমীয়া | ২.০০ |
| ৮। অকণোদইৰ ধলফাট | ৮.০০ | ২৪। Assamese for All | ২.০০ |
| ৯ অসম সাহিত্য সভাৰ পৰিচিতি | ১.০০ | ২৫। Antanguri Asamiyalko Shiani | ২.০০ |
| ০। অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ | ১.০০ | ২৬। Asamiya La Baro Lane Asamiya Kihai Hi | ২.০০ |
| ১। অসম সাহিত্য সভা বাৰ্ষিকী, গোৱালপাৰা | ৩.০০ | ২৭। The outlook on N. E. F. A. | ৪.০০ |
| ২। ,, ,, ,, ,, নাজিৰা | ৩.০০ | ২৮। বাভা জনজাতি | ৭.০০ |
| ৩। ,, ,, ,, ,, ডিগবৈ | ৩.০০ | ২৯। বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০.০০ |
| ৪। ,, ,, ,, ,, নলবাৰী | ৩.০০ | ৩০। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০.০০ |
| ৫। ,, ,, ,, ,, উত্তৰ লক্ষীমপুৰ | ৩.০০ | ৩১। Religion of Love & Devotion | ৩.০০ |
| ৬। ,, ,, ,, ,, ডিব্ৰুগড় | ৩.০০ | ৩২। বেজবৰুৱাৰ চিত্ৰলেখা | ৬.০০ |

Regd. No. A/199 ॥ অসম সাহিত্য সভা পত্রিকা ॥ ৩৩শ বছৰ, ১ম সংখ্যা, জুন, ১৯

# অসম সাহিত্য সভাৰ প্ৰকাশন ঃ

[ বৰ্তমান মজুত থকা ]

| ক্ৰঃ নং কিতাপৰ নাম | মূল্য |
|---|---|
| ৩৩। আমাৰ লক্ষ্মীনাথ | ১·৫০ |
| ৩৪। বেজবৰুৱাৰ প্ৰতিভা | ৮·০০ |
| ৩৫। লক্ষ্মীনাথ বেজবৰুৱা ( হিন্দী ) | ·৫০ |
| ৩৬। লক্ষ্মীনাথ বেজবৰুৱা ( ইংৰাজী ) প্ৰচাৰ সচিব, অসম সাহিত্য সভা | ·৫০ |
| ৩৭। লক্ষ্মীনাথ বেজবৰুৱা ( ইংৰাজী ) | ·৫০ |
| ৩৮। বেজবৰুৱাৰ বাণী | ·৫০ |
| ৩৯। ৰজনীকান্ত বৰদলৈ ৰচনাৱলী | ১২·০০ |
| ৪০। মফিজুদ্দিন আহম্মদ হাজৰিকা ৰচনাৱলী | ৭·০০ |
| ৪১। হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২৫·০০ |
| ৪২। কনকলাল বৰুৱা ৰচনাৱলী | ১০·০০ |
| ৪৩। পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৮·০০ |
| ৪৪। Studies in the Early History of Assam—K. L. Baruah | ৩০·০০ |
| ৪৫। গোহাঞি বৰুৱা প্ৰতিভা | ১২·০০ |
| ৪৬। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭·০০ |
| ৪৭। বিশ্বনাথ ৰাজবংশী | ১·০০ |
| ৪৮। প্ৰমথনাথ চক্ৰৱৰ্ত্তী | ১·০০ |
| ৪৯। ছেমুৱেল জনছনৰ জীৱনী | ৫·০০ |
| ৫০। চক্ৰেটিচ | ৩·০০ |
| ৫১। প্লেটো’ | ৩·০০ |
| ৫২। ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪·০০ |
| ৫৩। শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২·০০ |
| ৫৪। অসম সাহিত্য সভাৰ ভাষণাৱলী ৪ৰ্থ খণ্ড | ২০·০০ |

৫৫। Presidential Address 41st Session
৫৬। চাহ বাগিচাৰ অসমীয়া
৫৭। কৰম পূজা আৰু ঝুমুৰ গীত
৫৮। নাটক
৫৯। স্বপ্ন বাসৱদত্তা
৬০। জীৱনী
৬১। একাদশী ( গল্প )
৬২। আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী
৬৩। আনন্দচন্দ্ৰ আগৰৱালাৰ কবিতা আৰু প্ৰবন্ধ সংকলন
৬৪। চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী
৬৫। আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী
৬৬। কাৰ্বি জনগোষ্ঠী
৬৭। গাৰো সংস্কৃতিৰ ৰূপৰেখা
৬৮। টাই ভাষা
৬৯। মপিন উছৱ
৭০। দেউৰী চুতীয়া সম্প্ৰদায়
৭১। ডিমাছা জনগোষ্ঠী
৭২। ৰামায়ণৰ লংকাকাণ্ড : মূল তুলসী দাস
৭৩। বমুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি
৭৪। গোৱালপাৰাৰ লোকগীত সংগ্ৰহ
৭৫। মঙ্গলদৈ ০ মঙ্গলদৈ
৭৬। চুটি গল্প : উদয় দত্ত
৭৭। বিষ্ণুপ্ৰিয়া মণিপুৰী
৭৮। অসমৰ লিপি সমস্যা

## প্ৰমাণ-পঞ্জী

পোৱাৰ ঠাই :—[১] চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১
[২] ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১

পূৰ্বদেশ মুদ্ৰণ, ৰিহাবাৰী, গুৱাহাটী-৮ত মুদ্ৰিত আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদ
ড° হেমন্তকুমাৰ শৰ্মাৰ দ্বাৰা প্ৰকাশিত।

বেছ—খনে তিনি টকা মাথোন

সম্পাদক— যতীন গোস্বা